# ডিগবৈ মহাবিদ্যালয় আলোচনী '৯৯-২০০০



সম্পাদক: নীলোৎপল শইকীয়া

LIBRARY COPY

LIBRARY COPY

# ডিগবৈ

LIBRARY COPY

# মহাবিদ্যালয় আলোচনী

ত্ৰয়োবিংশতিতম সংখ্যা

১৯৯৯-২০০০ শিক্ষা বৰ্ষ

সম্পাদক - নীলোৎপল শইকীয়া

# ডিগবৈ মহাবিদ্যালয় আলোচনী

## ত্রয়োৱিংশতিতম সংখ্যা

ইং, ১৯৯৯-২০০০ বৰ্ষ


আলোচনীৰ নেপথ্যত

সম্পাদনা সমিতি

সভাপতি

মনেশ্বৰ বৰ্মন

উপদেষ্টা

মৃণাল কুমাৰ গগৈ

সম্পাদক

নীলোৎপল শইকীয়া

সম্পাদনা সহযোগী

অধ্যাপক - গোলাপ কলিতা

লোহিত গগৈ

মিলন গগৈ

জিন্তু দাস

শৈলেন বৰুৱা

ধৰণী লাহন

অৰ্পিতা চক্ৰৱৰ্তী

ৰশ্মি দত্ত

বেটুপাত

পৰিকল্পনা- সম্পাদক

অংকন- কিশোৰ কুমাৰ সিং

অংগসজ্জা

নীলোৎপল শইকীয়া

অলংকৰণ

কিশোৰ/অশ্বিনী/সম্পাদক/ৰশ্মি

প্ৰকাশক

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

মুদ্ৰণ -

শ্যাম অফ্‌ছেট, বৰবজাৰ-তিনিচুকীয়া।

# উৎসৰ্গ

## 'বাহু তোলা মৰণৰ শেষ আলিংগন'



অধ্যাপক ৺লংকেশ্বৰ দেৱশৰ্মা
এম,এ,ডি ফিল
জন্ম-১৯৩৮ - মৃত্যু-২৯/৫/২০০০



৺পঞ্চন ঠাকুৰ
জন্ম-১৯৮৩ - মৃত্যু-১৪/৮/২০০০

*মৃত্যুক জানো ৰুধিব পাৰি ?*

আমাৰ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মূৰব্বী অধ্যাপক ড° লংকেশ্বৰ দেৱশৰ্মা দেৱে অৱসৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে দুৰ্ঘটনা বশত: মৃত্যুক সাৱটি লয়। তদুপৰি উচ্চতৰ মাধ্যমিক বাণিজ্য শাখাৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ পঞ্চন ঠাকুৰৰ অকাল বিয়োগ ঘটে। দুয়োজনাৰ মৃত্যুৱে মহাবিদ্যালয়ত গভীৰ শোকৰ ছাঁ পেলায়। এই সংখ্যাৰ আলোচনীখন তেখেত সকলৰ পবিত্ৰ স্মৃতিত উছৰ্গা কৰিলো।

পৰম শ্ৰদ্ধাৰে-
সম্পাদক
*নীলোৎপল শইকীয়া*
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হৈ।

# শ্ৰদ্ধাঞ্জলি

*'নিৰুপায়!*
*পৃথিৱীৰ শোভা ঢাকি আকাশৰ*
*বিষাদ নীলিমা*
*তুমি আৰু মই সজা প্ৰেমৰ পৃথিৱীখনি*
*মৃত্যু তাৰ জীৱনৰ সীমা*

মৃত্যুৱে প্ৰিয়জনক আমাৰ পৰা আঁতৰাই নিয়ে চিৰদিন চিৰকাললৈ ।
পাই হেৰুৱাজনক দিবলৈ আমাৰ একো নাই,
আছে মাথো বিষাদৰ চকুলো দুধাৰি ।
বিগত বছৰটোত আমি হেৰুৱালোঁ
বিশিষ্ট নাট্যকাৰ, অভিনেতা, সমাজকৰ্মী, প্ৰাক্তন শিক্ষামন্ত্ৰী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, চিৰতৰুণ
*লক্ষ্যধৰ চৌধুৰী-*
অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি জনপ্ৰিয় ঔপন্যাসিক - *হিতেশ ডেকা -*
বিশিষ্ট ভাষাচাৰ্য পণ্ডিত, শিক্ষাবিদ- *ডক্টৰ উপেন্দ্ৰনাথ গোস্বামী-*
কেন্দ্ৰীয় শিক্ষামন্ত্ৰী *এচ, কুমাৰ মঙ্গলম -*
জ্ঞানপীঠ বঁটা বিজয়ী কবি সাহিত্যিক *আলী চৰ্দাৰ জাফৰী -*
সত্ৰীয়া নৃত্যৰ সাধক *ৰসেশ্বৰ শইকীয়া বৰবায়ন*
কুৰি শতিকাৰ শ্ৰেষ্ঠ কথা শিল্পী, সাহিত্য অকাডেমী বঁটা বিজয়ী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি,
প্ৰাক্তন সাংসদ, পদ্মশ্ৰী, পদ্মভূষণ *চৈয়দ আব্দুল মালিক -*
বড়ো সাহিত্য সভাৰ সভাপতি *বিনেশ্বৰ ব্ৰহ্ম*
ৰাচিয়াৰ চাব্‌মেৰিন দুৰ্ঘটনা আৰু ভাৰতৰ ৰেল দুৰ্ঘটনাত নিহত সকল -
অগ্নিগৰ্ভা অসমৰ হিংসা-হত্যাত নিহত সকল
আৰু জ্ঞাত-অজ্ঞাত অন্য বন্ধুজনক ।
এই সকলোৰে প্ৰতি নিবেদিছোঁ বেথাভৰা অন্তৰৰ শ্ৰদ্ধাৰ অঞ্জলি -

-সম্পাদনা সমিতি

# শুভ ইচ্ছা

ডিগবৈ মহাবিদ্যালয় আলোচনীখনিৰ ত্ৰয়োবিংশতিতম্ সংখ্যাটি অলপতে প্ৰকাশ পাব বুলি জানি আনন্দ পাইছোঁ। মহাবিদ্যালয়ৰ আলোচনী এখন সেই মহাবিদ্যালয়ৰছাত্ৰ-ছাত্ৰী, শিক্ষকৰ চিন্তা-চৰ্চা, সৃজনশীল আত্ম-প্ৰকাশ আৰু ভাষা-সাহিত্য, শিল্প-চৰ্চাৰ এটি মাধ্যম। মহাবিদ্যালয়ৰ আলোচনীখনৰ ওপৰত মহাবিদ্যালয় কৰ্তৃপক্ষই বহুসময়ত যথাযোগ্য গুৰুত্ব দিয়া দেখা নাযায়।

আমি মহাবিদ্যালয় সমূহৰ আলোচনী এখন মেলি লৈ সেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ চিন্তা-চৰ্চা, মনন, ভাষা-চেতনা, সৌন্দৰ্য-চেতনা আনকি সামাজিক, ৰাজনৈতিক বোধৰো এটা পৰিচয় বিচাৰোঁ।

ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলোটিলৈকে মোৰ আন্তৰিক স্নেহ-সম্ভাষণ জনালোঁ।

ডিগবৈ মহাবিদ্যালয়ৰ ওলাব লগা সংখ্যাটি সুন্দৰ হৈ ওলাৱক।

নীলমণি ফুকন
ডিগবৈ,
১৯-১২-২০০০

# কৃতজ্ঞতাৰ শৰাই

- বিশিষ্ট কবি আৰু কলা সমালোচক শ্ৰীযুত নীলমণি ফুকন।
- সাক্ষাৎকাৰ দি আলোচনী খনিৰ সৌষ্ঠৱ বৃদ্ধি কৰা কবি নীলিম কুমাৰ।
- ছাত্ৰ একতা সভাৰ সভাপতি তথা আলোচনী বিভাগৰ সম্পাদনা সমিতিৰ সভাপতি মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত মনেশ্বৰ বৰ্মন।
- আলোচনী বিভাগৰ মাননীয় উপদেষ্টা মহোদয় শীযুত মৃণাল কুমাৰ গগৈ।
- বেটুপাত অংকনত সহায় কৰা শিল্পী কিশোৰ কুমাৰ সিং।
- অতিথি লেখক ড০ প্ৰদীপ কুমাৰ বৰুৱাকে প্ৰমূখ্যে কৰি এই সংখ্যাৰ আলোচনীৰ সমূহ লেখক লেখিকা।
- আলেচনী সম্পৰ্কীয় বিভিন্ন কাৰ্য্যত সহায় কৰা অধ্যাপক সৰ্বশ্ৰী মোহিনী কুমাৰ বৰদলৈ(অৱসৰ প্ৰাপ্ত), পূৰ্ণানন্দ শইকীয়া, গোলাপ কলিতা, দেবীচৰণ চেদাই, পবিত্ৰ ভঁৰালী, অচ্যুত শইকীয়া, গৌৰী বুঢ়াগোহাঁই, অধ্যাপিকা শ্ৰীমতী নন্দিতা মিত্ৰ, অনু বৰগোহাঁই আৰু গ্ৰন্থাগাৰিক শ্ৰীযুত বৰুণদেৱ।
- সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যাবৃন্দ।
- অশ্বিনী, জিতেন, অভিষেক, পদ্ম, পংকজ, অজয়, মনোজ, অমৰ, পল্লৱ, মাধৱ, ৰাতুল, গোবিন্দ, অংকুৰ, শংকৰ, ৰূপম, বাবলু, ৰবীনদা, পাৰবিন, মৌচুমী, মৌটুসী, ৰুণা, ৰুমি, ইলা, ৰাধিকা, পাপৰি, প্ৰণিতা, বৰ্ণালী, লটিফা, লিপিকা, মৌমিতা, ৰীমি, অৰ্পণা, কৰিণা আৰু অৰুণিমা।
- ছপাশালৰ স্বত্বাধিকাৰী তথা সমূহ কৰ্মচাৰীবৃন্দ।
- নানা দিহা পৰামৰ্শৰে অনুপ্ৰাণিত কৰা সকলো শুভাকাংখী তথা যিসকল লোকে নিজৰ বহুমূলীয়া সময়কো নেওচি আলোচনীখন প্ৰকাশ কৰি উলিওৱাত সহায়ৰ হাত আগবঢ়ালে আৰু যি সকলে নিজৰ অপ্ৰাণ সময় থকাৰ পাছতো সহায়ৰ হাত আগবঢ়োৱাত কৃপণালী কৰিলে সেই সকলোলৈকে আমাৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

-সম্পাদনা সমিতি



কৰ্মৰত ডিগবৈ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত মনেশ্বৰ বৰ্মণ ।

## সম্পাদনা সমিতি -

ত্ৰয়োৱিংশতিতম সংখ্যা ১৯৯৯-২০০০ বৰ্ষ



মনেশ্বৰ বৰ্মন
সভাপতি



অধ্যাপক গোলাপ চন্দ্ৰ কলিতা
সদস্য



মৃণাল কুমাৰ গগৈ
উপদেষ্টা



নীলোৎপল শইকীয়া
সম্পাদক



ৰশ্মী দত্ত
সদস্যা



মিলন গগৈ
সদস্য



অৰ্পিতা চক্ৰৱৰ্ত্তী
সদস্যা



লোহিত গগৈ
সদস্য



জিন্তু দাস
সদস্য



শৈলেন বৰুৱা
সদস্য

*Our Sincere regard and congratulations to those*

## Teachers and other workers of Digboi College Who have in the meantime completed higher studies.



**M. Barman,** M. A., PGDTE (CIEFL)
Dept. of English
Central Institute of English and Foreign Languages, Hyderabad



**M. K. Bordoloi,** M. A., M. Phil
Dept. of Assamese **(Retd.)**
Delhi University



**Dr. R. Sarkar,** M. A., Ph. D
Dept. of Bengali
Guwahati University



**P.K. Khound,** M. Sc., M. Phil
Dept. of Electronics
Dibrugarh University



**Late T.C. Hazarika,** M. A., M. Phil
Dept. of Assamese
Dibrugarh University



**Dr. Raj Rup Singh,**
M. A. (Double), M.Ed., M. Phil., Ph. D
Dept. of Hindi **(Retd.)**
Kashi Vidyapith, Banarashi



**Ambika Gupta,** M. A., M. Phil
Dept. of English
Dibrugarh University



**P. N. Saikia,** M. A., M. Phil
Dept. of Assamese
Dibrugarh University



**Dr. Nirmala Devi,** M. A., Ph. D.
Dept. of Philosophy
Guwahati University



**Dr. Itu Das,** M. A., Ph. D.
Dept. of Philosophy
Guwahati University



**Dr. A. C. Deka,** M. Sc., Ph. D.
Dept. of Mathematics
Dibrugarh University



**Dr. A. C. Sharma,** M. Sc., Ph. D.
Dept. of Physics
Dibrugarh University



**Dr. S. L. Prajapati,** M. A., B.T., Ph. D.
Dept. of History **(Retd.)**
Guwahati University



**D. R. Deb,** M.Sc., M. Phil
Dept. of Physics
Dibrugarh University



**Dr. S. K. Kar,** M.Sc., M. Phil., Ph. D.
Dept. of Chemistry
Delhi University



**B.C. Kotokey,** M.Sc., M. Phil
Dept. of Mathematics **(Retd.)**
Dibrugarh University



**Dipika Hazarika,** M.Sc., M. Phil
Dept. of Physics
Dibrugarh University



**G.C. Kalita,** M.Sc., M. Phil
Dept. of Chemistry
Dibrugarh University



**Jonali Dutta,** M.Sc., M. Phil
Dept. of Chemistry
Dibrugarh University



**Late Dr. L.D. Sharma, MA, LLB, Ph. D.**
Department of Sanskrit
Guwahati University



**C.C. Baruah, M. Com, M. Phil**
Department of Commerce
Dibrugarh University



**A.C. Dutta, MA, M. Phil**
Department of Pol. Science
Dibrugarh University



**M.K. Gogoi, MA, M.Phil.**
Department of Assamese
Guwahati University

**A. Saikia , MA, M. Phil**
Department of Assamese
Dibrugarh University



**B. Deb , BA, B. Lib. Sc.**
Guwahati University



**A. K. Phukan, BA, B. Lib, I. Sc.**
(IGNOU)

*We Aslo extend our sincere honour to*
Dr. P.K. Bhuyan (Retd. Principal of our College)
Dr. K. Deka ( Principal, Digboi Mahila Mahabidyalaya)
Dr. Dinesh Boruah ( Jorhat Science College)
H.N. Sharma ( Principal, Margherita College)
Dr. N.K. Dey, (Dibrugarh University)
Dr. Minu Buragohain (D.H.S.K. College)
Dr. Rita Choudhury ( Guwahati University)

# ডিগবৈ মহাবিদ্যালয় - কোৰাচ

ৰচনা - ডঃ কান্তেশ্বৰ ডেকা/বিমল গগৈ
সুৰ - ডঃ কান্তেশ্বৰ ডেকা/বৰুণ দেৱ

এয়া অসম দেশৰে প্ৰান্ত,
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত,
মানৰ হৃদয় প্ৰাণৱন্ত॥

এখন ছবি এয়া বহুতো ৰঙৰ,
বহুত জনৰ আৰু বহুতো প্ৰাণৰ;
তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত,
মানৰ হৃদয় প্ৰাণৱন্ত॥

সূৰুযমুখী আমাৰ এ মন
উৰ্দ্ধমুখী আমাৰ এ মন,
আমি যাওঁ,- শান্তিৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ,- শান্তিৰ জোনাক বিচাৰি যাওঁ॥
মহা প্ৰলয়ৰ মহাভাৰতৰ
ইতিহাসত আমি পাওঁ
মহান মহান কত শ্ৰেষ্ঠ তুলিকা
মানৰক আমিয়ে বিলাওঁ॥
ডিগবৈ কলেজৰ কৃতিত্বৰে
দেশ-মাতৃৰ মুখ উজলাওঁ
আমি যাওঁ - জ্ঞানৰ পোহৰ বিচাৰি
আমি যাওঁ - শান্তিৰ জোনাক বিচাৰি

# সূচীপত্ৰ




*সম্পাদকীয়-*

*প্ৰবন্ধ সৌৰভ-*

বিখ্যাত নাট্যকাৰ উইলিয়াম চেক্সপীয়েৰ
আৰু কিছু প্ৰাসংগিক কথা/লাচিত বৰা/১
সুদীৰ্ঘ শিক্ষক জীৱনৰ অভিজ্ঞতা আৰু
উত্তৰ পুৰুষৰ প্ৰতি পৰামৰ্শ/মদন মোহন চৌধুৰী/৪
যুৱ মানসিকতা আৰু কিছু প্ৰাসঙ্গিক চিন্তা/নীলোৎপল শইকীয়া/৭
ভাৰতীয় বিজ্ঞানীৰ উজ্জ্বল নক্ষত্ৰ ঃ
ছাৰ চন্দ্ৰশেখৰ ভেঙ্কটৰমন/গোলাপ কলিতা/১২
পাশ্চাত্য সঙ্গীত/জিতু কটকী/১৫
আহোম যুগৰ বুৰঞ্জী সাহিত্য - এটি চমু আভাস/হিতালী গগৈ/১৮
যুদ্ধ শান্তি আৰু মানৱ জাতি/সংগীতা বৰুৱা/২০
ধৈৰ্য্য/কৃণা ভাগৱতী/২৩
আমাৰ জাতীয় জীৱন, প্ৰচলিত সংস্কৃতি
আৰু মোৰ চিন্তা/অৰূপ কলিতা/২৪
আমাৰ ছাত্ৰ সমাজ আৰু প্ৰতিযোগিতামূলক পৰীক্ষা/জিন্তু দাস/২৬
বংশগতিৰ আধুনিক ধাৰ/ড° প্ৰদীপ কুমাৰ বৰুৱা/২৯
বৈ গ'ল অৱশেষ মহাসমৰৰ/ফটো/৩৪

*গল্প গুচ্ছ-*

ভয়/অশ্বিনী শইকীয়া/৩৫
যুগে যুগে বত্নাকৰ/সন্তোষ কুমাৰ/৩৮
শেষ সিদ্ধান্ত/পম্পী বড়া/৪২
সততাৰ সন্ধানত মনীষা/লোহিত গগৈ/৪৪
অসম্পূৰ্ণ বাক্যটো/দীপজ্যোতি সোণোৱাল/৪৬
অভিনয়/মিতুল গগৈ/৪৭
তুমি আহিবা বুলি বাৰে বাৰে/অঞ্জনজ্যোতি শইকীয়া/৫০
শান্তি প্ৰতিষ্ঠা কৰক ।
শান্তিয়েহে সুস্থ সমাজ গঢ়ি তোলে/ফটো/৫৬
কবি নীলিম কুমাৰৰ সৈতে এখন্তেক/সাক্ষাৎকাৰ/৫৭

*ভ্ৰমণ বৃত্তান্ত-*

প্ৰথম কেম্প/৫৯
আলোচনী সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীৰ অভিমত/৬১
শিল্পতৰঙ্গ/ফটো/৬৪

কবিতা কুঞ্জ-

শেষ বসন্তৰ হাঁহি/ৰেখামণি দিয়াং/৬৫
অনুভৱ/মধুমিতা বুঢ়াগোহাঁই/৬৫
কেৱল প্ৰেমেৰে তোমাক/অনীমা/৬৬
মাজনিশা নিবনুৱা ভেকুলীৰ চিঞৰ/মিতুল গগৈ/৬৬
আজি নিশাটোৰ বাবে/জিতু কটকী/৬৭
কেৱল মোৰ জীৱন/অঞ্জনজ্যোতি দাস/৬৭
হে পুৰুষ তোমাক নমস্কাৰ/ৰীমা গগৈ/৬৮
কবি/ৰাজু হাজৰিকা/৬৮
স্পৰ্শ/মৃত্যুঞ্জয়/৬৯
হৃদয়ৰ অনুভূতি/নৱনীতা কোঁৱৰ/৬৯
এই চহৰৰ প্ৰাচীন প্ৰেমিক/দীপেন কুমাৰ বড়া/৭০
আমার একমাত্র জায়গাটা/অনামিকা রাজ/৭০
আমি দেখেছি/অৰ্পিতা চক্ৰবৰ্ত্তী/৭১
প্ৰিয়/মানসী ভট্টাচাৰ্য্য/৭১
এক সুলগতী শাম কী গজল/অনামিকা ৰাজ/৭২
জিন্দগী/শান্তি অধিকাৰী/৭৩
অধুৰী জীৱন/হৰি শৰ্মা/৭৩
মোৰ দুচকুত পাহাৰৰ ঠাইত এতিয়া মৰিশালিৰ নীৰৱতা/ফটো/৭৪
ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ সৈতে
তত্বাৱধায়কসকল/ফটো/৭৫
অধ্যক্ষসহ কৰ্মচাৰীবৃন্দ/ফটো/৭৬
কেইগৰাকীমান ছাত্ৰীৰে সৈতে
ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰীনিবাস/ফটো/৭৭
ডিগবৈ মহাবিদ্যালয়ৰ কেইটিমান ফটো/৭৮/৭৯
আমাৰ মহাবিদ্যালয়ৰ গৌৰৱ/ফটো/৮০

**English Section-**

Our Thoughts And Quests/Pabitra Bharali/৮৩
Is The Public Sector Responsible For Economic
Bankruptcy/Rasmi Rekha Dutta/৮৭
Moods/Kishor Kr. Sharma/৮৮
Internet/Rashmi Datta/৮৯
Why Should Be Have A Scientific Mind And A
Scientific Thinking/Jintu Das/৯২
Human Races Of The Margherita Sub-Division A
Reep Into Their Formation And
Identity/Mousumi Kalita/৯৫
Indian Culture - Rabindranath Tagore : As a
Thinker/Lachit Bora/৯৮
Pinnacle of Lunacy/Rashmi Datta/১০১
Tear/Ashwini Saikia/১০১
Rarity/Arun Ghimira/১০২
This is life/Sanjay Das/১০২
Secret Dream/Anamika Raj/১০২
ছাত্ৰ একতা সভাৰ সম্পাদকসকলৰ প্ৰতিবেদন/১০৩ -১১৩
Result Of The 35th Annual College Week
1999-2000/১১৪
Our Ex-Editors/১১৬

# সম্পাদকীয়

## সাহিত্য সম্পৰ্কে যৎকিঞ্চিৎ

সাহিত্য হৈছে মানুহৰ বৌদ্ধিক চিন্তা আৰু সৃজনী-প্ৰতিভাৰ সমন্বিত শিল্পৰূপ। ই কেৱল বিনন্দ-বিলাসৰ সামগ্ৰী নহয়। বৰঞ্চ ব্যক্তি আৰু সমাজ উভয়কে উচ্চতৰ জীৱনাদৰ্শৰ সন্ধান দিওঁতা এবিধ কলা। লিখিলেই যি দৰে সাহিত্য নহয়, পঢ়িলেই সিদৰে চৰ্চা নহয়। লেখকৰ মননশীলতাই পাঠকৰ মানসিক উৎকৰ্ষ সাধন কৰিব পৰাত নিৰ্ভৰ কৰে সৃষ্টি আৰু চৰ্চাৰ সাৰ্থকতা। সাহিত্য সমাজৰ দাপোণ, সমাজ পৰিবৰ্তনৰ অব্যৰ্থ আহিলা। সাহিত্যত প্ৰতিফলিত হ'ব লাগিব সমাজ বাস্তৱৰ গতি প্ৰকৃতি আৰু বাঞ্চিত ভৱিষ্যতৰ স্বপ্ন। লেখকৰ সামাজিক দায়বদ্ধতাৰ গুৰুত্ব সেইখিনিতে। জাতীয় জীৱনৰ পৰিপ্ৰেক্ষিতত সাহিত্যই অনৈক্যত ঐক্য আৰু নিৰাশাত আশাৰ সঞ্চাৰ কৰিব লাগিব। ইতিহাসৰ পাত লুটিয়ালে আমি দেখোঁ যেতিয়াই সমাজত অশুভ শক্তিৰ উত্থান ঘটে, জাতীয় জীৱনলৈ অন্ধকাৰ নামি আহে তেতিয়াই শিল্পী, সাহিত্যিক, দাৰ্শনিক, চিন্তানায়কে উচিত পথৰ সন্ধান দিয়ে। সৈনিকৰ ধাৰাল তৰোৱালতকৈ শক্তিশালী সাহিত্যিকৰ সুতীক্ষ্ণ কলম।

সময়ে সময়ে সংকটৰ ধুমুহা অতিক্ৰম কৰি অসমীয়া ভাষা সাহিত্যই ইয়াৰ গতিশীল ধাৰা আজিও অব্যাহত ৰাখিছে। আমাৰ সাহিত্যিক সকলে মানৱীয় মূল্যবোধ আৰু স্বদেশপ্ৰেমৰ চেতনা জগাই তোলাৰ লগতে পৰিবৰ্তিত জীৱন ধাৰাক ফুটাই তুলিবলৈ যত্নপৰ হৈছে। তথাপি অসমীয়া সাহিত্যত মহৎ সৃষ্টিৰ অভাৱ ঘটিছে বুলি অভিযোগ মাজে মাজে শুনা যায়। এই অভিযোগ একেবাৰে ভিত্তিহীন বুলিবও নোৱাৰি। সামাজিক অশান্তি, ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক সংকট এইবোৰ ইয়াৰ কাৰক হয়তো হ'ব পাৰে। এটা বছৰত নতুনকৈ প্ৰকাশিত কিতাপৰ সংখ্যাৰ ওপৰত সাহিত্যৰ শ্ৰীবৃদ্ধি নিৰ্ভৰশীল বুলি ভাবিলে শুদ্ধ সিদ্ধান্ত গ্ৰহণ কৰা নহ'ব। মানুহৰ চিন্তাজগতত আলোড়ন তুলি সফল বৌদ্ধিক নেতৃত্ব দিব পৰা সাহিত্যহে এতিয়া সবাতোকৈ প্ৰয়োজনীয়। আশা কৰোঁ আমাৰ সাহিত্যিক সকল এনে মহৎ সৃষ্টিৰ সাধনাত ব্ৰতী হ'ব।

☆ <u>দুৰন্ত বাস্তৱ আৰু একবিংশ শতিকাৰ স্বপ্ন ঃ</u>

চাওঁতে চাওঁতে অতিবাহিত হ'ল একবিংশ শতিকাৰ প্ৰথমটো বছৰ। বিগত শতিকাৰ সোণালী সপোনবোৰ এতিয়া বাস্তৱৰ ধোৱাঁৰে ধূসৰ। চলিত সমস্যা বোৰৰ লগত সংযোজিত হৈছে নিতৌ নতুন সমস্যা। দাৰিদ্ৰ, সংস্থাপনহীনতা, সন্ত্ৰাস-আতংক, অন্ধবিশ্বাস, ধৰ্মান্ধতা, আঞ্চলিকতা, গোষ্ঠী সংঘাত, শোষণ প্ৰতাৰণা আদি যি হাৰত বৃদ্ধি পাব লাগিছে, সিবোৰে এক ভয়াবহ ভৱিষ্যতৰ ছবি চকুৰ আগত দাঙি ধৰিছে। আমাৰ সামাজিক আৰু ৰাজনৈতিক পৰিৱেশ এতিয়া বিকৃত আৰু অস্থিৰ।

স্বাধীনতাৰ স্বৰ্ণজয়ন্তী অতিক্ৰম কৰা ভাৰতবৰ্ষত এতিয়া মূল্যবোধৰ অৱক্ষয়, নেতৃত্বৰ প্ৰতাৰণা আৰু দুৰ্নীতিৰ অবাধ ৰাজত্ব। স্বদেশ প্ৰেমৰ মুখা পিন্ধি স্বাৰ্থপৰতাৰ স্বৰূপ ঢাকি ৰখা নেতা সকল দেশৰ আটাইতকৈ ডাঙৰ শত্ৰু। দলৰ পাছত দল সৃষ্টি আৰু দল বাগৰাৰ ৰাজনীতিয়ে নাগৰিকৰ ৰাজনৈতিক চেতনাকো দোদুল্যমান কৰি তুলিছে। বিগত কিছু বছৰ ধৰি কেন্দ্ৰ আৰু সৰহ সংখ্যক ৰাজ্যত এটাও দলে সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰা অৱস্থাই সেই কথাকে প্ৰতিপন্ন কৰে। ভাৰতবৰ্ষ কল্যাণকামী গণতান্ত্ৰিক ৰাষ্ট্ৰ বুলি কোৱা কথাষাৰ এক কাল্পনিক আদৰ্শ মাত্ৰ, বাস্তৱত সত্য নহয়।

নৈতিকতাৰ পৰা বিছিন্ন যুৱশক্তি আজি সন্ত্ৰাসৰ সেৱক আৰু 'ইজিমনি'ৰ উপাসক। শোষণবিহীন শাসন, কঠোৰ পৰিশ্ৰম আৰু সৃষ্টিশীলতাৰ অবিহনে এটা জাতিৰ প্ৰগতি অসম্ভৱ। আমাৰ বিভ্ৰান্ত যুৱশক্তিয়ে সেইকথা উপলব্ধি কৰাৰ বিপৰীতে স্বাধীনতাৰ পাছতো স্বাধীনতাৰ স্বপ্ন ৰচি আত্মবিনাশৰ আখৰা পাতিছে। মৰীচিকাৰ অন্বেষণ মৰুযাত্ৰীৰ মৰণৰ নামান্তৰ মাথোন।

ক্ষমতাশালী ধনী দেশবিলাকে অস্ত্ৰ বিক্ৰীৰ বজাৰখন সুগম কৰি ৰাখিবলৈকে ভাৰতবৰ্ষৰ দৰে দেশত বিচ্ছিন্নতাকামী সন্ত্ৰাস চলি থকাৰ পোষকতা কৰে। বিশ্বৰ দেশ বিলাকৰ মাজত দেখাক দেখি আণৱিক শক্তি আহৰণৰ যি প্ৰতিযোগিতা চলিছে, নতুন প্ৰজন্মৰ বাবে সি আতঙ্ক আৰু অশুভ শক্তিৰ ইংগিত বাহক। ভাৰতবৰ্ষৰ দৰে দুখীয়া দেশত প্ৰতিৰক্ষা আৰু আমোদ প্ৰমোদত যিমান অৰ্থ ব্যয় কৰা হয়, সেইখিনি ধন শিক্ষাৰ উন্নয়ন আৰু দৰিদ্ৰতা নিৰ্মূলত প্ৰয়োগ কৰা হ'লে দেশৰ সামগ্ৰিক ছবিখনেই সলনি হ'লহেঁতেন।

সকলো প্ৰাণীতকৈ শ্ৰেষ্ঠ বুলি দাবী কৰা মানুহে আজি ক্ষমতাৰ মোহ আৰু স্বাৰ্থপৰতাৰ খাতিৰত পশুত্বৰ বহু তললৈ

অৱনমিত হৈছে। মনুষ্যেতৰ প্ৰাণী বিলাকে কেৱল খাদ্যৰ বাবেহে অন্য প্ৰাণীক বধ কৰে। কিন্তু আজিৰ মানুহে যুদ্ধ আৰু সন্ত্ৰাসৰ নামত হত্যা কৰিছে হাজাৰ হাজাৰ নিৰপৰাধী, নিৰীহ মানুহ। সকলো সময়তে নিৰাপত্তাহীনতাত ভুগি থকা মানুহে শান্তি আৰু প্ৰগতিৰ কথা চিন্তা কৰিব কেনেকৈ ? কৰ্ম সংস্কৃতি আৰু মানৱীয় প্ৰমূল্যক পুণৰ প্ৰতিষ্ঠাইহে শান্তি আৰু প্ৰগতিৰ পথ মুকলি কৰিব। শিল্পী, সাহিত্যিক, সমাজকৰ্মী আৰু বুদ্ধিজীৱী আদি পথ প্ৰদৰ্শক সকলে সেই দায়িত্ব কিমান নিষ্ঠা সহকাৰে পালন কৰে তাৰ ওপৰত নিৰ্ভৰ কৰিছে দেশ আৰু জাতিৰ ভৱিষ্যত। দশোদিশে বিয়পি পৰক একবিংশ শতিকাৰ আন্ধাৰ বিনাশী প্ৰভাতী পোহৰ।

☆ আলোচনীৰ আৰঁৰ কথা ঃ

মহাবিদ্যালয়ৰ আলোচনী এখন ছাত্ৰ-ছাত্ৰী সকলৰ মৌলিক তথা বৌদ্ধিক প্ৰতিভাৰ প্ৰতিভূ। ইয়াত প্ৰতিভাত হয় তেওঁলোকৰ সম্ভাৱনাময় ভৱিষ্যতৰ আগলি বতৰা। আমাৰ সমাজৰ লব্ধ-প্ৰতিষ্ঠ লেখক লেখিকা সকলৰ ছাত্ৰ জীৱনৰ ইতিসাসে সেই কথা প্ৰত্যায়িত কৰে। তেনে পৰ্য্যায়ৰ এখন আলোচনী সম্পাদনা কৰাটো সহজ সাধ্য নহয়। সেয়েহে ডিগবৈ মহাবিদ্যালয়ৰ ইং ১৯৯৯-২০০০ শিক্ষাবৰ্ষৰ আলোচনীখনি সম্পাদনাৰ দায়িত্ব মূৰ পাতিলৈ যিমান আনন্দিত হৈছিলোঁ, আতঙ্কিত হৈছিলোঁ তাতোকৈ অধিক।

কাৰ্য্যভাৰ গহণ কৰিয়েই সম্পাদনা সমিতিৰ বৈঠক অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীৰ পৰা লিখনি আহ্বান কৰি জাননী দিয়া হৈছিল। ব্যক্তিগত ভাৱে লগ ধৰিও বহুতক অনুৰুধ জনাইছিলোঁ। কিন্তু পৰিতাপৰ কথা যে লিখনি জমা দিয়াৰ শেষ তাৰিখ পিছুৱাই নি কেইবাবাৰো জাননী দিয়াৰ পিছতো পৰ্য্যাপ্ত পৰিমাণৰ উচ্চ মানদণ্ডৰ লিখনি পোৱা নগ'ল। সাহিত্য চৰ্চাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অনীহাই সম্পাদনাৰ কামটো অধিক জটিল কৰি তুলিছে। চিন্তা আৰু সৃষ্টিৰ দৈন্য নতুন পুৰুষৰ পক্ষে শুভ লক্ষণ নহয়। তথাপিও কেইগৰাকীমান শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীৰ সহযোগত আলোচনীখন প্ৰকাশ কৰাটো সম্ভৱপৰ হৈ উঠিল।

এই সংখ্যাৰ আলোচনীখনিৰ কেইটামান দিশত গতানুগতিকতাৰ পৰিহাৰ কৰি নতুনত্ব সংযোগৰ প্ৰয়াস কৰিছিলোঁ। সেই মৰ্মে হিন্দী, নেপালী আৰু বাংলা কবিতাৰ শিতান একোটা খোলা হৈছিল। পিছে প্ৰতিটো শিতানতে তিনি চাৰিটাতকৈ অধিক কবিতা পোৱা নগ'ল। ইংৰাজী বিভাগৰ গল্পৰ ক্ষেত্ৰত অংকটো শূন্যৰ ঘৰতে পৰিলগৈ। সাহিত্যৰ আংগিক ব্যাকৰণগত শুদ্ধতাৰ প্ৰতি সৰহভাগ ছাত্ৰ-ছাত্ৰী সচেতন নহয় যেন লাগে। বছৰটোৰ ভিতৰত কেৱল কলেজ সপ্তাহত খেলিবলৈ অহাটো যেনেকুৱা বছৰটোৰ মূৰত কলেজ আলোচনীৰ বাবে কিবা এটা লিখি কলমটো সামৰি থোৱাটোও তেনেকুৱা। চিন্তা-চৰ্চা আৰু অনুশীলনেহে উৎকৰ্ষ আনি দিয়ে। সীমিত পুঁজিও আলোচনী খনৰ সুন্দৰকৈ প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত প্ৰতিবন্ধক। সকলো বাধা-বিঘিনি অতিক্ৰম কৰি আলোচনী খন সময়মতে প্ৰকাশকৰি উলিওৱাত যত্নপৰ হৈছিলোঁ। পাঠকৰ সন্তুষ্টিয়েই সম্পাদকৰ পুৰস্কাৰ। সহৃদয় পাঠক পাঠিকা সকলে সেই সন্তুষ্টিলাভ কৰিলে আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

☆ কৃতজ্ঞতাৰ শৰাই ঃ

জয়-জয়তে ১৯৯৯-২০০০ শিক্ষাবৰ্ষৰ ডিগবৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক ৰূপে মোক নিৰ্বাচিত কৰি গুৰুভাৰ অৰ্পণ কৰাৰ কাৰণে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কাৰ্য্যভাৰ গ্ৰহণ কৰি প্ৰথম পদক্ষেপ হিচাপে মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনা(ইং ২৪/১২/৯৯ তাৰিখ) আই. অ. চি. (এ. অ. ডি.)ৰ উচ্চ পদস্থ বিষয়া শ্ৰীযুত ৰাজীৱলোচন হাজৰিকা দেৱৰ দ্বাৰা প্ৰাচীৰ পত্ৰিকা 'শতাব্দী' উন্মোচন কৰা হয়। মাথোন চাৰি দিনৰ ভিতৰতে প্ৰকাশিত পত্ৰিকা খনিৰ কামত দেহে-কেহে খাটি দিয়া ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মৃণালকুমাৰ গগৈ, অৱসৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মোহিনী কুমাৰ বৰদলৈ, অধ্যাপক সৰ্বশ্ৰী পূৰ্ণানন্দ শইকীয়া, গোলাপ কলিতা, অচ্যুত শইকীয়া, গৌৰী বৰগোহাঁই, পবিত্ৰ ভঁৰালী, দেৱীচৰণ চেচাই, অধ্যাপিকা শ্ৰীযুতা নন্দিতা মিত্ৰ, শ্ৰীযুতা অনু বুঢ়াগোহাঁই আৰু গ্ৰন্থাগাৰিক শ্ৰীযুত বৰুণ দেৱৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ছাত্ৰ-ছাত্ৰী সকলৰ ভিতৰত সম্পাদনা সমিতিৰ সদস্য বৰ্গকে ধৰি অশ্বিনী শইকীয়া, মিলন গগৈ, লোহিত গগৈ, পাৰবিন শইকীয়া, ৰশ্মি দত্ত আৰু অৰ্পিতা চক্ৰৱৰ্তীৰ নাম পাহৰিলে অন্যায় কৰা হ'ব। বিভিন্ন সময়ত উৎসাহ দিওঁতা - জিতেন, অভিষেক, পদ্ম, পংকজ, অজয়, অমৰ, পল্লৱ, অংকুৰ, শংকৰ, ৰূপম, বাবলু, লাচিত, ৰবীনদা, ৰূণা, ইলা, ৰাধিকা, পাপৰি, প্ৰণিতা, বৰ্ণালী, লটিফা, মৌমিতা, অপৰ্ণা, কৰিনা, মৌটুসী, মৌচুমী, ৰীমি আৰু অৰুণিমাৰ সলাগ লৈছোঁ। বেটুপাত অংকনত সহায় কৰা শিল্পী কিশোৰ কুমাৰ সিংহলৈ ধন্যবাদ জনোৱাৰ লগতে তেওঁৰ সফল ভৱিষ্যত কামনা কৰিলোঁ।

তিনিচুকীয়াৰ 'শ্যাম অফছেট'ৰ স্বত্বাধিকাৰীৰ আন্তৰিক সহযোগিতা আৰু কৰ্মীবৃন্দৰ ত্যাগ স্বীকাৰৰ বিনিময়ত আলোচনীখন যথাসময়ত প্ৰকাশ হৈ ওলাল। তেখেত সকললৈকো ধন্যবাদ জ্ঞাপন কৰিছোঁ। ছপাশালৰ ভুলকে ধৰি বিভিন্ন দিশত আমাৰ অজ্ঞাতে থাকি যোৱা দোষ ত্ৰুটিৰ বাবে সকলোৰে ওচৰত নতশিৰে ক্ষমা বিচাৰিছোঁ

শেষত ডিগবৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে সম্পাদকৰ কলম সামৰিছোঁ।

ধন্যবাদেৰে -

নীলোৎপল শইকীয়া
১৯৯৯-২০০০ বৰ্ষ

# “বিখ্যাত নাট্যকাৰ উইলিয়াম চেক্সপীয়েৰ আৰু কিছু প্ৰাসংগিক কথা”

*লাচিত বৰা*
স্নাতক তৃতীয় বাৰ্ষিক (কলা)



“He was not of an age,
but for all time”

চেক্সপীয়েৰৰ মৃত্যুৰ সময়ত তেওঁৰ প্ৰায় সমসাময়িক নাট্যকাৰ বেন জন্‌চনে চেক্সপীয়েৰৰ নাটকৰ কালজয়ী প্ৰভাৱ উপলব্ধি কৰিয়ে এই মন্তব্য কৰিছিল । বিদ্যা-শিক্ষা কৰা কালছোৱাত আৰ্থিক অনাটনবশতঃ মাত্ৰ তেৰ বছৰ বয়সতেই স্কুল এৰি আহি সামান্য ব্যৱসায়ত লাগিব লগীয়া হোৱাত, চেক্সপীয়েৰৰ জ্ঞান লাভৰ বাটত যথেষ্ট অন্তৰায় হৈছিল যদিও - জন্মগত প্ৰতিভাই সেই অন্তৰায়ৰ মাজেৰে আজি কালিকৈ খাপে খাপে যি প্ৰভাৱ বিস্তাৰ কৰিব ধৰিলে, সেই প্ৰভাৱে অকল সেই সময়ৰেই মানুহৰ মাজত একক আৰু অপ্ৰতিদ্বন্দ্বী বুলি খ্যাতি লাভ কৰা নাই : আজিও, বিশেষকৈ নাট্যকাৰ হিচাপে বিপুল পৃথিৱীৰ চুকে-কোণে তেওঁৰ প্ৰভাৱৰ প্ৰভা অপ্ৰতিহত গতিৰে বিকীৰ্ণ হৈয়ে আছে আৰু আগলৈও থাকিব ।

অকল য়ুৰোপেই নহয়, সমগ্ৰ বিশ্বৰেই নাট্য-সাহিত্যৰ পথিকৃৎ চেক্সপীয়েৰৰ জন্ম সম্পৰ্কে আজিও মানুহৰ মনত দ্বিধা হৈয়েই আছে । এটা ঐতিহাসিক তথ্যৰ পৰা জনা যায় যে জ’ন চেক্সপীয়েৰৰ পুতেক উইলিয়াম চেক্সপীয়েৰৰ জন্ম হয় ১৫৬৪ চনৰ ২৩ এপ্ৰিল তাৰিখে ৱাৰ্‌উইকশ্বায়াৰ নগৰৰ ওচৰৰ ‘ষ্টেট্‌ফোৰ্ড-অন-এভন’ নামৰ এখন সৰু ঠাইত । সাত বছৰ বয়সত উইলিয়াম চেক্সপীয়েৰৰ দেউতাকে ষ্টেট্‌ফোৰ্ডৰ ফ্ৰি-গ্ৰামাৰ স্কুলত নাম লগাই দিয়ে ; কিন্তু কেইবছৰমানৰ বাবে স্কুলত গ্ৰীক আৰু লেটিনৰ সামান্য আভাস পাওঁতেই আৰ্থিক নাটনিৰ বাবে চেক্সপীয়েৰে স্কুল এৰি ব্যৱসায়ত লাগিব লগীয়া হয় । তেতিয়া চেক্সপীয়েৰ তেৰ বছৰীয়া লৰা মাত্ৰ ।

নানা অভাৱ অভিযোগৰ মাজেদি চেক্সপীয়েৰে ওঠৰ বছৰত ভৰি দিলে । ঘৰুৱা আৰ্থিক সংকটৰ বাবে ভাল চাকৰি বিচাৰি চেক্সপীয়েৰে ১৫৮৪ চনত লণ্ডন অভিমুখে ৰাওনা হয় । লণ্ডনত চেক্সপীয়েৰে থিয়েটাৰ চাবলৈ অহা মানুহৰ ঘোঁৰাবোৰ থিয়েটাৰ ঘৰৰ বাহিৰত ৰখি থকা কাম কৰি অতি সামান্য পইচা অৰ্জন কৰিছিল । এনেকৈ থকাৰ পিছতেই তেওঁ এটি থিয়েটাৰ কোম্পানীত সামান্য চাকৰি পায়, আৰু এই সুযোগেই চেক্সপীয়েৰে নাট্য-প্ৰতিভা বিকশিত কৰাত যথেষ্ট সহায় কৰে । প্ৰথমতে দুই এটি সৰু-সুৰা ভাও লোৱাৰ উপৰিও নাটক লিখক হিচাপেও চেক্সপীয়েৰে উন্নতি কৰিবলৈ ধৰিলে আৰু অতি কম দিনৰ ভিতৰতেই তেওঁ বিখ্যাত থিয়েটাৰ দলৰ উপদেষ্টা কামতো নিযুক্ত হয় । সেই সময়ৰ ভিতৰতেই তেওঁ একাদিক্ৰমে ৰোজ, গ্লোব থিয়েটাৰ, কোৰ্ট, ইনচ্‌-অব-কোৰ্ট আদিত অভিনয় কৰি ফুৰে আৰু সফল অভিনেতা বুলি জনাজাত হয় ।

নাট্যকাৰ হিচাপে চেক্সপীয়েৰে ‘লাভচ-লেবাৰচ্-লষ্ট’ নামৰ নাটকখনৰ যোগেদিয়ে পাতনি মেলি ১৫৯১ চনৰ পৰা ১৬১১ চনৰ ভিতৰতে মুঠ ৩৭ খন নাটক লিখি আৰু অনেক কবিতা লিখি শ্ৰেষ্ঠ নাট্যকাৰ কবি বুলি জগতত আলোড়ণৰ সৃষ্টি কৰে, লগে লগে ১৫৯৫ চনতেই তেওঁৰ আৰ্থিক অনাটনো দূৰ হয় । ১৬১১ চনতেই চেক্সপীয়েৰে ৰংগমঞ্চৰ পৰা বিদায় লৈ লণ্ডনৰ পৰা ষ্ট্ৰেট্‌ফোৰ্ডলৈ

উভতি আহে আৰু ১৬১৬ চনত তেওঁৰ মৃত্যু হয় ।

১৫৮৮ চনৰ পৰা ১৬১১ চনলৈ এই তেইশ বছৰ কাল ধৰি চেক্সপীয়েৰে নাটক লিখাত মনোনিবেশ কৰে, আৰু তেওঁৰ বিভিন্ন নাটক আৰু কবিতাৰ লিখনী চাৰিটা স্তৰ ক্ৰমোন্নতিৰ পথত আগবাঢ়ে । প্ৰতিটো স্তৰৰ মাধ্যমেৰেই চেক্সপীয়েৰে একোটা গঢ় দিয়াৰ প্ৰমাণ পোৱা যায় ।

তেওঁৰ লিখনীৰ প্ৰথমছোৱা কাল আছিল সাময়িকভাৱে পৰীক্ষা কৰি চোৱাৰ কাল । এই সময়ছোৱাত লিখা নাটক আৰু কবিতাত তেওঁৰ বুদ্ধি ডেকা নাইবা জ্ঞান গৰ্ভ বিশ্লেষণৰ বিশেষ ঠাই নাই, - বৰং ডেকা বয়সৰ উৰি ফুৰা ভাৱ, সৌন্দৰ্যৰ প্ৰতি ব্যাকুল বাসনা আদিয়েই আছিল ইয়াৰ বৈশিষ্ট্য । এই সময়ত লিখা পুথি হল - ৩য় ৰিচাৰ্ড, ২য় ৰিচাৰ্ড, কমেডি-অৱ-এৰৰচ্, লাভচ্-লেবাৰ্চ-লষ্ট্, টু-জেন্ট লমেন-অৱ-ভেৰোনা, এ-মিড্ চামাৰচ্-নাইট-ড্ৰিম, টিটাচ্ এণ্ড্ৰেনিকাচ্ আৰু ৰোমিও জুলিয়েট আদি ।

২য় কালছোৱাত, তেওঁৰ লিখনীত যথেষ্ট গম্ভীৰ আৰু ওজস্বী গুণৰ প্ৰভাৱ দেখা যায় । এই সময়তেই চেক্সপীয়েৰে ইতিহাসৰ পৰা সহায় লৈ মিলনান্ত নাটক লিখিবলৈ লয় । অপৈনত বয়সতেই লিখা নাটকবোৰত কল্পনা প্ৰৱনতাই প্ৰাধান্য বিস্তাৰ কৰিছিল যদিও, তেওঁৰ লিখনীৰ ২য় স্তৰত প্ৰকাশ পাইছিল সুস্থিৰ ভাৱ, শিল্পীসুলভ গুণ, উন্নত কাহিনী, আৰু মানৱীয় গুণৰ বিশেষ উন্নতি । এই স্তৰতেই তেওঁ কিংজন্, ১ম হেনৰী-দি-ফোৰ্থ, ২য় হেন্ৰী-দি-ফোৰ্থ, হেন্ৰী-ফিফ্থ্, মাৰ্চেন্ট-অৱ-ভেনিচ্, দি-টেমিং-অৱ-দি-শ্ৰু, মাচ্-এডু-এবাইট্-নাথিং, এজ-যু-লাইফ-ইট, মেৰি ওৱাইভ্চ্-অৱ-উইণ্ডচৰ, টুৱেল্ফ্থ নাইট আদি লিখি উলিয়ায় । মন কৰিব লগীয়া কথা হ'ল যে এই কালত তেওঁ কোনো বিয়োগান্ত নাটক লিখা নাছিল ।

এই সুখান্তক সময়ছোৱা অতিক্ৰম কৰাৰ পিছতেই চেক্সপীয়েৰৰ মন নৈৰাশ্য আৰু হতাশাই ভাৰাক্ৰান্ত কৰি তোলে । তেওঁৰ একমাত্ৰ পুতেকৰ মৃত্যু হল, দেউতাক ঢুকাল, তেওঁৰ পৃষ্ঠপোষক আৰ্লচাদাম্প্টন্, বন্দী হল ; এনেকৈ এটাৰ পিছত এটাকৈ বিপদ আহি পৰাত চেক্সপীয়েৰৰ মনৰ প্ৰসন্নতা আঁতৰি গ'ল । মনত শোকৰ বহ্নি লৈ চেক্সপীয়েৰে লিখিলে, - জুলিয়াচ চিজাৰ, হেমলেট্, ওথেলো, কিং লিয়াৰ, মেকবেথ, টাইমন্-অব্-এথেনচ্, এন্টোনি-এণ্ড-ক্লিওপেট্ৰা, কেনাৰিওলেনাচ্, অলচ্ ওৱেল্ দেট্ এণ্ডচ্ ওৱেল্, ট্ৰোইলাচ্-এণ্ড-ক্ৰেচিডা আৰু মেজাৰ-ফৰ-মেজাৰ ।

নৈৰাশ্য আৰু হতাশাই চেক্সপীয়েৰৰ মনত এটা ম্লান আভাস এৰি গ'ল যদিও তাৰ উত্তাল তৰঙ্গই তেওঁৰ লিখনীৰ শেষ কালছোৱাত বিশেষ তল ওপৰ নলগোৱাকৈ থাকিল । হেজাৰ তাড়নাক হেঁচা দি হলেও এই স্তৰৰ লিখনীৰ জড়িয়তে কবিয়ে তেওঁৰ মনৰ এটা শান্ত সমাহিত পৰিস্থিতিকেই মূৰ্ত কৰি তোলে । - এই সময়ছোৱাত তেওঁ - লিখিছিল - পেৰিক্লচ্, চিম্বেলিন্, উইন্টাৰচ্-টেল্, দি টেম্পেষ্ট আৰু হেন্ৰী-দি-এইথ্ আদি ।

আজিৰ পৰা চাৰিশ বছৰৰ আগতে ইংলেণ্ডত জন্ম লাভ কৰি যিজনা চেক্সপীয়েৰে ৰাণী এলিজাবেথৰ সুদীৰ্ঘ ৰাজত্ব কালত নাটক আৰু কবিতাৰ মাজেৰে যি উখল মাখল লগাই গ'ল সেইজনা চেক্সপীয়েৰ সম্বন্ধে খৰছি মাৰি জানিবলৈ বা তেওঁৰ জীৱনীৰ পূৰ্ণ ৰূপ দাঙি ধৰিবলৈ আজিও যথেষ্ট পৰিমানে নিৰ্ভৰযোগ্য প্ৰমাণৰ অভাৱ হৈয়ে আছে । তাৰ উপৰিও চেক্সপীয়েৰৰ প্ৰতিভাৰ শ্ৰেষ্ঠতালৈ লক্ষ্য কৰি তেওঁৰ প্ৰতি একান্ত অনুৰক্ত বহুতো সমালোচকেই মনে সজা চেক্সপীয়েৰবো অৱতাৰণা কৰিছে, - আৰু কোনো কোনোৱে চেক্সপীয়েৰ এজন নাছিল বুলিও কয় । কিন্তু এই সকলোবোৰ খাম খেয়ালিৰ মাজেদিয়ে সমগ্ৰ পৃথিবীয়ে একমুখেই চেক্সপীয়েৰক একাধাৰে বিখ্যাত কবি আৰু নাট্যকাৰ বুলি স্বীকাৰ কৰিছে । কবি হিচাপে তেওঁৰ আছিল বিশিষ্ট আৰু সুক্ষ্ম অনুভূতি আৰু নাট্যকাৰ হিচাপেও তেওঁৰ যি শিল্পীসুলভ গুণ আছিল, - সি সমসাময়িক নাট্যকাৰৰ মানত এক প্ৰকাৰ সাঁথৰ বুলি প্ৰতিপন্ন হৈছিল আৰু আজিও বিশ্বৰ সকলো নাট্যকাৰেই তেওঁৰ প্ৰতিভাৰ ওচৰত নতশিৰ হৈ কম বেছি পৰিমানে তেওঁৰ আদৰ্শকেই আয়ত্ব কৰিবলৈ চেষ্টা কৰি আছে ।

চেক্সপীয়েৰে চৰিত্ৰচিত্ৰণৰ মাজেদি নানা প্ৰকাৰৰ সত্য আৰু ব্যক্তিত্বৰ বিকাশ সাধন তেখেতৰ লিখনীত ফুটাই তুলিছে । মানৱীয় অনুভূতিৰে ৰংৰহন সানি, ভাল-বেয়া, জ্ঞানী-মূৰ্খ, ৰজা দৰিদ্ৰ আদি সকলোবোৰ চৰিত্ৰকেই তেওঁ সজীৱ কৰি চিত্ৰিত কৰিছে । তেওঁৰ চৰিত্ৰাঙ্কনত কতো অতিৰঞ্জনৰ চেষ্টা নাই, সাধাৰণ তেজ মঙহৰ সহজাত অনুভূতিৰেই সেইবোৰ চৰিত্ৰ পুষ্ট । আপাত দৃষ্টিত চেক্সপীয়েৰ যদিও নৈতিক আদৰ্শৰ ধ্বজাধাৰী নাছিল; তথাপিও তেওঁ সকলো সময়তেই নৈতিকতাক জীৱনৰ প্ৰথম আহিলা বুলি মৰ্যাদা দিছিল । তেওঁৰ লিখনীত উচ্চতম পূণ্য আৰু নিম্নতম ব্যাভিচাৰৰ দুমুখীয়া বিকাশ দেখা যায় । কিন্তু সাধুতা গুণক ক'তো তল

পেলাবলৈ চেষ্টা কৰা নাই আৰু প্ৰত্যক্ষ বা পৰোক্ষভাৱে কাকো ঘৃণাও কৰা নাই । বহল মানৱীয় অনুভূতি আৰু বিশ্বজনীন সহনশীলতাৰে জীৱনক পৰ্যবেক্ষণ কৰাটোৱে আছিল চেক্সপীয়েৰৰ এটা মহৎ গুণ ।

চেক্সপীয়েৰৰ নাটকীয় ৰীতি মানৱীয় অভিজ্ঞতাৰ সকলো দিশৰেই একোটা উজ্জ্বল প্ৰতিচ্ছবি । ৰোমান্টিক কমেডিৰ মাজেদি প্ৰকাশ কৰিছে সুন্দৰ কোমল ভাৱ, - অতি প্ৰাকৃতিক নাটকবোৰৰ মাজত পাওঁ লঘু কল্পনাৰ মায়াজাল, - ট্ৰেজেডিৰ মাজেদি ফুটাই তুলিছে মানৱৰ দুখ, নৈৰাশ্য । অদৃশ্য নিয়তিৰ স'তে মানুহৰ যুঁজ সমুলি অসাৰ্থক; আদি মানৱৰ চিৰন্তন অভিযোগ আৰু তেওঁৰ ৰোমান্স নাটকবোৰৰ মাজত পাওঁ আশ্চৰ্যপূৰ্ণ দৃশ্য চমকপ্ৰদ কাহিনীৰ ৰূপৰেখা । আন ফালেদি তেওঁ আছিল এজন হাস্যৰসিক । সুন্দৰ কৌতুক সৃষ্টি কৰিয়েই মানুহক হহুঁৱাব-কন্দুৱাব পৰাটো আছিল চেক্সপীয়েৰৰ চৰিত্ৰিক গুণ । তীব্ৰ ব্যঙ্গ তেওঁৰ সহজাত গুণ নহয়, আৰু তীব্ৰ ব্যঙ্গৰ কোনো সময়তেই কাকো আক্ৰমণো কৰা নাই । চেক্সপীয়েৰে অৱতাৰণা কৰা শব্দৰ ইন্দ্ৰজাল আৰু ঠাট্টা প্ৰায়ে নগন্যঃ অলঙ্কাৰৰ পয়োভৰেও কেতিয়াবা মূল কাৰ্যৰ গতিত বাধা দিয়ে আৰু কেতিয়াবা ভ্ৰমাত্মক অৰ্থবো সৃষ্টি কৰে । চেক্সপীয়েৰে কোনো কাহিনী আবিষ্কাৰ কৰা নাছিল, - তেওঁ সাধাৰণতে ইতিহাস, গল্প, নীতি-কথা, কিম্বদন্তী আদিৰ মাজৰ পৰাই, আখ্যান-ভাগ আহৰণ কৰি তাকেই শিল্পী সুলভ চাতুৰ্যৰে লোক সমাজৰ আগত দাঙি ধৰিছিল । অৱশ্যে সেই আখ্যানভাগক মাত্ৰ জকাহিচাপেহে গ্ৰহণ কৰিছিল - আৰু ভিতৰৰ সাৰ বস্তুখিনিক তেওঁ নিজা অনুভূতিৰে সজাই তুলিছিল । বহিঃ ঘটনা ধাৰ কৰা হলেও অন্তৰ্ভাগ আছিল মনে সজা ।

যি কি নহওঁক, সৌ ষোড়শ শতিকাতে চেক্সপীয়েৰে সকলো মানৱীয় অনুভূতি আৰু শিল্পীসুলভ গুণেৰে যি গীত নাট ৰচি গ'ল, সি জগতৰ নাট্য সাহিত্যৰে সুদৃঢ় সোপান । আজিও জগতত বিখ্যাত নাট্যকাৰৰ জন্ম হৈছে ; বহুতেই নাট্য সাহিত্যৰ একোটা দিশ হয়তো উজ্জ্বল কৰি গ'ল । কিন্তু সফল নাট্যকাৰ হিচাপে পথ প্ৰদৰ্শক কেৱল চেক্সপীয়েৰকে কব পাৰি । মাৰ্লো আদি নাট্যকাৰে চেক্সপীয়েৰৰ আগতেই নাটক ৰচনা কৰিছিল যদিও, চেক্সপীয়েৰৰ নিচিনা কোনো নাট্যকাৰেই নাট্য সাহিত্যৰ এক বিশাল অংশ অধিকাৰ কৰা নাই, - তাকো অতি সফল নাট্যকাৰ হিচাপে । তেওঁৰ প্ৰতি একান্ত শ্ৰদ্ধাৰ বাবে যদি কোনো কোনো সমালোচকে মনে সজা চেক্সপীয়েৰৰ অৱতাৰণা কৰি দেৱতা সাজিব খোজে -তাতো আপত্তি নাই; কিন্তু অহৈতুক কাৰণত যদি কোনোবাই তেওঁক আৰু তেওঁৰ গুণৰাজিক হেয় কৰিব খোজে, তেন্তে সমগ্ৰ পৃথিৱীয়েই তাক গৰিহণা দিব । কিয়নো, নাট্যকাৰ আৰু মহাকবি চেক্সপীয়েৰৰ প্ৰভাৱ জগত প্ৰসাৰী।

(সহায় লৈ)



# সুদীৰ্ঘ শিক্ষক জীৱনৰ অভিজ্ঞতা আৰু উত্তৰ পুৰুষৰ প্ৰতি পৰামৰ্শ

*মদন মোহন চৌধুৰী*
মুৰব্বী অধ্যাপক ৰাজনীতিবিজ্ঞান বিভাগ



ডিগবৈ মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ সম্পাদকে মোৰ শিক্ষক জীৱনৰ অভিজ্ঞতা সম্পৰ্কে আৰু উত্তৰ পুৰুষৰ প্ৰতি এটি পৰামৰ্শ আগবঢ়াই এটি লিখনি দিবলৈ নেৰানেপৰাকৈ লাগি থকাত সচাঁকৈয়ে মই বৰ চিন্তাত পৰিলো । মোৰ নিচিনা এজন অতি সাধাৰণ শিক্ষকৰ অভিজ্ঞতাৰ গুৰুত্বইবা কিমান আৰু পৰামৰ্শ দিবলৈ মোৰ সামৰ্থইবা কিমানখিনি । অৱশ্যে সময়ৰ জোখেৰে মোৰ শিক্ষক জীৱনৰ পৰিধি বৰ চমু নহয় । ডিগবৈ কলেজৰ প্ৰতিষ্ঠাপক শিক্ষক হিচাপে ১৯৬৫ চনৰ আগষ্ট মাহৰ পৰাই ইয়াত শিক্ষকতা কৰিছোঁ আৰু ইয়ালৈ অহাৰ আগতে এবছৰমান অন্য এখন মহাবিদ্যালয়ত শিক্ষকতা কৰিছিলোঁ । গতিকে শিক্ষক হিচাপে মই এই ৩৬ বছৰ কালত শিক্ষা ব্যৱস্থা, শিক্ষাৰ মানদণ্ড, শৈক্ষিক পৰিবেশ, শিক্ষাৰ প্ৰতি ৰাষ্ট্ৰীয় দায়বদ্ধতা, ছাত্ৰ শিক্ষকৰ সম্পৰ্ক, উচ্চ শিক্ষানুষ্ঠানৰ নিয়ম শৃঙ্খলা ইত্যাদি বিভিন্ন দিশত যথেষ্ট অভিজ্ঞতা হৈছে । এই সাহসতেই দু-আষাৰ লিখাৰ প্ৰয়াস কৰিলো ।

এখন গণতান্ত্ৰিক দেশৰ মূল ভেটিটোৱেই হল সেই দেশৰ শিক্ষা ব্যৱস্থা । শিক্ষাৰ পোহৰেৰে সমাজৰ কুসংস্কাৰ, অন্ধ বিশ্বাস, অজ্ঞতা দূৰ কৰাৰ লগতে প্ৰতিজনকেই সজাগ, সচেতন আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তুলিব পাৰিব লাগিব । সাৰ্বজনীন বাধ্যতামূলক শিক্ষা ব্যৱস্থাই প্ৰতিজন নাগৰিকক এজন সুনাগৰিক হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ নূন্যতম প্ৰয়োজনীয় শিক্ষা বিনামূলীয়াকৈ দিয়াৰ ব্যৱস্থা এখন গণতান্ত্ৰিক ৰাষ্ট্ৰই কৰাটো উচিত । ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ সময়ত লক্ষ্য স্থিৰ কৰি লৈছিল যে দহ বছৰৰ ভিতৰতে ভাৰতবৰ্ষত নিৰক্ষৰতা দূৰ কৰা হ'ব । শিক্ষা ব্যৱস্থাক জনমুখী কৰি বিনামূলীয়া বাধ্যতামূলক শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ লোৱা হৈছিল । ইয়াৰোপৰি শিক্ষা ব্যৱস্থাৰ সংস্কাৰ কৰিবলৈ দেশৰ মাটিৰ লগত খাপ খোৱাকৈ শিক্ষানীতি প্ৰস্তুত কৰিবলৈ কেইবাখনো উচ্চ ক্ষমতাসম্পন্ন শিক্ষা আয়োগ গঠন কৰিও দিছিল । কিন্তু পৰিতাপৰ কথা যে স্বাধীনোত্তৰ কালৰ চৰকাৰে শিক্ষাৰ ওপৰত যথোপযুক্ত গুৰুত্ব আৰোপ নকৰিলে । বৃটিছ চৰকাৰে প্ৰৱৰ্ত্তন কৰা শিক্ষা নীতিয়েই আজিও প্ৰচলিত হৈ থাকিল । ফলত এই শিক্ষা ব্যৱস্থাই মানৱ সমাজক উপযুক্তভাৱে গঢ়ি তোলাৰ উদ্যোগ হিচাপে যি ভূমিকা পালন কৰিব লাগিছিল তাত ব্যৰ্থ হৈছে । এই ব্যৱস্থাই কৌটি কৌটি শিক্ষিত নিবনুৱাৰহে সৃষ্টি কৰিলে । অন্যহাতে অতি মেধাবী ছাত্ৰ ছাত্ৰী সকল উপযুক্ত কৰ্মসংস্থানৰ অভাৱত বিদেশলৈ গুচি যাবলৈ বাধ্য হৈছে । মুঠতে শিক্ষা ব্যৱস্থা আৰু চৰকাৰৰ শিক্ষা নীতি বাস্তৱ বৰ্ত্তমানৰ প্ৰয়োজনৰ আধাৰত মানৱ সমাজক যথোপযুক্ত ভাৱে গঢ়ি তুলি নিজকে প্ৰতিষ্ঠিত কৰাৰ জৰিয়তে সমাজৰ প্ৰগতি লাভ কৰাত ব্যৰ্থ হৈছে ।

## শিক্ষাৰ বানিজ্যিকৰণ ঃ

অতি সম্প্ৰতি নতুন শিক্ষানীতিৰ নামত শিক্ষাৰ প্ৰতি ৰাষ্ট্ৰীয় দায়বদ্ধতা হ্ৰাস কৰি শিক্ষাক ব্যক্তিগত খণ্ডৰ হাতত তুলি দিয়াৰ ব্যৱস্থা কৰাহে দেখা গৈছে । অন্যান্য শিল্প উদ্যোগৰ নিচিনাকৈ শিক্ষা ব্যৱস্থাকো বাণিজ্যকৰণ কৰাৰ জৰিয়তে বিশেষকৈ ব্যক্তিগত খণ্ডত ধনঘটা ব্যৱসায় হিচাপে লোৱা হৈছে । সমগ্ৰ ৰাষ্ট্ৰতে ব্যক্তিগত খণ্ডত নিম্নতম স্তৰৰ পৰা উচ্চতম পৰ্য্যায়লৈ শিক্ষাৰ প্ৰতিটো ক্ষেত্ৰতে অজস্ৰ শিক্ষানুষ্ঠান গঢ়ি উঠিছে । কিন্তু এই বিলাকৰ লক্ষ্য কেৱল মুনাফা

লাভ হোৱা বাবে দুখীয়া মানুহৰ কথা বাদেই মধ্যবিত্ত মানুহেও নিজৰ ল'ৰা ছোৱালীক এইবোৰ শিক্ষানুষ্ঠানত ভৰ্ত্তি কৰোৱাৰ কথা কল্পনা কৰিব নোৱাৰে । অন্যহাতে এই শিক্ষানুষ্ঠানৰ জৰিয়তে যিসকলে শিক্ষিত হৈ ওলাই তেঁওলোক আমাৰ সমাজৰ বাস্তৱতাৰ লগত খাপ খাব নোৱাৰে । শিক্ষাক বাণিজ্যিকৰণ কৰাৰ কুপ্ৰভাৱ সমূহ ইতিমধ্যে দিনক দিনে বৃদ্ধি পাব ধৰিছে ।

**<u>শিক্ষাব্যৱস্থাত দুনীতি ঃ</u>**

স্বাধীনতাৰ কালতো আমি লক্ষ্য কৰিছিলোঁ যে শিক্ষাৰ লগত জড়িত ব্যক্তিসকল সততে নমস্য ব্যক্তি আছিল । এই বিভাগটোৰেই আছিল আটাইতকৈ দুনীতিমুক্ত, সৎ আৰু নিষ্ঠাবান বিভাগ । কিন্তু শিক্ষাক বাণিজ্যিকৰণ কৰিবলৈ লোৱাৰ লগে লগে এই বিভাগটোত দুনীতি, ভ্ৰষ্টাচাৰ, স্বজন-তোষণ আদি সামাজিক ব্যাধিবোৰে গা কৰি উঠে আৰু অতি সম্প্ৰতি আমাৰ ৰাজ্যত এই বিভাগটোৱে দুনীতিৰ ক্ষেত্ৰত প্ৰথম স্থান লাভ কৰিবলৈ দ্ৰুত গতিত আগবাঢ়িছে । ছাত্ৰ ছাত্ৰীৰ নাম ভৰ্ত্তি, শিক্ষক নিযুক্তি, শিক্ষক কৰ্মচাৰীৰ পদোন্নতি, পৰীক্ষাত প্ৰমোচন শিক্ষানুষ্ঠান চৰকাৰীকৰণ নাইবা অনুদান বিতৰণ এনেবোৰ প্ৰতিটো কাৰ্য্যতেই দুনীতি ভ্ৰষ্টাচাৰ, ঘোচাকাৰ এচাম অসাধু ব্যক্তিয়ে এই ব্যৱস্থাটোক এনেকুৱা পৰ্য্যায়লৈ অৱনমিত কৰিছে যে আজি শিক্ষা বিভাগৰ কৰ্মচাৰী বুলি মূৰ তুলি কথা কবলৈ শংকাবোধ হয় । যিমান সৎ, নিষ্ঠাবান শিক্ষক কৰ্মচাৰী এতিয়াও আছে তেওঁলোকে গভীৰ মানসিক সংঘাত লৈ কাম কৰিব লগা হৈছে । এয়া সঁচাকৈয়ে এখন দেশৰ কাৰণে চৰম পৰিতাপৰ আৰু লজ্জাজনক কথা ।

*স্বাধীনতাৰ কালতো আমি লক্ষ্য কৰিছিলোঁ যে শিক্ষাৰ লগত জড়িত ব্যক্তিসকল সততে নমস্য ব্যক্তি আছিল । এই বিভাগটোৰেই আছিল আটাইতকৈ দুনীতিমুক্ত সৎ আৰু নিষ্ঠাবান বিভাগ । কিন্তু শিক্ষাক বাণিজ্যিকৰণ কৰিবলৈ লোৱাৰ লগে লগে এই বিভাগটোত দুনীতি, ভ্ৰষ্টাচাৰ, স্বজন-তোষণ আদি সামাজিক ব্যাধিবোৰে গা কৰি উঠে আৰু অতি সম্প্ৰতি আমাৰ ৰাজ্যত এই বিভাগটোৱে দুনীতিৰ ক্ষেত্ৰত প্ৰথম স্থান লাভ কৰিবলৈ দ্ৰুত গতিত আগবাঢ়িছে ।*

**<u>শিক্ষা ব্যৱস্থাত অৰাজকতা ঃ</u>**

আমাৰ ৰাজ্যখনৰ শিক্ষাব্যৱস্থাটো এতিয়া সম্পূৰ্ণ অৰাজকতাই গ্ৰাস কৰি পেলাইছে । উচ্চতম পৰ্য্যায়ৰ পৰা নিম্নতম পৰ্য্যায়লৈ প্ৰত্যেকেই নিজৰ খেয়াল-খুচি, ব্যক্তিগত স্বাৰ্থ-সিদ্ধি, চৰম দায়িত্বহীনতাৰে কাম কৰি আছে ; নিয়ন্ত্ৰণ কৰোঁতা কোনো নাই । ধনৰ লেনদেনটোৱেই মূল কথা । শিক্ষাধিকৰ্তাৰ কাৰ্য্যালয়টোৱেই হওক নাইবা স্কুল পৰিদৰ্শকৰ কাৰ্য্যালয়টোৱেই হওক অবৈধ ধনৰ লেনদেন নহলে সামান্যতম কামো সিদ্ধি নহয় । ঘোঁচ লোৱা আৰু দিয়াটো নিয়মত পৰিণত হৈছে বা হ'ল । এইবোৰ নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা কাৰো নাই ।

অন্যহাতে 'চেবা' আৰু উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ দায়িত্বহীনতা আৰু অপদাৰ্থতাই চৰম পৰ্য্যায়ত উপনীত হৈছেগৈ । কোনো এটা পৰীক্ষাৰেই ফলাফল শুদ্ধভাৱে প্ৰকাশ কৰিব নোৱাৰা এই প্ৰতিষ্ঠান দুটাৰো মূল লক্ষ্য হল ছাত্ৰ ছাত্ৰী তথা অভিভাৱকক আভুৱাভাৰি ধন ঘটা । এটা পৰীক্ষাকেই সঠিক ভাৱে পৰিচালনা কৰিব নোৱাৰা এই প্ৰতিষ্ঠান দুটাই আৰু একোটাকৈ পৰীক্ষা নিয়ন্ত্ৰণ কৰাৰ অতিৰিক্ত দায়িত্ব লৈছে । নৱম শ্ৰেণী আৰু একাদশ শ্ৰেণীৰ পৰীক্ষাসমূহ সংশ্লিষ্ট শিক্ষানুষ্ঠানৰপৰা আঁতৰাই নি এই প্ৰতিষ্ঠান দুটাই পৰিচালনা কৰিব লোৱাটো আৰ্থিক ধন ঘটাৰ বাহিৰে অন্য কিবা যুক্তি আছে বুলি মনে নধৰে । অৱশ্যে পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ ক্ষেত্ৰত দেখা দিয়া চৰম অৰাজকতাৰ বাবে শিক্ষক সকলো কম জগৰীয়া নহয় । পৰীক্ষাৰ বহী মূল্যায়ন কৰা, নিৰীক্ষণ কৰা, টেবুলেচন কৰা আদি কামবোৰ শিক্ষকসকলেই কৰে আৰু তেঁওলোকৰ চৰম দায়িত্বহীনতাৰ বাবেই যে পৰীক্ষাৰ ফলাফলৰ বিভ্ৰান্তিবোৰ হয় এয়া সত্য । দায়িত্বহীনতা শিক্ষক সকলৰ বাবে অক্ষমনীয় অপৰাধ । শিক্ষক সকলেও আত্ম সমালোচনা কৰা উচিত । সমাজত শিক্ষক সকলৰ মান মৰ্য্যাদা, আদৰ শ্ৰদ্ধা আদিবোৰ বহু পৰিমাণে নিৰ্ভৰ কৰে তেঁওলোকৰ আচাৰ ব্যৱহাৰ, কাম কাজ আৰু দায়িত্ববোধৰ ওপৰত - এয়া সততে মনত ৰখা দৰকাৰ ।

শিক্ষানুষ্ঠানবোৰত বিশেষকৈ উচ্চশিক্ষাৰ অনুষ্ঠানবোৰত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুশাসনহীনতা আৰু উচ্ছৃংখলতাও শৈক্ষিক পৰিবেশ বিনষ্ট হোৱা, শিক্ষাৰ মানদণ্ড নিম্নগামী হোৱা, ছাত্ৰ ছাত্ৰীৰ মাজৰ মধুৰ সম্পৰ্ক নোহোৱা হোৱাৰ বাবে কম জগৰীয়া নহয় । আমাৰ ৰাজ্যখনত "বিদেশী বিতাৰণ আন্দেলনৰ" কালছোৱাত অৰাজকতাৰ চৰম পৰ্য্যায়লৈ অৱনমিত হোৱা অৱস্থাৰ

ভালেখিনি উন্নতি হৈছে যদিও এতিয়াও ইয়াৰ কুপ্ৰভাৱ শিক্ষানুষ্ঠান বোৰত চলি থকা দেখা যায়। কিছুমান মেৰুদণ্ডহীন শিক্ষক আৰু অধ্যক্ষই নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ বাবে কৰা কাম কাজ আৰু ছাত্ৰ সন্থাৰ নামত এজাক স্বাৰ্থান্বেষী যুৱকে ছাত্ৰশক্তিৰ নামাৱলী গাত মেৰুৱাই ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে কৰা অবাঞ্চিত কাম কাজে এই পৰিবেশ বৰ্ত্তাই ৰখাত ইন্ধন যোগোৱাহে পৰিলক্ষিত হয়।

## ডিগবৈ মহাবিদ্যালয়ৰ অভিজ্ঞতা ঃ

আৰম্ভনিৰে পৰা ডিগবৈ মহাবিদ্যালয়খন বিচিত্ৰতাৰে পৰিপূৰ্ণ। ইয়াত যেনেকৈ ভাৰতবৰ্ষৰ বিভিন্ন ভাষা ভাষী ছাত্ৰ ছাত্ৰী আছে তেনেকৈ আছে বিভিন্ন ধৰ্মৰ ছাত্ৰ-ছাত্ৰী। তথাপিও ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ঐক্য-সংহতি, সম্প্ৰীতি, মিলাপ্ৰীতিৰ অভাৱ হোৱা নাই। ছাত্ৰ একতা সভালৈ ভিন্ন, ভাষাভাষী ছাত্ৰ-ছাত্ৰী নিৰ্বাচিত হয় আৰু সম্পূৰ্ণ সহযোগিতাৰে কাম কাজ কৰে। শিক্ষক কৰ্মচাৰী ছাত্ৰ-ছাত্ৰীৰ মাজত সৌহাৰ্দ্যপূৰ্ণ পৰিবেশ আছে। মাজে মাজে বাহিৰৰ দুষ্ট চক্ৰই মহাবিদ্যালয়ৰ এনেকুৱা পৰিবেশ বিনষ্ট কৰিবলৈ চেষ্টা নকৰাকৈ থকা নাই। নাইবা অসমৰ কিছুমান আন্দোলনৰ প্ৰভাৱে ইয়াতো অবাঞ্চিত পৰিবেশ সৃষ্টি কৰাৰ প্ৰয়াস নকৰাকৈ থকা নাই। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনীৰ ভাষাকলৈ, শিক্ষাৰ মাধ্যমকলৈ, বিদেশী বিতাৰণ আন্দোলনকলৈ অসম কলেজ শিক্ষক সন্থাৰ পৰীক্ষা বৰ্জন আন্দোলনকলৈ এগৰাকী অধ্যক্ষৰ বিৰুদ্ধে গঢ়ি উঠা আন্দোলনকলৈ অশুভ শক্তিয়ে ছাত্ৰ-ছাত্ৰী শিক্ষক কৰ্মচাৰীৰ মাজত সময়ে সময়ে বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। কিন্তু এইবোৰৰ কুপ্ৰভাৱে শৈক্ষিক পৰিবেশ বহু পৰিমাণে বিঘ্নিতহে কৰিছে সেয়া অনস্বীকাৰ্য্য। ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু আমাৰ মহাবিদ্যালয় একেবছৰতে ১৯৬৫ চনত প্ৰতিষ্ঠা হয়। বিশ্ববিদ্যালয়ৰ প্ৰথম পি,ইউ. পৰীক্ষাত কলা বিভাগত পাঁচটা প্ৰথম স্থান ঘোষণা কৰা হয় আৰু ইয়াৰে তিনিটা আছিল আমাৰ মহাবিদ্যালয়ৰ। বি.এ.পৰীক্ষাত ডিষ্টিংচন পাইছিল পাঁচজনে তাৰ ভিতৰত তিনিজন আছিল আমাৰ মহাবিদ্যালয়ৰ। এয়া আৰম্ভণি আৰু সেয়া পৰম্পৰাত পৰিণত কৰিব পৰা হৈছিল। অকল শিক্ষাৰ ক্ষেত্ৰত নহয়, খেলা ধূলা, গীতমাত আদিতো আমাৰ মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল ইতিহাস আছে। কিন্তু সেই পৰম্পৰা পিচলৈ বহু পৰিমানে ম্লান হৈছে। চিন্তণীয় বিষয় যে অকল ডিগবৈ কলেজতে নহয়, ডিগবৈ নগৰ খনতেই যেন শিক্ষাৰ পৰিবেশ, মানদণ্ড আৰু ঐতিহ্য বহু পৰিমাণে অৱনমিত হৈছে। আমি বয়োজ্যেষ্ঠ শিক্ষক সকল ইয়াৰ বাবে উদ্বিগ্ন।

উত্তৰ পুৰুষ সকলে আমাৰ গৌৰৱোজ্জ্বল ইতিহাস বিচাৰ কৰি, ডিগবৈ মহাবিদ্যালয় তথা ডিগবৈ নগৰৰ আদৰ্শনীয় ঐতিহ্য, পৰম্পৰা পুনৰ প্ৰতিষ্ঠা কৰাৰ বাবে যত্নপৰ হোৱা অতীৱ প্ৰয়োজন। সময় আৰু সুযোগৰ সৎ ব্যৱহাৰ কৰি নিজকে উপযুক্তভাৱে গঢ়ি তুলিব নোৱাৰিলে এই প্ৰতিযোগিতাৰ যুগত সমাজত অপাংক্তেয় হৈ পৰিব লাগিব। অতি দ্ৰুত গতিত সমাজ পৰিবৰ্ত্তিত হব ধৰিছে - এই পৰিবৰ্ত্তনৰ লগত নিজক খাপ খুৱাই আগবঢ়াই নিব নোৱাৰিলে পথচ্যুতহৈ পিতনিতেই পৰিব লাগিব। উচ্চশিক্ষাৰ শিক্ষানুষ্ঠানৰ ছাত্ৰ ছাত্ৰীসকলে লক্ষ্য কৰা উচিত যে আমাৰ দেশৰ শিক্ষা ব্যৱস্থাত পৰিকল্পিতভাৱে কিছুমান অশুভ শক্তিয়ে প্ৰৱেশ কৰিবলৈ উদ্যোগ লৈছে। বিশ্বশান্তিৰ প্ৰশস্তি, উত্তৰ আধুনিকতাবাদৰ প্ৰসাৰ হিন্দুত্বৰ ওকালতি, পুনৰ উত্থানবাদৰ অযৌক্তিক যুক্তি, ইতিহাসৰ পুনৰ মূল্যায়নৰ মাধ্যমেৰে এই অশুভ শক্তিবোৰে আমাৰ উত্তৰ পুৰুষক বিভ্ৰান্ত কৰাই নহয় সাংঘাতিক বিপদজনক দিশলৈ লৈ যোৱাৰ উপক্ৰম কৰিছে। এইবোৰৰ ৰঙচঙীয়া বাহ্যিক আৱৰণে প্ৰকৃত স্বৰূপ ঢাকি ৰাখে। সময় থাকোঁতেই যদি এই ষড়যন্ত্ৰবোৰ প্ৰতিহত কৰিব পৰা নাযায়, তেতিয়াহলে আমাৰ ঐক্য, সংহতি, সম্প্ৰীতি, সহ অৱস্থান বিনষ্ট হোৱাই নহয় আৰু প্ৰগতি তথা মুক্তিও প্ৰতিহত হব। গতিকে ছাত্ৰ-ছাত্ৰী শিক্ষক সমাজৰ অগ্ৰণী ব্যক্তি সকল এই ষড়যন্ত্ৰৰ বিৰুদ্ধে দৃঢ় জনমত গঢ়িব লাগিব আৰু ইয়াক প্ৰতিহত কৰিব লাগিব।

*'যিজনে কেৱল কাম কৰে, যিজনে ভাল উপদেশ দিয়ে আৰু ভাল আৰ্হি দেখুৱায় তেওঁ দুয়োখন হাতেৰে কাম কৰে কিন্তু যিজনে ভাল উপদেশ দিয়ে বেয়া আৰ্হি দেখুৱাই তেওঁ এখন হাতেৰে কৰে আনখন হাতেৰে ভাঙে -'*

*- ফ্ৰান্সিচ বেকন*

# যুৱ মানসিকতা আৰু কিছু প্ৰাসঙ্গিক চিন্তা

*নীলোৎপল শইকীয়া*
স্নাতক তৃতীয় বৰ্ষ(কলা)



সম্প্ৰতি আমি একবিংশ শতিকাত পদাৰ্পণ কৰিছো । এই শতিকাৰ এটা জ্বলন্ত সমস্যা হ'ল উচ্ছৃঙ্খল যুৱ -মানসিকতা। উচ্ছৃঙ্খল যুৱ মানসিকতাৰ বিষয়ে আলোচনা কৰাৰ আগতে যুৱ মানসিকতা বুলিলে কি বুজায় তাক জনা নিতান্ত প্ৰয়োজনীয় । যুৱ মানসিকতা বুলিলে সমগ্ৰ যুৱ সমাজৰ সামগ্ৰিক মানসিক গঠনক বুজিব লাগিব । বৰ্ত্তমান কেৱল অসমৰ বা ভাৰতৰ নহয় সমগ্ৰ বিশ্বৰ যুৱ সমাজত যি বিশৃংখলতাই দেখা দিছে সি বুদ্ধিজীৱী আৰু চিন্তাশীল মহলক ভবাই তুলিছে । কোনো দেশৰ যুৱ চামটোৰ ওপৰতেই সেই দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে । যুৱ সমাজৰ ভৱিষ্যত নিৰাপত্তাক লৈ আজি ৰাষ্ট্ৰসংঘতো যথেষ্ট আলোচনা-বিলোচনা চলিছে । যুৱশক্তি এক বৃহৎ শক্তি । এই শক্তিক সুসংগঠিত আৰু সুপৰিকল্পিতভাৱে উচিত পথত আগুৱাই নিলেহে এখন দেশে উন্নতিৰ জখলাত বগাব পাৰিব অন্যথাই দেশখনৰ ভৱিষ্যত অন্ধকাৰ তাক বহলাই কোৱা নিস্প্ৰয়োজন । যুৱক বা যুৱতী বুলি ক'লে ১৫ বছৰৰ পৰা ২৪ বছৰৰ ভিতৰৰ বয়সৰ লোকসকলক বুজায় । সম্প্ৰতি সমগ্ৰ বিশ্বত যুৱক-যুৱতীৰ সংখ্যা ১০০ কোটিৰো অধিক।

এখন দেশৰ যুৱক-যুৱতীসকলে সেই দেশৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন দিশত বিশিষ্ট ভূমিকা পালন কৰে । যুৱক-যুৱতীসকলক অৱহেলা কৰি এটা জাতিয়ে কেতিয়াও সুদৃঢ় আৰু সুসংগঠিতভাৱে বাস কৰিব নোৱাৰে । প্ৰকৃততে ক'বলৈ গ'লে যুৱক-যুৱতীসকলেই দেশ আৰু জাতিৰ উন্নতিৰ চাবিকাঠি । কোনো এখন দেশৰ ভৱিষ্যত কিমান নিৰাপদ সেইখন দেশৰ যুৱ-মানসিকতাৰ পৰাই তাক অনুমান কৰিব পাৰি । কিন্তু সম্প্ৰতি আমাৰ দেশৰ ভৱিষ্যত নিৰাপত্তাৰ কথাৰ বাদেই যুৱ সমাজৰ ভৱিষ্যত কিমান নিৰাপদ এই বিষয়টোৱে সচেতন মহলক উদ্বিগ্নতা আৰু হতাশাত ভোগাইছে । কাৰণ উচ্ছৃঙ্খল যুৱ মানসিকতাই আজি কিছুদিন ধৰি সমাজৰ যথেষ্ট ক্ষতি সাধন কৰিছে । বাতৰি কাকতখন মেলিলেই আমি দেখা পাওঁ যে হত্যা, ধৰ্ষণ, লুণ্ঠন আৰু বিভিন্ন অপৰাধমূলক ঘটনাৰ লগত জড়িত সৰহ সংখ্যক লোকেই যুৱক বা যুৱতী । যুৱ সমাজৰ এনে অধঃ পতন

দেখিলে মানৱ জাতি যেন জীৱ শ্ৰেষ্ঠ নহয়, ই পশুতকৈ অধম এনে বোধ হয়। মানৱ জাতি যেন আজি সভ্যতাৰ পৰা পূৰ্বৰ আদিম বৰ্বৰ সমাজলৈ গতি কৰিছে। যুৱ সমাজৰ উচ্ছৃঙ্খল মানসিকতাৰ বাবে কেৱল যুৱক যুৱতী সকলকে জগৰীয়া নকৰি ইয়াৰ অন্তৰ্নিহিত কাৰণসমূহ বিশ্লেষণ কৰি চোৱা উচিত হ'ব।

ল'ৰা ছোৱালীৰ চৰিত্ৰ গঠনত সামাজিক পৰিৱেশৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। সামাজিক পৰিৱেশ বুলিলে সাধাৰণতে আমাৰ সমাজৰ চৌপাশৰ যি পৰিস্থিতি তাকে বুজোৱা হয়। বয়োজ্যেষ্ঠ সকলতকৈ কণ কণ শিশু আৰু কিশোৰ সকলৰ ওপৰত পৰিৱেশৰ প্ৰভাৱ বাৰুকৈয়ে পৰে। যদি সামাজিক পৰিৱেশ বেয়া হয় তেন্তে সেই পৰিৱেশৰ কু-প্ৰভাৱ, ল'ৰা ছোৱালীৰ ওপৰত পৰাতো নিশ্চিত। এনে অৱস্থাত অভিভাৱক বা পিতৃ-মাতৃয়ে যিমানেই চেষ্টা নকৰক লাগে তেওঁলোকে সন্তানৰ চৰিত্ৰ সংশোধন কৰিব নোৱাৰে। প্ৰতিজন ব্যক্তিয়ে নিজৰ জ্ঞাতে বা অজ্ঞাতে কিঞ্চিত পৰিমানে হ'লেও সমাজৰ কিছুমান নীতি-নিয়মেৰে সৈতে নিজকে জড়িত কৰি পেলায়। মানুহৰ আচাৰ ব্যৱহাৰত সামাজিক নীতি নিয়মসমূহৰ প্ৰভাৱ পৰে। এটা কথা বিশেষ মন কৰিবলগীয়া যে শিশু আৰু কিশোৰসকল সুৰ্কমতকৈ কুকৰ্মৰ প্ৰতিহে বেছিকৈ আকৰ্ষিত হোৱা পৰিলক্ষিত হয় আৰু শেষত কুকৰ্মৰ অভ্যাসৰ বশৱৰ্ত্তী হৈ এই কাৰ্য্যবোৰ নিচা হিচাপে কৰিবলৈ ধৰে। সামাজিক পৰিৱেশৰ কু-প্ৰভাৱৰ পৰা দূৰত ৰাখিবলৈ বৃথা চেষ্টা কৰাতকৈ এক সুস্থ সামাজিক পৰিৱেশ গঠনৰ ওপৰত অধিক গুৰুত্ব দিব লাগে। কাৰণ অসুস্থ সামাজিক পৰিৱেশত বাস কৰা ল'ৰা ছোৱালীক কুকৰ্মৰ পৰা আতঁৰাই ৰখাটো অভিভাৱক বা পিতৃ-মাতৃৰ বাবে বৰ সহজ নহয় ই অতি কষ্টদায়ক কাম। ইয়াৰ পৰিৱৰ্ত্তে এক সুস্থ সামাজিক পৰিৱেশ গঠন কৰি ল'ৰা ছোৱালীৰ চৰিত্ৰ গঢ় দিয়াটো বেছি সহজসাধ্য কাম। কিন্তু বৰ্ত্তমান যান্ত্ৰিক যুগৰ নগৰ-চহৰ আৰু গাঁও, সকলো অঞ্চলৰ লোকে তেওঁলোকৰ চৌপাশৰ পৰিৱেশৰ প্ৰতি উদাসীন হোৱা পৰিলক্ষিত হৈছে। সকলো লোকেই ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে। সমাজৰ প্ৰতি কৰিবলগীয়া একোৱেই নাই, কেৱল পৰিয়ালক ভৰণ-পোষণ দি সুখ-স্বাচ্ছন্দ্যৰ মাজত ৰাখিব পাৰিলেই হ'ল এনে এক মনোবৃত্তি পৰিয়ালৰ জ্যেষ্ঠসকলৰ মাজত গঢ়ি উঠিছে। যাৰবাবে যুৱ সমাজৰ উচ্ছৃঙ্খলতা ক্ৰমাগত হাৰত বৃদ্ধি পাইছে। গতিকে আমি প্ৰত্যেকে ইয়াক উপলব্ধি কৰা উচিত যে এক সুষ্ঠ সামাজিক পৰিৱেশেহে এক সুসংগঠিত সুপৰিকল্পিত নৈতিকতা পৰায়ন আৰু আদৰ্শবান যুৱ সমাজৰ সৃষ্টি কৰিব পাৰে।

পশ্চিমীয়া অপসংস্কৃতিয়েও আমাৰ যুৱ সমাজৰ ওপৰত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে। পশ্চিমীয়া অপসংস্কৃতিৰ কবলত পৰি যুৱ সমাজৰহে নালাগে সকলো লোকৰে ধ্যান-ধাৰনাই সলনি হৈছে। অৱশ্যে পশ্চিমৰ যে সু-সংস্কৃতি নাই এনে নহয়, পশ্চিমৰ সু-সংস্কৃতি আছে। কিন্তু আমাৰ যুৱচাম সুসংস্কৃতিতকৈ অপসংস্কৃতিৰ প্ৰতি বেছিকৈ আকৰ্ষিত হোৱা পৰিলক্ষিত হয়। প্ৰকৃতপক্ষে ক'বলৈ গ'লে পশ্চিমীয়া সংস্কৃতিৰ গভীৰতাত আমাৰ যুৱ চামটো প্ৰৱেশ কৰিব পৰা নাই। তাৰবাবে আমি পশ্চিমীয়া লোকক দোষ দিলে নহ'ব। মন কৰিবলগীয়া যে কেন্দ্ৰীয় চৰকাৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণত থকা আটাইতকৈ শক্তিশালী গণ মাধ্যম দূৰদৰ্শনৰ যোগেদিয়েই বহুপৰিমানৰ অপসংস্কৃতি যোগান ধৰা আমি দেখিবলৈ পাওঁ। দূৰদৰ্শন যোগে প্ৰচাৰ কৰা পশ্চিমীয়া 'পপ মিউজিক' পশ্চিমীয়া অপসংস্কৃতিৰে এটা চূড়ান্ত নিদৰ্শন। সাধাৰণতে দেখা যায় যে আমাৰ দেশৰ সৰহ সংখ্যক যুৱক যুৱতীৰে পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি এক বিশেষ দুৰ্বলতা আছে। পশ্চিমত কিছুমান যৌন আবেদনময়ী অশ্লীল টেটুঁফলা চিঞৰকো সংগীত হিচাপে স্বীকৃতি দিয়া হৈছে। এই পশ্চিমীয়া লঘু সংগীতসমূহে আমাৰ যুৱচামটোক বাৰুকৈয়ে আকৰ্ষিত কৰিছে। নিজ সংস্কৃতিৰ পৰা বিচ্ছিন্ন হৈ পশ্চিমীয়া অপসংস্কৃতিক আকোঁৱালী লোৱাৰ বাবে আজি যুৱ সমাজহে নালাগে সমাজৰ সকলো লোকৰে মানবতাবাদী গুণসমূহ নোহোৱা হৈছে।

যুৱ সমাজৰ বিশৃংখলতা বৃদ্ধিত দূৰদৰ্শনেও বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। দূৰদৰ্শনত প্ৰচাৰিত বিভিন্ন অনুষ্ঠান সমূহ পৰ্য্যবেক্ষন কৰিলে দেখা যায় যে এইবোৰৰ সৰহসংখ্যকেই ব্যৱহাৰিক জীৱনৰ লগত সংগতিহীন অবাস্তৱ আৰু অস্বাভাৱিক ঘটনা। যাৰ ফলত দৰ্শক সকলে (বিশেষকৈ যুৱচাম) ক্ৰমে অনুভূতিহীন হৈ হত্যা, ধৰ্ষণ, লুণ্ঠন আদি অপৰাধমূলক ঘটনাক স্বাভাৱিকভাৱে গ্ৰহণ কৰি এখন অবাস্তৱ জীৱনবিৰোধী জগতৰ লগত পৰিচয় হৈছে। সেয়ে চুৰি, ডকাইতি, হত্যা, ধৰ্ষণ আদি কাৰ্য্য সঘনে সংঘটিত হোৱা পৰিলক্ষিত হয়। বহুতে দূৰদৰ্শন কি বুলি প্ৰশ্ন কৰিলে ইয়াৰ উত্তৰ হিচাপে দূৰদৰ্শনক যৌন উত্তেজনামূলক আৰু আধুনিকতাৰ নামত এক বিকৃত অপসংস্কৃতি প্ৰচাৰ কৰা এক বিশেষ গণমাধ্যম বুলি ক'ব বিচাৰে। বৰ্ত্তমান দূৰদৰ্শনৰ বিভিন্ন চেনেলত পুৰুষ-নাৰীৰ দেহৰ উলঙ্গ নৃত্য আৰু গীতৰ নামত কিছুমান শ্ৰুতিকটু টেটুঁফলা চিঞৰ

বাখৰৰ যি প্ৰয়োভৰ তাক দেখিলে সভ্যতাৰ শীৰ্ষস্থানত আৰোহন কৰা মানৱ সমাজ যেন আজি পশুতকৈ অধম স্থানলৈ গতি কৰিছে এনে বোধ হয় । দূৰদৰ্শনৰ উপৰিও চৰকাৰৰ সহযোগত অন্যান্য বহুতো বেচৰকাৰী প্ৰতিষ্ঠান আৰু ব্যৱসায়ীয়েও এনেধৰণৰ অপসংস্কৃতি আমাৰ দেশলৈ আমদানি কৰিব ধৰিছে । সেইদৰে ব্যৱসায়ীসকলে ব্লু-ফ্লিমৰ দৰে কিছুমান অপসংস্কৃতি ব্যক্তিগত লাভালাভৰ আশাত যোগান ধৰিছে । এই অপসংস্কৃতিয়ে বহুতো যুৱক-যুৱতীক যিখন কল্পনা ৰাজ্যত প্ৰৱেশ কৰাইছে তাৰপৰা সহজে বাস্তৱলৈ ঘূৰি অহা অসম্ভৱ । এনেধৰণৰ অপসংস্কৃতিয়ে যদি সমগ্ৰ যুৱ সমাজকে গ্ৰাস কৰি পেলায় তেন্তে সমগ্ৰ যুৱ সমাজে তেওঁলোকৰ ব্যক্তিত্ব আৰু অস্তিত্ব হেৰুৱাই পেলাব যাৰ ফলত সমাজত অৰাজকতা সৃষ্টি হ'ব ।

সম্প্ৰতি দেখা দিয়া নিবনুৱা সমস্যাইও যুৱ সমাজৰ মাজত উচ্ছৃঙ্খলতা সৃষ্টিত বিশেষ অৰিহণা যোগাইছে । শিক্ষিত লোকৰ সংখ্যা ক্ৰমে যি হাৰত বৃদ্ধি হৈছে সেই একে হাৰত নিয়োগৰ পদ বৃদ্ধি হোৱা নাই বাবে শিক্ষিত নিবনুৱাৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি হৈ গৈয়ে আছে । আগতে অৰ্হতাসম্পন্ন ব্যক্তিক নিজ গৃহৰপৰা আমন্ত্ৰণ কৰি চাকৰিত যিদৰে নিযুক্তি দিছিল বৰ্ত্তমান সেইদিন নাই । অৱশ্যে নিবনুৱা সমস্যা বৃদ্ধি হোৱাৰ আন এটা কাৰণ হ'ল দ্ৰুতগতিত বৃদ্ধি হোৱা জনসংখ্যা । এই জনসংখ্যা বৃদ্ধি ৰোধ কৰিব পাৰিলেও নিৱনুৱা সমস্যা বহু পৰিমানে কমি যাব । সম্প্ৰতি চৰকাৰী বা বেচৰকাৰী যি কোনো প্ৰতিষ্ঠানতেই স্বজনপ্ৰীতি, ভেটিপ্ৰদান আদি দুৰ্নীতি মূলক কাৰ্য্যই প্ৰাধান্য লাভ কৰিছে যাৰ ফলত প্ৰকৃত যোগ্যবান অৰ্হতাসম্পন্ন লোকে নিযুক্তি পোৱাৰ সম্ভাৱনা তেনেই ক্ষীণ । এনেদৰে ভৱিষ্যত জীৱনৰ নিৰাপত্তাহীনতাই যুৱ সমাজক নিৰাশাত ভোগাইছে আৰু তেওঁলোকৰ বিশৃংখল মানসিকতা সৃষ্টিত অৰিহনা যোগাইছে । সন্ত্ৰাসবাদৰ ক্ষেত্ৰত যুৱ চামটো বিশেষভাৱে জড়িত । নিবনুৱা সমস্যাৰ হতাশাৰ বাবেই সমাজৰ প্ৰচলিত বৈষম্য, অন্যায়, দুৰ্নীতি, অবিচাৰ আদিৰ প্ৰতি মন ক্ৰোধ, হতাশা আৰু অসহায়েৰে ভৰি পৰে । এনে অসহায় অৱস্থাতে যুৱ সমাজে সন্ত্ৰাসবাদৰ লগত জড়িত হৈ পৰে আৰু নিজ কাৰ্য্যসিদ্ধিৰ বাবে আনক হত্যা, লুণ্ঠন, ভীতি প্ৰদৰ্শন কৰা আদি কাৰ্য্যসমূহ কৰিবলৈ কুণ্ঠাবোধ নকৰে । ইয়াৰ ফলস্বৰূপে সমাজত অৰাজকতাৰ সৃষ্টি হয়। যিখন সমাজে তেওঁলোকৰ ভৱিষ্যত জীৱনৰ নিৰাপত্তা দিব নোৱাৰে সেই সমাজৰ প্ৰতি তেওঁলোকৰ শ্ৰদ্ধা নাইকিয়া হয় আৰু তেওঁলোক সমাজবিদ্ৰোহী হৈ উঠে ।

আজিৰ যুৱক-যুৱতীৰ উচ্ছৃঙ্খল মানসিকতা সৃষ্টিৰ অন্য এটা কাৰণ হ'ল আসোঁৱাহপূৰ্ণ আমাৰ শিক্ষাব্যৱস্থা। সম্প্ৰতি আমাৰ শিক্ষা ব্যৱস্থা সামাজিক জীৱনৰ লগত সংগতিবিহীন হোৱাৰ বাবে এই ব্যৱস্থাই সামাজিক জীৱনত বিশেষ প্ৰভাৱ পেলাব পৰা নাই, তাৰ পৰিবৰ্ত্তে এই ব্যৱস্থাৰ কিছুমান দিশে ছাত্ৰ-ছাত্ৰীসকলক হতাশা আৰু নিৰাশাতহে ভোগাইছে । এজন ছাত্ৰ প্ৰচলিত শিক্ষাব্যৱস্থাৰ দ্বাৰা যিমানেই অৰ্হতাসম্পন্ন নহওঁক তথাপি তেওঁ যে চাকৰি পাব তাৰ কোনো নিশ্চয়তা নাই । সেয়ে এনে শিক্ষাব্যৱস্থাৰ উপযোগিতাৰ প্ৰতি সকলো ছাত্ৰ-ছাত্ৰীৰে সন্দেহ ওপজে । তদুপৰি নৈতিৰ্কতা, সততা, প্ৰেম, ভাতৃত্ববোধ আদি মানৱীয় প্ৰমূল্য সমূহৰ উৎকৰ্ষ সাধনৰ প্ৰতি আজিৰ শিক্ষাব্যৱস্থাই বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত নহয় । বৰ্ত্তমান শিক্ষা ব্যৱস্থা বুলি কলে আমি বাস্তৱৰ লগত সংগতিহীন পুথিগত নিৰস শিক্ষা ব্যৱস্থাক বুজিব লাগিব । কিতাপ সমূহৰ ক্ষেত্ৰতো দেখা যায় যে সৰহ সংখ্যক কিতাপেই ৰুচিবোধহীন নিম্নমানদণ্ডৰ । সাধাৰণতে এই কিতাপসমূহ ব্যৱসায়িক দৃষ্টিভংগীৰে ছপোৱাৰ বাবে ইয়াৰ মানদণ্ড নিম্নখাপৰ হয়। অৱশ্যে মাজে সময়ে দুই এখন ভাল কিতাপ নোলোৱা নহয় । কিন্তু ই সংখ্যাত অতি কম । বৰ্ত্তমান বজাৰত বহুতো যৌনগন্ধী কিতাপ পোৱা যায়। এই ক্ষতিকাৰক কিতাপ সমূহে যুৱ সমাজক বিশেষভাৱে প্ৰভাৱিত কৰি বিপথে পৰিচালিত কৰিছে । আজি প্ৰকৃত শিক্ষাৰ অভাৱত দেশৰ বৌদ্ধিক জগতখনেই ধ্বংসগামী হৈ পৰিছে। বৰ্ত্তমান শিক্ষাব্যৱস্থাই শিক্ষাৰ্থীৰ চাৰিত্ৰিক উৎকৰ্ষ সাধন কৰিব পৰা নাই; এজন সুনাগৰিক হিচাপে গঢ়ি তুলিব পৰা নাই, দেশৰ উন্নতিৰ হকে কাম কৰিবলৈ শিকাব পৰা নাই, নিজৰ সংস্কৃতি বজাই ৰাখিবলৈ শিকাব পৰা নাই । এই প্ৰকৃত শিক্ষাৰ অভাৱতেই শিক্ষানুষ্ঠানসমূহত ৰেগিং, নকল, শিক্ষকক অৱমাননা আদি অপসংস্কৃতিৰ সৃষ্টি হৈছে । বৰ্ত্তমান অতীতৰ শিষ্য আৰু গুৰুৰ যি আত্মিক মধুৰ সম্পৰ্ক সি বহুপৰিমানে হেৰাই গৈছে। গুৰুৰ প্ৰতি শ্ৰদ্ধা নথকাটো ছাত্ৰ বা শিষ্যৰ উচ্ছৃংখলতাৰে পৰিচায়ক । এক কথাত ক'বলৈ গলে বৰ্ত্তমান শিক্ষাব্যৱস্থাৰ মূল উদ্দেশ্য হ'ল সৎ বা অসৎ যি কোনো উপায়েৰে কেৱল পৰীক্ষাত পাছ কৰা। বৰ্ত্তমান শিক্ষাব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ আৰু মানসিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত বিশেষ সহায় কৰিছে বুলি ক'ব নোৱাৰি । এই শিক্ষাব্যৱস্থাই ভৱিষ্যতৰ সপোন কল্পনা কৰাতহে সহায় কৰে কিন্তু তাক কাৰ্য্যত পৰিণত কৰাত বিশেষ

সহায় কৰিব নোৱাৰে । সেয়ে বৰ্ত্তমান প্ৰকৃত শিক্ষাব্যৱস্থাৰ প্ৰসাৰৰ প্ৰয়োজন হৈ পৰিছে । শিক্ষা কেৱল পৰীক্ষাত উত্তীৰ্ণ হ'বৰ বাবে নহয় লগতে বৌদ্ধিক বিকাশ আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবেও যে শিক্ষা অপৰিহাৰ্য্য তাক সকলোৱে উপলব্ধি কৰিব লাগিব ।

সম্প্ৰতি যুৱ সমাজত দেখা দিয়া উচ্ছৃংখলতাৰ এটা অতি গুৰুত্বপূৰ্ণ কাৰণ হ'ল বৰ্ত্তমান সমাজৰ জটিল ৰাজনৈতিক পৰিস্থিতি । কোনো এটা দলতে প্ৰকৃত সৎ চৰিত্ৰৰ নেতা পাবলৈ নাই । সকলো দলতে ভণ্ড, ঠগ, প্ৰবঞ্চকৰ ৰূপতে আমি নেতাসকলক দেখা পাওঁ ।সম্প্ৰতি যুৱ সমাজে সমাজৰ এক বৃহৎ জনসংখ্যাৰ প্ৰতিনিধিত্ব কৰিছে । সেয়ে ৰাজনৈতিক নেতাসমূহে নিজ স্বাৰ্থ সিদ্ধিৰ বাবে এই যুৱক যুৱতীসকলৰ ওপৰত নিৰ্বাচনৰ সময়ত বিশেষ দৃষ্টি দিয়া দেখা যায় । এই নেতাসকলে কেৱল যুৱক যুৱতীসকলকেই নহয় সকলো ভোটদাতাকে বিভিন্ন ধৰণৰ প্ৰলোভন দেখুৱাই নিৰ্বাচনৰ অন্তত গাদী পোৱাৰ পাছত পাহৰি যায়। নিৰ্বাচনত জয়লাভ কৰাৰ উদ্দেশ্যে এওঁলোকে বিভিন্ন হিংসাত্মক কাৰ্য্য নিজে বা আনৰদ্বাৰা সংঘটিত কৰাবলৈ কুণ্ঠাবোধ নকৰে । বহুসময়ত ৰাজনৈতিক নেতা সকলৰ দৃষ্টিভঙ্গী আৰু যুৱচামৰ দৃষ্টিভঙ্গী একে নহলে দুয়োদলৰ মাজত সংঘাতৰ সৃষ্টি হয় আৰু ই উচ্ছৃঙ্খলতা বৃদ্ধিত অৰিহনা যোগায় । বৰ্ত্তমানৰ ৰাজনৈতিক দলসমূহে দেশবাসীৰ মাজত ঐক্য-সংহতি সৃষ্টি কৰাৰ পৰিবৰ্ত্তে বিভেদৰহে সৃষ্টি কৰিছে । ৰাজনৈতিক দলসমূহে নিজ দলৰ প্ৰচাৰৰ অৰ্থে ধৰ্ম, সম্প্ৰদায়, অঞ্চল আদিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা পৰিলক্ষিত হয় । মন্ত্ৰী আমোলাসকলৰ পৰা সুশাসন আশা কৰাৰ পৰিবৰ্ত্তে আমি তেওঁলোকক দুৰ্নীতিপৰায়ন, ঘোঁচখোৰ আৰু স্বজনপ্ৰিয় ৰূপত দেখা পাওঁ। তেওঁলোকে জনসাধাৰণৰ কল্যানৰ হকে কাম কৰাৰ পৰিবৰ্ত্তে নিজ লাভালাভৰ ওপৰত অধিক গুৰুত্ব দিয়ে । ফলত সাধাৰণ নাগৰিকে পাবলগীয়া নিম্নতম সুবিধাখিনিৰ পৰাও বঞ্চিত হৈছে । মন্ত্ৰী-আমোলাৰ বিৰুদ্ধে বুদ্ধিজীৱিসকলে মাত মাতে বুলি মন্ত্ৰী আমোলাই তেওঁলোকক শকত অংকৰ ধন দি মুখ বন্ধ কৰি থয় । এনেধৰণৰ বিশৃংখল ৰাজনৈতিক পৰিবেশেও যুৱ সমাজ বিপথে পৰিচালিত কৰিছে ।

অভিভাৱকৰ উদাসীনতা আৰু অনুশাসনহীনতাও যুৱ সমাজৰ উচ্ছৃংখলতাৰ এটা গুৰুত্বপূৰ্ণ কাৰণ । সম্প্ৰতি গৰিষ্ঠ সংখ্যক অভিভাৱকৰ নিজৰ সন্তানৰ ওপৰত নিয়ন্ত্ৰনেই নাই । ভোগবাদী সমাজৰ দৈনন্দিন ব্যস্ততাৰ পৰিপ্ৰেক্ষিতত অভিভাৱকসকলে সন্তানৰ প্ৰতি প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰিব পৰা নাই । ঘৰুৱা পৰিবেশতো নৈতিক আৰু মানৱীয়গুণসমূহৰ কৰ্ষণ নহয় । ফলস্বৰূপে ল'ৰা-ছোৱালীৰ উচ্ছৃঙ্খল মনোভাৱ গঢ় লৈ উঠে । বহুতো অভিভাৱকে আধুনিকতা আৰু আভিজাত্য প্ৰকাশ কৰিবলৈ গৈ নিজ সন্তানক নিত্য নতুন উদ্ভাৱন হৈ থকা দামী দামী সামগ্ৰী সমূহ ক্ৰয় কৰি দিয়ে আৰু সন্তানক অভাৱ অনুভৱ কৰিবলৈ নিদিয়ে । ফলত এই শিশুসকলে অভাৱৰ আভাস নোপোৱাকৈ ডাঙৰ হোৱাৰ বাবে জীৱন অভিজ্ঞতাৰ পৰা বঞ্চিত হয় । পাছত এই শিশুসকলে অৰ্থৰ অভাৱত যেতিয়া এই দামী সামগ্ৰীবোৰ ক্ৰয় কৰিবলৈ অক্ষম হ'ব আৰু স্বাভাৱিক উপায়েৰে শকত পৰিমানৰ অৰ্থ সংগ্ৰহ কৰিব নোৱাৰিব তেওঁলোকে চোৰ, ডকাইতৰ দৰে কিছুমান জঘন্য কাৰ্য্যৰ দ্বাৰা অৰ্থ সংগ্ৰহ কাৰ্য্যত লিপ্ত হ'ব পাৰে । সকলো অভিভাৱকে নিজৰ সন্তানক ভাল হ'বৰ বাবে বিভিন্ন সজ উপদেশ দিয়ে । কিন্তু এইটো পৰিতাপৰ বিষয় যে অভিভাৱকসকলৰ সৰহসংখ্যকৰেই নিজৰ চৰিত্ৰ নিকা নহয় । অভিভাৱকে যি সজ উপদেশ দিয়ে সেই উপদেশৰ আৰ্হি তেওঁ নিজে হ'ব লাগিব । অন্যথাই যি কোনো অভিভাৱকৰে সন্তানে সেই উপদেশ সমূহ সহজে মানি নচলে বা মানিবলৈ টান পায় । এই ক্ষেত্ৰত আমি ইছলামীয় ধৰ্মগুৰু হজৰত মহম্মদৰ কথা উনুকিয়াব পাৰো । যিজনে নিজে মিঠাই খাই ভাল পাইছিল আৰু আনক মিঠাই নাখাবলৈ উপদেশ দিব লগা হোৱাৰ বাবে তেওঁ নিজে মিঠাই নোখোৱাৰ অভ্যাস কৰিছিল । অভিভাৱকসকলৰ নিজা চৰিত্ৰ নিকা নোহোৱাৰ বাবেই নিজ সন্তানে কোনো কু-কাৰ্য্য সংঘটিত কৰিলেও তেওঁলোকে কোনো শাস্তি বিহিব নোৱাৰে । যাৰ ফলত এই সন্তান সকলৰ কু-কাৰ্য্যৰ পৰিমান বৃদ্ধি হৈ গৈ থাকে । যি দুই এজন সভ্য চৰিত্ৰৰ লোক আছে তেওঁলোকে নিজ সন্তানক কু-কাৰ্য্যৰপৰা আঁতৰাই ৰাখিবলৈ সক্ষম হয় । অভিভাৱকৰ মৰম-প্ৰীতিৰ অভাৱ আৰু অৱহেলাই সন্তানৰ উচ্ছৃংখলতা বৃদ্ধিত অৰিহণা যোগায় । অভিভাৱকৰ কঠোৰ তত্বাৱধানত থকা সন্তানেও পাছত সমাজৰ প্ৰতিকূলতাৰ বিৰুদ্ধে সংগ্ৰাম কৰিব নোৱাৰি মানসিক ভাৱে দুৰ্বল হৈ পৰে । যাৰ ফলত এই সন্তানসকলে নিজকে সমাজৰ বোজা হিচাপে ভাবিবলৈ লয় । সেইদৰে সন্তানসকলক অভিভাৱকসকলে ঘৰৰ চাৰিবেৰৰ বাহিৰলৈ ওলাই গ'লে বেয়া হ'ব বুলি ঘৰতে আবদ্ধ কৰি ৰখাটোও অবাঞ্চনীয় । কাৰণ এনে হ'লে এই সন্তানসকলে ব্যহ্যিক জগত ব্যৱহাৰিক অভিজ্ঞতাৰপৰা বঞ্চিত হোৱাৰ লগতে সমাজৰ প্ৰতি

তেওঁলোকৰ কৰণীয় নাই এনে মনোভাৱ গঢ়ি উঠিব। গতিকে যুৱ মানসিকতা উত্তৰণৰ দিশত অভিভাৱকৰ ভূমিকা কোনো গুণে কম নহয় ।

যুৱ মানসিকতা উচ্ছৃংখল হোৱাৰ অন্য এটা প্ৰধান কাৰণ হ'ল ৰাস্তাই ঘাটে সকলোতে পোৱা মদ, চিগাৰেট, ড্ৰাগচ আদি ৰাগীয়াল সামগ্ৰী সমূহ। ৰাগীয়াল বস্তুৰ প্ৰতি যুৱ সমাজেই নহয় সমাজৰ সকলো লোকেই ইমান বেছিকৈ আসক্ত হৈ পৰিছে যে এইবোৰ সামগ্ৰী উৎপাদন কৰা কোম্পানী বা ব্যৱসায়ীসকলে দুগুণ উৎসাহেৰে উৎপাদন কাৰ্য্যত মনোনিবেশ কৰিছে, যাৰ ফলত আমাৰ সমাজখনৰ মানদণ্ড তললৈ গতি কৰিছে । ৰাগীয়াল সামগ্ৰীয়ে আসক্ত ব্যক্তিসকলক কু-কাৰ্য্য সংগঠিত কৰাত ইন্ধন যোগায় । আজি সমাজক ৰাগীয়াল সামগ্ৰীয়ে এনেকৈ গ্ৰাস কৰি পেলাইছে যে আমি জীৱনৰ প্ৰতিটো ক্ষণতে ইয়াত ব্যৱহাৰ কৰো। কাৰোবাৰ জন্মদিন পাতিছে তাত মদ, কাৰোবাৰ মন বেয়া লাগিছে ভাল লগাবলৈ মদ, কাৰোবাৰ মন ভাল লাগিছে তাত মদ, কোনোবা পৰীক্ষাত পাছ কৰিলে তাত মদ, কোনোবা ফেল কৰিছে দুখ পাতলাবলৈ তাতো মদ, ক'ৰবাত কিবা সাংস্কৃতিক অনুষ্ঠান বা অন্য কোনো অনুষ্ঠান পাতিছে তাতো মদ । মুঠতে জন্মৰ পৰা মৃত্যুলৈকে কেৱল ৰাগীয়াল সামগ্ৰীৰ প্ৰয়োজন । আজিকালি যুৱকসকলে তিনিআলি, চাৰিআলি বা দোকানৰ ওচৰত চিগাৰেট হুপাটো এটা ফেচনত পৰিণত হৈ পৰিছে । তাতকৈ ডাঙৰ কথা হ'ল চৰকাৰে নিত্য নতুন ব্যৱসায়ী বা কোম্পানীক ৰাজহ সংগ্ৰহৰ উদ্দেশ্যে ৰাগীয়াল সামগ্ৰী বিক্ৰীৰ বাবে অনুমোদন দিয়া কাৰ্য্য অৰ্থাৎ আমাৰ যুৱচামৰ ভৱিষ্যততকৈ অৰ্থ সংগ্ৰহৰ ওপৰতহে চৰকাৰে বেছি গুৰুত্ব দিয়ে যাৰফলত চৰকাৰে যুৱ সমাজৰ উন্নতিৰ পৰিৱৰ্ত্তে তেওঁলোকক ধ্বংসৰ মুখলৈকে ঠেলি দিছে । ৰাগীয়াল সামগ্ৰীৰ বিভিন্ন বিজ্ঞাপনসমূহ দেখি মদ, চিগাৰেট আদি খোৱাটো বহুতে আভিজাত্যৰ লক্ষণ হিচাপে ভাবিবলৈ লৈছে ।

ওপৰৰ আলোচনাৰপৰা এইটো স্পষ্টভাৱে দেখা গ'ল যে সুস্থ যুৱ মানসিকতা আৰু বিকৃত যুৱ মানসিকতা গঠনৰ দিশত বহুতো কাৰণে প্ৰভাৱ বিস্তাৰ কৰে । যুৱ উচ্ছৃংখলতা একেবাৰে নিৰাময় কৰিবলৈ হ'লে ইয়াৰ প্ৰকৃত কাৰণবোৰ বিচাৰি উলিয়াই তাৰ বিৰুদ্ধে সমুচিত ব্যৱস্থা লোৱাটো প্ৰতিজন সমাজ সচেতন নাগৰিক আৰু অভিভাৱকৰ প্ৰধান কৰ্তব্য হোৱা উচিত । সমাজক নেতৃত্ব দিয়াসকলে, সুস্থ সামাজিক পৰিবেশ গঠন কৰাত মনোনিবেশ কৰিব লাগিব । বাস্তৱৰ লগত সংগতি থকা সুস্থ শিক্ষা-নীতিৰ দ্বাৰা নৈতিকতাৰ লগত সম্পৰ্ক স্থাপন কৰি ল'ৰা-ছোৱালীৰ মাজত জাতীয় ঐক্য আৰু সংহতিৰ সৃষ্টি কৰিব লাগে । বুদ্ধিজীৱী সকলেও 'যুৱ-উচ্ছৃংখলতাক' কেৱল সমালোচনা কৰি থকাতকৈ নিজে ইয়াৰ কাৰণ বিচাৰি সমাধানৰ বাবে যত্ন কৰা উচিত । শিক্ষকসকলেও নিস্বাৰ্থভাৱে শিক্ষাদান কাৰ্য্য সম্পাদন কৰিব লাগে। যুৱ উচ্ছৃংখলতাৰ বাবে কেৱল যুৱক-যুৱতীসকলক দোষ নিদি আমি প্ৰত্যেকেই ইয়াৰ বিৰুদ্ধে থিয় দিব লাগিব । সকলোৱে একলগ হৈ সুস্থ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক পৰিবেশৰ সৃষ্টি কৰিব লাগিব । শেষত প্ৰত্যেকেই উপলব্ধি কৰা উচিত যে যুৱক-যুৱতী সকলৰ সুস্থ ব্যক্তিত্ব আৰু মানসিকতা গঠন কেৱল অনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ দ্বাৰা নহয় । তেওঁলোকৰ পাৰিবাৰিক আৰু সামাজিক পৰিবেশৰ ভূমিকাও এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ।





# 'ভাৰতীয় বিজ্ঞানীৰ উজ্জ্বল নক্ষত্ৰ ঃ

## ছাৰ চন্দ্ৰশেখৰ ভেঙ্কটৰমন

*গোলাপ কলিতা*
অধ্যাপক, ৰাসায়ন বিভাগ

১৯২৮ চনৰ ২৮ ফ্ৰেব্ৰুৱাৰী দিনটো ভাৰতীয় বিজ্ঞান জগতৰ ইতিহাসৰ এক গৌৰৱোজ্জ্বল দিন । সেই দিনটোতে ভাৰতীয় বিজ্ঞানীৰ উজ্জ্বল নক্ষত্ৰ স্বৰূপ ছাৰ চন্দ্ৰশেখৰ ভেঙ্কটৰমনে পোহৰ বিজ্ঞানৰ জগতজুৰি আলোড়ন সৃষ্টিকৰি এনে এক বৈজ্ঞানিক পৰিঘটনাৰ সত্যাসত্য প্ৰতিষ্ঠা পৰিবলৈ সমৰ্থ হৈছিল যে তেওঁক ১৯৩০ চনত বিশ্বৰ শ্ৰেষ্ঠ বঁটা বুলি গন্য কৰা নোবেল বঁটাৰে বিভূষিত কৰা হৈছিল আৰু ভাৰত কিয় সমগ্ৰ এচিয়াতে প্ৰথমজন এনে পদাৰ্থবিজ্ঞানী হোৱাৰ বিৰল কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছিল । ভাৰত চৰকাৰে স্বৰ্গীয় ৰাজীৱ গান্ধীৰ আমোলতে সেই দিনটোক ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে স্বীকৃতি দিয়ে আৰু সমগ্ৰদেশে বিশেষকৈ বিজ্ঞানকৰ্ম্মী সকলে এই দিৱস উদ্‌যাপন কৰি বিজ্ঞানীজনাক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে তেখেতৰ কৰ্ম্মৰাজিৰ পুনৰালোকপাত কৰি আহিছে ।

তেখেতৰ প্ৰায় সাতবছৰ জোৰা কৃচ্ছ্ৰ সাধনাৰ বিনিময়তহে এনে শ্ৰেষ্ঠ আৱিষ্কাৰৰ সম্ভৱ হৈছিল । ১৯২১ চনত লণ্ডনত অনুষ্ঠিত বিশ্ববিদ্যালয় কংগ্ৰেছত যোগদান কৰি তেখেতে যেতিয়া জাহাজেৰে দেশলৈ প্ৰত্যাৱৰ্তন কৰিছিল তেতিয়া সাগৰৰ বিস্তৃত অপাৰ নীলা জলৰাশি দেখি আত্মবিভোৰ হৈছিল আৰু মনত অবিৰাম এক প্ৰশ্ন জাগৰুক হৈ দেখা দিবলৈ ধৰিলে - সাগৰৰ পানী নীলা হয় কিয় ? কিয় ?? ওৰহীগছৰ ওৰ বিচৰা, অনুসন্ধিৎসুকতা, সন্দেহ প্ৰৱণতা বিজ্ঞানীসকলৰ এক সহজাত প্ৰবৃত্তি । সেয়েহে ৰমনৰ মগজুতো এনে এক চিন্তাই স্থায়ীভাৱে বাহৰ সাজিলে । ১৮৭৯ চনতেই লৰ্ড ৰেলিয়ে আকাশখন কিয় নীলা দেখি তাৰ সন্তোষজনক বৈজ্ঞানিক কাৰণ ও ব্যাখ্যা আগবঢ়াইছিল । বায়ুত থকা বিভিন্ন ধৰণৰ কণা আৰু জলীয় বাস্পৰ অনুবোৰৰ ওপৰত যেতিয়া সূৰ্য্যৰ ৰশ্মি পৰে তেতিয়া এই কণাবোৰে সূৰ্য্যৰ পোহৰ বিচ্ছুৰিত কৰে আৰু সাত ৰঙৰ বৰ্ণালী দিয়ে । কিন্তু এই বিচ্ছুৰণ আটাইকেউটা ৰঙৰক্ষেত্ৰত সমভাৱে নঘটে । নীলা ৰঙটো আটাইতকৈ বেছি বিচ্ছুৰিত হোৱা বাবে আমাৰ চকুত সিয়েই বেছিকৈ ধৰা দিয়ে আৰু ফলত আকাশখনৰ ৰঙ আমি নীলা দেখোঁ । প্ৰকৃততে আকাশখন নীলা নহয় । পোহৰৰ বিচ্ছুৰণৰ ফলতহে এনে হোৱা দেখা যায় । ৰেলিয়ে কিন্তু নীলা আকাশৰ প্ৰতিফলনৰ বাবেই সাগৰৰ পানীও নীলা দেখি বুলি ভুল ধাৰণা এটা পুহি ৰাখিছিল । ৰমনে জাহাজত আহি থাকোতেই তেওঁৰ লগত থকা নিকল প্ৰিজমৰ মাজেদি সাগৰৰ পানীত প্ৰতিফলিত হৈ অহা সূৰ্য্যৰ পোহৰ পাৰ হবলৈ দি বিচ্ছুৰিত কৰি ৰশ্মি ভাগ এটা বিশেষ কোণৰ পৰা পৰ্য্যবেক্ষণ কৰি পালে যে সেই ৰশ্মি নোহোৱা হৈ যায় । আকৌ ফৰকাল বতৰত আৰু ভৰ দুপৰীয়া একেদৰে এই ৰশ্মি প্ৰিজমৰ মাজেদি পঠাই নীলা ৰঙৰ তীব্ৰতা কম হোৱাৰ পৰিৱৰ্ত্তে বৃদ্ধি হোৱাহে দেখা পালে । সেয়ে তেওঁ এক সিদ্ধান্তলৈ আহিল যে নীলা আকাশৰ বাবে সাগৰৰ পানী নীলা হোৱা হ'লে সকলো পৰীক্ষাত একে পোৱা গ'ল হেঁতেন । বৰং সূৰ্য্যৰ পোহৰ সাগৰৰ পানীৰ অণুৱে বিচ্ছুৰণ কৰাৰ ফলতহে সাগৰৰ পানী নীলা দেখা যায় ।

ৰমনে দেশ পায়েই তেওঁৰ গৱেষক ছাত্ৰৰ সৈতে পৰিষ্কাৰ পানীৰ মাজেদি সূৰ্য্যৰ পোহৰ পঠিয়াই বিচ্ছুৰিত ৰশ্মি কিছুমান ফিল্টাৰৰ মাজেদি যাবলৈ দি বৰ্ণালীমাপক যন্ত্ৰত পৰ্য্যবেক্ষণ কৰোঁতে বেলেগ ৰঙৰ ৰশ্মিহে ধৰা পৰিল। আগৰ ৰঙৰ সলনি হ'ল। আনকি

পানীত অশুদ্ধি থকাৰ বাবে এনে হ'ব পাৰে বুলি ভাবি কেইবাবাৰো পাতন কৰি বিশুদ্ধ পানী লোৱাৰ পিছতো এনে ঘটনাই পৰিলক্ষিত হ'ল। হেন সময়তে আৰ্থাৰ কম্পট'নৰ বিখ্যাত কম্পট'ন পৰিঘটনাৰ কথা প্ৰকাশ পাইছিল। চকুৰে নেদেখা ৰঞ্জন ৰশ্মি ইলেক্ট্ৰনৰ দ্বাৰা বিচ্ছুৰিত হ'লে পোহৰ কণা (ফ'টন) বোৰৰ শক্তিৰ হ্ৰাস বৃদ্ধি ঘটে । তেতিয়া ৰমনেও দৃঢ়ভাৱে ধৰি ললে যে চকুৰে দেখা পানীৰ ক্ষেত্ৰত এনে পৰিঘটনা হোৱা একো আচৰিত নহয় । ৰমনে ইয়াৰ পিছত বেলেগ বেলেগ তৰল বিশুদ্ধ কৰি এই পৰীক্ষা কৰিবলৈ ধৰিলে । বিশুদ্ধ গ্লিচাৰিণে বিচ্ছুৰণ কৰা ৰশ্মি নীলাৰ সলনি সেউজীয়াহে হ'ল । বিভিন্ন জৈৱিক তৰলৰ বেলিকাও একেই পৰিলক্ষিত হ'ল । তেওঁ সূৰ্য্যৰ সাতৰঙক উৎস হিচাপে লোৱাৰ পৰিবৰ্তে মাৰ্কাৰি আৰ্ক লেম্পৰ পৰা নিৰ্গত হোৱা একৰঙী আপতিত পোহৰৰ পথত ফিল্টাৰ ব্যৱহাৰ কৰি প্ৰত্যেক্ষ বৰ্ণালীমাপক যন্ত্ৰৰ দ্বাৰা পৰ্য্যবেক্ষন কৰোঁতে বিচ্ছুৰিত পোহৰখিনি নীলা ৰঙৰ পৰিৱৰ্তে নীলা আৰু সেউজীয়া অঞ্চলৰ দুটা ৰেখা দেখা পালে যাৰ মাজত এক এন্ধাৰ অঞ্চল থাকে । এয়েই বিখ্যাত ৰমন পৰিঘটনা (Raman effect) (১৯২৮ চনৰ ২৮ ফেব্ৰুৱাৰীৰ দিনা) । একেবাৰে সহজ ভাষাত কবলৈ গ'লে কোনো পদাৰ্থৰ অণু বা কণাত যেতিয়া পোহৰৰ কণাবোৰে আঘাট কৰে বা খুন্দামাৰে তেতিয়া পোহৰৰ কণাবোৰৰ কম্পন সংখ্যা হয় বৃদ্ধি পাব নহয় হ্ৰাস পাব যাৰ ফলত পোহৰৰ বিকিৰণ ঘটে, সেয়েহে আপতিত ৰশ্মিৰ ৰঙৰ সলনি হয় । এই তথ্য সদৰি হোৱাৰ লগে লগে সমগ্ৰ বিশ্বৰ বিজ্ঞানী সমাজত ৰমনৰ কৃতিত্ব বিয়পি পৰে আৰু ১৯৩০ চনৰ পদাৰ্থবিজ্ঞানৰ নোবেল বঁটাৰ বাবে নিৰ্বাচিত হয় আৰু সেইবছৰৰে ১০ ডিচেম্বৰত ষ্টকহ'মত বঁটা প্ৰদান কৰা হয় । জাৰ্মানৰ পিটাৰ প্ৰিংছেইম বুলি বিজ্ঞানী জনাই ৰমনৰ এই সৃষ্টিক 'ৰমন পৰিঘটনা' বুলি আখ্যা দিয়ে । তেওঁৰ এই পৰিঘটনা স্ফটিক বিজ্ঞান, পৰমাণু বিজ্ঞান আৰু ৰাসায়ন বিজ্ঞানৰ বিভিন্ন শাখাত বহুলভাৱে ব্যৱহাৰ হ'বলৈ ধৰে । ১৯৬৫ চনত পুণৰ একৰঙী তীব্ৰ লেজাৰ ৰশ্মি প্ৰয়োগৰ দ্বাৰা ৰমন পৰিঘটনাৰ গুৰুত্ব অধিক বৃদ্ধি পাবলৈ ধৰিলে।

ৰমন ১৮৮৮ চনৰ ৭ নবেম্বৰত মাদ্ৰাজৰ ত্ৰিচিন্নপল্লীত জন্ম গ্ৰহণ কৰি ১৯৭০ চনৰ ২১ নবেম্বৰত ৮২ বছৰ বয়সত মৃত্যু বৰণ কৰে । সৰুৰে পৰাই প্ৰখৰ মেধা শক্তিৰ ৰমনে ১৯০২ চনত ১৪ বছৰ বয়সত মাদ্ৰাজৰ প্ৰেছিডেন্সী কলেজত ভৰ্ত্তি হৈ ১৯০৪ চনত ডিগ্ৰীত প্ৰথম হৈ উত্তীৰ্ণ হয়। ১৯০৫ চনত পদাৰ্থ বিজ্ঞান বিষয় লৈ এম্ এ পাছ কৰে প্ৰথম হৈ । সেইবছৰতে তেওঁ সৰ্বভাৰতীয় বিত্তবিভাগৰ পৰীক্ষাত ভাৰতৰ ভিতৰত প্ৰথম হৈ ডেপুটি একাউন্টেন্ট জেনেৰেলৰ দৰে উচ্চ পদত যোগদান কৰে । কিন্তু গৱেষণা আৰু বিজ্ঞান সাধনাৰ উচ্চ মন থকাৰ বাবেই ১৯১৭ চনত বিত্তীয় বিভাগৰ অতি সুবিধা থকা, উচ্চ বেতন পাই থকা লোভনীয় চাকৰি ত্যাগ কৰি কলিকতা বিশ্ববিদ্যালয়ৰ University College of Science ৰ পদাৰ্থ বিজ্ঞান বিভাগত 'পালিত অধ্যাপক' ৰূপে যোগদান কৰে । পালিত অধ্যাপক পদত মকৰল হ'বলৈ বিদেশী ডিগ্ৰীৰ বাধ্যবাধকতা আছিল। কিন্তু উপাচাৰ্য্য আশুতোষ মুখাৰ্জীয়ে ৰমনৰ দৰে এডোখৰ হীৰাক চিনি পাই সেই নিয়ম সংশোধন কৰি ৰমনক নিযুক্তি দিছিল।

প্ৰথমতে ৰমন শব্দবিজ্ঞানতহে জড়িত আছিল। সৰুৰে পৰা সংগীতৰ প্ৰতি নিচা থকা বাবেই তেওঁ বীণা, মৃদঙ্গ, তবলা আদিৰ শব্দৰ কম্পনৰ ওপৰত তত্বগধূৰ গাণিতিক সূত্ৰ বাহিৰ কৰিছিল। কিন্তু পিছত পোহৰ বিজ্ঞানৰ প্ৰতিহে অনুৰক্ত হয় । ১৯১৯ চনত ৰমন কলিকতাৰ ইণ্ডিয়ান এছচিয়েচন অব কাল্টিভেচন অব চায়েন্স (IACS) ৰ অবৈতনিক সম্পাদক ৰূপে নিৰ্বাচিত হয় । এই প্ৰতিষ্ঠানটোৱেই ভাৰতৰ প্ৰথম বিজ্ঞান চৰ্চাৰ কেন্দ্ৰ আছিল য'ত জগদীশচন্দ্ৰ বোস, মেঘনাথ সাহা, সত্যেন্দ্ৰ নাথ বসু, ৰমন আদি প্ৰতিভাবান বিজ্ঞানীসকলৰ সমাবেশ ঘটিছিল। ৰমনে ছাত্ৰাৱস্থাতেই গৱেষণাৰ পাতনি মেলিছিল। ১৯০৬ চনতেই তেওঁৰ পোহৰ বিজ্ঞানৰ ওপৰত এটি তত্বগধূৰ নিৱন্ধ ইংলেণ্ডৰ বিখ্যাত আলোচনী ফিলচফিকেল মেগজিন'ত প্ৰকাশ পাইছিল। তেওঁৰ বিলাতৰ বাবে বৃত্তি পায়ো প্ৰতিকূল স্বাস্থ্যৰ বাবে যাব নোৱাৰিলে যাৰ ফলস্বৰূপেই ভাৰতে ৰমনৰ নিচিনা এজন বিজ্ঞানী দেশতে পোৱাৰ সৌভাগ্য ঘটিল । সেই সময়ত অতি সীমিত সুবিধাৰে কেৱল দুশ টকাৰ যন্ত্ৰপাতিৰেই গৱেষণা কৰি নোবেল বঁটা পোৱাটো কম দুৰূহ নাছিল।

দেশবিদেশৰ পৰা ৰমনে যিমানবোৰ সন্মান পাইছিল আন বহুতৰে ভাগ্যত ঘটা নাই । ১৯২৯ চনত ইংলেণ্ডে ছাৰ (নাইট) উপাধি, ৰোমৰ ইটালীয়ান চৰকাৰে ম্যাটুইচি সোণৰ পদক, ১৯৩৩ চনত Royal Society ৰ দ্বাৰা 'হিউজ মেডেল', ১৯৫১ চনত ফিলাডেলফিয়াৰ ফ্ৰাঙ্কলিন ইনষ্টিটিউটৰ শ্ৰেষ্ঠ বঁটা ফ্ৰেঙ্কলিন মেডেল, ৰাছিয়া, জাৰ্মেনী, হাঙ্গেৰী, ৰুমানিয়া, জেকোশ্লোভেকিয়া, ফ্ৰান্সৰ বিজ্ঞান একাডেমীৰ সভ্য নিৰ্বাচিত, ১৯৪৮ চনত ভাৰতৰ জাতীয় অধ্যাপক ১৯৫৭ চনত ছোভিয়েট লেলিন শান্তি বঁটা, আমেৰিকাৰ

অপ্‌টিকেল ছ'ছাইটিৰ সভ্য, বহুদেশে সন্মানিত ডক্টৰেট উপাধি, ১৯৫৪ চনত ভাৰতৰ শ্ৰেষ্ঠ সন্মান 'ভাৰত ৰত্ন' আদি ।

তেওঁ ১৯৩৩ চনৰ পৰা ১৯৪৮ চনলৈকে বাঙ্গালোৰৰ I.I.Sc ৰ সঞ্চালক ও পদাৰ্থবিজ্ঞান মূৰব্বী অধ্যাপক, ইণ্ডিয়ান একাডেমী অব চায়েন্সৰ প্ৰতিষ্ঠাৰ অগ্ৰণী পুৰুষ, ১৯৪৩ চনত Raman Institute প্ৰতিষ্ঠা, ১৯২৯ চনত ভাৰতীয় বিজ্ঞান কংগ্ৰেছৰ মূল সভাপতি ।

তেওঁ Current Science নামৰ এখন গৱেষণামূলক আলোচনী আৰম্ভ কৰিছিল। পোহৰ আৰু শব্দবিজ্ঞানৰ ওপৰত তেওঁৰ অতি মূল্যবান্ গ্ৰন্থ হ'ল Molecular Diffraction of Light, Theory of Musical Instrument, Physics of Crystals । তেওঁ ইমানেই সক্ৰিয় হৈ আছিল যে তেওঁৰ আশী বছৰ বয়সত প্ৰকাশ কৰিছিল Physiology of Vision নামৰ মূল্যবান গ্ৰন্থখন ।

ৰমন ব্যক্তিগত জীৱনত অমায়িক, অল্পভাষী, স্পষ্টবাদী আৰু মানৱতাবাদী আছিল। স্পষ্টবাদীতাৰ বাবে তেওঁ বহুসময়ত বহুতৰ অপ্ৰিয়ভাজনো হ'ব লগা হৈছিল। তেওঁ অগনন অন্ন বস্ত্ৰ-গৃহহীন মানুহবোৰৰ দুৰৱস্থা দেখি সেইসকলৰ উন্নয়নৰ হকে কাম নকৰি চন্দ্ৰলোকলৈ বিজ্ঞানীসকলৰ অজস্ৰ খৰছ কৰাটো বলিয়ালি বুলি আখ্যা দিছিল । আকৌ পৃথিৱীৰ অধিক জনসংখ্যাৰ দিনত কৃত্ৰিম শিশু সৃষ্টিকৰা বিজ্ঞানীক দায়িত্বহীন বুলিহে গণ্য কৰিছিল । তেওঁৰ ইমানেই আত্মবিশ্বাস আছিল যে ১৯৩০ চনত ষ্টকহ'মলৈ বুলি তেওঁ আগতীয়াকৈ জাহাজৰ টিকত কাটি ৰাখিছিল, কাৰণ সেইবছৰ তেওঁক যে নোবেল বঁটা প্ৰদান কৰা হ'ব তেওঁ নিশ্চিত হৈ আছিল। ভাৰতত ৰমনৰ পিছত দ্বিতীয় এজন বিজ্ঞানীয়ে এতিয়ালৈকে নোবেল বঁটা পাবলৈ সমৰ্থ হোৱা নাই । সুব্ৰমনিয়াম চন্দ্ৰশেখৰে জ্যোতিপদাৰ্থ বিজ্ঞানত আৰু হৰগোবিন্দ খোৰাণাই ডিনেটিক জৈৱবিজ্ঞানত নোবেল বঁটা পাইছে যদিও তেওঁলোকে বিদেশৰ সা-সুবিধা, নাগৰিকত্ব গ্ৰহণ কৰিহে পাইছে । সেয়ে ভাৰতীয় বুলি গৌৰৱ কৰাৰ অধিকাৰ আমাৰ নাই ।

ৰমনৰ সাংসাৰিক জীৱন আছিল অতি মধুৰ । তেওঁৰ পত্নীয়ে তেওঁক বিজ্ঞান গৱেষণাৰ বাবে সদায় উদগণি দি আহিছিল । সাত্বিক, নৈষ্ঠিক, ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰি বিদেশত থকাৰ দিনবোৰতো কঠোৰ নিয়ম নীতিৰ মাজেৰে কৰ্ত্তব্যপালন কৰিছিল। তেওঁ যিদিনা নোবেল বঁটা গ্ৰহণ কৰিছিল সেইদিনা সমবেত বিজ্ঞানী সকলৰ সন্মুখত তেওঁ এলকহলৰ ওপৰত ৰমন পৰিঘটনা প্ৰদৰ্শন কৰিছিল। সেইদিনা ৰাতিলৈ তেওঁৰ সন্মানৰ অৰ্থে আয়োজন কৰা প্ৰীতি ভোজমেলত তেওঁক এপিয়লা সুৰা যাঁচি এজন বিজ্ঞানীয়ে চিঞৰি উঠিল 'ৰাতিপুৱা মদৰ ওপৰত ৰমন প্ৰতিক্ৰিয়া দেখুৱাই আমাক আমোদ প্ৰমোদ দিলে আৰু এতিয়া ৰমনৰ ওপৰত মদৰ প্ৰতিক্ৰিয়া দেখুৱাই অলপ আমোদ দিয়ক ; কিন্তু দৃঢ়মনা ৰমনে এই অনুৰোধ দৃঢ়তাৰে প্ৰত্যাখ্যান কৰিছিল।


**<u>প্ৰাসঙ্গিক গ্ৰন্থ ঃ</u>**

১) Some Eminent Indian Scientists - Jagjit Singh.

২) ভাৰতীয় বিজ্ঞানী - ড° ৰাৱীন্দ্ৰ কুমাৰ শৰ্ম্মা

৩) বিশ্বেৰ বিজ্ঞানী - সুধাংশু পাত্ৰ

৪) Nobel Laureates All - P.T. Rajasekharan. (1901 - 1990).


---

**আচৰিত কিন্তু সঁচা -**

আমেৰিকাৰ ৱাশ্বিংটন চহৰত ১৯৫৮ চনৰ ২৫ মে'ত জন্ম গ্ৰহণ কৰা চৰলি ষ্টেট নামৰ এজনী ছোৱালীয়ে ১৯৬২ চনত এখন কিতাপ লিখি উলিয়ায় । ডৰথিৰ নিজা চিন্তা আৰু ৰচনাৰীতিৰে কৰা হাৰ্ড দ্যা বৰ্ল্ড বিগান' নামৰ এই কিতাপখন ১৯৬৪ চনত প্ৰকাশ কৰি উলিয়াই নিউয়ৰ্কৰ 'পেনথিয়ন বুকছ' নামৰ এটা প্ৰকাশন সংস্থাই ।

# পাশ্চাত্য সঙ্গীত

*জিতু কটকী*
স্নাতক ৩য় বৰ্ষ (কলা)

বিশ্বৰ সঙ্গীত জগতত পাশ্চাত্য সঙ্গীতৰ (Western Music) পৰম্পৰা অতি প্ৰাচীন আৰু মহত্ত্বপূৰ্ণ। বিভিন্ন যুগৰ সঙ্গীত স্ৰষ্টা আৰু বিভিন্নজন শিল্পীৰ নিজ নিজ প্ৰতিভাৰ সোণালী ৰহণ লাগি পাশ্চাত্য সঙ্গীতৰ ভৰাঁল চহকী হৈ উঠিছে। বৰ্তমান বিশ্বৰ বিভিন্ন দেশৰ লগতে ভাৰততো ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে দেখা পোৱা যায়। পাশ্চাত্য সঙ্গীতৰ সোণালী ভৰাঁলৰ জ্ঞান প্ৰত্যেক সঙ্গীত শিক্ষাৰ্থীৰে বেচিকৈ নহ'লেও কমকৈ থকাটো এটা মূখ্য কৰ্তব্য। কাৰণ পাশ্চাত্য সঙ্গীতৰ জ্ঞানে সঙ্গীত শিক্ষাৰ্থীৰ সঙ্গীত সাধনাত যে কিছু সহায় কৰিব, সেই বিষয়ে সন্দেহৰ কোনো থল নাই।

ভাৰতীয় সঙ্গীতত মুঠ সাতটা স্বৰ দেখা পোৱা যায়। যেনে:- ১. ষড়জ (সা) ২. ঋষভ (ৰে) ৩. গান্ধাৰ (গা) ৪. মধ্যম (মা) ৫. পঞ্চম (পা) ৬. ধৈৱত (ধা) ৭. নিষাদ (নি)। এই স্বৰ সমূহক একেলগে সপ্তক বোলে। কিন্তু পাশ্চাত্য সঙ্গীতত এই স্বৰৰ সংখ্যা মুঠতে আঠটা। ইয়াক একেলগে 'অক্টেভ' বোলে (Octave)। যেনে:- দো (Do), ৰে (Re), মি (Me), ফা (Fa), সো (So), লা (La), সি (Si), আৰু দো (Do)। চুটিকৈ এই স্বৰ সমূহক ইংৰাজীত C, D, E, F, G, A, B,C বোলে। এই স্বৰ সমূহক আমাৰ সা, ৰে, গা, মা, পা, ধা, নি ৰ লগত ৰিজাব পাৰি। যেনে:-

পাশ্চত্য স্বৰ :- Do, Re, Me, Fa, So, La, Si, Do
ইংৰাজী স্বৰ :- C, D, E, F, G, A, B, C
ভাৰতীয় স্বৰ :- সা, ৰে, গা, মা, পা, ধা, নি, সাঁ।

ইংৰাজীত স্বৰক note বোলে। গতিকে C, D, E, F, আদি স্বৰক কোনো ক্ষেত্ৰত First note, Second note, Third note বুলিও কোৱা হয়। আনহাতে পাশ্চত্য সঙ্গীত জগতত এই স্বৰ সমূহক কিছুমান নিৰ্দিষ্ট বিভাজনত বিভাজিত কৰা হৈছে। যেনে:-

C - Tonic
D - Supertonic
E - Mediant
F - Sub dominant
G - Dominant
A - Sub Mediant
B - Sub tonic (or) Leading

ভাৰতীয় সঙ্গীতত স্বৰৰ কোনো নিৰ্দিষ্ট স্থান নাই। ইয়াৰ কোনো এটা স্বৰক 'সা' বুলি মানিলৈ বাকী স্বৰ সমূহকো ( ৰে, গা, মা, পা, ধা আদি )সেই স্বৰৰ অনুপাতে নিৰ্দ্ধাৰিণ কৰা হয়। কিন্তু পাশ্চাত্য সঙ্গীতত 'C' অৰ্থাৎ 'সা' ৰ এটা নিৰ্দিষ্ট স্থান আছে। গতিকে পাশ্চাত্য সঙ্গীতত যি কোনো স্বৰকে 'সা' আখ্যা দিব নোৱাৰি।

ভাৰতীয় সঙ্গীতৰ দৰে পাশ্চাত্য সঙ্গীততো স্বৰৰ কোমল স্বৰ, তীব্ৰ স্বৰ আদি ৰূপ আছে। পাশ্চাত্য সঙ্গীতত সকলো স্বৰৰ ৰূপৰ সলনি হয়। যেনেদৰে শুদ্ধ স্বৰক নেচাৰেল(Natural), শুদ্ধ স্বৰৰ এঘাট তললৈ নামিলে তাক ফ্লেট (Flate) আৰু এঘাট ওপৰলৈ উঠিলে তাক চাৰ্প (Sharp) বুলি কোৱা হয়। ইহঁতক কেতবোৰ চিহ্নৰেও (simbolic) বুজোৱা হয়। যেনেদৰে:-

Natural স্বৰ :- ♮
Flat স্বৰ :- ♭
Sharp স্বৰ :- #

পাশ্চাত্য সঙ্গীতত ব্যৱহাৰ কৰা স্কেল (Scal)ক আমাৰ সঙ্গীতৰ ঠাটৰ সৈতে ৰিজাব পাৰি। Scal হ'ল বিভিন্ন স্বৰৰ

সমষ্টি। অৱশ্যে Scal ৰ স্বৰ বিলাক এটাৰ পাছত আনটো ক্ৰমান্বয়ে অৱস্থান কৰে। পাশ্চাত্য সঙ্গীতত কেইবা প্ৰকাৰৰো স্কেল আছে। যেনে :- ডায়টনিক (Diatonic), ইকুৱেলি টেম্পাৰ্ড (Equally Tempared), হোলটোন ইত্যাদি।

ডায়টনিক স্কেলৰ স্বৰ বিলাক দুই প্ৰকাৰে ভগোৱা হয়। ১. হোলটোন(Holtone) আৰু ২. সেমিটোন(Semitone)। C-D, D-E, F-G, G-A আৰু A-B স্বৰৰ ব্যৱধান হোলটোন আনহাতে E-F আৰু B-C ৰ ব্যৱধান সেমিটোন বুলি ধৰা হয়। যিহেতু E আৰু B স্বৰৰ চাৰ্প (Sharp) স্কেল নাথাকে, কাৰণ E ৰ চাৰ্প স্কেলক F নেচাৰেল স্কেল বুলি কোৱা হয় আৰু B ৰ চাৰ্প স্কেলক C নেচাৰেল স্কেল বুলি কোৱা হয়। যেনেদৰে :- C/C #, D/D #, E, F/F #, G/G #, A/A #, B

ডায়টনিক স্কেল সাধাৰণতে দুই প্ৰকাৰৰ- মেজৰ(Major) আনটো মাইনৰ (Minor)। মেজৰ স্কেলক নেচাৰেল ( Natural) স্কেল বুলিও কোৱা হয়। যেনে:-

C, D, E, F, G, A, B, C

সা, ৰে, গা, মা, পা, ধা, নি, সাঁ

ই আমাৰ সঙ্গীতৰ বিলাৱল ঠাটৰ সৈতে মিলে। মেজৰ স্কেলৰ C - E আৰু B - C স্বৰৰ ব্যৱধান Semitone হ'ব লাগে আৰু মাইনৰ (minor) স্কেলত D - E, E -F, আৰু G -A ৰ স্বৰৰ ব্যৱধান সেমিটোন হ'ব লাগে। যেনে:-

C, D, E, F, G, A, B, C

সা, ৰে, গা, মা, পা, ধা, নি, সাঁ

ইকুৱেলি টেম্পাৰ্ডৰ অৰ্থ হ'ল সমভাৱে বিভক্ত। C, D, E, F, G, A, আৰু B এই স্বৰ কেইটাক সমানে বাৰটা(১২) ভাগত ভগাই এই স্কেল সৃষ্টি হৈছে। যেনে :- C - C#- D - D#- E - F - F#- G - G#- A - A#- B। এই স্বৰৰ এটাৰ পৰা আনটোৰ দূৰত্ব (interval) এক সেমিটোন।

পাশ্চাত্য সঙ্গীতত আমাৰ সঙ্গীতৰ দৰে আখৰেৰে স্বৰ লিখা নহয় বৰঞ্চ তাৰ সলনি চিহ্ন ব্যৱহাৰ কৰা হয়। ইয়াক Staff notation system বুলি কোৱা হয়। ষ্টাফ হ'ল পাঁচডাল সমান্তৰাল ৰেখা (line)। এই ৰেখাৰ মাজত কেতবোৰ ডিম্বাকাৰ চিহ্নৰে স্বৰ লিখা হয়।

যেনে:-




এই ৰেখাবোৰৰ ইডালৰ পৰা সিডালৰ দূৰত্বক স্পেচ্ (space) বোলে। এই ৰেখা আৰু স্পেচ্ৰ গণনা তলৰ দিশৰ পৰা হয়। কোমল স্বৰৰ বাবে তলৰ পৰা ৰেখা আৰু স্পেচ্ গণনা কৰা হয় আৰু তীব্ৰ স্বৰৰ বাবে ওপৰৰ পৰা ৰেখা আৰু স্পেচ্ গণনা কৰা হয়।

মধ্য সপ্তকৰ 'সা', ৰে (Middle scale C,D) আদি বুজাবলৈ (staff)ৰ তলৰ ফালে দুটি ৰেখা ব্যৱহাৰ কৰা হয়। এই ৰেখাক লেজাৰ (Lazer line) ৰেখা বোলে।

যেনে :-




Staff notation দুই প্ৰকাৰৰ- ১. ট্ৰেবল (Treble) আৰু ২. বেচ্ (Bass)। মধ্য সপ্তকৰ (Middle scale)'সা' ৰ ওপৰৰ স্বৰৰ বাবে Treble staff আৰু তলৰ 'সা' ৰ বাবে bass staff ব্যৱহাৰ কৰা হয়। Treble staff ৰ বাবে '&' দৰে সংকেত ব্যৱহাৰ কৰা হয়।

যেনে:-




আনহাতে Bass staff ৰ বাবে ইংৰাজী C আখৰৰ দৰে চিহ্নৰ ব্যৱহাৰ কৰে।

যেনে:-




পাশ্চাত্য সঙ্গীতত তালক time বোলে আৰু তালৰ সৰু সৰু বিভাগক বিট্(Beat) বোলে যাক আমি মাত্ৰা বোলো। তালৰ এনে বিভাগবোৰক পাশ্চাত্য সঙ্গীতত বাৰ বোলে।

যেনেদৰে:-




বিট্‌বোৰে এটা তালৰ স্থায়িত্ব কিমান হ'ব তাক বৰ্ণনা

কৰে ।

স্বৰৰ স্থায়িত্ব প্ৰতিটো Bar তে কিমান মাত্ৰা থাকিব আৰু প্ৰতিটো মাত্ৰা কেইগুণ হ'ব ইত্যাদি বিষয়ৰ বাবে স্বৰ বিলাকৰ বাওঁফালে ক্লেফ (clef) চিহ্নৰ লগত 2/2, 2/4 আদি বিভিন্ন সংখ্যা লিখি দিয়া হয় ।

যেনে :-




Count 1-2-3-4 1-2-3-4 1-2-3-4 etc

পাশ্চাত্য সঙ্গীতত স্বৰৰ স্থায়িত্ব বুজাবলৈ কেতবোৰ চিহ্ন প্ৰয়োগ কৰা দেখা যায় । যেনে:-

| চিহ্নৰ স্থায়িত্ব | চিহ্নৰ নাম | মাত্ৰাৰ সংখ্যা |
|---|---|---|
| \|\|0\|\| | ব্ৰিভ (Brive) | ৮ মাত্ৰা |
| 0 | চেমি ব্ৰিভ (Semi breve) | ৪ মাত্ৰা |
| | মিনিম (Minim) | ২ মাত্ৰা |
| | ক্ৰচেট (Crochet) | ১ মাত্ৰা |
| | কোয়েভাৰ (Quaver) | ১/২ মাত্ৰা |
| | চেমিকোয়েভাৰ (Semi Quaver) | ১/৪ মাত্ৰা |
| | ডেমি চেমি কোয়েভাৰ (Demi Semi Quaver) | ১/৮ মাত্ৰা |

ওপৰৰ চিত্ৰত ব্যৱহাৰ হোৱা minim, chrochet আদি বুজাবলৈ গোলাকৃতিৰ স্বৰৰ সাংকেতিক চিহ্নৰ সোঁ বা বাওঁফালে নিম্ন আৰু উৰ্দ্ধমুখী সৰু সৰু ৰেখাৰ ব্যৱহাৰ হয় তাক stem বোলে । এই ৰেখা ব্যৱহাৰৰ কিছুমান নিয়ম আছে staff ৰ তৃতীয় ৰেখাৰ ওপৰৰ দিশৰ স্বৰৰ বাবে এই ৰেখা নিম্নমুখী হয় । তাৰ বিপৰীতে ই উৰ্দ্ধমুখী হয় । তদুপৰি উৰ্দ্ধমুখী stam গোলাকৃতি স্বৰৰ সোঁফালে আৰু নিম্নমুখী stam ৰ বাওঁফালে এই চিহ্ন থাকে । Quaver, Semi quaver,Demi semi Quaver ৰ ক্ষেত্ৰত কেতবোৰ চুটি পতাকাৰ দৰে ৰেখা ব্যৱহাৰ হয় । ইয়াক টেল (tail)বোলে । এই tail বোৰ stem ৰ সোঁফালে থাকে । একাধিক Quaver, Semi Quaver অথবা Demi Semi Quaver ৰক একোটা থুপতে দেখুৱাবলৈ stem টেল বিলাক যুক্ত কৰি দিয়া হয় । যেনে:-

| চিহ্ন | নাম | মাত্ৰা |
|---|---|---|
| | Two Quaver | 1/2 মাত্ৰা |
| | Two semi quaver | 1/4 মাত্ৰা |
| | Two demi semi quaver | 1/8 মাত্ৰা |

পাশ্চাত্য সঙ্গীতত বিষম মাত্ৰিক তালৰ ব্যৱহাৰ নাই । আমাৰ ঝাপ তাল, ৰূপক তাল, ধামাৰ তাল আদিৰ দৰে তালৰ প্ৰচলন পাশ্চাত্য সঙ্গীতত নাই । পাশ্চাত্য সঙ্গীতৰ প্ৰতিটো বাৰৰে (Bar) মাত্ৰাৰ সংখ্যা সমান থাকে । যেনে কোনো এটা বাৰৰ (Bar) মাত্ৰা যদি ৪ (মাত্ৰা) হয়, তেন্তে বাকী বিলাক মাত্ৰাৰো জোখ ৪ (মাত্ৰা) হ'ব । আমাৰ ভাৰতীয় সঙ্গীতৰ লগত পাশ্চাত্য সঙ্গীত একে নহ'লেও ইয়াৰ ব্যৱহাৰ আৰু প্ৰচলন যি তীব্ৰ গতিত ক্ৰমান্বয়ে বৃদ্ধি পাইছে , তাক লক্ষ্য কৰিলে দেখিম যে, পাশ্চাত্য সঙ্গীতৰ জ্ঞান আহৰণে আমাক সঙ্গীত জগতৰ এক বিশাল পৰিসৰৰ সতে চিনাকী হ'বলৈ সুযোগ দিছে ।

*( সহায় লৈ )*

কৃতজ্ঞ

(১). Lakhiram Boruah.

(২). Birendra Kumar Phukan.

> *'জাতীয় সংহতি ইটা আৰু বালি পানীয়ে নাইবা হাতুৰী আৰু বটালীয়ে গঢ়িব নোৱাৰি, ই মানুহৰ মন আৰু হৃদয়ত আপোনা-আপোনি উপজিব লাগিব । ইয়াৰ গতি মন্থৰ কিন্তু স্থিৰ আৰু স্থায়ী ।'*
>
> *- ড০ ৰাধাকৃষ্ণন*

# আহোম যুগৰ বুৰঞ্জী সাহিত্য - এটি চমু আভাস

হিতালী গগৈ
স্নাতক প্ৰথম বৰ্ষ (কলা)



সাহিত্য এটা জাতিৰ মানদণ্ডৰ মাপকাঠি । আহোম যুগৰ সাহিত্যই আহোম স্বৰ্গদেউসকলৰ বিদ্যোৎসাহ, উদাৰতা আৰু সাংস্কৃতিক পৃষ্ঠপোষকতাৰ ভূয়সী প্ৰমাণ দিয়ে । আহোমসকল অতি পুৰণি কালৰে পৰা লিখা পঢ়া বিদ্যাত পাকৈত জাতি আছিল।

'বুৰঞ্জী' শব্দটো যদিও আধুনিক অৰ্থত 'হিষ্টৰী'শব্দটোৰ সমাৰ্থক হিচাপে গ্ৰহণ কৰা হৈছে, বাস্তৱ অৰ্থত বুৰঞ্জী বুলিলে আহোম যুগত ৰচিত এক বিশেষ শ্ৰেণীৰ সাহিত্যকহে বুজায় । বুৰঞ্জী আৰু বুৰঞ্জী ৰচনাৰ পৰম্পৰা আহোমসকল অসমলৈ আহোঁতে লৈ আহিছিল।

বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰত (আহোম) অসমীয়া জাতিৰ জনক চুকাফাৰ অৱদান অতুলনীয় । প্ৰব্ৰজন কৰি আহোঁতে নামকিয়ু নৈৰ পাৰত থকা খামজাং ৰাজ্য পাওঁতে চুকাফাই লগৰ মানুহ লেখি চাই দেখা পালে তিনিকুৰি জন মৰিল আৰু সাতজন হেৰাল । সেয়ে তেতিয়াই লগত অহা পণ্ডিতক যি মৰে, যাক পায়, বাটত যি ঘটনা ঘটে তাক লিখি থবলৈ আদেশ দিলে। তেনেধৰণেই বুৰঞ্জীৰ সৃষ্টি হ'ল। আহোমসকলৰ আগতে অৱশ্যে কোনো জাতিয়েই বুৰঞ্জী লিখাৰ প্ৰথা আৰম্ভ কৰা নাছিল। অসমীয়া ভাষাই নহয়, ভাৰতীয় ঐতিহ্যলৈ বুৰঞ্জী সাহিত্য এক মহৎ বৰঙণি আহোমসকলে তেওঁবিলাকৰ ছশ বছৰীয়া শাসনকালত বুৰঞ্জী ৰচনা, সংকলন, সংগ্ৰহ আৰু সংৰক্ষণৰ এক চহকী ঐতিহ্য গঢ় দি তুলিছিল । ব্ৰহ্মদেশৰ শ্যানসকলৰ বিষয়ে অভিজ্ঞ পণ্ডিত জৰ্জ স্কটে তেওঁৰ পুথিত কৈছে, "The chronicles remain as a valuable legacy to make Assam notable among the Indian provinces." ভাৰতৰ অন্যান্য প্ৰদেশৰ ভিতৰত অসমক বিখ্যাত কৰি তুলিবলৈ বুৰঞ্জীসমূহ বহুমূলীয়া সম্পদ ।

আহোমসকলৰ শিক্ষা সংস্কৃতিৰ ক্ষেত্ৰত বুৰঞ্জী জ্ঞান একান্ত প্ৰয়োজন আছিল। আহোমসকলে বুৰঞ্জী চৰ্চা আৰু বুৰঞ্জীৰ পঠন-পাঠন শিক্ষাৰ অপৰিহাৰ্য্য অঙ্গ হিচাপে গ্ৰহণ কৰিছিল । বুৰঞ্জী পঢ়ি, পণ্ডিতে অৰ্থ বুজাই অতীতৰ শিক্ষা, অভিজ্ঞতা আৰু আদৰ্শলৈ আঙুলিয়াই ভৱিষ্যতৰ ঈঙ্গিত দিয়ে । পণ্ডিতসকলে সৰু ল'ৰা-ছোৱালীক আৰু ডেকাসকলক সাধুকথাৰ চলেৰে আৰু বয়সীয়া সকলক বুৰঞ্জী পঢ়ি শুনাই বুৰঞ্জীৰ ঘটনা আৰু পৰিণতিৰ কথা বহলাই বুজাই কৈছিল। স্বৰ্গদেউ সকলৰ পক্ষেও বুৰঞ্জী লিখিবলৈ সকলো সুবিধা কৰি দিয়াটো ৰাজকীয় কৰ্ত্তব্যৰ ভিতৰত আছিল।

আহোম যুগৰ বুৰঞ্জীবিলাকৰ বিষয়বস্তুৰ অনুধাৱন অনুসৰি কেইটামান ভাগত ভগাব পাৰি;

(ক) প্ৰাক্ আহোম যুগৰ বুৰঞ্জী

(খ) আহোম যুগৰ বা আহোম ৰজাৰ বুৰঞ্জী

(গ) দাঁতিঅলীয়া বুৰঞ্জী

(ঘ) অন্য ৰাজ্যৰ বুৰঞ্জী

(ঙ) কটকী বুৰঞ্জী

(চ) চকীয়ালৰ বুৰঞ্জী

(ছ) চং-কং ফুকনৰ বুৰঞ্জী

*বুৰঞ্জীসমূহ আহোম সাহিত্যৰ এক অভিনৱ অৱদান । আদিতে বুৰঞ্জীসমূহ আহোম ভাষাত লিখা হৈছিল যদিও প্ৰায় সপ্তদশ শতাব্দীৰ পৰা অসমীয়া ভাষাত বুৰঞ্জী প্ৰণয়ণৰ প্ৰচলন হয় । বুৰঞ্জীসমূহক 'জ্ঞানৰ ভঁৰাল' আখ্যা দিয়া হয়। প্ৰকৃততে বুৰঞ্জীসমূহ এই নামৰ যোগ্য ।*

বুৰঞ্জী লিখিবৰ বেলিকা ৰজাঘৰীয়া সমল আৰু তথ্য-পাতিৰ একান্ত প্ৰয়োজন আছিল। আনপিনে বুৰঞ্জীৰ বিশুদ্ধতা, নিৰ্ভৰযোগ্যতা আৰু প্ৰমাণ্য ৰক্ষা কৰিব লাগিছিল । সেইবাবে এজন দায়িত্বশীল বিষয়াৰ তত্বাৱধান একান্ত আৱশ্যকীয় বুলি বিবেচিত হৈছিল। সেই উদ্দেশ্যে পূৰণ কৰিবলৈ ৰজাই বুঢ়াগোঁহাই, বৰগোঁহাই আৰু বৰপাত্ৰগোঁহাই এই তিনিজনা ডাঙৰীয়াৰ যিজনাক ৰাজমন্ত্ৰীৰ বাব দিছিল তেওঁকেই বুৰঞ্জী লিখোৱাৰ সমুদায় দায়িত্ব অৰ্পন কৰিছিল।

প্ৰতাপ সিংহই কটকীৰ আগত তেওঁৰ পূৰ্বৰ ৰজাসকলে ক'ত কি কৰিছিল তাৰ বৰ্ণণা দিয়াৰ এটি উদাহৰণ 'পুৰণি অসম বুৰঞ্জী'ত সন্নিৱিষ্ট কৰা হৈছে । চি মানে কাকত, document । চীনা ভাষাত বংশাৱলীক 'ছী-চী' বোলে; খামতি ভাষাত ছু-চি বোলে ; চি মানে কাকত লিখা খেলৰ মানুহেই হ'ল চিৰিং আৰু বুৰঞ্জী লেখোৱা বিষয়াজন হ'ল চিৰিং ফুকন । পোনতে ৰাজমন্ত্ৰী আৰু পিছলৈ বৰবৰুৱাৰ তত্বাৱধানত চিৰিং ফুকনে বুৰঞ্জী লিখিছিল ।

বুৰঞ্জীসমূহ আহোম সাহিত্যৰ এক অভিনৱ অৱদান । আদিতে বুৰঞ্জীসমূহ আহোম ভাষাত লিখা হৈছিল যদিও প্ৰায় সপ্তদশ শতাব্দীৰ পৰা অসমীয়া ভাষাত বুৰঞ্জী প্ৰণয়ণৰ প্ৰচলন হয় । বুৰঞ্জীসমূহক 'জ্ঞানৰ ভঁৰাল' আখ্যা দিয়া হয়। প্ৰকৃততে বুৰঞ্জীসমূহ এই নামৰ যোগ্য । ৰাজনৈতিক বিৱৰণৰ পৰা আৰম্ভ কৰি সমসাময়িক সামাজিক, ধৰ্মীয়, সাংস্কৃতিক বিষয়ৰ নানা তথ্য পাতিৰে সমৃদ্ধ বুৰঞ্জীসমূহ অসমৰ এক অনবদ্য সম্পত্তি । কেতবোৰ বুৰঞ্জী পুথি আকাৰত বৃহৎ আৰু তাত ৰাজনৈতিক ঘটনাৱলীসমূহ লিপিবদ্ধ কৰা হয়। এনে বুৰঞ্জীক তাই ভাষাত 'লাইলিক' অসমীয়াত 'বৰাপাহী বুৰঞ্জী' বোলে। সাধাৰণতে এটা ঘটনা বৰ্ণনা কৰা বুৰঞ্জীক লিট্ বুৰঞ্জী বোলা হয় (অসমীয়াত 'কথা' বোলে) । ইয়াৰ বাহিৰেও আহোম পৰিয়ালসমূহৰ বিষয়ে লেখা বুৰঞ্জীও আছে (যেনে, চকৰীফেঁটী বুৰঞ্জী) । বুৰঞ্জী পুথিসমূহৰ ভিতৰত পুৰণি অসমৰ বুৰঞ্জী, কামৰূপৰ বুৰঞ্জী, সাতসৰী অসম বুৰঞ্জী, তুংখুঙ্গীয়া বুৰঞ্জী, কাশীনাথ তামুলী ফুকনৰ অসম বুৰঞ্জী, মাৰ আৰু হৰকান্ত শৰ্মা বৰুৱাৰ সদৰ আমিনৰ অসম বুৰঞ্জী, বেলিমাৰৰ বুৰঞ্জী, কলিভাৰত বুৰঞ্জী, অসমৰ পদ্য বুৰঞ্জী, দেওধাই অসম বুৰঞ্জী, দাঁতিয়লীয়া বুৰঞ্জী, কটকী বুৰঞ্জী, চাংৰুং ফুকনৰ বুৰঞ্জী, সত্ৰীয়া বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী, পাদশ্যাহ বুৰঞ্জী, কছাৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী, আদিৰ নাম উল্লেখযোগ্য।

আহোম যুগত হেজাৰৰ হিচাপত বুৰঞ্জী ৰচিত হলেও এতিয়া মাত্ৰ ডেৰশমান বুৰঞ্জীৰহে অস্তিত্ব আছে । বাকী অস্তিত্বহীন বুৰঞ্জীবিলাক সময়ৰ সোঁতত বিলীন হৈ গ'ল ।

প্ৰৱন্ধটি লিখিবলৈ আলম লোৱা পুথিসমূহৰ নাম তলত উল্লেখ কৰা হ'ল -

(১) বুৰঞ্জী সাহিত্য

(২) উচ্চতৰ মাধ্যমিক বুৰঞ্জী ।

---

*'যি দেশে, যি জাতিয়ে তিৰোতাক সন্মান নকৰে, সেই দেশ বা জাতি মহান হ'ব পৰা নাই আৰু ভৱিষ্যতেও হ'ব নোৱাৰে -'*

*-স্বামী বিবেকানন্দ*

# যুদ্ধ শান্তি আৰু মানৱ জাতি




শ্ৰী মতী সংগীতা বৰুৱা
প্ৰাক্তন ছাত্ৰী

পৃথিৱীৰ কোনো এক আদিম স্তৰতে যুদ্ধৰ সতে মানুহৰ পৰিচয় ঘটিছিল । যুদ্ধৰ সংজ্ঞা কি? যুদ্ধই মানুহক কি উপহাৰ দি যায় ? ইত্যাদি প্ৰশ্নই মানৱ সমাজক যুগে যুগে চিন্তিত কৰি তুলিছে। যুদ্ধৰ সংজ্ঞা নাই। যুদ্ধ মানুহৰ বাবে মানুহৰ সৃষ্টি কৰ্ম । যি সৃষ্টি কৰ্মত ধ্বংসৰ বীজ নিহিত হৈ আছে।

যুগে যুগে পৃথিৱীত যুদ্ধ সংঘটিত হৈ আহিছে। ৰামায়ণৰ ৰাম ৰাৱণৰ যুদ্ধ, মহাভাৰতৰ কুৰুক্ষেত্ৰ যুদ্ধ, ট্ৰয়ৰ যুদ্ধ, দুখনকৈ মহাসমৰ বা বিশ্বযুদ্ধৰ দৰে উদ্ভট ঘটনা ঘটি আহিছে। এইবোৰ যুদ্ধৰ উদ্দেশ্য কি ? ভগৱান শ্ৰীকৃষ্ণই গীতাৰ কোনো শ্লোকত কৈছে - সাধুৰ পৰিত্ৰাণাৰ্থে আৰু দুষ্কৃতিৰ বিনাশাৰ্থে যুগে যুগে যুদ্ধ অৱতীৰ্ণ হব। যুগে যুগে যুদ্ধ সংঘটিত হৈ আহিছে । সেই যুদ্ধত কৃষ্ণই কোৱাৰ দৰে সাধুৰ পৰিত্ৰাণ হওক বা নহওক, দুষ্কৃতিৰ বিনাশ হওক বা নহওক শত শত নিৰপৰাধী প্ৰাণৰ মৃত্যু অৱশ্যেই হৈছে। সেই ধ্বংস লীলা অতীৱ কৰুণ । যুদ্ধৰ নিৰ্মম দৃশ্যত প্ৰতিজন সংবেদনশীল উদাৰ ব্যক্তিয়েই হতাশাত ভাগি নপৰাকৈ থাকিব নোৱাৰে।

শ্ৰীকৃষ্ণৰ মতে দুষ্কৃতি নাশিবলৈ যদি যুদ্ধ অপৰিহাৰ্য্য তেনেহলে সেই দুষ্কৃতি সচাঁ অৰ্থত নাশ হৈছেনে ? পৌৰাণিক যুদ্ধ সমূহত প্ৰকৃততেই দুষ্কৃতি নাশিত হৈছে। মহাভাৰতৰ যুদ্ধত কৌৰৱৰ পৰাজয় আৰু পাণ্ডৱৰ জয়েই তাৰ উত্তৰ । মহাভাৰতত কোৱাৰ দৰে যুদ্ধৰ মূলমন্ত্ৰ যদি 'শিষ্টৰ জয় আৰু অশিষ্টৰ পৰাজয়' তেনেহলে সেই বাণী সাম্প্ৰতিক যুগত যুদ্ধৰ প্ৰেক্ষাগৃহত ৰূপ ল'ব পাৰিছেনে ? দেখা গৈছে তাৰ ওলোটা ফালটোহে । ছলে-বলে - কৌশলে দুষ্টৰেই জয় । দুখন মহাসমৰত কোন পক্ষৰ জয় হল ? উভয় পক্ষই পৰাজিত ।

যুদ্ধই কোনো সমস্যাৰে শুদ্ধ উত্তৰ দিব নোৱাৰে । দুষ্টৰ বিনাশেই হওক বা সাম্ৰাজ্য বিস্তাৰৰ কাৰণেই হওক, যুদ্ধই বিয়পাই তোলে চৌদিশে মাথোন বিষবাষ্প।যি সমস্যা সমাধান কৰিবৰ বাবে যুদ্ধ ৰচনা কৰে সেই যুদ্ধই আকৌ সৃষ্টি কৰে নানান বিষাক্ত সমস্যা। মানুহৰ মাজত হিংসা বৃত্তি বৃদ্ধি কৰি পৰস্পৰৰ মাজত শত্ৰুতা গঢ়ি তোলে। সমাজত অশান্তি, অবিশ্বাস সৃষ্টি কৰে। শান্তি দূৰ পৰাহত। যদিও পৌৰাণিক যুদ্ধ সমূহত দুস্কৃতিৰ বিনাশ হৈ শিষ্টৰেই জয় ঘোষিত হৈছে তথাপি সেই যুদ্ধৰ পৰিণতিয়ে সমাজ তথা প্ৰতিজন শান্তিপ্ৰিয় লোকৰেই অন্তৰত জগাই তুলিছে আত্মন্তপূৰ্ণ মানসিক যন্ত্ৰণা। মহাভাৰতীয় যুদ্ধত হস্তিনাপুৰ পৰিণত হল শ্মশানত। শিষ্যৰ হাতত মৃত্যু হল গুৰু তথা পিতামহৰ, ভাতৃৰ হাতত ভাতৃৰ। আকাশ-পাতাল নিনাদিত হল নাৰীৰ ক্ৰন্দনত।

যুদ্ধই কেৱল মৃত্যুকেই ৰচনা নকৰে,ই সমাজলৈ কঢ়িয়াই আনে অপমৃত্যুও । মানৱিকতাত কালিমা সানে। মূল্যবোধ কাঢ়ি নিয়ে। চিন্তাৰ বিকৃতি ঘটে। যুদ্ধৰ বাতাৱৰণত মানুহ বিশেষকৈ শিক্ষিত, অৰ্দ্ধশিক্ষিত এচাম যুৱ সমাজে আধ্যাত্মিক, সামাজিক, সাংস্কৃতিক মূল্যবোধতকৈ ভোগবাদী বিলাসী জীৱনৰ প্ৰতিহে আকৃষ্ট হৈ পৰা দেখা যায়। ভোগবাদী লালসাই সৃষ্টি কৰে হতাশা আৰু

বিশ্বাসহীনতা। যুদ্ধই মানুহৰ প্ৰকৃত জীৱন সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ দিবলৈ অপাৰগ। ই মানৱ সমাজৰ দৰ্শন আৰু গভীৰ জীৱন জীজ্ঞাসাক কলুষময় কৰি তোলে । বিশ্বৰ শক্তিশালী বুলি পৰিচিত দেশসমূহে শত্ৰু দেশক আক্ৰমণ কৰিবলৈ নিৰ্মাণ কৰিছে নানান ৰাসায়নিক অস্ত্ৰ। নিজৰ শক্তি পৰীক্ষাৰ বাবেই হওক বা শত্ৰুদেশক আক্ৰমণ কৰিবলৈকে হওক সেই অস্ত্ৰৰ প্ৰয়োগে আজি বিশ্ব মানৱক বিষময় কৰি তুলিছে। এট'মিক বোমাবৰ্ষণত দ্বিতীয় মহাযুদ্ধত হিৰোচিমা-নাগাচাকি ধ্বংস হল । সেই ৰাসায়নিক প্ৰতিক্ৰিয়াই বিগত দিনতো গভীৰ প্ৰভাৱ পেলাই থৈ গ'ল । এতিয়া তাৰ প্ৰতিটো শিশুৱেই ধাৰণ কৰিছে পংগু জীৱন । সেই পংগু জন্মগত, এটা প্ৰজন্মৰ বাবে । সেই শিশুৰ দোষ ক'ত আছিল ? ইয়াৰ উপৰিও যুদ্ধই সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি পৰিবেশ অসুস্থ কৰি তোলে। এখন উন্নতিকামী সমাজৰ চিন্তাত ধ্বংসমুখী বীজে আক্ৰমণ কৰে জ্ঞাতে অজ্ঞাতে। এক অৰ্থত যুদ্ধ এবিধ মানুহৰ বাবে মানুহৰ সৃষ্ট মাৰাত্মক অস্ত্ৰ।

যুদ্ধই আজি সমগ্ৰ বিশ্ব সন্ত্ৰস্ত কৰি তুলিছে। সমগ্ৰ মানৱ জাতি আজি যুদ্ধৰ বাতাৱৰণত শ্বাসৰুদ্ধ। চৌপাশে কেৱল যুদ্ধৰ শব্দ। অপ্ৰকৃতিস্থ মানুহৰ কাণ্ডজ্ঞানহীন দৃষ্টান্ত। সমগ্ৰ মানৱ সমাজ তথা মানৱ জাতিৰে যেন চিন্তা-ভাৱনা, দৃষ্টি-ভঙ্গী আজি বিকাৰ গ্ৰস্ত আৰু সেই কাৰণেই কাৰ্য্যকলাপো আজি বিকৃত। লক্ষ্যহীন ভাবে বিশেষকৈ কোনো এখন দেশ বা ৰাজ্যই যুদ্ধ ঘোষণা কৰিবলৈ ধৰিছে। শুদ্ধ লক্ষ্যৰ আগ-পিছ নেভাবি সৃষ্টি কৰা এনে পৰিৱেশে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে।

নিজ কৰ্তৃত্ব অটুত ৰাখিবৰ কাৰণেও পৃথিৱীত দেশৰ ভিতৰতে যুদ্ধ হোৱাৰো উদাহৰণ আছে। ইয়াৰ পৰিণতিও বহু ক্ষেত্ৰত বিষাক্ত হৈ পৰিছিল। চীন আৰু ৰুচীয়া ইয়াৰ জ্বলন্ত প্ৰমাণ। চীনৰ চিয়াং-কাই-চেকৰ কুমিন্টাং দল আৰু কমিউনিষ্ট দলৰ ভিতৰত পূৰ্বৰে পৰা ঘোৰ মনোবিবাদ আছিল। এই বিবাদেই শেষত প্ৰবল হৈ উঠিল আৰু কমিউনিষ্ট দলে অস্ত্ৰৰ সহায়েৰে নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰিবলৈ যত্নবান হল । ৰুচৰ জাৰৰ শাসনতন্ত্ৰৰ বিৰুদ্ধে যি যুদ্ধ হ'ল তাৰ পৰিণতিত বহুতৰ জীৱন পঙ্গু হ'ল।

পৃথিৱীৰ প্ৰায় সকলোৱেই যুদ্ধৰ এই কু-পৰিণতিত আক্ৰান্ত হৈয়ো যুদ্ধক নিৰ্মূল কৰাৰ বিপৰীতে আহ্বানহে যেন কৰিব খোজে। পৃথিৱীৰ কোণে কোণে যুদ্ধ - যুদ্ধৰ আখৰা। যুদ্ধৰ অন্য সাজ - শীতল যুদ্ধ, সন্ত্ৰাসবাদ, গুপ্তহত্যা, কুটাঘাটমূলক কৰ্ম দৈনন্দিন কাৰ্য্যত পৰিণত হৈ আহিছে। পৰিয়ালৰ এজনৰ অজুহাতত সমস্ত পৰিয়ালটোকে নিৰ্মূল কৰি যোৱাৰ অনেক উদাহৰণ অসমতে পোৱা যায়। এজনৰ কাৰণে পৰিয়ালৰ অন্যলোকক বলিৰ লক্ষ্য কৰা উন্মাদ চিন্তা তথা মানৱীয় মূল্যবোধ নথকা লোকৰহে সম্ভৱ। এই হিংসাশ্ৰয়ীয়ে কোনোবা এদিন শান্তিৰ পৰিৱেশ সৃষ্টি কৰিবলৈ বাস্তৱতে সমৰ্থ নহয় বুলি আমাৰ দৃঢ় বিশ্বাস। অথচ এনে কুপথেৰেই শান্তি প্ৰতিষ্ঠা কৰিবলৈ কোনোৱে আগ বাঢ়িছে, শান্তি এনেদৰে নাহে, শান্তি এনেদৰে অহা বস্তু নহয়। কোনোৱে ক্ষন্তেকলৈ শান্তি অহা যেন অনুভৱ কৰিলেও ই ক্ষন্তেক বিৰতিৰ সময়ছোৱাহে। বিৰতিয়ে শেষ নুবুজায়।

ৰাজনৈতিক, সমাজ সংস্কাৰক চিন্তাশীল ব্যক্তি আদিয়ে সদায় কৈ আহিছে যে হিংসাৰে কোনো সমস্যাই সমাধান হ'ব নোৱাৰে। কেতিয়াবাই ইয়াৰ স্বৰূপ উপলব্ধি কৰিব লাগিছিল যদিও বাস্তৱত ইয়াৰ কু পৰিণামৰ কথা ভাবিও যুদ্ধক বিদায় দিব পৰা নাই। আজিৰ পৃথিৱী কেৱল যুদ্ধৰ বাবেই ধ্বংসৰ মুখলৈ আগবাঢ়ি গৈ আছে। পূৰ্বে উল্লেখ কৰি অহা হৈছে যে যুদ্ধই শত শত মানুহৰ কৰুণ মৃত্যু ঘটাইছে, মানৱীয় মূল্যবোধৰ ধ্বংস কৰিছে আৰু যুদ্ধত প্ৰয়োগ কৰা ৰাসায়নিক অস্ত্ৰৰ প্ৰতিক্ৰিয়াই মানৱ সমাজক এক দিশত পঙ্গু কৰি পেলাইছে। কিন্তু শান্তিপ্ৰিয় জনতাই বিচাৰিছে পৃথিৱীৰ পৰা যুদ্ধই চিৰদিনৰ বাবে বিদায় লওক। শান্তি স্থাপন হওক। গীতাত অৰ্জুনে কৃষ্ণক কৈছে- "দৃষ্টেমং স্বজনং কৃষ্ণ যুযুৎসুং সমুপস্থিতম সীদন্তি মম গাত্ৰাণি মুখং চ পৰিশুষ্যতি ।।" (হে কৃষ্ণ, যুদ্ধ কৰিবলৈ ইয়াত উপস্থিত হোৱা মোৰ আত্মীয়স্বজনসকলক দেখাপাই মোৰ শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গবোৰ কঁপিবলৈ ধৰিছে আৰু মোৰ মুখখন শুকাই গৈছে। ) অৰ্জুনৰ এইষাৰ কথাত মানৱতা আৰু শান্তিৰ সুৰ শুনিবলৈ পোৱা যায়। অশোকেই আছিল পৃথিৱীৰ একমাত্ৰ সম্ৰাট যি যুদ্ধত জয়ী হৈয়ো সেই যুদ্ধ পৰিত্যাগ কৰিছিল। কলিঙ্গৰ যুদ্ধত অজস্ৰ লোকৰ হত্যাৰ দৃশ্যত মৰ্মাহত অশোকে যুদ্ধক বিদায় দি বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি অহিংসাক জীৱনৰ ব্ৰত কৰি লৈছিল। কাৰ্লমাৰ্ক্স, মহাত্মাগান্ধী, ৰবীন্দ্ৰনাথ ঠাকুৰ এই তিনিজনেই শান্তিকামী মহান ব্যক্তি। মহাত্মা গান্ধীয়ে মানুহক হিংসা-পৰিহাৰ কৰিবলৈ উপদেশ দিছিল। হিংসা জয় কৰিব পাৰি প্ৰেমৰদ্বাৰা। প্ৰেমেহে পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিব পাৰিব। সৎ চিন্তা, সৎ আদৰ্শই সমগ্ৰ মানৱ সমাজক সুষ্ঠ কৰি ৰাখিব পাৰে। সেই পথ অৱলম্বন কৰি কদৰ্য্য চিন্তা আৰু কুৎসিৎ কাৰ্য্য সমূহ নিৰাময় কৰিব পাৰি। মানুহৰ মাজত যদি সৌহ

দৰ্য্যবোধ থাকে তেনেহলে সেই জীৱন হব শান্তিপূৰ্ণ। সেই সৌন্দৰ্য্যবোধেৰে পৃথিৱী খনক নকৈ গঢ়ি যুদ্ধৰ দৰে ধ্বংসকামী বীৰ্য্য বিনাশ কৰিবৰ সময় সমাগত। পৃথিৱীৰ পৰা যদি যুদ্ধ চিৰদিনৰ বাবে নিৰ্মূল কৰা হয় তেনেহলে হয়তো এখন শান্তিময় পৃথিৱী, সুন্দৰ পৃথিৱী গঢ় লৈ উঠিব। উপলব্ধি কৰিব লাগিব যুদ্ধই আনকে ধ্বংস কৰি নেৰে যি যুদ্ধৰ পাতনি মেলে সেই সকলকো যুদ্ধৰপৰিণতিয়ে ৰেহাই নিদিয়ে। সেয়েহে সমগ্ৰ মানৱ জাতিয়ে যি ভুল কৰি আহিছে সেই ভুল সংশোধন কৰি সমগ্ৰ মানৱ গোষ্ঠীৰ মঙ্গলৰ ভিত্তিতে পুণৰ নতুনকৈ গঢ়ি তুলিবৰ হ'ল সভ্যতাৰ দৃঢ় বুনিয়াদ। যুদ্ধৰ বাবে প্ৰস্তুত কৰা অস্ত্ৰ-শস্ত্ৰ, বোমা-বাৰুদ তথা ৰাসায়নিক সামগ্ৰী সমূহৰ প্ৰচলন বন্ধ কৰিবৰ হ'ল। অন্যথাই বিশ্বৰ ভবিষ্যতৰ বাবে এক ভয়ংকৰ প্ৰত্যুত্তৰ হৈ উঠিব। আহক আজি সমগ্ৰ বিশ্ববাসীয়ে ক্ষমা তথা প্ৰেমেৰে এখন শান্তিপূৰ্ণ পৃথিৱী গঢ়ি তোলো। বাৰুদ দগ্ধ আকাশৰ সলনি যিখন আকাশত উৰিব এযোৰ শান্তিৰ পাৰ চৰাই।



28 STATES AND 7 UNION TERRITORIES (INCLUDING N.C.T. OF DELHI)



# ধৈৰ্য্য

*কৃষ্ণা ভাগৱতী*
স্নাতক তৃতীয় বৰ্ষ, বিজ্ঞান শাখা

"On the earth there is nothing great but man;

In man there is nothing great but mind."

মানৱ জীৱনটো অতি মূল্যবান । আমি যদি নিজে আমাৰ জীৱনটো মূল্যহীন কৰি নোতোলোঁ, তেন্তে কোনো মানুহৰেই জীৱন মূল্যহীন হ'ব নোৱাৰে। নিজৰ উৎকৰ্ষ সাধনৰ ক্ষমতা আমাৰ নিজৰ হাততেই আছে । বৰ্ত্তমান যন্ত্ৰ সভ্যতাই জন্ম দিয়া বস্তুবাদী সমাজৰ প্ৰতিনিয়ত ব্যস্ততাআৰু অস্থিৰতাৰ মাজত নতুন প্ৰজন্মৰ মাজত পৰিলক্ষিত হোৱা এক অভাৱৰ অন্য নাম হ'ল ধৈৰ্য্য । বস্তুত ঃ ভৱিষ্যৎ সম্পৰ্কীয় অনিশ্চয়তাৰ বাবেই ধৈৰ্য্য শক্তিৰ অভাৱ দেখা গৈছে ; প্ৰধানকৈ ছাত্ৰ-ছাত্ৰীকে আদি কৰি উঠি অহা যুৱসমাজৰ মাজত । লাহে লাহে হতাশাই ছানি ধৰা যুৱ শক্তিৰ বিপৰীত ক্ৰিয়া ৰূপে দেখা গৈছে ইচ্ছাশক্তিৰ অভাৱ, চিন্তাৰ অমনোযোগিতা আৰু ফলস্বৰূপে ক্ৰমাগত ব্যৰ্থতা । কিন্তু প্ৰয়োজন আছে, ধৈৰ্য্যৰ । ইলিয়টে কোৱাৰ দৰে বিচৰা বস্তুটো নোপোৱাটোৱে ব্যৰ্থতা নহয়, বিচৰা বস্তুটো পাবলৈ সংগ্ৰাম এৰি দিয়াটোহে প্ৰকৃত ব্যৰ্থতা । এই সংগ্ৰামৰ অন্তৰালত লুকাই থকা প্ৰকৃত সচাঁৰ কাঠীডাল হ'ল ধৈৰ্য্য । ইচ্ছাশক্তি য'ত প্ৰৱল হয় তাত জটিলতাই কোনো প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব নোৱাৰে। অবিৰাম চেষ্টাৰ দ্বাৰা আমি নিজকে প্ৰতি মুহূৰ্ত্ততে আগতকৈ ভাল কৰিব পাৰোঁ আৰু আনকো ভাল কৰিব পাৰোঁ । কিন্তু তাকে কৰিবলৈ গ'লে যিটো বস্তুৰ আটাইতকৈ বেছি দৰকাৰ সেইটো হ'ল ধৈৰ্য্য । যিখিনি নৈতিক আৰু বৌদ্ধিক প্ৰতিভা লৈ আমি জন্ম গ্ৰহণ কৰিছোঁ, সেইখিনি কামত খটাই নিজৰ উৎকৰ্ষ সাধন কৰিবলৈ অসীম ধৈৰ্য্যৰ প্ৰয়োজন, গোৰ মাৰিলে ধূলিহে উৰে শস্য নগজে । ৰোগ, আৰু দুখ যন্ত্ৰণাকো ধৈৰ্য্যইহে উপশম কৰিব পাৰে। জুলীয়া ওৱেজউদে কৈছিল 'মানুহৰ আটাইবোৰ মানসিক গুণৰ ভিতৰত আটাইতকৈ বিৰল আৰু মূল্যবান গুণটো হ'ল ধৈৰ্য্য ।''

বহুত মানুহেই প্ৰতিভা আৰু নানা মানসিক গুণাৱলী লৈ জন্মগ্ৰহণ কৰে ।কিন্তু সেইবোৰ কামত খটাই জীৱনৰ উৎকৰ্ষ সাধন কৰিবলৈ ধৈৰ্য্যশীল পৰিশ্ৰমৰ প্ৰয়োজন । বেকন, নিউটন, ওৱাট, স্কট, বায়ৰণ, থেকাৰে- এওঁলোকে সকলোৱেই নিজৰ জীৱনকালত একোজন সাধাৰণ মেকানিকৰ নিচিনাকৈ কঠোৰ পৰিশ্ৰম কৰিছিল । সঁচা কথা ক'বলৈ গ'লে অশেষ ধৈৰ্য্য আৰু কঠোৰ পৰিশ্ৰমৰ অবিহনে কোনো মানুহৰ পক্ষেই সাহিত্য, বিজ্ঞান বা ৰাজনীতিৰ ক্ষেত্ৰত উচ্চস্থানলৈ আৰোহণ কৰা সম্ভৱ নহয় ।

বাফন নামৰ এজন চিন্তাশীল লেখকে কৈছিল যে মহৎ প্ৰতিভা বুলিলে আমি সাধাৰণতে যিটো বুজোঁ সি আচলতে সৰ্বসাধাৰণ মানুহতকৈ অধিক ধৈৰ্য্যৰ বাহিৰে আন একো নহয় । অৰ্থাৎ প্ৰতিভাশালী কৃতী মানুহৰ ধৈৰ্য্যশক্তি সাধাৰণ মানুহতকৈ বেছি । একোৱেই তেওঁলোকক বিৰক্ত বা ক্লান্ত নকৰে; প্ৰত্যেকটো মুহূৰ্ত্তকে তেওঁলোকে কিবা নহয় কিবা কামত লগায় ।

জীৱনত উন্নতি কৰিবলৈ হ'লে ধৈৰ্য্যৰ পিছতেই যিটো বস্তুৰ দৰকাৰ সেইটো হ'ল ইচ্ছাশক্তি । শ্বেক্সপীয়েৰৰ অথে'ল' নাটকত ইয়াগ'ৰে এষাৰ জ্ঞানগৰ্ভ কথা কৈছিল - 'আমি কি হ'ব খোজোঁ, সেইটো ঠিৰাং কৰাৰ ক্ষমতা আমাৰ মাজতেই আছে । আমাৰ শৰীৰ হ'ল এখন বাগিছা, তাৰ মালী হ'ল আমাৰ ইচ্ছাশক্তি ।'' আমাৰ সকলো আকাঙ্খাৰ মূল হ'ল ইচ্ছাশক্তি । কিন্তু অন্তত ক'ব বিচাৰিম জেমচ্ হুইটেকৰ ভাষাৰে যে মানুহে পৰ্বতটোক কেতিয়াও জয় কৰিব নোৱাৰে, জয় কৰে কেৱল নিজকে । আৰু তাৰ মূলমন্ত্ৰ হ'ল ধৈৰ্য্য শক্তি ।

"Conscience is the voice of the soul,
As the passions are the voice of body.
No wonder they after contradict each other."

[ সহায় ঃ Thoughts of Samuel Smiles ]

# আমাৰ জাতীয় জীৱন, প্ৰচলিত সংস্কৃতি আৰু মোৰ চিন্তা

*অৰূপ কলিতা*
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

সংস্কৃতি । এটা মিঠা শব্দ। সংস্কৃতি বুলিলে নো কি বুজায় তাৰ সহজ ব্যাখ্যা দিয়া সম্ভৱ নহয়। কাৰণ সংস্কৃতিৰ ব্যাখ্যা অতি বিস্তৃত। "সৌন্দৰ্য্যবোধ আহি পৰাৰ পিছত মানুহৰ সকলো কাম-কাজত সকলো ধৰণৰ সৃষ্টিতে প্ৰয়োজনীয়তাৰ উপৰিও সুন্দৰ কৰি সৃষ্টি কৰাৰ প্ৰবৃত্তি আহি পৰিল। লাহে লাহে সমাজ জীৱনত মানুহে তৈয়াৰ কৰা সকলো বস্তুতে, মানুহৰ ৰীতি-নীতি বোৰত, মানুহৰ মাত কথাত সকলোতে এই সৌন্দৰ্য্যবোধ প্ৰয়োগ কৰিবলৈ ধৰিলে। মানুহৰ সকলো প্ৰয়োজনীয় বস্তু, সকলো কাজ-কৰ্ম, সকলো আচাৰ-ব্যৱহাৰ, সকলো ৰীতি-নীতিতে সৌন্দৰ্য্যৰ ৰহণ লগা আৰম্ভ হোৱাত সমাজৰ সকলো সৃষ্টিয়ে নতুন ৰূপ ললে। মানুহৰ কাম-কাজ, উৎপাদন, ৰীতি-নীতি, মাত-কথা সকলোতে সৌন্দৰ্য্যবোধৰ প্ৰয়োগ কৰি মানুহৰ জীৱন আৰু মানৱ সমাজ সকলোকে সুন্দৰ কৰি গঢ়ি তোলাৰ যি প্ৰচেষ্টা তাকেই সাধাৰণ ভাৱে সংস্কৃতি বুলি কোৱা হয়।" (সংস্কৃতিৰ জন্ম আৰু জীৱন : উমা শৰ্মা)

মানুহে এই পৃথিৱীত বাস কৰা সকলো সমাজকেই সুন্দৰ কৰি গঢ়ি তোলাৰ এই প্ৰক্ৰিয়া যুগ যুগ ধৰি ধাৰাবাহিকভাৱে চলি আহিছে। এনেধৰণে মানুহৰ বিশুদ্ধ চিন্তাতহে সু সংস্কৃতিৰ সৃষ্টি হয়। আৰু লগতে অশুদ্ধ বা বিকৃত চিন্তাত দুস্কৃতিয়ে জন্ম লয়। সৎ চিন্তাই মানুহক শুদ্ধ বাটেদি লৈ যায় আৰু সুন্দৰৰ সমন্বয় ঘটায়। অশুদ্ধ তথা বিকৃত চিন্তাই মানুহক লোভ, শোষণ, হিংসা, হত্যা, অত্যাচাৰ আদিৰ বাটলৈ ঠেলি পঠায়। আদিম যুগৰে পৰাই মানুহৰ সমাজত সংস্কৃতিৰ লগত দুস্কৃতিৰ অহৰহ এটা যুদ্ধ চলি আহিছে।

আমাৰ সৌভাগ্য বুলিয়েই কব লাগিব যে অসমত এটি বাৰে-বৰণীয়া সংস্কৃতি বৰ্ত্তি আছে। বহুতো জাতি-উপজাতি, ভাষা সংস্কৃতিৰ সমন্বয়ে অসমীয়া সংস্কৃতিক বৈচিত্ৰ্যপূৰ্ণ কৰি তুলিছে। এই সংমিশ্ৰণৰ ফলত অসমত এটা সমন্বয়ৰ সংস্কৃতি গঢ়ি উঠিছে। এই সংস্কৃতিয়ে সকলোকে মিলনৰ আহ্বান দিয়ে। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ভাষাত কবলৈ গ'লে "অসমীয়া কৃষ্টি-সংস্কৃতি আৰু সাহিত্য ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু বিৰাট সৰু সৰু জুৰি নিজৰা উপনৈৰ সমন্বিত শকতিৰ দ্বাৰা যেনেকৈ ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে, ঠিক তেনেকৈ অসমৰ বহু জাতি, উপজাতি আৰু জনজাতিৰ কৃষ্টি-সংস্কৃতি আৰু সাহিত্যৰ সমন্বিত শকতিৰ দ্বাৰা অসমীয়া কৃষ্টি-সংস্কৃতি আৰু সাহিত্যইয়ো বিশালতা আৰু বিৰাটতা লাভ কৰিছে।"

কিন্তু দেখা যায় যে, বিপৰীত ফালে দুস্কৃতিয়ে এই কাৰ্য্যত ক'ৰবাৰ পৰা আহি অদৃশ্য হাতেৰে আমাক বাধা দিয়ে । তেওঁলোকে সংস্কৃতিক সুন্দৰভাবে প্ৰকাশ নকৰি অসুন্দৰৰ হাতত গতাই দিয়ে। ইয়াৰ প্ৰকৃত কাৰণ, এনেদৰে কব পাৰি যে, বিশ্বৰ পুঁজিপতি সকলে তেওঁলোকৰ স্বাৰ্থ পুৰণক অক্ষুন্ন কৰি ৰাখিবলৈ সদায় সমাজখনক একেদৰে ৰখাটো বিচাৰে। তেওঁলোকে মানুহক প্ৰকৃত জ্ঞান আহৰণৰ পৰা বিভিন্ন উপায়েৰে বঞ্চিত কৰি ৰাখে। মানসিক দিশত সমাজখনৰ বৈজ্ঞানিক পৰিৱৰ্ত্তন তেওঁলোকে নিবিচাৰে। সদায় সমাজখনক অনুন্নত কৰি ৰাখি শোষণ কৰিবলৈ বিচাৰে। তেওঁলোকে অন্ধবিশ্বাস, নৰবলি প্ৰথা, সতীদাহ প্ৰথা, বহু বিবাহ, ধৰ্মান্ধতা আদি ধাৰণাবোৰ কৌশলেৰে আমাৰ মনত সুমুৱাই দিয়ে। লগতে তেনেধৰণৰ ধাৰণাবোৰক বিস্তাৰ কৰিবলৈ প্ৰচেষ্টা চলায়।

ইপিনে সাম্ৰাজ্যবাদী দেশবোৰে যুদ্ধৰ হুমকি দি বিশ্বত অস্থিৰ বাতাবৰণৰ সৃষ্টি কৰে । যোৱা দ্বিতীয় বিশ্ব যুদ্ধত জাপানৰ হিৰোচিমা আৰু নাগাচাকি ধ্বংস হোৱাৰ ফলত সেই দেশৰ বহুতো আপুৰুগীয়া সাংস্কৃতিক সমল বিনষ্ট হৈ যায়। সেয়ে আমি যুদ্ধ নিবিচাৰোঁ । প্ৰকৃত শান্তিৰ মাজেৰেহে দেশত সংস্কৃতিয়ে জীপ দি উঠে। বৰ্ত্তমান সময়তো দেশৰ নানা ঠাইত যধেমধে হত্যা তথা লুণ্ঠনে সাময়িকভাৱে দেশৰ অগ্ৰগতিকহে বাধা দিছে।

যিদৰে অসমীয়া জাতিয়ে বিভিন্ন প্ৰজাতিৰ সংমিশ্ৰণত গঢ়

লৈছে, সেইদৰে বিভিন্ন প্ৰজাতিৰ বৈশিষ্ট্যবোৰ অসমীয়া সংস্কৃতিত বিদ্যমান। অসমৰ বিহুগীত আৰু নৃত্য, চাহ বাগিচাৰ ঝুমুৰ গীত আৰু নৃত্য, বড়ো, কাৰ্বি, মিচিং, দেউৰী, ৰাভা আদি জনজাতিৰ বিভিন্ন লোকনৃত্য আৰু গীত, দেওধ্বনি, ওজাপালি, সত্ৰীয়ানৃত্য আৰু গীত অতীতৰে পৰাই চলি অহা জনসাধাৰণৰ দ্বাৰা সৃষ্ট আইনাম, বিয়ানাম, টোকাৰী,দেহবিচাৰৰ গীত, বনগীত আদি উল্লেখযোগ্য।

লোকগীতৰ বাহিৰেও অসমীয়া উচ্চাংগ সংগীতৰ শ্ৰষ্টা শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ বুলি একে উশাহতে কব পাৰি। শংকৰদেৱেই অসমীয়া সংস্কৃতিক পূৰ্ণ ৰূপ দিছে। শংকৰদেৱেই পুণপ্ৰথম অসমীয়া, যি জনে অসমৰ বাহিৰলৈ গৈ কৰ্ণাটকী সংগীতৰ উচ্চাংগ ৰূপটো আহৰণ কৰি আনি তাকে অসমীয়া সাজেৰে সজাই বৰগীত ৰচনা কৰিলে। অসমীয়া ৰাগৰ ঠাঁচবোৰ ভাৰতৰ হিন্দুস্তানী সংগীতত প্ৰচলিত সুৰতকৈ বেলেগ। অৱশ্যে কৰ্ণাটকী সংগীতৰ লগত কিছু মিল পোৱা যায়। শংকৰদেৱে বহুতো নতুন ছন্দ বা তালৰ সৃষ্টি কৰিছিল, যি অসমৰ এটা স্বকীয় ধাৰা বজাই ৰাখিছে।

অসমত প্ৰচলিত বাদ্য-যন্ত্ৰ সমূহেও এটা নিজস্ব ৰূপ দাঙি ধৰিছে। যেনে- ভোৰতাল, কাহঁ, নাগাৰা; দবা, শংখ, পেপাঁ, গগনা, বাঁহী, শিঙা, দোতাৰা আদিৰনাম লব পাৰি। কিন্তু দুখৰ বিষয় বৰ্ত্তমান যুৱ সমাজে পশ্চিমীয়া বাদ্যযন্ত্ৰৰ প্ৰতি বেচিকৈ আকৃষ্ট হোৱা বাবে অসমীয়া বাদ্যযন্ত্ৰৰ চৰ্চা কমাই দিছে। ইয়াৰ ফলত আমাৰ নিজস্ব বাদ্যযন্ত্ৰবোৰ বজোৱা মানুহৰ লোপ পোৱাৰ আশংকা আছে।

ইপিনে আমাৰ দেশত সস্তীয়া হিন্দী বোলছবিৰ গীত মাতে বজাৰত ছাটি ধৰিছে। চেমনীয়াৰ পৰা প্ৰাপ্তবয়স্কলৈকে এই গীত মাতত আনন্দ উপভোগ কৰিছে। ই ভাল লক্ষণ নহয় বুলি ক'ব পাৰি। অলপতে প্ৰকাশ হোৱা এখন বাতৰি কাকতত এজন পঢ়ুৱৈয়ে সম্পাদকলৈ লিখা চিঠিত লিখিছে যে, তেওঁ বিহুগীতৰ এটা কেছেট কিনিবলৈ বজাৰলৈ গৈ দেখে যে এটা কেছেটত "প্ৰাপ্তবয়স্কৰ বাবে" বুলি লেবেল লগাই থোৱা আছে। ই বৰ পৰিতাপৰ কথা যে ধন ঘটাৰ বাবে নিজৰ দেশৰ সংস্কৃতিক নিম্ন মানত গতি কৰাই তেওঁলোকে আনন্দ পাইছে। এই কথাটোৱে অসমীয়া লোক সাহিত্যকো অপমান কৰিছে। অসমৰ এই আপুৰুগীয়া লোকগীতৰ ধাৰাটো অসাধু ব্যৱসায়ী চক্ৰই কিছুমান গায়ক শিল্পীৰ দ্বাৰা পৰিৱেশন কৰাই অসমীয়া বিহুগীতৰ মৰ্য্যদা বহুখিনি হানি কৰিছে। গতিকে সময় থাকোতে প্ৰতিজন অসমীয়াই এই দিশত চকু দিয়াৰ প্ৰয়োজন হৈ পৰিছে।

আজিকালি আমাৰ দেশত আকাশবাণী, দূৰদৰ্শন আদি স্থাপিত হৈছে যদিও কৰ্মকৰ্তা সকলে গুণগত মানৰ পিনে চকু দিব পৰা নাই। সহজতে এটা অনুষ্ঠান কৰি ৰাইজক দেখুৱায়। ইয়াৰবাবে অনুষ্ঠানৰ মান বহুতো সময়ত নিম্নগামী হৈছে। অৱশ্যে ভাল অনুষ্ঠান যে কেতিয়াও নহয় তেনে নহয়। কিন্তু এই বিষয়ত কৰ্ম কৰ্তা সকলে বেচিকৈ কষ্টকৰিলে বহুতো ভাল ভাল অনুষ্ঠান ৰাইজক উপহাৰ দিব পাৰিব।

শেষত আশা ৰাখিছো, বৃহত্তৰ অসমীয়া জাতিয়ে নিজৰ সংস্কৃতিক প্ৰকৃত বিজ্ঞান সন্মত শিক্ষা আৰু চৰ্চাৰ জৰিয়তে আৰু উন্নত কৰি বিশ্বদৰবাৰত উপস্থাপন কৰাই দেশ মাতৃৰ নাম উজ্বলাই থব তাকেই একান্তমনে কামনা কৰিলো। লগতে জীৱন শিল্পী জ্যোতিপ্ৰসাদৰ এটা উক্তিৰ উল্লেখ কৰাটো প্ৰয়োজনীয় বুলি অনুভৱ কৰিছো।

সংস্কৃতিৰ ভূমিকা সম্পৰ্কে জ্যোতিপ্ৰসাদে এনেদৰে কৈছে- "সংস্কৃতি মাথোন কবিৰ কবিতা; ছান্দিকৰ লীলায়িত ৰজনজনাই যোৱা ঝংকৃত ছন্দ, কাব্যিতিক সাহিত্যিকৰ কাব্য সাহিত্য,শিল্পীৰ মনোমোহা আলেখ্য, কালবিজয়ী স্থাপত্য, ভাস্কৰ্য্য, সংগীত বিশাৰদৰ সুৰ, লয়, তাল,মান, নৃত্যকুশলীৰ অভিনৱ অংগ-ভঙ্গ-ৰূপ-ৰস-গন্ধ-বৰ্ণ আৰু গানৰ মন ভুলোৱা জোনাকী মেলাই নিশ্চয় নহয়। ই সংস্কৃতিৰ মাত্ৰ সুকুমাৰ এটা প্ৰকাশ হে। মানৱ জীৱনৰ ঘোৰ বাস্তৱৰ মাজতেইহে সংস্কৃতিৰ পূৰ্ণৰূপ বিকশিত হৈ উঠে।"

"মোৰে ভাৰতৰে
মোৰে সপোনৰে
চিৰ সুন্দৰ সংস্কৃতি
সেউজীয়া বনতে
সেউজীয়া মনতে
বিকশিত প্ৰকাশি উঠা
নৱজন জীৱনবে অভিনৱ জ্যোতি।"

(সহায় লৈ)

# আমাৰ ছাত্ৰ সমাজ আৰু প্ৰতিযোগিতামূলক পৰীক্ষা

জিষ্ণু দাস
স্নাতক ১ম বৰ্ষ

আমাৰ ছাত্ৰ সমাজ বহুতো গুণেৰে সমৃদ্ধ হ'লেও ইয়াৰ মাজত সততে দেখা দিয়া এটা বদগুণ হ'ল নিৰ্দিষ্ট লক্ষ্য আৰু উৎসাহৰ অভাৱ। উৎসাহ বা উদ্যম হৈছে কোনো এটা নিৰ্দিষ্ট বিষয়ৰ প্ৰতি এটা অহৈতুক আকৰ্ষণ। ই এজন লোকৰ কিবা এটা কৰাৰ বা কোনো এটা প্ৰদত্ত অৱস্থাৰ প্ৰতি উত্তৰ দিয়া মহান উৎসুকতাক প্ৰদৰ্শন কৰে। সাধাৰণতে উদ্যমী বা উৎসাহী লোক সকলে অনুৎসাহী সকলতকৈ বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যায় কাৰণ উৎসাহে এজন লোকৰ ব্যক্তিত্বৰ সমস্ত প্ৰভাৱ কোনো এটা নিৰ্দিষ্ট দিশত আলোকিত কৰাত সহায় কৰে। উৎসাহী লোক সকলে কোনো এটা কৰ্মত তেওঁলোকৰ সমস্ত শক্তি আৰু ভক্তি মনে প্ৰাণে আগবঢ়ায়। এজন ব্যক্তিৰ নজনা কথা জানিবলৈ কৰা স্বাভাৱিক হাবিয়াসৰ ফলত তেওঁৰ মন প্ৰতিবাৰে পুনৰুজ্জীৱিত হয় আৰু ই তেওঁৰ মনৰ ভিতৰৰ পৰা আটাইতকৈ বিশুদ্ধ চিন্তা-চৰ্চা ও ভাৱ বিলাক উলিয়াই আনে। যি কোনো সফল কাৰ্য্য সমাধা হোৱাৰ নেপথ্যত সেই কাম কৰাৰ উদ্যম বা উৎসাহ কাৰ্য্য সমাধা কৰা জনৰ মনত সুপ্ত অৱস্থাত থাকে। উদাহৰণ স্বৰূপে আমি অষ্ট্ৰেলিয়াৰ ক্ৰিকেট তাৰকা সকলৰ কথা উল্লেখ কৰিব পাৰোঁ। তেওঁলোকৰ একাণপতীয়া আগ্ৰহ তথা যুদ্ধকালীন উদ্যমৰ বাবে বৰ্ত্তমান তেওঁলোকে বিশ্বৰ ভিতৰতে শীৰ্ষস্থান অধিকাৰ কৰিছে। গতিকে আমি কব পাৰোঁ যে যদি জীয়াই থকাতো এটা কলা, তেনেহ'লে উৎসাহ হৈছে এই জীৱনটো সুস্থ, সুখী, আৰু সফলতাপূৰ্ণ কৰি তোলা এটা অতি আৱশ্যকীয় উপাদান।

আমাৰ ছাত্ৰ সমাজে এইটো অনুভৱ কৰা উচিত যে কৰ্মৰ পৰাই উৎসাহৰ সৃষ্টি হয়। প্ৰকৃত বোধশক্তি, ধৰ্য্য, সহনশীলতা আৰু কিছু পৰিমাণৰ চঞ্চলতাই উৎসাহৰ সৃষ্টি কৰে। অতি কম সময়ৰ ভিতৰত সফলতা লাভ কৰিব নোৱাৰি। উপযুক্ত অনুশীলনৰ লগতে কৰ্মৰ প্ৰতি পূৰ্ণ ভক্তিয়েহে কোনো এটা বিষয়ত সফলতা লাভৰ ক্ষেত্ৰত সহায় কৰে।

নিজৰ ওপৰত বিশ্বাস নথকা অভ্যাসটো মৰণফান্দতুল্য। সঁচা কথা কবলৈ হ'লে যেতিয়া কোনো এজন লোকে অভ্যাস বা অনুশীলন কৰিবলৈ এৰি দিয়ে তেতিয়াহে তেওঁ অসফল হয়। যদি কেতিয়াবা কাৰোবাক নিৰাশাই খামুচি ধৰে তেতিয়া তেওঁ এইটো ভাবিব লাগে যে, তেওঁ হয়তো তেওঁৰ সম্পূৰ্ণ শক্তি ব্যৱহাৰ কৰা নাই। অজ্ঞতাৰ ফলত উদ্ভৱ হোৱা অসফলতাৰ আশংকাই এটা 'সম্ভৱ' কামকো 'অসম্ভৱ' কৰি তোলে। আত্মবিশ্বাস আৰু কৰ্মই হ'ল সফলতাৰ চাবিকাঠি।

পৃথিৱীৰ সকলো মহান শিক্ষক, ঋষি-মুনি আৰু সফল ব্যক্তি এই ক্ষেত্ৰত একমত যে আমাৰ কৰ্মই আমাৰ ভাগ্য নিৰ্ণয় কৰে। ব্যক্তিৰ দ্বাৰা কৃত কৰ্মই সমাজত ব্যক্তিৰ স্থান উৰ্দ্ধগামী বা নিম্নগামী কৰে। কোনো ব্যক্তিয়েই আনৰ দ্বাৰা নিম্নগামী নহয়, নিজে কৰা কু-কৰ্মৰ বাবে এজন লোকৰ স্থান নিম্নগামী হয়। এজন লোকে জীৱনত সেইটো বস্তুহে লাভ কৰে যি বস্তু তেওঁ নিজে জীৱনক দিয়ে। আমাৰ সমাজৰ কিছুমান লোকৰ ভাগ্য বা কপালৰ ওপৰত বিশ্বাস কৰাৰ অভ্যাস থকা দেখা যায়।কিন্তু সেই সকল ব্যক্তিয়ে এইটো মনত ৰখা উচিত যে কপাল বা সুযোগে সফলতা বা বিফলতাক পৰিচালনা নকৰে। আমাৰ ছাত্ৰসকলে মনত ৰখা উচিত যে আলস্যতা আৰু অকৰ্মণ্যতাৰ বাবে তেওঁলোকৰ উদ্যমত মামৰে ধৰিব পাৰে। আমি যিমানেই আমাৰ কৰ্ম নিৰ্ণয় কৰিম আমাৰ কৰ্মই তিমানেই আমাক নিৰ্ণয় কৰিব।

এজন ছাত্ৰই প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভ কৰিবলৈ হ'লে তেওঁ তিনিটা ক্ষেত্ৰত সমৰ্থবান হব লাগিব-বুদ্ধিমত্তা (Intelligence), যোগ্যতা (Aptitude) আৰু ব্যক্তিত্ব (Personality)। দৰাচলতে, বুদ্ধিমত্তা আৰু ব্যক্তিত্ব এই দুটাগুণ পৰিবেশৰ উন্নতি সাধন কৰি বঢ়াব পাৰি। এজন ছাত্ৰই নিজকে উত্তেজিত জ্ঞানৰ সংস্পৰ্শলৈ আনি কোনো এটা পৰম্পৰাগত

বুদ্ধিমত্তাৰ পৰীক্ষাত (I.Q. Test) ভাল নম্বৰ লাভ কৰিব পাৰে। কোনো এজন লোকৰ শিকাৰ সামৰ্থ্য, যৌক্তিক চিন্তা আৰু পৰিবেশৰ লগত যথোচিতভাৱে মিলিব পৰাৰ সামৰ্থ্যৰ লগত বুদ্ধিমত্তাৰ নিশ্চিত সম্বন্ধ আছে। যোগ্যতাই কোনো এজন ব্যক্তিৰ ক্ষেত্ৰত কিবা এটা কৰাৰ আন্তৰিক সামৰ্থ্যক সূচায়। সম্বন্ধিত ক্ষেত্ৰত সামান্য প্ৰশিক্ষণ বা অভ্যাসে এজন মানুহৰ যোগ্যতাক কৌশললৈ পৰিৱৰ্ত্তিত কৰিব পাৰে। আকৌ প্ৰশিক্ষণ আৰু অভ্যাসৰ বলত কোনো ব্যক্তিয়ে কিছুমান মূল বা প্ৰাথমিক যোগ্যতা আহৰণ কৰিব পাৰে।

প্ৰতিজন ব্যক্তিৰে একোটা নিজস্ব একক ব্যক্তিত্ব আছে। যিটো কোনো এটা নিৰ্দিষ্ট পৰিবেশ বা কামৰ ক্ষেত্ৰত খাপ নাখাব পাৰে। সেয়েহে ব্যক্তিত্বৰ অপৰিকল্পিত বিকাশে সফলতা লাভৰ ক্ষেত্ৰত বিৰাট অন্তৰায়ৰ সৃষ্টি কৰিব পাৰে। এজন ব্যক্তি তেওঁৰ চাৰিওকাষৰ পৰিবেশৰ লগত হোৱা দৈনন্দিন ঘাট-প্ৰতিঘাতৰ ফলত বিকাশপ্ৰাপ্ত হয়। সেয়েহে পৰিবেশৰ লগত ব্যক্তিৰ এই পাৰস্পৰিক কাৰ্য্যাৱলী তেওঁৰ নিৰ্দিষ্ট লক্ষ্যক আগত ৰাখি চিন্তাশীলভাৱে সুসংগঠিত কৰা উচিত। এজন ব্যক্তিৰ বন্ধুবৰ্গ, গ্ৰন্থাৱলী, দূৰদৰ্শন আৰু ৰেডিঅ' অনুষ্ঠান, আলোচনী, বাতৰি কাকত আৰু ওচৰ চুবুৰীয়াই পৰিবেশ সংগঠন কৰে। এইটো মনত ৰাখিব লাগে যে, শিক্ষণ হৈছে এটা নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া আৰু প্ৰতিদিনে এজন ব্যক্তিয়ে তেওঁৰ আত্ম-বিকাশৰ বাবে বহুতো সুযোগ লাভ কৰে।

কোনো এটা প্ৰতিযোগিতামূলক বৃত্তিগত পৰীক্ষাত সফলতা লাভ বহু পৰিমাণে লিখিত পৰীক্ষা (Written Examination) তথা সাক্ষাৎকাৰৰ (Interview) ওপৰত নিৰ্ভৰশীল। এনেধৰণৰ পৰীক্ষাৰ ফলাফল প্ৰত্যক্ষভাৱে আমাৰ ছাত্ৰ সকলে লাভ কৰা বাস্তৱ শিক্ষাৰ লগত জড়িত। পৰীক্ষা আৰু সাক্ষাৎকাৰে তেওঁলোকে কেইবাবছৰো ধৰি পৰীক্ষাৰ বাবে প্ৰস্তুতি কৰা, বুজি পোৱা আৰু শিকা কথাবোৰ পুণৰস্মৰণ কৰায়। কিন্তু বহুতো ছাত্ৰই অভিযোগ কৰে যে, তেওঁলোকে কৰা বহুদিনিয়া কষ্টৰ বিপৰীতে, তেওঁলোকে প্ৰয়োজনীয় কথাবোৰ প্ৰায়ে পৰীক্ষা চলি থকা সময়ত পাহৰি যায়। এইটো প্ৰকৃততে নিৰুৎসাহৰ কথা। জীৱনত কোনো এটা অৰ্থপূৰ্ণ সাফল্য লাভ কৰিবলৈ হলে মনৰ স্থিৰতা অতি জৰুৰী। এজন ছাত্ৰই এখন উপন্যাস বা এখন আলোচনী পঢ়োতে যিমান মনোযোগেৰে পঢ়ে, কিন্তু এখন পাঠ্যপুথি (text book) সিমান আগ্ৰহেৰে নপঢ়ে। গতিকে অতি জৰুৰী কথাটো হ'ল সম্বন্ধিত বিষয়ৰ প্ৰতি মূলগত আগ্ৰহ সৃষ্টি হোৱাটো। এটা শান্ত মনে গভীৰতা সূচায়। মন পুতি কোনো এটা কাম কৰাৰ ক্ষমতা হ'ল মনৰ গভীৰতাৰ এটা আৱশ্যকীয় উপাদান। কোনো এটা কাম সমৰ্থ ভাবে কৰিবলৈ হলে সময়ানুসাৰে প্ৰণালীবদ্ধ ভাৱে আগবঢ়া উচিত আৰু এটা সু-পৰিকল্পিত কাৰ্য্যসূচী অতি প্ৰয়োজনীয়।

অসামৰিক সেৱা পৰীক্ষাত (Civil service Examination) অমনোযোগী (non serious) পৰীক্ষাৰ্থী সকলৰ পৰা মনোযোগী (serious) পৰীক্ষাৰ্থী সকলক পৃথক কৰিবলৈ প্ৰাৰম্ভিক পৰীক্ষা (preliminaries) অতি প্ৰয়োজনীয়। অসামৰিক সেৱা পৰীক্ষাত এজন পৰীক্ষাৰ্থীৰ কেৱল মানসিক সামৰ্থৰ পৰীক্ষা লোৱাই নহয়, ইয়াত তেওঁৰ ধৈৰ্য্য আৰু অধ্যৱসায়ৰ পৰীক্ষাও লোৱা হয়। প্ৰাৰম্ভিক পৰীক্ষাৰ কাৰণে অতি গুৰুত্বপূৰ্ণ কথাকেইটা হল- অপৰ্য্যাপ্ত প্ৰকৃত জ্ঞান (factual knowledge) ৰ প্ৰয়োজনীয়তা, আঙুলিৰ মূৰত সূত্ৰ সমূহ (formulae on the fingertips) আৰু তৎক্ষনাত নিখুঁত ভাবে সমস্যাসমূহ সমাধান কৰাত সিদ্ধহস্ত হোৱাটো। প্ৰাৰম্ভিক পৰীক্ষাত আগবঢ়াৰ ক্ষেত্ৰত অসাৱধান হলে আৰম্ভণীতে সকলোবোৰ শেষ হোৱাটো স্বাভাৱিক। সেয়ে পৰীক্ষাৰ্থী সকলে নিৰ্বাচিত বিষয় সমূহৰ মনোযোগ সহকাৰে প্ৰস্তুতি চলাব লাগে। এই ক্ষেত্ৰত প্ৰাৰম্ভিক পৰীক্ষাৰ বাবে ঐচ্ছিক বিষয় সমূহত অধিক গুৰুত্ব আৰোপ কৰিব লাগে।

চূড়ান্ত পৰীক্ষা (the mains) হ'ল প্ৰকৃত পৰীক্ষা। যি সকল পৰীক্ষাৰ্থী প্ৰাৰম্ভিক পৰীক্ষাত নিৰ্বাচিত হয় তেওঁলোকে পাঠ্যক্ৰম সম্পূৰ্ণভাবে অধ্যয়ন কৰা আৱশ্যক। এই অধ্যয়ন প্ৰয়োজনীয় খিনি খামোচ মাৰি ধৰি অবিশ্ৰান্তভাৱে অতি ফলপ্ৰসূভাৱে কৰা উচিত। ঐচ্ছিক (optional) আৰু সাধাৰণ অধ্যয়ন (general studies) দুয়োটাৰ লগতে ৰচনা সমূহকো (essey papers) সমান গুৰুত্ব দিয়া উচিত। সাক্ষাৎকাৰ (interview) তো এখন প্ৰশ্নপত্ৰৰ সমানেই নম্বৰ (marks) থাকে আৰু এই ক্ষেত্ৰত বিশেষ মনোযোগ দিয়া উচিত। সাক্ষাৎকাৰৰ বাবে, পৰীক্ষাৰ্থীসকল ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সাময়িক ঘটনাৱলীৰ (current happenings) বিষয়ে জ্ঞাত হোৱা উচিত। এই ক্ষেত্ৰত বন্ধুবৰ্গৰ সৈতে দলবদ্ধ আলোচনাই (group discussion) বহু পৰিমাণে সহায় কৰে। পৰীক্ষাৰ্থী সকলে নিজৰ বিশেষ ৰাপ, অভ্যাস ইত্যাদি বোৰৰ বিষয়ে জ্ঞান তীক্ষ্ণ কৰা উচিত আৰু

নিজৰ ৰাজ্য, জিলা ইত্যাদিবোৰৰ পৰ্য্যাপ্তভাৱে জ্ঞান লাভ কৰা উচিত। আমাৰ ছাত্ৰ সকলে সম্ভৱস্থলত শিক্ষণ শিবিৰ বিলাকত অংশ গ্ৰহণ কৰাটো লাভজনক কাৰণ ইয়াৰ ফলত ছাত্ৰ সকলৰ লাজ, মনৰ খোকোজা ইত্যাদিবোৰ দূৰ হয় আৰু আত্মবিশ্বাস জাগি উঠে। কিন্তু মাত্ৰ শিক্ষণেই সহায় নকৰে যদিহে ব্যক্তিৰ নিজৰ মন আৰু ব্যক্তিত্বৰ বিকাশ নঘটে।

এইটো প্ৰকৃততে অপ্ৰিয় সত্য যে, আমাৰ ছাত্ৰই আজিৰ তাৰিখলৈকে প্ৰতিযোগিতামূলক পৰীক্ষাৰ ক্ষেত্ৰত কোনো এটা স্মৰণীয় স্থান লাভ কৰিবলৈ সক্ষম হোৱা নাই। ইয়াৰ ফলত আমাৰ ছাত্ৰসকলৰ গুণৰাজি প্ৰতিফলিত হোৱা নাই। অবিকলভাৱে কোনো এটা বস্তুৰ বিষয়ে সিদ্ধান্ত লোৱাৰ আগেয়ে ব্যক্তিজন বস্তুধৰ্মী (optimistic) হব লাগিব। আমাৰ ছাত্ৰ সকলৰ সুপ্ত আৰু অৰ্ন্তনিহিত গুণৰাজিৰ পূৰ্ণ বিকাশৰ বাবে প্ৰচেষ্টা হাতত লব লাগে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানবিলাকত এটা উপযুক্ত আৱহাৱা আৰু পৰিবেশ অতি জৰুৰী।

নেপোলিয়ন বোনাপাৰ্তে কৈছিল- "অসম্ভৱ শব্দটো কেৱল মূৰ্খৰ অভিধানতহে পোৱা যায়"। আচলতে এই পৃথিৱীত মানুহৰ চেষ্টা, উদ্যম আৰু নিৰ্দিষ্ট লক্ষ্যৰ বলত লাভ কৰিব নোৱাৰা বস্তু একেবাৰেই নাই। অধ্যৱসায় আৰু ভক্তিপূৰ্ণ যত্নৰ বলত সুউচ্চ পৰ্বত শিখৰো লংঘন কৰিব পাৰি। দৰাচলতে এনে কোনো কাম নাই যিটো বিশ্বাস আৰু ইচ্ছাশক্তিৰ বলত কৰিব নোৱাৰি। কিন্তু সমাজত এনেকুৱা ব্যক্তিও আছে, যি আমাক অনুপ্ৰেৰণা যোগোৱাৰ পৰিৱৰ্তে আমাৰ কষ্ট আৰু চেষ্টাৰ ধূলিময় ছবি অংকন কৰি আমাৰ কৰ্ম ৰাজিক অন্ধকাৰৰ মাজলৈ ঠেলি পঠিয়ায়। আমাৰ মনত প্ৰায়ে আশংকা থাকে - কিজানি আমাৰ যত্ন আৰু শ্ৰমৰ ফলাফল শূন্য হয়। কিন্তু আমাৰ ছাত্ৰ সমাজে এই বিলাক অনৰ্থক আশংকা বাদ দি নিজৰ কৰ্মৰাজি শুদ্ধভাৱে সম্পূৰ্ণ কৰিব লাগিব আৰু তাৰ দ্বাৰা বিজয়ী হব লাগিব। আমি সকলোৱে তেতিয়া সুখী আৰু আনন্দিত হম। একে সময়তে আমাৰ ছাত্ৰসকলে জানিব লাগিব যে অতি কম সময়ৰ ভিতৰত লাভ কৰা জ্ঞানৰ সহায়ত কোনোধৰণৰ চিৰস্থায়ী সফলতা লাভ কৰিব নোৱাৰি।



# ঃ বংশগতিৰ আধুনিক ধাৰা ঃ

## (Modern trend in heredity)

*ড° প্ৰদীপ কুমাৰ বৰুৱা*
অধ্যাপক, জীৱবিজ্ঞান বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

বংশগতিৰ আধুনিক ধাৰা বুলিলে আমি যোৱা প্ৰায় দুই দশকৰ বিজ্ঞান জগতত আলোড়ন সৃষ্টিকাৰী আবিষ্কাৰ জিন্ প্ৰযুক্তিবিদ্যা (Genetic Engineering) কেইই বুজো । এই বিষয়ে পৃথিৱীৰ এশৰো অধিক গৱেষণাগাৰত দিনে-নিশাই নানান গৱেষণা চলিবই লাগিছে । কিন্তু প্ৰকৃত বিষয়বস্তুলৈ অহাৰ আগতেই বংশগতি আৰু ইয়াৰ ক্ৰমবিকাশ সম্পৰ্কে প্ৰাথমিক অজ্ঞতাখিনি দূৰ কৰি ললেহে বোধগম্য হ'ব ।

জীৱজগতৰ প্ৰতিটো জীৱই পিতৃ-মাতৃ অৰ্থাৎ আগৰ পুৰুষৰ পৰা বিভিন্ন চৰিত্ৰ আহৰণ কৰা প্ৰথাকে বংশগতি বোলা হয় । প্ৰাণীয়েই হওক বা উদ্ভিদেই হওক জীৱমাত্ৰেই ইবিলাকৰ দেহাটো এটা বা ততোধিক ক্ষুদ্ৰাতিক্ষুদ্ৰ কোঠাৰে গঠিত । এই কোঠাবোৰক কোষ বা cell বোলে । প্ৰতিটো কোষৰ মধ্যস্থলত সাধাৰণতে এটা কোষকেন্দ্ৰ (Nucleus) থাকে । আকৌ কোষকেন্দ্ৰত অন্য ভালে কেইবিধ পদাৰ্থৰ উপৰিও এবিধ সুতাৰ দৰে ক্ৰমোজম নামৰ জালাকৃতিৰ পদাৰ্থ থাকে । জীৱ বিশেষে ক্ৰমোজমৰ (Chromosome) সংখ্যা বা আকাৰ বেলেগ বেলেগ হয় । যেনেকৈ মানুহ আৰু পিয়াজ গছৰ দেহকোষৰ ক্ৰমোজমৰ সংখ্যা যথাক্ৰমে ৪৬ ডাল বা ২৩ জোৰা আৰু ১৬ ডাল বা ৮ জোৰা । এই ক্ৰমোজম বোৰত জিন্ নামৰ এবিধ পদাৰ্থ মণিৰদৰে এডাল মণিমালাত (Chain) শাৰী পাতি থকা দেখা যায় । জীৱৰ প্ৰতিটো চৰিত্ৰ একো একোটা মৌলিক জিনৰ দ্বাৰা নিয়ন্ত্ৰিত হয় আৰু এই জিন্ বংশগতিৰ ধাৰাত পুৰুষানুক্ৰমে অপৰিবৰ্ত্তিত হৈ থাকে । নহ'লেতো আলুগছত মটৰমাহ বা কুকুৰৰ পেটত মেকুৰী পোৱালীৰ জন্ম হ'লহেতেন । কিন্তু জিন্ নামৰ পদাৰ্থবিধ আবিষ্কাৰ হোৱা বহুদিন হোৱা নাই যদিও আজিৰ পৰা প্ৰায় ডেৰশ বছৰৰ আগতেই ১৮৫৭ চনত এই জিনক মৌলিক একক বুলিয়েই অভিহিত কৰি গ্ৰেগৰ জোহান মেন্দেল নামৰ এজন বিজ্ঞানীয়ে উপৰোক্ত তথ্যটো মটৰমাহত পৰীক্ষা-নিৰীক্ষা চলাই দি গৈছে । সেয়ে তেওঁক "বংশগতিৰ পিতৃ" (Father of Genetics) নামেৰে অভিহিত কৰা হৈছে ।

কিন্তু আচল প্ৰশ্ন হ'ল জিনেনো কেনেকৈ কোনো এটা জীৱৰ চৰিত্ৰ নিয়ন্ত্ৰণ কৰে ? ১৯০০ চনত বিডল্ আৰু টাটুম্ নামৰ দুজন বিজ্ঞানীয়ে পৰীক্ষাসহ দেখুৱাবলৈ সমৰ্থ হ'ল যে জিনে এক জটিল পদ্ধতিৰে নিজৰ সাঁচত এবিধ বিশেষ প্ৰোটিন সংশ্লেষণ কৰে আৰু এই বিশেষ প্ৰোটিনৰ কাৰ্যকলাপৰ ফলতেই এটা বিশেষ চৰিত্ৰৰ প্ৰতিফলন হয় । এই অৱস্থালৈকে জিনৰ গঠন সম্পৰ্কে বিশেষ জ্ঞান কাৰো নাছিল । ১৯৪৪ চনত এভেৰি, মেক্লিয়দ্ আৰু মেকাৰ্থি নামৰ আমেৰিকাৰ বিজ্ঞানী তিনিজনে প্ৰমাণ কৰি দেখুৱালে যে, ৰাসায়নিক দৃষ্টিকোনৰ পৰা জিন্ এবিধ ডিঅক্সিৰিবোনিউক্লিক্ এচিদ বা সংক্ষেপে ডি, এন, এ, (D.N.A.) অনুমাত্ৰ । ইয়াৰ পিচতে ১৯৫৩ চনত ৱাট্চন্ আৰু ক্ৰিকৰ দ্বাৰা ডি, এন, এ, অনুৰ ৰাসায়নিক গঠন আবিষ্কাৰ হোৱাৰ লগে লগে জিন গৱেষণা আৰু ৰহস্যজনক হৈ পৰিল । উক্ত বিজ্ঞানী দুজনে সঠিককৈ নিৰূপণ কৰিলে যে D.N.A. অনুৰ একাধিক অনুৰ সংযুক্তিত সৃষ্টিহোৱা বৃহৎআকাৰৰ অনু বা পলিমাৰহে ।

জিন্ সম্পৰ্কে ইমানখিনি তথ্য উদ্ঘাটন হোৱাৰ পিছত অনুসন্ধিৎসু বিজ্ঞানী সকলৰ কৌতুহলপূৰ্ণ মনত নানান প্ৰশ্নই আৱৰি ধৰিল । যেনে, - কিবা উপায়েৰে জীৱদেহত কোনো নতুন জিন্ সংযোগ কৰিব বা অপ্ৰয়োজনীয় জিনক আঁতৰাব নোৱাৰিনে, আৱশ্যক অনুযায়ী জিনৰ ৰাসায়নিক গঠনৰ পৰিবৰ্ত্তন কৰা বা স্বাভাৱিক জিনৰ আৰ্হিত কৃত্ৰিমভাৱে বিজ্ঞানাগাৰত জিন সংশ্লেষণ কৰা সম্ভৱনে ইত্যাদি প্ৰশ্নবোৰৰ ফলতেই সৃষ্টি হ'ল বংশগতিৰ আধুনিক ধাৰা জিন্ প্ৰযুক্তিবিদ্যা (Genetic Engineering) । জিন্ প্ৰযুক্তিবিদ্যাৰ সংজ্ঞা বুলিলে ক'ব পাৰি কোনো এক বিশেষ জিনৰ চিনাক্তকৰণ, প্ৰয়োজন হ'লে তাৰ দূৰীকৰণ, জিনৰ গঠনৰ

সংশোধন, এবিধ জীৱৰ জিন্ অন্য এবিধ জীৱদেহলৈ ৰূপান্তৰ নাইবা প্ৰয়োজন বিশেষে কোনো এক বিশেষ জিনৰ গঠনৰ আৰ্হিত বিজ্ঞানাগাৰত কৃত্ৰিম জিনৰ সংশ্লেষণ কৰি তাক জীৱদেহত স্থাপন কৰা।

বংশগতিৰ আধুনিক ধাৰা জিন্ প্ৰযুক্তিবিদ্যাৰ প্ৰথম পদক্ষেপ হিচাপে ১৯৭০ চনত ন'বেল বঁটা বিজয়ী আমেৰিকা নিবাসী ভাৰতীয় বিজ্ঞানী ড° হৰগোবিন্দ খোৰানাই বিজ্ঞানাগাৰত কৃত্ৰিম জিন্ সংশ্লেষণ কৰি এক বিশেষ অভিলেখ স্থাপন কৰাটো সৰ্বজনবিদিত। ড° হৰগোবিন্দ খোৰানাৰ অৱদানৰ পিচতেই মাৰ্টিন আৰু ডেভিছ নামৰ দুজন বিজ্ঞানীয়ে Restriction Enzyme নামৰ এবিধ Enzyme আবিষ্কাৰ কৰিলে। যাৰ সহায়ত এটা D.N.A. পলিমাৰ খণ্ড খণ্ডকৈ টুকুৰা কৰিব পাৰি আৰু কটামূৰটো আঠাযুক্ত হয় যাতে অন্য এক খণ্ড D.N.A. অৰ্থাৎ জিন্ সহজে সংযোগ কৰিব পাৰি। জিন প্ৰযুক্তিবিদ্যাত সাধাৰণতে এটা জীৱৰ পৰা অন্য এটা জীৱলৈ জিন্ স্থানান্তৰ কৰা হয় তিনি প্ৰকাৰে -

(১) বেক্টেৰীয়াৰ কোষ প্ৰৰসত থকা প্লাচমিড্ (Plasmid) নামৰ ঘূৰণীয়া D.N.A. ৰ যোগেদি। এই প্ৰথাত প্লাচ্‌মিড্‌টোৱে বাহক ডি, এন, এ, হিচাপে কাম কৰে।

(২) এই প্ৰথাৰ জৰিয়তে ক্ষুদ্ৰ বেজী (Microinjection Method)ৰ সহায়ত আৱশ্যকীয় জিনটোক দেহত প্ৰবেশ কৰোৱা হয়।

(৩) তৃতীয় প্ৰথাৰ যোগে দৰকাৰী জিনটোক কোষাবৰণৰেদি প্ৰত্যক্ষভাৱে (Direct Uptake Method) প্ৰবেশ কৰোৱা হয়।

প্লাচমিডৰ যোগেদি এন্দুৰৰ পৰা ইনচুলিন তৈয়াৰ কৰোতে দায়ী জিনটো আহৰণ কৰি কেনেকৈ আজিকালি জিন্ প্ৰযুক্তিবিদ্যাৰ যোগেদি ইনচুলিন তৈয়াৰ কৰিব পৰা যায় তলত দেখুৱা হৈছে (চিত্ৰ - ১)

জিন্ প্ৰযুক্তিবিদ্যাৰ ফলাফল সম্পৰ্কে আলোচনা কৰিলে দেখা যায় যে ইয়াৰ ভাল আৰু বেয়া দুয়োটা গুণাগুণ আছে। জিন্ প্ৰযুক্তিবিদ্যাৰ গৱেষণাৰ প্ৰাথমিক স্তৰত বিজ্ঞানাগাৰত পৰীক্ষা-নিৰীক্ষা চলি থাকোতেই ইয়াৰ সাম্ভাব্য পৰিণতি সম্পৰ্কে যিদৰে বিশেষ মতানৈক্যৰ সৃষ্টি হৈছে আগৰ মহাকাশ বিজ্ঞান, পাৰমাণৱিক পদাৰ্থবিজ্ঞান আদি গবেষণাৰ প্ৰাথমিক স্তৰতে কেতিয়াও এনেকুৱা বাদানুবাদৰ সৃষ্টি হোৱা নাছিল। এই যুগান্তকাৰী গৱেষণাই সমাজৰ কল্যাণ সধাৰ আশাকৰা বিনিময়ত নানান বিপৰ্য্যয়ৰো আশংকা কৰা হৈছে। যিয়েই নহওক, সাম্ভাব্য সুফল আৰু কুফলখিনিৰ বিষয়ে অলপ আলোচনা কৰিলে এই বিষয়ে পৰিষ্কাৰ হ'ব।

<u>সাম্ভাব্য সুফল সমূহ</u> ঃ

(১) <u>বংশগত ৰোগ নিৰাময়</u> ঃ- পূৰ্ব্বজন্মৰ ফল বা ভগৱানৰ অভিশাপ অথবা আশীৰ্ব্বাদ বুলি গণ্যকৰি অহা মানুহৰ বহুতো বংশগত ৰোগ থাকে। এইবিলাকৰ ভিতৰত বৰ্ণান্ধতা (Colourblindness), ৰক্তক্ষৰণ (Haemophilia), বহুমূত্ৰ ৰোগ (Diabetes) আদিয়েই প্ৰধান। আচলতে এইধৰণৰ বংশগত ৰোগসমূহ তলত উল্লেখিত কাৰণ সমূহৰ বাবেহে হ'বলৈ পায়।

(ক) অনিষ্টকাৰী জিন্‌ৰ প্ৰভাৱ (খ) প্ৰয়োজনীয় বিশেষ জিন্‌ৰ অভাৱ আৰু (গ) কোনো এক স্বাভাৱিক জিন্‌ৰ অস্বাভাৱিক কাৰ্যকলাপ।

বৰ্ণান্ধতা (Colourblindness) ৰোগ থাকিলে মানুহে বিশেষকৈ ৰঙা আৰু সেউজীয়া ৰঙক চকুৱে চিনাক্ত কৰিবলৈ অসমৰ্থ হয়। মানুহৰ দেহকোষত থকা ৪৬ ডাল ক্ৰমোজমৰ ভিতৰত দুডাল বা এজোৰা ক্ৰমোজমক লিঙ্গ বা Sex Chromosome বোলে। স্ত্ৰীৰ ক্ষেত্ৰত এই দুয়োডাল ক্ৰমোজমকে 'X' আৰু পুৰুষৰ ক্ষেত্ৰত এডালক 'X' আৰু আনডালক 'Y' ক্ৰমোজম নামেৰে অভিহিত কৰা হয়। স্ত্ৰীয়েই হওক বা পুৰুষেই হওক উপৰোক্ত 'X'



ক্ৰমোজমত যদি এটা 'c' নামৰ জিন্‌ৰ প্ৰভাৱ পৰে তেতিয়াই সেই স্ত্ৰী বা পুৰুষে বৰ্ণান্ধতা ৰোগত ভুগিব লগা হয় । যদিহে বৰ্ণান্ধতাৰ বাবে দায়ী এই বিশেষ জিনটোক চিনাক্ত কৰি স্ত্ৰী বা পুৰুষৰ প্ৰজনন কোষ ডিম্বানু বা শুক্ৰানুৰ পৰা আঁতৰাব পাৰি তেন্তে আগন্তুক সন্তানটো বৰ্ণান্ধতা ৰোগৰ পৰা মুক্ত হ'ব ।

দেহত থ্ৰমোপ্লাষ্টিন (Thromoplastin) নামৰ এবিধ বিশেষ প্ৰোটিনৰ অভাৱ ঘটিলে মানুহৰ ৰক্তক্ষৰণ (Haemophilia) ৰোগ হয় ইয়াৰ ফলত শৰীৰৰ কোনো অংশ কাটিলে সেই অংশইদি অবিৰাম গতিত তেজ ওলাবলৈ ধৰে । কিয়নো থ্ৰমোপ্লাষ্টিনৰ অভাৱত তেজে নিকৰি বান্ধিব নোৱাৰে । কিছুবছৰৰ আগত এইৰোগত ভূগী ইংলেণ্ডৰ ৰাজপৰিয়ালৰ একাধিক লোকৰ অকাল মৃত্যু ঘটিছিল । প্ৰমাণ কৰি পোৱা গৈছে যে 'X' ক্ৰমোজমত থকা এবিধ বিশেষ জিনে্ দেহত থ্ৰমোপ্লাষ্টিনৰ উৎপাদন কৰে । এই আৱশ্যকীয় জিন্‌টোৰ অভাৱ ঘটিলেই থ্ৰমোপ্লাষ্টিনৰ উৎপাদন নহয় । সেয়েহে এনে জিন্‌ৰ গঠন ভালকৈ জানি তাক বিজ্ঞানাগাৰত কৃত্ৰিমভাৱে প্ৰস্তুত কৰি তেনেলোকৰ শুক্ৰানু বা ডিম্বানু কোষত স্থাপন কৰিলেই এইৰোগৰ পৰা পৰিত্ৰাণ পাব ।

মানুহ বহুমূত্ৰ ৰোগত ভোগে যেতিয়া দেহত ইনচুলিন নামৰ এবিধ হৰমোনৰ মাত্ৰা কমি যায় । ইনচুলিন সংশ্লেষণৰ কাৰণে এবিধ এনজাইমৰ একান্তই আৱশ্যক । এই এনজাইম নিয়ন্ত্ৰণ কৰে আকৌ এবিধ বিশেষ জিনে্ । তাতোকৈ আমোদজনক কথা যে যদিও এই জিন্ দেহৰ প্ৰতিটো কোষতে থাকে তথাপি ইয়াৰ কাৰ্য্যকলাপ কেৱল অগ্ন্যাশয় (Pancreas)ৰ কোষতহে সীমিত থাকে । সেয়ে যদি কিবা উপায়েৰে শৰীৰৰ অন্যকোষবোৰত এই জিনক সক্ৰিয় কৰি তুলিব পাৰি তেন্তে ইনচুলিন্ সংশ্লেষণও আৱশ্যাক মতেই হ'ব আৰু কোনোলোক বহুমূত্ৰ ৰোগত নোভোগে ।

(২) পৰিয়াল সীমিতকৰণ ঃ- পৃথিৱীখনত বৰ্ত্তমান জনসংখ্যা বৃদ্ধিৰ বৃহৎহাৰৰ কথা উপলব্ধি কৰি পৰিয়াল পৰিকল্পনাৰ কাৰণে যি ব্যৱস্থা লোৱা হৈছে তাৰ পৰিবৰ্তে জিন্ গৱেষণাই এই কাৰ্য্যসূচীত যুগান্তৰ আনিব বুলি বিজ্ঞানীসকল খুব আশাবাদী । উদাহৰণ স্বৰূপে কোনো এক দম্পতীয়ে খুব আশাকৰে তেওঁলোকৰ আগন্তুক সন্তানটো পুত্ৰ হওক তেনেস্থলত যদি কিবা উপায়েৰে শুক্ৰানু আৰু ডিম্বানুৰ মিলনৰ ফলত সৃষ্টিহোৱা ভ্ৰূণৰ কোষ আনি পৰীক্ষা কৰি সাম্ভাব্য সন্তানটো পুত্ৰনে কন্যা স্থিৰ কৰিব পাৰি তেতিয়া অবাঞ্চনীয় হ'লে গৰ্ভপাতৰ আশ্ৰয় ল'ব পাৰি । আগতে কৈ অহাৰদৰে এইটো স্থিৰ কৰিব পৰা যাব কেৱল লিঙ্গ বা Sex ক্ৰমোজম দুডাল অধ্যয়ন কৰিয়েই অৰ্থাৎ স্ত্ৰী হ'লে দুডাল 'X' ক্ৰমোজম আৰু পুৰুষহলে এডাল 'X' আৰু এডাল 'Y' ক্ৰমোজম থাকিব ।

তাৰোপৰি জীৱকোষত কিবা কাৰণত ক্ৰমোজমৰ সংখ্যা হ্ৰাস বা বৃদ্ধি ঘটিলে নাইবা কোনো অংশ চিগি পৰিলে তেনে অৱস্থাত সম্ভাব্য সন্তানৰ নানান দৈহিক বা মানসিক ক্ৰটি বিচ্যুতি দেখা যায় । উদাহৰণ স্বৰূপে স্ত্ৰীকোষৰ দুডাল 'X' ক্ৰমোজমৰ এডাল নাথাকিলে অৰ্থাৎ মুঠ ৪৬ ডালৰ ৪৫ ডাল ক্ৰমোজমহে থাকিলে সৃষ্টিহোৱা জন্মগত বিজুটিটোৰ নাম টাৰনাৰৰ লক্ষণ (Turner's Syndrome) বা টাৰনাৰৰ লক্ষণ বুলি জনাজাত । এনে স্ত্ৰী সাধাৰণতেই বন্ধ্যা (Sterile) হয় । তাৰোপৰি ডিঙি চেপেতা তথা অস্বাভাৱিক গঠনৰ আৰু দেখিবলৈ আপচু হয় । ভ্ৰূণৰ প্ৰাথমিক স্তৰত এই দোষ ধৰা পেলাব পাৰিলে গৰ্ভপাতৰ দ্বাৰা উক্ত অবাঞ্চনীয় আৰু দুৰ্ভগীয়া শিশুক চিৰকাললৈ বিদায় দিব পাৰি ।

*অন্যহাতে পৃথিৱীত বহুতো স্ত্ৰী আছে যাৰ সন্তানৰ মুখ দেখাৰ সৌভাগ্য ঘটা নাই । তেনে স্ত্ৰীৰ গৰ্ভাশয়ত গৰ্ভস্থ ভ্ৰূণ সৃষ্টি হ'ব নোৱাৰে সঁচা কিন্তু যিকোনো বৈজ্ঞানীক উপায়েৰে বিজ্ঞানাগাৰত অন্যৰ গৰ্ভস্থ ভ্ৰূণ এনে স্ত্ৰীৰ গৰ্ভাশয়ত প্ৰবেশ কৰাব পাৰিলে সহজেই পৰিপুষ্ট হৈ সন্তানৰ সৃষ্টি হ'ব পাৰে । এনে কৰিব পাৰিলে স্ত্ৰী গৰাকীৰ অন্তৰৰ বেদনা হ্ৰাস হ'ব আৰু সমাজৰ দুৰ্নামৰ পৰাও ৰক্ষা পৰিব। এনেকুৱা স্ত্ৰীক বৈজ্ঞানীক ভাষাত 'Proxy Mother' বুলি অভিহিত কৰা হয় ।*

অন্যহাতে পৃথিৱীত বহুতো স্ত্ৰী আছে যাৰ সন্তানৰ মুখ দেখাৰ সৌভাগ্য ঘটা নাই । তেনে স্ত্ৰীৰ গৰ্ভাশয়ত গৰ্ভস্থ ভ্ৰূণ সৃষ্টি হ'ব নোৱাৰে সঁচা কিন্তু যিকোনো বৈজ্ঞানীক উপায়েৰে বিজ্ঞানাগাৰত অন্যৰ গৰ্ভস্থ ভ্ৰূণ এনে স্ত্ৰীৰ গৰ্ভাশয়ত প্ৰবেশ কৰাব পাৰিলে সহজেই পৰিপুষ্ট হৈ সন্তানৰ সৃষ্টি হ'ব পাৰে । এনে কৰিব পাৰিলে স্ত্ৰী গৰাকীৰ অন্তৰৰ বেদনা হ্ৰাস হ'ব আৰু সমাজৰ দুৰ্নামৰ পৰাও ৰক্ষা পৰিব । এনেকুৱা স্ত্ৰীক বৈজ্ঞানীক ভাষাত 'Proxy Mother' বুলি অভিহিত কৰা হয় ।

(৩) সেউজ বিপ্লৱ ঃ- বিজ্ঞানীসকল খুব আশাবাদী যে জিন্

গৱেষণাই অদূৰ ভৱিষ্যতে এক সুদূৰ প্ৰসাৰী সেউজ বিপ্লৱৰ সূচনা কৰিব । এই কথা সকলোৰে বিদিত যে উদ্ভিদৰ বৃদ্ধিৰ কাৰণে নাইট্ৰজেন অপৰিহাৰ্য্য । কিছুমান বেক্টেৰীয়াৰ কোষত আৰু মাহজাতীয় উদ্ভিদৰ শিপাত নাইট্ৰজেন স্থাপকৰ ব্যৱস্থা আছেই । ইয়াৰ কাৰণে আকৌ বিশেষ জিন্‌ৰ আৱশ্যক । জিন্ গৱেষণাৰ ফলস্বৰূপে যদি উক্ত জিন বেক্টেৰীয়া বা মাহজাতীয় উদ্ভিদৰ পৰা ধান, গম, ঘেঁহু, কুঁহিয়াৰ আদি নাইট্ৰজেন স্থাপন ক্ষমতা বিহীন খাদ্য শস্যলৈ স্থানান্তৰিত কৰিব পৰা যায়, তেন্তে খাদ্যশস্যত কৃত্ৰিম সাৰৰ প্ৰয়োজন নাইকিয়া হোৱাই নহয় মানৱ জাতিৰ কাৰণে এটা ডাঙৰ অৱদানও হ'ব ।

আকৌ ভূখণ্ডৰ খাদ্য শস্যৰ বাবে একেবাৰেই অনুপযোগী শুকান শিলাময় বা লোণযুক্ত স্থল ভাগতো কিছুমান বনৰীয়া উদ্ভিদ, লাইকেন, মচ্‌জাতীয় আৰু কেতবোৰ বেক্টেৰীয়া সুন্দৰভাৱে হোৱা দেখা যায় । এনেধৰণৰ উদ্ভিদ তেনে জলবায়ুত তিষ্ঠি থকাটোও এটা চাৰিত্ৰিক বৈশিষ্ট্য । যদি এই চাৰিত্ৰিক বৈশিষ্ট্যৰ কাৰণে বিশেষ জিন্ এটা দায়ী হয় আৰু এই জিন যদি চিনাক্ত কৰি উক্ত প্ৰজাতিবোৰৰ পৰা আহৰণ কৰি ধান, মাহজাতীয় খাদ্য শস্যৰ শৰীৰত স্থাপন কৰিব পৰা যায় তেন্তে শিলাময় মৰুভূমিও শস্য শ্যামলা হৈ উঠিব ।

তদুপৰি কুঁহিয়াৰ গছত চেনী বা Sucrose সংশ্লেষণৰ বাবে দৰকাৰী Enzyme দুবিধ Sucrose Synthethase আৰু Sucrose Phosphorylase উৎপাদনৰ বাবে দায়ী জিন্‌টো অন্য উদ্ভিদলৈ স্থানান্তৰ কৰিব পাৰিলে দেশত চেনী শিল্পই এক অভিলেখ স্থাপন কৰিব । ঠিক তেনেদৰেই মছলা আদিৰ সুগন্ধ বা ঔষধৰ গুণাগুণ থকা গছৰ ঔষধি গুণটো যে অন্য কিছুমান গছত স্থাপন কৰিব পৰা নেযাব তাক নদি কোৱা জটিল কথা । ইয়াৰোপৰি আজিকালি জিন্ প্ৰযুক্তিবিদ্যাৰ যোগেদি ৰোগমুক্ত খাদ্যশস্য তথা দূৰসম্পৰ্কীয় উদ্ভিদৰ (উদাহৰণ স্বৰূপে আলু আৰু বিলাহী গছৰ মাজত) মাজত সংকৰণ (Distant Hybridization) ঘটাই উন্নত মানৰ খাদ্য শস্য উৎপাদন কৰা সম্ভৱ হৈ উঠিছে ।

(৪) <u>ৰাসায়নিক পদাৰ্থৰ কৃত্ৰিম উৎপাদন</u> ঃ- জিন্ গৱেষণাৰ অন্যএটা উল্লেখযোগ্য সম্ভাৱনা হ'ল যে ইয়াৰ ফলত অদূৰ ভৱিষ্যতে মানুহ বা অন্য জীৱৰ পৰা বিশেষ জিন্‌বোৰ নি বিশেষ বেক্টেৰীয়াৰ দেহত স্থাপন কৰি সেইবিলাক "ক্ষুদ্ৰাকাৰ ফেক্টৰী" হিচাপে ব্যৱহাৰ কৰি ৰাসায়নিক ভিত্তিত কেতবোৰ ইনচুলিন, এন্টিবদি, হৰমোন, ইন্টাৰফেৰন আদিৰদৰে মূল্যৱান জৈৱ ৰাসায়নিক পদাৰ্থ সংশ্লেষণ কৰিব পৰা যাব । ইয়াৰোপৰি আৱশ্যক অনুসৰি ব্যৱহাৰৰ উপযোগীকৈ বিভিন্ন চাৰিত্ৰিক গুণ বিশিষ্ট জিন্‌ক অলপতে আমেৰিকাত কৃত্ৰিমভাৱে বিজ্ঞানাগাৰত সংৰক্ষণ কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াক 'Gene Bank' নামেৰে অভিহিত কৰা হৈছে ।

<u>সাম্ভাব্য কুফল সমূহ</u> ঃ - আগত কৈ অহাৰ দৰে জিন্‌গৱেষণাৰ যিমানবোৰ সাম্ভাব্য সুফল আশাকৰা যায় তেনেকৈ বহুতো অনিষ্টকৰ ফলও আশাকৰা হৈছে । তলৰ আলোচনাটিয়ে অনিষ্টকৰ সাম্ভাব্য ফলখিনি সামান্য হ'লেও উপলব্ধি কৰাত সহায় কৰিব । উদ্ভিদৰ কোনো এক বিশেষ অংশ কাটি যেনেকৈ কৃতক বা Cloning কৰা হয় তেনেকৈ প্ৰাণী দেহৰো যিকোনো ঠাইৰ এক ক্ষুদ্ৰাংশ কাটি বিজ্ঞানাগাৰত এক বিশেষ মিশ্ৰণ বা Culture Media ৰ দ্বাৰা প্ৰতিফলন কৰি কৃত্ৰিম উপায়েৰে 'ডলী' নামৰ ভেৰাজনী যেনেকৈ জন্ম দিবপৰা হৈছে তেনেকৈ মানুহৰ দৰে প্ৰাণী যে তৈয়াৰ কৰিব পৰা নাযাব তাক কোনে ক'ব পাৰে । এই প্ৰক্ৰিয়াত ক্ষুদ্ৰ কাটি অনা অংশটিৰ কোষবোৰ স্বাভাৱিক কোষৰ আৰ্হিত বিভক্ত হ'বলৈ ধৰে । একেসময়তে এই বৰ্দ্ধিত কোষবোৰ সংলগ্ন কৰি এনেদৰে নিয়ন্ত্ৰণ কৰা হয় যে অৱশেষত ই উক্ত জীৱৰ পূৰ্ণাঙ্গ আৰু অবিকল ৰূপ ধাৰণ কৰে । ইতিমধ্যে কেতবোৰ কৃষিজাত উদ্ভিদ আৰু ভেকুলীৰ লালুকীৰ নিচিনা প্ৰাণীতো সুফল পোৱা হৈছেই । অদূৰ ভৱিষ্যতে কোনোবাই স্ফুৰ্তি কৰিয়ে বা ইচ্ছা কৰিয়েই যদি এনেদৰে কৃত্ৰিম মানুহৰ সৃষ্টিকৰে তেন্তে সমাজত তাৰ প্ৰতিক্ৰিয়া ভয়াবহ যে হ'ব ই ধ্ৰুৱ । এনে মানুহৰ পিতৃ-মাতৃ বা কোনো আত্মীয় নথকাৰ উপৰিও তেওঁলোকৰ মানসিক বিকাশ বা কাম-কাজ, চাল-চলন কেনে হব কোৱা টান । দৰাচলতে তেনে মানুহক প্ৰকৃত মানৱতকৈ যন্ত্ৰমানৱ (Robot) বুলিহে অভিহিত কৰা হ'ব। তদুপৰি বিজ্ঞানীসকলক অন্য এটা বিষয়ে চিন্তিত কৰি তুলিছে যে এটম বোমা ৰাজনৈতিক উদেশ্যত অপব্যৱহাৰ কৰাৰ দৰে এই প্ৰক্ৰিয়াকো ৰাজনৈতিক স্বাৰ্থৰ খাতিৰত "ডাঙৰ নেতা" "সেনাধ্যক্ষ" বা "বিজ্ঞানী" আদি তৈয়াৰ কৰি বলপূৰ্বকভাৱে কামত লগালে তাৰ ফলস্বৰূপে সমাজত নৈতিকতা বা মানবীয়তাৰ কোনো স্বৰূপেই নাথাকিব।

জিন্ সম্পৰ্কীয় সকলো গৱেষণা প্ৰাথমিক স্তৰত ঘাইকৈ ভাইৰাচ বা বেক্টেৰিয়াৰ ওপৰতে সম্পাদন কৰা হয়। বহুতো বিজ্ঞানীয়ে সন্দেহ কৰে যে ঘটনাৰ পাকচক্ৰত কেতিয়াবা কোনো

ভাইৰাচ বা বেক্টেৰিয়াত থকা নতুন জিন্ গৱেষকৰ অজানিতে দেহত প্ৰৱেশ কৰিব পাৰে নাইবা ইবিলাকৰ শৰীৰত থকা কোনো জিনৰ এনে গুণগত পৰিৱৰ্তন হৈ যাব পাৰে যে যাৰ ফলত ই ভয়ংকৰ ৰোগ সৃষ্টিকাৰী জীৱাণুলৈ পৰিবৰ্তন হ'ব যাক হয়তো আমাৰ পৰিচিত চিকিৎসা বিজ্ঞানৰ কোনো ঔষধে ধ্বংস কৰিবলৈ অক্ষম হ'ব। আজিৰ পৰা কিছুবছৰৰ আগতে আমেৰিকাৰ একাধিক বৈজ্ঞানিকে "শ্বপ পেপিলমা" (Shope Papilloma) নামৰ এবিধ ভাইৰাচৰ ওপৰত কাম কৰি থাকোতে উক্ত ভাইৰাচ, গৱেষকৰ গাত প্ৰবেশ কৰি এক বিশেষ জিনৰ কাৰ্য্যকলাপৰ ওপৰত হস্তক্ষেপ কৰাৰ ফলত গৱেষক সকলৰ দেহত থকা Arginine নামৰ এবিধ জৈৱ ৰাসায়নিক পদাৰ্থৰ মাত্ৰা আচৰিত ভাবে কমি গৈছিল । তদুপৰি অচিন ৰোগ সৃষ্টিকাৰী এই অনুজীৱ বিলাকক জৈৱিক যুদ্ধ বিবাদত (Biological Warfare) ব্যৱহাৰ কৰিবলৈ হলে পৃথিৱীত এক ডাঙৰ দুৰ্য্যোগৰ সৃষ্টি হব।

এতিয়া উক্ত আলোচনাটিৰ পৰা দেখা গ'ল যে জিন্ গৱেষনা কৰিবলৈ গৈ খাল খান্দি চপাই লোৱা ঘৰিয়ালৰ দৰে হ'বগৈ। সেয়েহে জিন্ গৱেষনাৰ সাম্ভাৱ্য কুফলখিনি চিন্তা কৰি বহুতো আগশাৰীৰ বিজ্ঞানীয়ে এনেদৰে মতামত ডাঙি ধৰিছে যে বিষাক্ত পদাৰ্থ সংশ্লেষণৰ সৈতে জৰিত বেক্টেৰীয়া বা ভাইৰাচৰ ওপৰত যি কোনো জিন্ গবেষণা নিষিদ্ধ কৰা উচিত। আকৌ কৰ্কট ৰোগ (Cancer) অথবা Tumer সৃষ্টিকাৰী ভাইৰাচৰ জিন্ৰ লগত অন্য জিনৰ সংযোজিত গৱেষণা বন্ধ কৰিব লাগে অন্যথা জিন্ গৱেষণাৰ কাৰণে এনে কিছুমান বিশেষ ভাইৰাচ বা বেক্টেৰীয়া সৃষ্টি কৰিব লাগিব যিবিলাক কেৱল কৃত্ৰিম পৰিবেশত বিজ্ঞানাগাৰতহে জীয়াই থকা সম্ভৱ ; ইবিলাক আৰু মানুহৰ দেহত প্ৰবেশ কৰাৰ লগে লগে নিমিষতে মৰি যোৱা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিবলৈ অসমৰ্থ হয়। অন্যহাতে এই প্ৰযুক্তিবিদ্যা যাতে জৈৱিক যুদ্ধবিবাদত ব্যৱহাৰ কৰা নহয় তাৰ এক আন্তৰ্জাতিক বাধা থকা উচিত ।

যি কি নহওক, সৰ্বশেষত ইয়াকেই ক'ব পাৰি যে বংশগতিৰ আধুনিক ধাৰা জিন্ গৱেষণাৰ সুফল আৰু কুফল সমূহৰ কথা ভাবি বিভিন্ন বাদানুবাদৰ সৃষ্টি হ'লেও উপৰোক্ত সতৰ্কতা সমূহ অৱলম্বন কৰি জিন্ প্ৰযুক্তিবিদ্যাক গৱেষণাৰ জৰিয়তে আগুৱাই নিয়াটোহে উচিত হ'ব, যাৰ ফলত সাম্ভাৱ্য কুফল সমূহ কল্পনাৰ গন্দীৰ বহাতে সীমাবদ্ধ থাকক যাতে সিবিলাকে কোনো দিনেই বাস্তৱৰূপ নাপায় ; ইয়াকে নহলে জ্ঞান আহৰণ বা নতুন তথ্য উৎঘাটনৰ কাৰণে মানৱ জাতিৰ যি চিৰন্তন স্পৃহা আৰু অগ্ৰগতিৰ জখলাত বিজ্ঞানৰ যি অনিৰ্দ্দিষ্ট ধাৰা সেয়া কোনোদিনেই বাস্তৱত পৰিণত হোৱাৰ আশা কৰিব নোৱাৰি ।








# বৈ গ'ল অৱশেষ মহাসমৰৰ ---

১ নং আশ্ৰয় কক্ষ
**(Shelter)**



২ নং আশ্ৰয় কক্ষ
**(Shelter)**

দ্বিতীয় মহাযুদ্ধৰ সময়ত সৈন্যবাহিনীৰ দ্বাৰা নিৰ্মিত এই দুটি আশ্ৰয় কক্ষ (Shelter) মহাবিদ্যালয়ৰ তোৰণৰ সমীপত অৱস্থিত । কৰ্তৃপক্ষৰ প্ৰতি আমাৰ অনুৰোধ - ইতিহাস আৰু পৰ্যটনৰ সমলৰূপে স্বীকৃতি পাবৰ যোগ্য । উক্ত কক্ষ দুটি বৰ্তমানৰ দৰে অপৰিষ্কাৰ ৰূপত হাবি বনেৰে ঢাক খাই থাকিবলৈ নিদি সু-সংৰক্ষণৰ ব্যৱস্থা কৰে যেন ।

- *সম্পাদক*

# ভয়

*অশ্বিনী শইকীয়া*
স্নাতক প্ৰথম বৰ্ষ (কলা)




বৈ বৈ আমনি লাগি গৈছে । বাচ অহাৰ একো উমঘামেই নাই । অহা দুদিন কলেজ বন্ধ । শিক্ষকসকলৰ ষ্ট্ৰাইক আছে । সেয়ে মাহীহঁতৰ ঘৰৰ পৰাই আহোঁ বুলি ওলাই আহি ৰাস্তাৰ ধূলি খাই বৈ আছো । ছেঃ বাচ আজি নাহিবই নেকি ? দৰকাৰৰ সময়তহে ইহঁতে দেৰি কৰে । হঠাৎ এটা কৰ্কশ শব্দত মোৰ ভাৱত যতি পৰিল । বিকট শব্দৰে ক'লা ধোঁৱা এসোপা উলিয়াই 'কংকনা' নামৰ বাচখন ৰ'লহি । বাচৰ নামত জঁকাটোহে আছেগৈ । বাচখনৰ নামটো 'কংকনা' হোৱাতকৈ কংকালহে থব লাগিছিল । লাফ্মাৰি কংকনাৰ পিঠিত উঠি পৰিলো । চাৰিওফালে চকুফুৰাই চালো, ভিতৰত এটাও খালী ছিট্ নাই । থিয়হৈয়ে যাব লাগিব । পান জপাদি মানুহ এসোপা জাপি বাচখনে গতি ললে । সোহাঁতৰ তলুৱাত কটা অংশটোৰ বাবে বাওঁহাতখনেৰে বাচৰ ৰেলিঙত ধৰি যাবলৈ কষ্ট হৈছে । বেন্দেজৰ ওপৰেদি তেজ বিৰিঙি গৈছে । কালি গধূলি বাহঁ এডাল ফালোতে কেনেকৈ জানো হাতৰ এফাল এৰুৱাই নিলে কবই নোৱাৰিলো । সোহাঁতখন জেকেটটোৰ জেপত সুমুৱাই ললো ক'বতো নোৱাৰি ক'ত লাগি যায় । যাকে য'তে পাই উঠাই বাচখন গৈ থাকিল ।

আস্ এইবাৰ ক'ত সোমাই পৰিলো প্ৰভু ! ইমান দুৰ্গন্ধ ছিঃ ! আৱিস্কাৰ কৰিলো মোৰ নাকটো মোৰ আগৰ মানুহটোৰ কাষলতিৰ তলত । ঘৃণাত মুখখন ঘূৰাই আনিলো পিছফালে । কিন্তু

লাভ নহ'ল ; মোৰ পিছৰ মানুহটোও দুইহাত দাঙি ৰেলিঙত থৈ গৈ আছে । পুনৰ মোৰ নাকটো আকৌ এবাৰ পিছৰ মানুহটোৰ নৰকহেন ঠাইত স্থাপন কৰিবলৈ সাহস নহ'ল । এইবাৰ কোনোমতে ফাঁক এটা পাই মানুহদুটাৰ মাজৰ পৰা মূৰটো উলিয়ালো । এইবাৰহে উশাহ পোৱা যেন লাগিল । পাঁচফুটীয়া টিকিৰাহোৱাৰ এয়াই বিপদ, ওখ মানুহবোৰৰ কাষলতিৰ তলতেই টিকিৰা বোৰৰ নাকটো পৰে । আৰে, এয়া মই কি দেখিছো, সৰগৰ অপেচৰীও হয়তো ইমান ধুনীয়া নহয় । মোৰ মূৰটোৰ পৰা কেইমিটাৰমান আতঁৰত এজনী ধুনীয়া ছোৱালীয়ে ছিটত বহি মোলৈকে চাই আছে । চকুৱে চকুৱে পৰাত তাই চকু আঁতৰাই বাহিৰলৈ চাবলৈ ধৰিলে । মোলৈ লাজ কৰিলে বোধকৰোঁ । এবাৰ এইফালে চালেই চেনেলটো লগাবলৈ চেষ্টা কৰিব লাগিব ।

"দাদা, ভাড়া !"

চক্ খাই উঠিলোঁ । বিৰক্তিৰে ঘূৰি চালোঁ মোতকৈ বয়সত বহুত ডাঙৰ, মূৰৰ চুলিৰ সৰহভাগেই ৰূপালী বৰণৰ কণ্ডাক্টৰজনে মুখমেলি মোলৈ চাই আছে । হুঁহ ! দাদা চেলাবলৈ আহিছ ? নিজকে ওঁঠ চেপিলে গাখীৰ ওলোৱা পানী কেচুৱাটো বুলি ভাবিছ চালা । মনে মনে ভাবি তাক ভাড়াটো দিলো । পুনৰ ছোৱালীজনী চাবলৈ মূৰটো ঘূৰাওঁতেই অনুভৱ কৰিলো বাচখনে যেন নিয়ন্ত্ৰণ হেৰুৱাই পেলাইছে । সঁচাকৈ কোনোৱাই টলকিব পৰা আগতেই বাচখন উলটি খালত পৰিলগৈ । মই তাৰ আগতেই জাপমাৰি বাচৰ ৰেলিঙত ওলমি পৰিলো । বহুদেৰিৰ পাছত ভয়ে ভয়ে চকুমেলি দেখিলো সেই ছোৱালীজনী, কণ্ডাক্টৰজন আৰু তিনিজনমান মানুহ আহতহৈ বাচৰ ভিতৰতেই পৰি আছে । বাকীবোৰ ইতিমধ্যে বাহিৰ ওলাল । দুই এজনে বাচখনৰ ভিতৰত সোমাই আহত সকলক বাহিৰলৈ নিবলৈ ধৰিলে । মই কেৱল কপাল আৰু হাতত সামান্য আঘাত পালো । ছোৱালীজনীৰ ওচৰলৈ গলো । বেচেৰী তেজেৰে তুমৰলিহৈ পৰি আছে, দাঙি আনিলো আলফুলকৈ ।

"দাদা, মোকো তুলি লৈ যাওক ... আ ... হ ! - মাতটো শুনি উলটি চাই দেখিলো সেই কণ্ডাক্টৰজন । কাতৰভাৱে মোলৈ চাই আছে তাৰ ওপৰত অথনিৰ খঙটো উঠি আহিল টিঙিচ্ কৈ ।

"চুপ বে ! বাওনা হৈ চন্দ্ৰলৈ হাত নেমেলিবি ।" কৈয়েই ছোৱালীজনীলৈ বাচৰ ভঙা খিৰিকীয়েদি বাহিৰলৈ ওলাই আহিলো । সকলোকে আনি হচ্পিটেললৈ নিয়া হ'ল । ময়ো, কপালৰ আঘাত পোৱা ঠাইত বেন্দেজ্ কৰাই হচ্পিটেলৰ ফোন নাম্বাৰটো ললো, কাৰণ ছোৱালীজনীৰ লগত চিনাকীটো হব লাগিব । তাইৰ আঘাত অৱশ্যে গুৰুতৰ নহয় ডাক্তৰে কোৱা মতে মূৰত আঘাত পাই বেহুছ হে হৈছে । কাইলৈ আহি তাইৰ খবৰ লব লাগিব । ভাবি ভাবি হচ্পিটেলৰ পৰা ওলাই আহিলো ।

যথাসময়তে গৈ মাহীহঁতৰ ঘৰত উপস্থিত হলোঁ । মোৰ অৱস্থা দেখি মাহীয়ে প্ৰথমতে ভয়েই খাইছিলে । সংক্ষেপে সকলো কোৱাতহে শান্ত হল । ভাতপানী খাই মাহীৰ কণমানি লৰাটোৰ লগত ধেমালী কৰিবলৈ লাগি গলো । অফিচৰ কামত মহাদেউ বাহিৰে বাহিৰে ঘূৰি ফুৰিব লগীয়া হয় সেয়েহে মাহী কামকৰা ছোৱালীজনীৰ লগত অকলেই থাকিব লগীয়া হয় ।

কণমানিটোৰ ভাগৰ লগাত শুই পৰিল । মইও কাষতে থকা আলোচনী এখন তুলি লৈ এনেয়ে পাতবোৰ লুটিয়াই গলো । হঠাৎ এইড্চৰ ওপৰত লিখা প্ৰবন্ধ এটা পাই তাকে পঢ়িলো । কিযে আচৰিত আৰু ভয়ানক বেমাৰ । তেজৰ লগত তেজ মিহলি হলেও এই বেমাৰ বিয়পে । পঢ়ি আমনি লগাত কাষত থকা ষ্টেৰিঅটোত কেছেট এখন লগাই দিলো আৰু কণমানিটোৰ কাষতে শুই পৰিলো । "মোহৰা' ছবিৰ "টিপ্ টিপ্ বৰচা পানী" গানটো শুনি শুনি বাচত লগ পোৱা ছোৱালী জনীৰ কথা ভাবিবলৈ ধৰিলো । আৰে তাই আকৌ আহিল ক'ৰ পৰা .... আৰু .... আৰু আহিয়েই চোন মোক সাবটি ধৰিলে । নিজকে অক্ষয় কুমাৰৰ দৰে লাগি গল ; এতিয়াই যেন 'টিপ্ টিপ্ বৰছা পানী' বুলি গাই দিম । আৰু .... আৰু সঁচাকৈয়ে বৰষুণ এজাক আহি মোক তিয়াই পেলালে । গাটো গৰম গৰম লাগি গল । খক্মক্কৈ সাৰ পাই গলো । আৰে মইতো ঘৰৰ ভিতৰতেই আছো বৰষুণৰ পানী ক'ৰপৰা আহিল ? আৰু বৰষুণৰ পানীতো গৰম নহয় । তেন্তে ? কেচুৱাটোৰ পিনে চালোঁ । তাৰ শোৱা ঠাই টুকুৰাও তিতি আছে । তাৰমানে সিয়েই মোৰ গাত পেচাব কৰিলে । চিঞৰি মাহীক মাতিলো ।

"আৰে তই দেখোন গোটেইটো তিতি জুৰুলি-জুপুলি হলি ।" - মাহীয়ে মোক দেখিয়েই ক'লে ।

"এ .... নকব আৰু মাহী, আমাৰ এই পোৱালী বৰুণ দেৱতাৰ কৃপাতেই মই আজি গৰম পানীৰে গা ধুবলৈ পালো ।" - মই উত্তৰ দিলো ।

"ভাল মুখত নোসোমালে । যা গাটো ধুই লগে ।" - মাহীয়ে কেঁচুৱাটোৰ কাপোৰ সলাই ক'লে ।

মই বিনা বাক্যব্যয়ে গা ধুবলৈ গলোঁ । আবেলি চাৰে

চাৰিটামান বাজিছে চাগৈ । ফোন কৰিব লাগিব হস্পিটেললৈ । কেনেবা আছে তাই । ‘‘হেল্ল’ ... মই কৈছো ... চিনি পাইছেনে ... অ ... অ ... । অথনিৰ ছোৱালী জনীৰ অৱস্থা কেনে ? ভাল হবনে তাই ... ?

‘‘বুজিছে আপুনি যিজনী ছোৱালীৰ কথা কৈছে তাই আচলতে এজনী দেহোপজীৱিনী আৰু তাইৰ দেহত HIV পজিটিভ্ পোৱা গৈছে’’ - ডাক্তৰে ফোনতে উত্তৰ দিলে ।

হঠাৎ মোৰ মনত পৰি গল অথনি পঢ়া আলোচনী খনৰ কথাখিনি । তেজৰ লগতে তেজ মিহলি হলেও এইড্চ্ বেমাৰ বিয়পে । তাৰমানে ইমানপৰে মোৰ কটাহাতৰ তেজত ছোৱালীজনীৰ তেজত HIV বীজানু মিহলি হৈ গৈছে কাৰণ মই কটাহাতখনেৰেই তেজ ওলোৱা ভাগেই তাইক দাগি আনিছিলোঁ । হে ভগবান ! এতিয়া মোৰ কি হ’ব ! ডাক্তৰে মোক আৰু কিবাকিবি কৈছিল । মোৰ কাণত একো নোসোমাল । অজ্ঞান হৈ ঢলি পৰিলো ।



# প্ৰকৃতিক ৰক্ষা কৰা ছাত্ৰ সমাজৰ কৰ্তব্য ও দায়িত্ব

*নিজৰ কৰ্মক্ষেত্ৰত কৃতকৰ্মতা অৰ্জন কৰা বা ধনী-মানী হোৱাটোৱেই জীৱনৰ একমাত্ৰ উচ্চাকাংক্ষা হোৱা উচিত নহয় । মানুহ যিহেতু এটা সামাজিক প্ৰাণী, সেইকাৰণে জীৱনত শান্তি পাবলৈ হ’লে সমাজৰ লগত সু-সম্পৰ্ক ৰক্ষা কৰি চলা দৰকাৰ । সমাজৰ লগত সু-সম্পৰ্ক ৰক্ষা কৰি চলাৰ প্ৰধান উপায় হ’ল শিষ্টাচাৰ ।*

*- হোমেন বৰগোহাঞি*

# যুগে যুগে ৰত্নাকৰ



সন্তোষ কুমাৰ
স্নাতক প্ৰথম বৰ্ষ (কলা)

টক্ টক্ টক্ টক্ ................

মামণিয়ে ড্ৰয়িং ৰুমৰ ছোফা এখনত বহি নতুনকৈ ওলোৱা আলোচনী এখনৰ ৰসাল উপন্যাস এখন পঢ়ি আছিল । তেনেতে দুৱাৰত কোনোবাই কৰাঘাত কৰাত তাইৰ পঢ়াত যতি পৰিল । এনে সময়ত কোন আহিব পাৰে বাৰু ? মামণিয়ে ভাবিলে । তেনেতে দুৱাৰত আঙুলিৰ টোকৰ পৰি পুনৰ বাজি উঠিল টক্ টক্ টক্ ... । পঢ়নৰ ধাৰাবাহিকতা বিচ্ছিন্ন হোৱাত তাই মনে মনে কিছু বিৰক্ত হ'ল । অনিচ্ছা সত্বেও তাই উঠি গৈ দুৱাৰখন খুলি দিলে ।

কিন্তু ই কি ? হুৰমুৰকৈ তড়িৎ বেগেৰে এজন যুৱক ভিতৰলৈ সোমাই আহিল । মামণিয়ে কিবা এষাৰ কবলৈকো সময় নাপালে । চকুত ক'লা চানগ্লাছ, ক'লা জেকেট, ক'লা জিন্স পেন্ট পৰিহিত আগন্তুক যুৱক জনক দেখিয়ে ভয়তে তাইৰ অণ্ঠ কণ্ঠ শুকাই গ'ল । যুৱকজনে নিজে গৈ ছোফা এখনৰ ওপৰত বহি পৰিল । মামণিয়ে কেৱল ভীতিবিহ্বলভাৱে তাৰফালে চাই থাকিল । তাইৰ ভীতিগ্ৰস্ততাক পৰিলক্ষিত কৰিয়েই নেকি আগন্তুক জনেই প্ৰথমতে নিস্তব্ধতা ভঙ্গ কৰি মাত লগালে, "মামণি" । এইবাৰ মামণিৰ অৱস্থা ভূতৰ ওপৰত দানহ পৰাৰ দৰে হ'ল । এনেয়ে ভয়ত বিহ্বল হৈ আছিল তাতে আগন্তুক জনে তাইৰ নামেৰে তাইক মতাত ভয় আৰু আশ্চৰ্য্যত তাইৰ মুখৰ ৰং বাৰে বাৰে পৰিৱৰ্তন হ'ব ধৰিলে । কোন হ'ব পাৰে এই যুৱক, তাইক নাম কাঢ়ি মাতিছে ? সম্ভৱ সি তাইক চিনি পায় । কিন্তু ....., তাইৰতো কোনোদিনেই এই যুৱকক দেখা মনত নপৰে ! তেন্তে কোন হব পাৰে এই যুৱক ?

"মোক চিনি পোৱা নাই ?" আগন্তুকজনে সুধিলে । এইবাৰ নিজৰ পৰিচয় দি কলে, "মই অম্লান .... অম্লান চৌধুৰী ।" এইবাৰ বিস্ময়ত মামণিৰ চকু ডাঙৰ হৈ গ'ল ।

"তুমি ! ...... তুমি অম্লান !!! ......" মামণিৰ মাতত বিস্ময়ৰ জড়তা ।

আগন্তুকজনে একো নকলে । এইবাৰ ছোফাখনতে আউজি ভালকৈ বহাৰহে চেষ্টা কৰিলে । ইফালে আগন্তুকক চিনি পাই মামণিয়ে ভালেখিনি স্বাভাৱিকতা ঘূৰাই পাইছে । লাহে লাহে তাইৰ সকলো কথা মনত পৰিল । সৰুতে অম্লান নামৰ ল'ৰা এটা সিহঁতৰ

ক্লাছত আছিল । ল'ৰাটো পঢ়াত বৰ ভাল নাছিল যদিও একেবাৰে বেয়াও নাছিল । কিছু উৎপতিয়া স্বভাৱৰ অম্লানক তাইৰ অৱশ্যে ভালেই লাগিছিল । সিহঁতৰ মাজত বন্ধুত্বও গঢ়ি উঠিছিল । তাইৰ শৈশৱৰ সেই বন্ধু জন এতিয়া অপৰাধৰ ভূস্বৰ্গৰ অঘোষিত একছত্ৰী সম্ৰাট অম্লান চৌধুৰী । নামটোৱে বৰ্তমান অপৰাধ জগতত আলোড়ন সৃষ্টি কৰিবলৈ বাৰুকৈয়ে সক্ষম হৈছে ।

ধনী ব্যৱসায়ী বিদ্যুৎ চৌধুৰীৰ ঘৰত মুখত সোণৰ চামুচ লৈ জন্ম গ্ৰহণ কৰিছিল অম্লানে । জীৱনৰ কোনো এক ক্ষণতেই অভাৱ বোলা বস্তুটোৰ সৈতে চিনাকী হোৱাৰ দুৰ্ভাগ্যকণো তাৰ হোৱা নাছিল । তেনে এক অনাভাৱী পৰিয়ালত ডাঙৰ দীঘল হোৱা অম্লানে কিহৰ অভাৱত পৰি অপৰাধৰ বোকাত পোত গ'ল সি এক ৰহস্যৰ বিষয় । অৱশ্যে কিছুমান ধনী বাপেকৰ অহঙ্কাৰী পুত্ৰৰ যিবিলাক বেয়াগুণ থাকে, সৰুৰে পৰাই সেই সকলোবিলাক গুণেৰেই পৰিপুষ্ট হৈ উত্তৰণ ঘটিছিল অম্লানৰ চৰিত্ৰৰ । ধনৰ অহংকাৰৰ গৰ্বত সদায় গঙ্গাটোপৰ দৰে ওফন্দি থকা দেউতাক বিদ্যুৎ চৌধুৰীয়ে পুতেকক কলেজীয়া শিক্ষা লবৰ বাবে দিল্লীলৈ পঠিয়াই দিয়ে । দিল্লীত অম্লানৰ শৈক্ষিক উন্নতি একো নহ'ল । পঢ়াৰ নামত কলেজলৈ অহা যোৱা কৰাটোহে হল মাথোন । অৱশ্যে এটা কথা ঠিক সি ইতিমধ্যে কিছুমান বদ অভ্যাস গঢ়ি তুলিছিল আৰু সেই সমূহ কাৰ্য্যত ৰূপায়ন কৰাত সি পূৰামাত্ৰাই সফল হয় । এই কথাটো বিদ্যুৎ চৌধুৰীৰ আগত বেছিদিন গোপন হৈ নাথাকিল । যেতিয়া তেওঁ কথাটো গম পালে তেতিয়া অম্লানৰ চৰিত্ৰক শুধৰাবৰ বাবে কোনো চেষ্টাৰ বাকী নেৰাখিলে । বৃথা চেষ্টা কৰি কৰি এসময়ত নিজেই হাৰ মানিলে বিদ্যুৎ চৌধুৰীয়ে । এদিন অম্লানৰ দেহত কিছুমান ভয়ঙ্কৰ বেমাৰৰ বীজানু অংকুৰিত হৈ থকা কথাটো ডাক্তৰে স্পষ্টৰূপে ধৰা পেলায় । হিৰোইন, ব্ৰাউন চুগাৰ আদিকে প্ৰমুখ্য কৰি সকলোবোৰ ৰাগিয়াল বস্তুৰ নিকট আত্মীয় অম্লানৰ এনে হোৱা কথাটো কোনো আচৰিত বা অস্বাভাৱিক নাছিল । পিছে দেউতাকৰ অগাধ সম্পত্তিৰ বলত বিদেশত আৰোগ্য হবলৈ সক্ষম হয় সি ।

ডাক্তৰ আৰু দুই এজন হিতাকাংক্ষীৰ হিতোপদেশ-পৰামৰ্শমতে ড্ৰাগচৰ সৈতে থকা তাৰ আত্মীয়তা সি ভালেখিনি দূৰ কৰে । কাৰণ তাৰ ভৱিষ্যত জীৱনৰ শংকা সি এইবাৰ ভালদৰে বুজি উঠিছিল । কিন্তু ইতিমধ্যে সিহঁতৰ মাজৰ সম্বন্ধই গাঢ় ৰূপ লৈছিল । সেয়েহে সি সম্পৰ্ক একেবাৰে ছেদ নকৰি নিজেই 'স্মাগলাৰ'ৰ ৰূপত জন্ম হৈ ড্ৰাগচৰ সৈতে সম্বন্ধ বজাই ৰাখে । ড্ৰাগচৰ কবলত পৰি এবাৰ নিজেই ভুক্তভোগী হোৱা অম্লানৰ দেশৰ অযুত যুৱকৰ কথা এবাৰ ভাবিবলৈকো কিজানি অৱকাশেই নহ'ল ।

দুৰ্ভগীয়া অম্লান, তাৰ চৰিত্ৰত যি দুই-এটা ভাল বা সৎগুণ জীয়াই আছিল সেইবোৰেও ইতিমধ্যে শ্মশান যাত্ৰা কৰিছিল । তাৰ তেজৰ প্ৰতিটো কণাতে লীন হৈ গৈছিল 'বেয়া' নামৰ শব্দটো । 'ভাল' নামৰ শব্দৰ সৈতে তাৰ চৰিত্ৰৰ প্ৰভেদ হ'ল আকাশ পাতাল সদৃশ । যি গাহৰিয়ে বোকাত লেটি লৈ জীৱনটো অতিবাহিত কৰে তাৰ বাবে শুকান ঠাইৰ অৰ্থইবা কি ?

ইতিমধ্যে সি তাৰ অপৰাধ ৰাজ্যৰ সীমা বহুখিনি সম্প্ৰসাৰণ কৰি তুলিছিল । অপহৰণ কৰা, মাৰপিট-গুণ্ডামি কৰাটো তাৰ বাবে ভাতৰ লগত পানী খোৱা কথা হৈ পৰিল । ভাল বেয়াৰ বাচ-বিচাৰ নকৰাকৈয়ে সি যিকোনো কামেই কৰিবলৈ পৰোৱাই নকৰা হ'ল । দুবছৰবান আগতে "নাৰী ব্যৱসায়ত অভিযুক্ত অম্লান চৌধৰী" শীৰ্ষক ডাঙৰ ডাঙৰ আখৰৰ শিৰোনামাৰে বাতৰি প্ৰকাশ হোৱাটো সৰ্বজনবিদিত । চৰকাৰৰ পৰা আৰম্ভ কৰি বহু ধনী-মানী লোকক ত্ৰাহি মধুসূদন সোঁৱৰাই দিছে সি । পুলিচ যে এইবিষয়ে একেবাৰে অজ্ঞ এনে নহয় ; বৰং 'অম্লান চৌধুৰী' এই নামটো বহু বছৰৰ আগতেই পুলিচক চিনাকি কৰাই দিছে সি । কিন্তু আজিকোপতি পুলিচে একো কৰিব পৰা নাই ।

শেহতীয়াভাৱে এটা বেংক ডকাইতিৰ অভিযোগত অভিযুক্ত অম্লান চৌধুৰী । তাক বিচাৰি চাৰিওফালে পুলিচে পিয়াপি দি ফুৰিছে । অইন কেইবাৰতকৈ এইবাৰ পুলিচৰ তৎপৰতা বাঢ়িছে । পুলিচ বিষয়াসকললৈ ওপৰৰ কাঢ়া নিৰ্দেশ আহিছে মৃত বা জীৱিত যিকোনো অৱস্থাতেই হওক অম্লানক ধৰিবই লাগিব । চকুৰ টোপনি নোহোৱা হৈছে পুলিচ বিষয়াৰ ।

ইফালে অম্লানে আত্মগোপন কৰি ফুৰিছে । সংসাৰৰ প্ৰত্যেকজন মানুহেই সুখ-শান্তিত জীয়াই থাকিব বিচাৰে । অম্লানো ইয়াৰ ব্যতিক্ৰম নহয় । সেয়েহে অতীতত কৰি অহা কুকৰ্মবোৰৰ কথা সুঁৱৰিলে এতিয়া অনুশোচনাৰে তাৰ মন ভৰি পৰে । তাক এতিয়া শান্তি লাগে, কিছু শান্তি ! অতীতত সি যি কৰিলেও এতিয়া অন্ততঃ ভৱিষ্যতৰ দিনকেইটা শান্তিৰে কটাই দিব বিচাৰে সি । কিন্তু ই জানো সম্ভৱ ? সি যদি হঠাৎ শান্তি বিচাৰি সমাজৰ মূল সুঁতিলৈ উভতি আহিব বিচাৰে তাক জানো বিশ্বাস কৰিব ? হয়তো তেতিয়া সি জীৱনৰ বাকীকেইটা দিন অন্ধকাৰৰ চাৰিবেৰৰ মাজত কটাই দিব

লাগিব । এতিয়া সি জীৱনত পোৱা নোপোৱাৰ হিচাপ কৰে । সি বাৰু দুনিয়াৰ চকুৰ কুটা হৈ কি পালে বাৰু, কেৱল দুৰ্নাম, অপযশ । যি দেউতাকে তাক মৰমৰ উমেৰে তুলি তালি ডাঙৰ-দীঘল কৰিছিল, তাক মানুহ হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল সেই দেউতাকক বিনিময়ত সি বাৰু কি দিলে ? শূণ্য, একো নাই, মাথো দেউতাকৰ নামৰ বোকোচাত এটা মস্ত কলঙ্কৰ বোজা ।

কিন্তু তাৰ মনটো পুনৰ ৰুঢ় হৈ আহিল । যি হ'ল হৈ গ'ল জীৱনৰ বাকীকেইটা দিনো সি এনেদৰেই পাৰ কৰি দিব । যি পুলিচৰ ভয়ত সি আজি মামণিৰ ঘৰত লুকাই আছে সেই পুলিচৰ চকুত ধূলি মাৰিয়েই সি তাৰ কামৰ ধাৰবাহিকতা ৰক্ষা কৰিব । তাৰ মনটো ক্ৰমান্বয়ে কঠিন হৈ আহিল ।

ঃ তুমি এতিয়া ক'ৰ পৰা আহিলা অম্লান ? মামণিয়ে সুধিলে ।

মামণিৰ কথাত অম্লানে একো নামাতিলে । হয়তো কিবা এটা কোৱাৰ প্ৰয়োজন বোধো নকৰিলে । কেৱল অলসভাৱে বহি থাকিল । মুখমণ্ডলত গভীৰ চিন্তাৰ ভাৱ । মামণিৰ এনে লাগিল তাত যেন কিবা এটাৰ অনুশোচনাৰ চিহ্ন লুকাই আছে । তেনে সময়তে মামণিৰ পিতৃ পৰাগধৰ বৰুৱাই দুৱাৰত ভুমুকি মাৰিলে । এবাৰ কন্যা মামণিৰ ফালে এবাৰ অম্লানৰ ফালে চালে, মুখেৰে পিছে একো নকলে । তাৰ পিছত ধীৰে ধীৰে গুচি গ'ল ।

অম্লানক দেখাৰ লগে লগেই পৰাগধৰ বৰুৱাক বিভিন্ন চিন্তাই জুমুৰি দি ধৰিলেহি । তেওঁৰ মনপক্ষী খন্তেকৰ বাবে উৰা মাৰিলে অতীতৰ বুকুলৈ । তেওঁ সদায় যোৱাৰ দৰে সিদিনাও মামণিক লৈ স্কুললৈ গৈছিল । স্কুলৰ পদূলিত মামণিক এৰি তেওঁ ঘৰলৈ বুলি ঘূৰিছিলহে মাথোন, তেনেতে মামণিয়ে মাত লগালে, "দেউতা এয়া অম্লান আমাৰ লগত পঢ়ে ।" ঠুনুকু ঠানাক মাতেৰে আঠ বছৰীয়া মামণিয়ে বন্ধু অম্লানক দেউতাকৰ সতে চিনাকি কৰাই দিছিল । ল'ৰাটোৰ সৰল, অমায়িক, নিস্পাপ, মৰমলগা মুখখনলৈ চাই বৰুৱাই সুধিছিল তাৰ নাম কি বুলি । সেই দেৱশিশু যেন লগা অম্লানে কৈছিল, "মোৰ নাম অম্লান চৌধুৰী ।" কথাটো কোৱাৰ পিছত তাৰ দুই ওঠৰ মাজত এটি কোমল হাঁহিৰ ৰেখা ফুটি উঠি লাহে লাহে দুইকোণত মাৰ গৈছিল । ভালদৰে পঢ়িশুনি ডাঙৰ মানুহ হ'বলৈ আশীৰ্বাদ দি সিদিনা তেওঁ ঘৰলৈ ঘূৰিছিল । কিয় জানো অম্লানে নাজানে অজানিতে তাৰ বুকুৰ ভিতৰত থকা সৰু কলিজাটোৱে আৱেগতে জাপ মাৰি উঠিছিল ।

আজি বৰুৱাই ভাবি আচৰিত হয় কোনে জানিছিল সেই দেৱশিশু যেন লগা অম্লান এদিন অসুৰত পৰিণত হ'ব বুলি । প্ৰত্যেকজন শিশুৱেই প্ৰথমতে সকলো চিন্তা ভাৱনাৰ পৰা মুক্ত হৈ থাকে । এদিন দুদিনকৈ দিনবোৰ বাগৰি যায়, লগত যায় ৰাতি তেনেদৰে শৰীৰিক বৃদ্ধিৰ লগে লগে মানসিক বৃদ্ধিও হৈ যায় একেলগে একেসময়তে । বিভিন্ন জনৰ মানসিক ৰূপ বিভিন্ন চিন্তাধাৰাৰে আগুৱাই যায় । তাৰে কিছুমানে অম্লানৰ দৰে চিন্তাধাৰাৰেও নিজৰ মানসিকতাক গঢ় দিয়ে । এনে মানসিকতাৰ পাতনি মেলোতে সিহঁতৰ কোমল মনত কেতিয়া কেনেদৰে বজ্ৰৰ দৰে কঠিন চিন্তাই ঠাই লয় সেই কথা বৰুৱাই নাজানে । তেঁও নিজেই অম্লানক 'দেৱশিশু' আৰু 'দুৰ্দ্ধৰ্ষ অপৰাধী' এই দুয়োটা ৰূপতেই পাইছে কিন্তু তাৰ মনৰ পৰিবৰ্তন কেতিয়া কেনেদৰে হ'ল নাজানে ।

অম্লানৰ দৰে বিকৃত মানসিকতাৰ যুৱক আৰু উত্তৰ পুৰুষৰ কথা যেতিয়া তেঁও ভাবে তেতিয়া তেওঁৰ অন্তৰাত্মা কিবা এক অজান ভয়ত দুৰু দুৰুকৈ কঁপি উঠে । যেতিয়া তেওঁ আঠ বছৰীয়া অম্লানৰ কথা ভাৱে তেতিয়া তেওঁৰ নাবালক নাতি ৰাহুললৈ মনত পৰে । ৰাহুলক গভীৰ ৰহস্যময়তাৰ মাজত ডুব গৈ থকা যেন লাগে তেওঁৰ । ৰাহুলেও যে এদিন অম্লানৰ পথকেই অনুসৰণ নকৰিব কোনে ন দি কব পাৰে । কিন্তু হলেও নিজৰ বংশৰ তেজ যাৰ শৰীৰত বৈ আছে তাক তেনেদৰে ভাবিবলৈ টানপায় পৰাগধৰ বৰুৱাই । তেওঁ যেতিয়া ৰাহুলক অম্লানৰ ৰূপত কল্পনা কৰে তেতিয়া যেন স্তব্ধ হৈ যাব খোজে তেওঁৰ ধমনীৰ তেজবোৰ । কথাবোৰ ভাবি ভাবি তেঁওৰ মূৰটো আচন্দ্ৰাই কৰিব ধৰিলে । তেওঁ বহি থকা ঠাইৰপৰা উঠি যাব নিবিচাৰিলে ।

ঃ জানা মামু মই জীৱনৰ প্ৰথম খোজেই ভুলকৈ দিলো । যাৰ বাবে মোৰ আজি অনুশোচনাও হয় । কিন্তু এতিয়া বহু পলম হৈ গৈছে মই জীৱনটোক এতিয়া নতুনকৈ আৰম্ভ কৰিবও নোৱাৰো ।

বহুসময়ৰ অন্তত অম্লানে কথাকেইটা অনুচ্চ স্বৰে কৈ যায় । যিজন মানুহে ভৱিষ্যতৰ অনুশোচনাৰ কথা এবাৰো চিন্তা নকৰাকৈ বেপৰোৱাভাৱে, পাষাণভাৱে কাম কৰি যায় সেই জনেও যে এদিন অনুশোচনা কৰিব কথাটো মামণিয়ে সপোনতো ভবা নাছিল । পিছ মুহূৰ্ততে তাইৰ ভাল লাগি যায় । এটা মিচিকিয়া হাঁহি দুই ওঁঠৰ মাজেদি বাগৰি যায় । সেই হাঁহিটোত যেন কিবা এটা সফলতাৰ আনন্দ আছে ।

ঃ সেইটো কোনো ডাঙৰ কথা নহয় অম্লান । তুমি অতীতক এটা বেয়া সপোনৰ দৰে পাহৰি পেলোৱা । জীৱনৰ অধিকাংশভাগ এতিয়াও তুমি জীয়াই থাকিব লাগিব গতিকে তুমি আকৌ জীৱনটো নতুনকৈ আৰম্ভ কৰা । বুজনিৰ সুৰত মামণিয়ে কথাকেইটা কয় ।

ঃ মই সমগ্ৰ দেশৰ মানুহক অমৃত পান কৰিবলৈ দিলেও মোৰ কলঙ্কৰ চেকা নাযাব মামু । মই যেনেদৰে জীৱনটো আৰম্ভ কৰিছিলো তেনেদৰেই মই জীৱনটো ত্যাগিম ।

ঃ তুমি অনৰ্থক চিন্তা কৰিছা অম্লান । 'ঋষিৰো অতীত আছে চোৰৰো ভৱিষ্যত আছে' এই কথাষাৰ তুমি পাহৰি নাযাবা । আদিকবি বাল্মীকিও জীৱনৰ প্ৰথম ভাগত এজন নৰদস্যু আছিল । কিন্তু জীৱনৰ মাজভাগতে তেওঁ কুজীৱনৰ যৱনিকা পেলাই সুজীৱনৰ পাতনি মেলে । আৰু তেওঁ সেয়া নকৰা হলে আমি আজি তেওঁক নাপালোহেতেন । ৰত্নাকৰেও যে এদিন 'ৰামায়ন' ৰচনা কৰিব পাৰে সেই কথা মানুহে হয়তো সপোনতো ভবা নাছিল । কিন্তু কালৰ সোঁতত ৰত্নাকৰে কৰিছিল । সকলোৱে পাৰে, তুমিও পাৰিবা । অতীতক এটা বেয়া সপোনৰ দৰে পাহৰি পেলোৱা । সৎ আদৰ্শ, সৎ চিন্তাৰে নৱজীৱনৰ পাতনি মেলা, দেখিবা ভৱিষ্যতলৈ আগুৱাই যোৱা ৰাষ্টাটো কিমান পৰিষ্কাৰ । আৰু যদি তুমি তাকেই কৰা দেখিবা তুমি এদিন ৰত্নাকৰৰ ৰূপ এৰি নৱযুগৰ বাল্মীকি হৈ জন্ম হৈছা । আৰু অনাগত দিনবোৰত সেই নিকা পথেৰেই চলি যাব তোমাৰ জীৱন ৰথ । মই তোমাক অনুৰোধ কৰিছো, ভিক্ষা মাগিছো তুমি যেন মোৰ কথা পালন কৰা ।

পুৰুষৰ মন যিমানেই কঠোৰ নহওক, পাষাণ নহওক এগৰাকী নাৰীৰ নিৰ্দেশ, অনুৰোধ উপেক্ষা কৰিবপৰা শক্তি জানো আছে পুৰুষৰ ? সকলোৱেই অম্লানক এক পাষাণ হৃদয়ৰ অধিকাৰী বুলি জানিছিল । কিন্তু সি আজি এগৰাকী নাৰীৰ অনুৰোধ উপেক্ষা কৰিব পৰা নাই ; যি তাৰ জীৱনৰ পট পৰিৱৰ্তনৰ স্বপ্ন আঁকি দিছে তাৰ দুচকুত । তাৰ হৃদয় আজিও ইমান পাষাণ হৈ যোৱা নাই । নিজকে পাষাণ হৃদয়ৰ অধিকাৰী বুলি ভবা অম্লানে আজি নিজে ভুক্তভোগী হৈহে এই কথাটো মৰ্ম্মে মৰ্ম্মে বুজি পালে । সেয়েহে তাৰ মনত গুঞ্জৰি উঠিছে, "হে নাৰী তুমি অনন্যা । বিপথে পৰিচালিত যুৱক সকলক তুমি সৎ পথলৈ ঘূৰাই আনা । সিহঁতৰ হৃদয় আজি ইমান পাষাণ হৈ যোৱা নাই তোমাৰ আজ্ঞা উলংঘা কৰিবলৈ ।"

ইতিমধ্যে ধৰাৰ বুকুলৈ এন্ধাৰ নামি আহিছিল । সিহঁতে বহিথকা কোঠাটো ক্ৰমান্বয়ে আন্ধাৰে গ্ৰাস কৰি আনিছিল । দূৰৈৰ নামঘৰত দবা কোবোৱাৰ শব্দ ৰিণিকি ৰিণিকি শুনা গৈছিল । এয়া যেন অম্লানৰ ৰত্নাকৰ ৰূপক বিদায় জনাই নতুনকৈ জন্ম হোৱা বাল্মীকিক আদৰাৰ নৱ আয়োজন । কোঠাটোত বহুসময় ধৰি নিস্তব্ধতা বিৰাজ কৰিছিল । দুয়ো নিজ নিজ ভাবত বিভোৰ হৈ আছিল । কিন্তু সিহঁতে জনা নাছিল যে ইতিমধ্যে সিহঁতৰ ঘৰখন পুলিচ আবেষ্টনিৰ মাজত ।



# শেষ সিদ্ধান্ত




*পম্পী বড়া*

> *লিখকৰ এষাৰ :- গল্পটোৰ কাহিনী, ঘটনা, চৰিত্ৰ সম্পূৰ্ণ কাল্পনিক । ইয়াৰ স'তে কোনো ব্যক্তি তথা ঘটনাৰ কোনো সম্পৰ্ক নাই । যদি কোনো ব্যক্তি বা ঘটনাৰ সতে ই যোগসূত্ৰ স্থাপন কৰে, তেন্তে তাক মাত্ৰ এটা দুৰ্ঘটনা হিচাপে গণ্য কৰা হ'ব ।*

"অই মৰাহঁত, নমৰ কিয়" ! বুলিকৈ সৰস্বতীয়ে হাতত লৈ থকা মগটো ল'ৰা ছোৱালীৰ কেইটাৰ গালৈ দলি মাৰি দিলে আৰু জামৰি নোযোৱা খংটো ভমককৈ জ্বলি উঠাত বকি উঠিল ।

অমুকটো লাগে, তমুকটো লাগে ধৰ্মৰাজ যুধিষ্ঠিৰ বাপেকটোক ক'বগৈ নোৱাৰ । মোৰ ওচৰতহে বৰ মতাগিৰি দেখুৱাব পাৰ । ল'ৰা ছোৱালী কেইটাৰ কাক কি লাগে কাক কি নালাগে, কেতিয়াবা জানো ঘৰৰ খবৰ ৰাখিছে । ঘৰতহে মতা বাহিৰলৈ গলেই হুদুটো হৈ পৰে মই কি নাজানো বুলি ভাবিছে । ল'ৰা চোৱালী মখাই কিবা এটা খুজিলে পইচা নাই, দৰমহা নাই, অমুক নাই, তমুক নাই এশ এবুৰি বাহানা কৰিব । বাহিৰৰ সৌ ধন মণিহঁতৰ বাপেক কেউটাই চোন একে লগেই কাম কৰে অথচ সেই কেইডালেনো কেনেকৈ নিজৰ নিজৰ ঘৈনীয়েকহঁতক দামী দামী পাটৰ মুগাৰ চেট দিব পাৰিছে । গাড়ী ঘোঁৰা ল'ব পাৰিছে, ল'ৰা ছোৱালী কেইটাকো হোষ্টেলত ৰাখি ইংৰাজী স্কুলত পঢ়ুৱাইছে । আমাৰ বোৰক সৌ অসমীয়া স্কুল খনত পঢ়াওঁতেও কিতাপ ফলি কিনি দিবলৈ টকা নাই । তোমাক আৰু চিনি পাবলৈ মোৰ বাকী নাই আজি দহ বছৰে তোমাৰ সতে বনবাসত থাকি মই যি বুজিবলাগে সকলো বুজিলো । জীৱনটোৰ এছোৱা এনেকৈয়ে গ'ল বাকীছোৱাও তেনেকৈয়ে যাব আমাৰ কি আছে, কিন্তু ল'ৰা ছোৱালী কেইটাক কেনেকৈনো ভাল মানুহ কৰোঁ, ভাল কাপোৰ কিনি দিওঁ, ভাল স্কুলত

পঢ়ুৱাওঁ তাৰ হলে খবৰ নাই । ভাল কথা ক'বলৈ গলে মোৰহে দোষ, মইহে যেন মাৰ ঘৰৰ পৰা এইসোপাক পাই লৈ আহিছিলো । প্ৰথম দুবছৰত যেতিয়া ৰতন আৰু পুতলী হ'ল তেতিয়াই কলো বোলো দুটা ল'ৰা-ছোৱালীয়েই হ'ব আৰু নেলাগে, শাৰ্মানী হঁতৰ দৰে আমিও অপাৰেচন কৰি লওঁ কিন্তু মোৰ কথা শুনে কোনে । গাহৰি পোৱালীৰ দৰে এসোপা জন্ম দিয়ালে, অথচ এতিয়াও হুচ নাহিল । এতিয়া ল'ৰা ছোৱালীক কাপোৰ কানি কিনি দিবলৈ পাই মতাগিৰি দেখুৱালে হয় নেকি ?

ৰতনৰ মাকৰ গাজত লগা কথাবোৰ শুনি নীলোৎপলৰ মুখৰ মাত হৰিল । কিন্তু ৰাতিপুৱাই ৰাতিপুৱাই সৰস্বতীৰ মুখত মুখ থৈ দূৰ্গাৰ ৰণচণ্ডী ৰূপ চাবলৈ তাৰ সত নহ'ল । তাৰো ভুল সিও বেচেৰীক কমখিনি অত্যাচাৰ কৰা নাই । সি বুজি নাপাই তাৰ কি হৈ যায় নিজকে সি ধৰি ৰাখিব নোৱৰা হয়, কি কৰিব কি নকৰিব সি একো ভাবি নোপোৱা হয় । আজি কেইমাহ মানৰ পৰা তাৰ কি হৈছে সি নিজেই ধৰিব নোৱাৰা হৈছে । ইফালে খঙৰ ভমকত সৰস্বতীয়ে কোৱা কথাবোৰো যে একেবাৰে সত্য তাক নীলোৎপলে অস্বীকাৰ কৰিব নোৱাৰিলে । কথাখিনি নোহোৱাও নহয়, ধনহঁতৰ বাপেক, মণিহঁতৰ বাপেক কেইটাও নীলোৎপলৰ দৰে একেই চাকৰি কৰে, অথচ সিহঁতৰ আয়ৰ পৰিমাণ নীলোৎপলতকৈ লাখগুণে বেছি । সকলোৱে জানে তেওঁলোকে ইমান টকা ক'ৰ পৰা পায় । কিন্তু নীলোৎপলে যে তেনেবোৰ কাম কৰিব নোৱাৰে অৰ্থাৎ নিবিচাৰে । সেই বাবেই তাৰ আজি এই অৱস্থা আৰু সৰস্বতীৰ গাতো দোষ নাই শইকীয়ানী, বৰুৱানী হঁতে নতুন দামী দামী শাৰী, গহনা কিনিলে তাইক নেদেখুৱাকে যেন পিন্ধিবই নোৱাৰে । সেইবোৰ দেখিদেখি তাইৰো মন যায় তেনে কাপোৰ ল'বলৈ, পিন্ধিবলৈ, সিহঁতৰ দৰে ভান-ফিয়েটত ঘূৰিবলৈ । কিন্তু নীলোৎপলে যে তাৰ আয়েৰে সিমানবোৰ কৰিবলৈ অসমৰ্থ । কোনো মতেহে তাৰ উপাৰ্জনেৰে মাহটো চলি যায় তেনে ক্ষেত্ৰত বাকীবোৰ আৰু ক'ত ।

সৰস্বতীৰ মনটো বেয়া লাগিছে । খঙৰ ভমকত কিমান খিনি কথা যে মানুহটোক কৈ দিলে, তাই তলকিবই নোৱাৰিলে । তায়ো জানে মানুহটোক গালি দিলেই যেনিবা সেইবুলি সিতো নিজকে মাৰি ক'ৰবাৰ পৰা টকা এসোপা আনি দিব নোৱাৰে । নীলোৎপলৰ অসুবিধাখিনি কি সৰস্বতীয়ে বুজি পায় । তাই নুবুজিলে তাৰতো বুজিবলৈ কোনো নাই । বেচেৰাই তাইৰ ঘৰখনৰ বাবে কিমান খিনি যে কৰা নাই । তাইক সি পলুৱাই ননা হ'লে আজি তাই ঘৰতেই বুঢ়ী হ'ব লাগিলেহেঁতেন ।

যোৱাটো বিহুত মানুহটোৱে দৰমহা টোৰ সতে দুটকামান বেছিকৈ পোৱাৰ কথা আছিল । সেইবাবে সৰস্বতীক ল'ৰা ছোৱালী কেইটাক বিহুত কি কি লাগিব তাৰ এখন লিষ্ট কৰিবলৈ কৈছিল । কিন্তু ! দুটকামান বেছিকৈ পোৱাটো বাদেই দৰমহাটোও চৰকাৰে বন্ধ কৰি ৰাখিলে । চৰকাৰৰ ধনৰ তলি উদং হ'ল । চৰকাৰৰ চাকৰি কৰা মখাক আলৈ আথানি কৰি চৰকাৰ বাপেকটোৱে হাতত হাতথৈ বহিল যি বহিলেই আৰু হাত নুখুলিল । সৰস্বতীয়ে সেইবোৰও নুবুজা নহয়, বুজে সকলো বুজে, কোনে ক'ত কি কৰিছে ; কোনে কিমান টকা পকেটত কেনেকৈ সুমুৱাইছে ; ক'ত ফ্লেট কিনি ক'ত ফুৰিবলৈ গৈছে ; কোনে হেলিকপ্তাৰ লৈছে ; পুতেক জীয়েকক বিলাতত পঢ়ুৱাইছে তাই সেইবোৰও বুজে । কিন্তু তাইৰ কথা শুনে কোনে । ক'বলৈ গলেও গালি শুনিব লাগে ।

সৰস্বতীয়ে বোলে বানপানীত বিধ্বস্ত হোৱা বোৰৰহে ভাল, ভাল নহ'লেও বেয়া চাউল, দাইলকে বিনামূলীয়া কৈ খাবলৈ পায়, চৰকাৰী চেকেগুহেগু কাপোৰ পিন্ধিবলৈ পায় । আনহাতে চৰকাৰী চাকৰি কৰা গোলাম বোৰৰ পেটত গামোচা মাৰিবলৈকো গামোচা কিনিবলৈ হাতত টকা নাই । দেশৰ মধ্যবিত্ত শ্ৰেণীৰ কথা চৰকাৰে কি বুজিব । ৰেচনৰ দোকানত বাকী, কাপোৰৰ দোকানত বাকী, শাক-পাচলীৰ দোকানত বাকী, যেনিতেনি বাকী আৰু বাকী । এতিয়া বাকীয়ে এডিঙি পাইছেগৈ । বাকীৰ কোবত কোনোবা কোনোবাই আত্মহত্যাও কৰিছে । কথাবোৰ ভাবি ভাবি সৰস্বতীৰ মূৰটো আকৌ গৰম হৈ আহিল । অলপতে বন্ধ কৰি থোৱা মুখখন আকৌ খুলিবলৈ ধৰিলে । "দেশত ইমানবোৰ ঘটনা ঘটি আছে অথচ এওঁৰ হুচ নাই, দুদিন মানৰ পৰা ঘৰখন কেনেকৈ চলিছে মইহে জানো হাহঁ কুকুৰা কেইটাতো বিক্ৰি কৰিলোৱেই - এতিয়া মানুহ জনীহে বিক্ৰি যাবলৈ বাকী আছোঁ ।"

সৰস্বতীৰ কথা এইবাৰ নীলোৎপলৰ গাত লাগিল । তাৰ মনটোৱে অলপ সময়ৰ বাবে হাহাঁকাৰ কৰি উঠিল । কথাটো নোহোৱাও নহয় যি কেইটা, পোহনীয়া হাহঁ কুকুৰা আছিল সেইকেইটা কেইবা মাহো দৰমহা নোপোৱাৰ বাবে তাকে বিক্ৰী কৰি ঘৰখন কোনো মতে চলি আছিল । এতিয়া তাৰো মুদা মৰিল, সকলো শেষ । গহনা পাতি যি অলপ আছিল তাকো কোনোবা সত্য যুগতেই বিক্ৰী কৰি খালে । এতিয়া .... কি কৰিব কি নকৰিব সি ভাবি নোপোৱা হ'ল । তাৰ অনুভৱ হ'ল যেন চৰকাৰে দৰমহা সোপা বন্ধ কৰি দেশৰ মানুহ বোৰক দুৰ্নীতিৰ পথলৈ নিবলৈ জাল তৰিছে । তেনে চৰ্তত‌ঃ শেষত সি নিশ্চয় কৰিলে সিও বৰুৱা, শইকীয়া হঁতৰ পথকে বাচি লব ।

# 'সততাৰ সন্ধানত মনীষা'



*লোহিত গগৈ*
স্নাতক তৃতীয় বৰ্ষ (কলা)

ঘড়ীবোৰ যেন আজি বেয়া হৈ গল । প্ৰতিটো ঘড়ীৰ কাটাবোৰ আনদিনাতকৈ যেন লাহে লাহে চলিছে । মনীষাই ধৈৰ্য্য ধৰিব নোৱাৰি কাষৰ পলীহঁতৰ বেৰত ওলোমাই থোৱা ঘড়ীটো চাই আহিলগৈ, কিন্তু মনীষাৰ মনত সেইটোও বেয়া যেনেই লাগিল । কাৰণ সেইটোতো এঘাৰ বাজিবলৈ পঞ্চলিছ মিনিট বাকী আছে । সময়বোৰ যেন বৰ ধীৰে ধীৰে আগবাঢ়িছে । কিন্তু মনীষাৰ বুকুৰ শব্দবোৰ বেছ জোৰেৰে বাহিৰ ওলাই তাইৰ কাণত আঘাত হানিছে । মনীষাৰ হিচাপ মতে সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান আৰু ইংৰাজীত লেটাৰ মাৰ্ক পাব লাগে, বাকীবিলাক বিষয়ৰ নম্বৰেও যি কোনো এখন কলেজত নামভৰ্ত্তি কৰিবলৈ তাইক সহায় কৰিব তথাপিতো তাইৰ বৰ ভয় লাগিল । তাইৰ মনৰ আশা পূৰণ হবৰ বাবে এইটো এটা গুৰুত্বপূৰ্ণ কৃতকাৰ্য্যতা হব । ইয়াৰ পিছৰ পৰ্য্যায় কেইটা বেছি অসুবিধাজনক হ'ব বুলি তাই নাভাৱে ।

মনীষাৰ এতিয়াও ভালদৰে মনত আছে, তাই সাত বছৰ বয়সলৈকে ভায়েকৰ লগত কেনেদৰে খেলিছিল । অৱশ্যে কেতিয়াবা কাজিয়া নকৰা নহয় । তাই ভায়েকৰ লগত নোৱাৰিলে মাকক চিঞৰি দিয়ে, মাকে ভায়েকক মাৰিবলৈ আহিলে তাই আকৌ দুৱাৰ চুকত নাইবা বিছনাৰ তলত ভায়েকক লুকুৱাই থয় । কেতিয়াবা দুয়োটাই কাজিয়া কৰি থকা অৱস্থাত দেউতাক অফিচৰ পৰা আহি পালেহি দুয়োটাই দুই এচাট খাব লাগে । কিছু সময়ৰ পাছত দেউতাকে দুয়োটাকে ওচৰলৈ মাতি দুটা চকলেট দি মন ভাল লগায় । এদিন ভায়েকৰ জ্বৰ হোৱা বাবে মাকে তাক স্কুললৈ যাবলৈ নিদিলে । মনীষা স্কুলৰ পৰা আহি বেগটো টেবুলত থৈ ভায়েকৰ ওচৰ পালেহি । তাই দেখা পালে মাকে ভায়েকৰ কপালত বগা তিতা কাপোৰৰ প্ৰলেপ দি ওচৰতে বহি আছে । তাই মাকৰ অনুমতি লৈ দেউতাকলৈ ফোন কৰিলে । দেউতাকে আহি অফিচৰ গাড়ীখনতে

ধনটোক নি ওচৰৰে এখন নাৰ্চিং হোমত ভৰ্ত্তি কৰালে । তাইৰ ভায়েক দেবব্ৰতক ঘৰৰ সকলোৱে মৰমত ধনটো বুলিয়েই মাতিছিল ।

ধনটোৰ জ্বৰ কমা নাছিল । দুই তিনিজন ডাক্তৰে তাৰ চিকিৎসা কৰিছিল । ৰাতি দেউতাক নাৰ্চিং হোমখনতে থাকিল । ৰাতি বাৰ বাজি দহ মিনিটমান গৈছে, তেনেতে ধনটোয়ে এটা চিঞৰি মাৰি হাতভৰি বোৰ মাৰিবলৈ ধৰিলে । কাষত থকা নাৰ্চ দৌৰি গৈ ডাক্তৰক মাতি আনিলে । লগে লগে দুজন ডাক্তৰ আহিল । কিছু সময়ৰ পিছত ধনটো শান্ত হল । ডাক্তৰে বাহিৰলৈ আহি 'Baruah'লৈ চাই মাথো কলে Sorry ! 'Mr. Baruah'ই কিছু সময় ডাক্তৰ জনৰ ফালে চাই থাকি ধনটো বুলি চিঞৰ এটা মাৰি দুৱাৰখন খুলি সোমাই গ'ল ।

ডাক্তৰ সকলৰ আলোচনাৰ পৰা পাচত গম পোৱা গল ধনটোক ভুল চিকিৎসা কৰা হৈছিল, যাৰ ফলত মনীষাই একমাত্ৰ ভায়েকক হেৰুৱাব লগা হল । মনীষাই তেতিয়াই প্ৰতিজ্ঞা কৰিলে - "মই এজনী ডাক্তৰ হ'ম আৰু সকলো ৰোগীক ভালদৰে চিকিৎসা কৰিম । মোৰ দৰে যেন আন কোনো বায়েকে একমাত্ৰ ভায়েকক হেৰুৱাব লগা নহয় ।" তেতিয়াৰ পৰাই মনীষাই ভালদৰে পঢ়ে । প্ৰতিটো শ্ৰেণীতে প্ৰথম হৈ উত্তীৰ্ণ হৈ আহিছে । এইবাৰ মনীষাই হাইস্কুল শিক্ষান্ত পৰীক্ষা দিছে । শিক্ষক জনেও ভাবিছে, মনীষাই যি ৰিজাল্ট কৰিব এনে ৰিজাল্ট স্কুলখনৰ প্ৰথম ৰিজাল্ট হব নিশ্চয় ।

মনীষাৰ অনুৰোধ ৰক্ষা কৰি দেউতাকে নিজে ৰিজাল্ট আনিবলৈ এঘাৰ মান বজাত স্কুললৈ বুলি ওলাই গল । ইতিমধ্যে ৰিজাল্টৰ বৰ্ডখন বাহিৰলৈ উলিয়াই দিছে । বৰ্ডখনৰ ওচৰত ল'ৰা-ছোৱালীৰ ভিৰ দেখি প্ৰশান্ত বৰুৱাই অফিচৰ ফালে ভৰি আগবঢ়ালে । শিক্ষকৰ জিৰণি কোঠাত প্ৰধান শিক্ষককে ধৰি কেইবাজনো শিক্ষক আৰু বাহিৰৰ দুজনমানৰ মাজত গভীৰ ভাৱে আলোচনা চলি আছিল । তেনেতে মনীষাৰ দেউতাকক দেখি সকলো স্তব্ধ হৈ পৰিল । প্ৰশান্ত বৰুৱাই প্ৰধান শিক্ষকৰ অনুমতি লৈ ৰুমলৈ সোমাই আহিল আৰু প্ৰধান শিক্ষকৰ ফালে চাই কলে - "হাজৰিকা ! মোৰ ছোৱালীজনীৰ ৰিজাল্টটো লওঁ বুলি আহিলো ।" মানিক হাজৰিকাই নিজ মুখে কবলৈ সংকোচ কৰি ৰিজাল্ট শ্বিট্‌খন আগবঢ়াই দিলে । বৰুৱাই লৰালৰিকৈ মনীষাৰ নম্বৰটো বিচৰাত ব্যস্ত হৈ পৰিল । মনীষাৰ নম্বৰটো বুকলেট খনত নেদেখি বৰুৱা শিল পৰা কপৌজনীৰ দৰে - বৈ গল । নিস্তব্ধতা ভংগ কৰি মানিক হাজৰিকাই মাত দিলে - 'চাওক Mr. Baruah, আমি তিল মানো বিশ্বাস কৰিব পৰা নাই । এইটো সম্পূৰ্ণ অসম্ভৱ । আপুনি দুদিন ৰওক, মাৰ্কশ্বিট্ খন আহিলে গম পোৱা যাব । কিন্তু বৰুৱাই কোনো কথা শুনাৰ ইচ্ছা নকৰিলে । তেওঁ লাহে লাহে ৰুমৰ পৰা বিদায় লৈ ওলাই আহিল ।

মনীষাৰ মাকে বৰ আগ্ৰহেৰে বাটলৈ চাই আছিল । মনীষা কিন্তু ৰুমৰ ভিতৰতে কল্পনাৰ জগতত ডুব গৈ আছিল । দেউতাকে আহি বাহিৰৰ ৰুমত বহিলহি । মাকৰ উৎকণ্ঠা কটাবলৈ বৰুৱাই সকলো কথা খুলি কলে । দেউতাকে মাকক কোৱা কথা বোৰ মনীষাই স্পষ্টকৈ শুনিলে, আৰু লগে লগে ৰুমৰ আটাইকেইখন দুৱাৰ খিৰিকি বন্ধ কৰি দিলে ।

পিছদিনা বাতৰি কাকতত মনীষাৰ ফটোৰ সৈতে ৰিজাল্ট ওলাল । চাৰিটা বিষয়ত লেটাৰ মাৰ্কৰ সৈতে কাউন্সিলৰ ভিতৰত তৃতীয় স্থান দখল কৰিছে । এই ৰিজাল্টে মনীষাহঁতৰ ঘৰলৈ আনন্দ আনিব নোৱাৰিলে । কাৰণ এই ৰিজাল্ট লবলৈ মনীষা আৰু নাই । তাই এই ভুল পৃথিৱীখন এৰি এখন শুদ্ধ-সত্য পৃথিৱীলৈ উৰা মাৰিলে ।

---

এশ বছৰৰ অলিম্পিক ( ১৮৯৬-১৯৯৬)
সৰ্বাধিক পদক বিজয়ী দেশ ।

| দেশ | স্বৰ্ণ | ৰূপ | ব্ৰঞ্জ | মুঠ | দেশ | স্বৰ্ণ | ৰূপ | ব্ৰঞ্জ | মুঠ |
|---|---|---|---|---|---|---|---|---|---|
| যুক্তৰাষ্ট্ৰ | ৮২৮ | ৬৩৬ | ৫৫২ | ২০১৬ | ইটালী | ১৬৫ | ১৩৭ | ১৪৩ | ৪৪৫ |
| *ৰাছিয়া | ৪৭৭ | ৩৭৫ | ৩৬১ | ১২১৩ | হাংগেৰী | ১৪১ | ১২৬ | ১৫২ | ৪১৯ |
| **জামানী | ৩৫৮ | ৩৮২ | ৪১২ | ১১৬২ | চুইডেন | ১৩৭ | ১৮৯ | ১৬৯ | ৪৫৫ |
| ব্ৰিটেইন | ১৭৪ | ২২৯ | ২২১ | ৬২৪ | ফিনলেণ্ড | ১০১ | ৮০ | ১১৩ | ২৯৪ |
| ফ্ৰান্স | ১৬৮ | ১৭৬ | ১৯৭ | ৫৪১ | জাপান | ৯৩ | ৮৯ | ১০০ | ২৮২ |

*অবিভক্ত চোভিয়েট আৰু ১৯৯৬ চনত ৰাছিয়াই লাভ কৰা পদক ধৰা হৈছে ।

**পশ্চিম জামানী আৰু পূব জামানীয়ে পৃথকে লাভ কৰা পদক একত্ৰিত কৰা হৈছে ।

এক মিনিটৰ গল্প



# অসম্পূৰ্ণ বাক্যটো

*দীপজ্যোতি সোণোৱাল*

কি যে হব সেইদিনা ! কেনেকৈ কম কথাটো । মাথো সাতটা বাৰহে আছে সেইদিনটোলৈ । মঙ্গলবাৰে অন্ত পৰিব ইমান দিনৰ অপেক্ষাকৃত দিনটোৰ । ১৭ তাৰিখে পৰীক্ষা শেষ হোৱাৰ পাছতে তাই ঘৰলৈ যাবগৈ । কথাটো শুনাৰ পাছতে মনটো কিবা এটা অজান আশংকাত কঁপি উঠিছিল । ইয়েই প্ৰিয় জনক হেৰুওৱাৰ ভয় কিজানি ! তেতিয়াই মনৰ কথাটো কৈ দিয়া হলেই ভাল আছিল নে ... কি বাৰু !

"দাদা ভাত বাঢ়িলো, খাই লহি ।" - ভনীৰ মাতত সম্বিত ঘূৰি আহিল । ছেঃ ইমানপৰে কি পঢ়ি আছিলো একো মনত নৰ'ল । কোনো দিনেইটো মোৰ এনে হোৱা নাছিল । কি যে বাজে চিন্তাবোৰ আহি মূৰত সোমাল । যিমানেই এইবোৰ চিন্তা মনলৈ নানো বুলি ভাবো সিমানে মনলৈ আহি থাকে দেখোন । মাতুক লগ নোপোৱা হলেও এনে নহয় ।

আগষ্ট মাহৰ পৰা কলেজৰ ক্লাচ হৈছে । কলেজলৈ যোৱা দুদিন হৈছেহি । দুই এজন ল'ৰাৰ লগত চিনাকি হৈছো । ক্লাচৰ আটাইবোৰ ল'ৰাক ভালকৈ চিনিয়েই নেপাওঁ । কলেজ বা বিশ্ববিদ্যালয়তেই হওক, প্ৰিঞ্চিপাল বা ৰাজ্যপাল যিয়েই ৰেগিং বন্ধ কৰিবলৈ চেষ্টা কৰিব, তেওঁৰ পুতেকেও যে ৰেগিঙৰ সন্মুখীন হবই এই কথা সকলোৰে জনা আছে । সেয়েহে চিনিয়ৰ দাদাহতঁৰ 'বিশেষ-নিমন্ত্ৰণ'ৰ পৰা ৰক্ষা পাবলৈকে ক্লাচৰুমৰ পৰা বাহিৰলৈ ওলোৱা নাছিলো । হঠাতে আমাৰ ক্লাচৰুমলৈ সোমাই আহিল ভয়ত কাণ, নাক, গাল ৰঙা পৰা এজনী ছোৱালী । ধাৰণা কৰিব পাৰি তাই ক'ৰবাত চিনিয়ৰৰ লগত চিনাকি (?) হৈ আহিছে । তাই আহি মোৰ কাষতে বহিল । ক্লাচ শেষ হোৱাত চিনাকি পৰ্ব আৰম্ভ হয় । মোৰো ছোৱালীজনীৰ নামটো সুধিবলৈ মন গৈছিল, কিন্তু সুধিবলৈ সাহস নহয় । তেতিয়ালৈ অচিনাকি ছোৱালীৰ লগত কথা পতা দূৰৈৰ কথা, চিনাকি ছোৱালীৰ আগত থিয় হৈ থাকিব লগীয়া হলেও আঁঠু কঁপে । সেই ছোৱালী জনীয়েই মোক সুধিলে - "তোমাৰ নাম কি ?"

- 'দীপ' । এটা শব্দেৰে মোৰ পোনপটীয়া উত্তৰ ।

তাই কিজানি ভাবিছিল মই তাইৰ নামটো সুধিম, ময়ো সুধিম বুলি ভাবিও সুধিব নোৱাৰিলো । বাকীবোৰৰ লগত তাইক কোৱা শুনিলো - "মোৰ নাম মাতু শৰ্মা" । পিছলৈ সকলোৰে লগত সহজ হৈ পৰিছিলো যদিও মাতুৰে সুধিলে হা না, - হয়-নহয় ইত্যাদি এটা শব্দৰে উত্তৰ দিওঁ । তথাপি তাই ইটো-সিটো অলাগতিয়াল কথা সুধি বিৰক্ত কৰি থাকে । সকলোৰে লগত মিলি যাব পৰা গুণটো মাতুৰ আছে । সেই কাৰণে মই তাইক ভাল পাবলৈ লৈছো । এই কথাটো তাইক কবৰ মন যায় । কিন্তু সাহসে নুকুলায় । কেতিয়াবা তাই মোৰ ওচৰত বৰ নমনীয় ভাৱ দেখুৱায় । তায়ো কিজানি মোক ভাল পায় । মই তাইক খুলি কোৱালৈকে তাই বাট চাই থাকিবও পাৰে । হাজাৰ হওক তাই ছোৱালীহে । এবছৰে যিটো কথা কবলৈ সুবিধা পোৱা নাছিলো সেই সুবিধা সিদিনা তাইয়ে দিছিল - "দীপ তোমাৰ লগত মোৰ কথা আছে, পৰীক্ষা শেষ হ'লেই মই ঘৰলৈ যামগৈ আৰু নাহিবও পাৰো । কিবা কথা থাকিলে ক'বা ।" - মই তেতিয়াই মনৰ কথাটো কৈ দিয়া হলেই ভাল আছিল ।

আজি মঙ্গলবাৰ । পৰীক্ষা শেষ হ'ল । পৰীক্ষা হলৰ পৰা একেবাৰে শেষত ওলাইছে মাতু । আজি যিকোনো প্ৰকাৰে হলেও কমেই তাইক 'I love you' বুলি । মাতু আগফালে হাঁহি হাঁহি গৈ আছে । শৰীৰৰ সমস্ত শক্তি বুকুত গোটাই মাতুক পাছফালৰ পৰা মাতিলো - "হাই মাতু" । তাই ঘূৰি চাই কলে - "অ হাই দীপ" । আকৌ এবাৰ মন ডাঠ কৰি কবলৈ ললো - "মাতু মই তোমাক ..." "অ দীপ এওঁ গহীন দা আৰু গহীনদা এওঁ দীপ, মোৰ বেষ্ট ফ্ৰেণ্ড ।" মোৰ বাক্যটো সম্পূৰ্ণ হোৱাৰ আগতেই মাতুৱে গহীনদাৰ লগত চিনাকি কৰাই দিলে আৰু তাই গহীনদাৰ আগত কৈ গ'ল - "দীপে কাৰো লগত বাজে কথা নেপাতে । আজিহে মোক আগধৰি মাতিছে ।" তাই হথাৎ মোৰ হাতখন ধৰি কবলৈ ধৰিলে - "দীপ মই তোমাক ... তোমাক" অলপ ৰৈ দিয়াত মই ভাৱিছিলো তাই মোক "ভাল পাওঁ" বুলি কব ; কিন্তু তাই কলে "২০ মেত আমাৰ ঘৰলৈ তোমাক বিশেষভাৱে নিমন্ত্ৰণ কৰিলো : কিয় জানা, ২১ মে'ত মোৰ গহীনদাৰ লগত বিয়া । তুমি যাবা দেই দীপ" - বুলি তাই মোৰ হাতত প্ৰচণ্ড জোৰে চিকুটি মাৰি গহীন দাৰ মাৰুতি খনৰ ফালে আগবাঢ়িল । মই চাৰিওফালে আন্ধাৰ দেখিলো । মনত এটা অৰ্ধ প্ৰকাশিত বাক্য লৈ দুৰ্বল ভাৱে বাছষ্টেণ্ডলৈ বুলি খোজ ললো ।

# অভিনয়

*মিতুল গগৈ*
স্নাতক, তৃতীয় বৰ্ষ (কলা)



সন্ধিয়া ছয় বজাত গুৱাহাটীৰ নেটৱৰ্ক কাউণ্টাৰত টিকট কাটি মৃদুলে দিনটোৰ কৰ্মব্যস্ততাৰ ভাগবখিনি চিটটোত সম্পূৰ্ণ ভাৱে এৰি দিলে। ডিগবৈ ৰাতিপুৱা ছয় বজাত পালেহি। এখন বিশ্ৰাত উঠি ঘৰৰ অভিমুখে ৰাওনা হ'ল।

ঘৰত সোমোৱাৰ লগে লগে মৃদুলে অনুভৱ কৰিলে অলপ যেন আগতে কাৰোবাৰ মৃত্যুহে হৈছে। নবৌৰেক-মাকে তাক দেখা পাইও যেন কোনো সহাঁৰি নজনালে। এইবোৰ একো ধৰিব নোৱাৰি মৃদুলে নবৌৰেকক সুধিলে- এইবোৰ কি হৈছে নবৌ? মই ইমান দিনৰ পিছত আহিছোঁ তথাপিতো তোমালোকে মোক কিয় মাত এষাৰো দিয়া নাই? নবৌ, এইবোৰ কিহৰ অভিনয় কৰিছা নোকোৱা কিয়?

মৃদুলৰ কথা শুনি নবৌৰেকে "কি হৈছে তুমিহে ভালদৰে জানিবা" -বুলিকৈ উচাৎমাৰি আতৰি গ'ল। সি কিন্তু নবৌৰেকৰ পিছ নেৰিলে। সৰু ল'ৰাৰ দৰে সি নবৌৰেকৰ আচলত ধৰি ব্যংগ সুৰত কলে- "তোমাৰ মুখেৰে শুনোচোন মই জনা কথাটো। তোমালোকে যদি সচাঁকৈয়ে মোক বেয়া পাইছা তেন্তে মই এই ঘৰৰ পৰা এতিয়াই উলাই যাম, তোমালোকৰ লগত আৰু কোনো সম্পৰ্ক নাৰাখো"।

মৃদুলৰ নবৌৰেকে কওঁ নকওঁ কৈ লাহেকৈ কলে- "তুমি অকলে নাহি মাক সেৱা এটা কৰিবলৈ তাইকো লগত লৈ নাহিলা কিয়? তেতিয়া কিজানিবা মায়ে ভালেই পালেহেঁতেন"।

: তাই ! কোন তাই নবৌ? মৃদুলে একেবাৰে আচৰিত হৈ সুধিলে।

: কিয়, তোমাৰ অৰ্ধাংগিনী?

: মোৰ অৰ্ধাংগিনী? বিয়া নকৰাকৈ মোৰ অৰ্ধাংগিনী, এইবোৰ কি কৈছা নবৌ? মৃদুল এইবাৰ দুগুণে আচৰিত হ'ল।

: হেৰৌ, এতিয়া মিছা মাতিব নালাগে। তোমাৰ বন্ধু বিপুলে নিজ চকুৰে দেখি আহিছে। তুমি ফাঁকি দিলে কি হ'ব? আমিবোৰ যেন মানুহেই নহয়। খবৰ এটাতো দিব পাৰিলাহেঁতেন। ককায়েৰে আহি খং কৰি গৈছে আৰু তোমাক ঘৰলৈ আহিবলৈ মানা কৰিছে।

মৃদুলে নবৌৰেকৰ কথা শুনিহে উৰহী গছৰ ওৰ বুজিব পাৰিলে। সি হাঁহি ৰখাব নোৱাৰিলে। হাঁহি হাঁহি নবৌৰেকৰ পিঠিত কেতিয়া প্ৰচণ্ড ঢকা এটা পৰিল মৃদুলে গমকে নাপালে। নবৌৰেক একেবাৰে মাটিত বহি পৰিল।

: হাঁহিবলৈ কিহে পাইছে জহনীমৰা? নবৌৰেকে মাটিৰ পৰা কেকাই কেকাই কৈ উঠিল। ককায়েৰে মাৰে তোমালৈ কিমান আশা কৰিছিল। জানানে, মায়ে অন্তৰত কিমান আঘাট পাইছে। কথাটো শুনাৰ দিনা ভাতকেই নাখালে। নবৌৰেকৰ কণ্ঠত খঙৰ সুৰ।

মৃদুলে হাঁহি হাঁহি কলে : নবৌ, বিপুলে দেখা সেয়া অভিনয়হে। মই এতিয়াও বৰলা হৈয়ে আছো ; বুজিছা নবৌ। মোৰ নিচিনা তিনিফুটীয়া এটালৈ কোনজনী আহি নিজৰ জীৱন ধ্বংস কৰিবহি তুমিয়েই কোৱাছোন। মা-দাদা আৰু তোমাক নোসোধাকৈ

মই জানো তেনে এটা কৰিবলৈ আগবাঢ়িব পাৰিম, নবৌ?

: তেন্তে বিপুলে দেখা সেই অপেশ্বৰীজনী কোন? নবৌৰেকে অভিমান কৰি কলে।

: ভূতনীয়ে লম্ভিছিল।

: নবৌৰেকে আচৰিত হৈ সুধিলে- "কি !! ভূতনীয়ে লম্ভিছিল?"

: অ' নবৌ, এজনী, দুজনী নহয় একেবাৰে চাৰিজনীয়ে লম্ভিছিল। মই যাৰ ভাড়া ঘৰত আছো, সেই ঘৰৰ মালিকৰ চাৰিজনী ছোৱালী। সিহঁতৰ চাৰিজনীয়েই মোৰ প্ৰেমত লম্ভিব খুজিছিল। এজনী আনিব পৰা হ'লে ভালেই হ'ল হেঁতেন। ভাড়া ঘৰৰ পইচাখিনি বচাৰ লগতে এঘৰ ধনী মিতিৰ পালোহেঁতেন।দেখিবলৈ মোতকৈও কুৎচিত ডাঙৰজনীয়ে নৱম শ্ৰেণীতেই তিনিবাৰ ব্ৰেক মাৰিছে। আগৰ গৰু যেনি যায় পিছৰ গৰুও তেনিয়েই যায় বুলি ফঁকৰা যোজনা এটা আছে নহয় ঠিক সেই দৰে সৰু জনীৰো একেই বেমাৰ, সপ্তম শ্ৰেণীতেই চাৰিবাৰ ক্লাচ্ কেৱ'ল চিঙিছে। পিছে হালৰো নহয় ফালৰো নহয় সেইকেইজনী। বুজিছা নবৌ, বৰ কষ্টৰে এটা বছৰ পাৰ কৰিলো। ঘৰটো সলাব খুজিও সুবিধাজনক ঘৰ নোপোৱাৰ বাবে সলাব পৰা নাই। জানাই নহয় চহৰত ভাড়া ঘৰ বিচাৰি ফুৰা কিমান কষ্ট। তাতে আকৌ মোৰ অফিচটো ঘৰটোৰ পৰা বেছি দূৰত নহয়। কিন্তু সময় বাগৰাৰ লগে লগে সিহঁত কেইজনীও মোৰ পিছত বেয়াকৈ লম্ভিব ধৰিলে। এজনীয়ে ৰাতিপুৱা চাহ কৰি দিবহি, আনজনীয়ে মোৰ কাপোৰ ধুই দিবহি, সৰু জনীয়ে আকৌ মই ভাত খোৱা সময়তহে আহে। তাই সদায় মোৰ হাতেৰে ভাত এগৰাহ খাব নাপালে হেনো ৰাতি টোপনি নধৰে। এইবোৰ মোৰ অসহ্য লাগিল। মাকে মোৰ বিয়াৰ কথা প্ৰায়ে কৈ থাকে। সেই ভূতনীকেইজনীৰ উৎপাতৰ পৰা পৰিত্ৰাণ পাবলৈ মই এটা পদ্ধতি আৱিষ্কাৰ কৰিলো। যোৱাবাৰ বিহুৰ বন্ধত মই যে ঘৰলৈ আহিছিলো, ইয়াৰ পৰা গৈয়েই মই ঘোষণা কৰিলো যে মই বিয়া কৰালো। মোৰ কথা শুনি সিহঁত আটায়ে আচৰিত হ'ল। প্ৰথমতে বিশ্বাস কৰা নাছিল যদিও পিছলৈ বিশ্বাস কৰিবলৈ বাধ্য হ'ল। কাৰণ মই অফিচৰ পৰা অহাৰ লগে লগে দুৱাৰ বন্ধ কৰি ভিতৰ সোমাই থকাৰ অভ্যাস কৰিলো। মই কলো যে মায়ে ছোৱালী সৰু হৈ থাকোতেই মোৰ সহধৰ্মিনীক পছন্দ কৰি ৰাখিছিল। ছোৱালীৰ মাকৰো বেমাৰ সেয়ে মৰাৰ আগতেই জীয়েকৰ বিয়াখন পাতি দিয়াৰ ইচ্ছা আছিল। সেয়ে মা আৰু দাদায়ে পলম নকৰিলে। সেয়ে কাকো নিমন্ত্ৰণ কৰিবলৈ সময়ে ন'হল, সেই বাবে বেয়া নাপাব। তেতিয়াও ভূতনীকেইজনীৰ উৎপাত নকমিল। মোক দেখিলেই কিবা-কিবি জোকাব ধৰিলে। তাৰ পিছতহে মই মৰিলো।

নবৌৰেকে মৃদুলক তাৰ পিছৰখিনি কি সোনকালে ক'বলৈ ব্যতিব্যস্ত কৰিলে।

মৃদুলে খন্তেক ৰৈ পুণৰ আৰম্ভ কৰিলে।

- ইয়াৰ পাছত মাক-বাপেকৰ ন-কইনা চোৱাৰ উৎপাত আৰম্ভ হ'ল। এদিন বাপেক মানে মালিকে আহি কলেহি, "হেৰা মৃদুল, তুমি কি ল'ৰাহে ! আজিকালি ডেকা ল'ৰাই বিয়া কৰাই ন-কইনা লগত লৈ আহে। কিন্তু তুমি বিয়া কৰোৱাৰ এবছৰেই হবৰ হ'লহি অথচ এবাৰতো তোমাৰ পত্নীক আমাৰ ঘৰলৈ আনিব পাৰা, নে তোমাৰ পত্নী দেখিবলৈ কুৎসিত, সেইবাবে আমাক দেখুৱাবলৈ লাজ কৰিছা" ?

: ঠিক আছে, এইবাৰ দূৰ্গা পূজাত লগত লৈ আহিম। খঙতে কথাষাৰ কলো যদিও তাৰ পিছতহে নিৰুপায়ত পৰিলো। এতিয়া ক'ৰ পৰা ন-কইনা এজনী বিচাৰি বুঢ়াক আনি দেখুৱাওঁ। মই মহা চিন্তাত পৰিলো। মোৰ এই সমস্যা সমাধানৰ কিবা এটা উপায় বিচাৰি একেটা অফিচতে কাম কৰা মোৰ বন্ধু মনোজক কথাটো জনালো। মনোজৰ ঘৰ যোৰহাটত। মনোজে সহায় নকৰা হলে মই লাজত পৰিলোহেঁতেন। মনোজৰ ভনীয়েক এজনী কটন কলেজত পঢ়ে। এইবাৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী। সেয়ে আমি দুয়ো মনোজৰ ভনীয়েকৰ হোষ্টেললৈ বুলি ৰাওনা হ'লো। মনোজে মোৰ সমস্যাৰ কথাটো আতিগুৰি মাৰি কলে। তাইৰ নাম নিলাক্ষী গগৈ। ভীষণ ফুৰ্তিবাজ ছোৱালী। মোৰ সমস্যাৰ কথা শুনি নিলাক্ষী আৰু তাইৰ ৰুমমেট বীনাই সমস্যাৰ সমাধানৰ উপায় উলিয়ালে। নিলাক্ষী এদিনৰ বাবে মোৰ পত্নীৰ অভিনয় কৰিব লগত বীনাও থাকিব। কিন্তু এই অভিনয়ৰ বিনিময়ত মই সিহঁতক এটা ভাল পাৰ্টি দিব লাগিব। মই সন্মত হলো। ইমান সহজতে মোৰ সমস্যাৰ সমাধান হ'ব বুলি সপোনতো ভবা নাছিলো। মালিকক মই ঘৰলৈ গৈ মোৰ পত্নীক আনোগৈ বুলি মই এক সপ্তাহ মোৰ ভাড়া ঘৰলৈ নহাকৈ মনোজৰ ৰুমতে থাকিলো। পিছদিনা নিলাক্ষী হঁতৰ হোষ্টেলত সোমাই আমাৰ প্লেন মতে নিলাক্ষী আৰু বীনাক এখন টেক্সি ৰিজাৰ্ভ কৰি মালিকৰ ঘৰলৈ লৈ গলো। নিলাক্ষী সাঁজি-কাঁচি একেবাৰে ন-কইনা জনীৰ দৰে হৈ গৈছিল। নিলাক্ষীক দেখি মালিকৰ ঘৰৰ আটায়েৰে মুখৰ মাত হেৰাই গৈছিল। সঁচাকৈয়ে নিলাক্ষীক ন-কইনাৰ সাজঁত বৰ সুন্

দৰ দেখাইছিল। তায়োতো কম নহয়, নীলাক্ষীয়ে কান্দি কান্দি মালিকৰ ছোৱালী কেইজনীৰ আগত কলে-

: বুজিছা আমাৰ এওঁ মোক পছন্দই কৰা নাছিল, মাক-ককায়েকে পছন্দ কৰিহে বিয়া পাতিলে। তেওঁৰ হেনো তোমালোকৰ ঘৰৰ এজনীহে বিয়া কৰোৱাৰ ইচ্ছা আছিল। মোৰো কপাল বেয়া, মানুহটোৰ মোৰ প্ৰতি অকনো মৰম নাই। মৰম দিলেও মৰম লব নাজানে। কেনেদৰে যে মোৰ জীৱনটো এওঁৰ লগত পাৰ কৰিম, বুলি ছোৱালী কেইজনীৰ আগত নিলাক্ষীয়ে উচুপি উচুপি কান্দিব ধৰিলে।

নিলাক্ষীয়ে এনেদৰে কন্দা দেখি ডাঙৰজনীয়ে শান্তনা দি ক'লে- ''নাকান্দিবা এইবোৰ সকলো ভাগ্যৰ লিখন। জন্ম, বিবাহ, মৃত্যু কাৰ কত হয় কোনেও আগতীয়াকৈ নাজানে। লাহে লাহে চব ঠিক হৈ যাব, তুমি চিন্তা নকৰিবা। আমাৰ বা ক'ত কি লিখা আছে কোনে জানে''। কথাকেইষাৰ বৰ দুখেৰে ক'লে।

বুজিছা নবৌ, নিলাক্ষীক অভিনয় কৰোৱাৰ বিনিময়ত মোৰ কমেও পাঁচ হাজাৰ টকা খৰচ কৰিব লগা হ'ল। দুয়োজনীয়ে মোক অজলা পাই ভাল খীৰালে। দুয়োজনীকেই এযোৰ এযোৰ পাটৰ মেখেলা চাদৰ দিব লগা হ'ল । নিলাক্ষীৰ ভনীয়েকৰ অভিনয় কৰা বীনাক ইয়াৰ উপৰিও এযোৰ চেণ্ডেল কিনি দিব লগা হ'ল। আবেলি সিহঁত দুজনীক হোষ্টেলত যাওঁতে চিকেন, বিৰিয়ানি, মাটন খাইহে হোষ্টেল পালেগৈ। আৰু কি ক'লে জানা নবৌ, মই ঘৰলৈ যোৱাৰ আগতে হোটেল ইণ্টাৰনেচনেলত আৰু এটা পাৰ্টি দিব লাগিব হেনো। সেই ৰাতিটো মই বন্ধুৰ ঘৰতে কটালো।

বিপুলে যেতিয়া মোৰ তাত সোমাইছিল, তেতিয়া ন-কইনাৰ সাজত নিলাক্ষীক দেখিছিল। কিন্তু অভিনয়ত ইমান ব্যস্ত আছিলো যে তাক আচল কথাটো কবলৈ পাহৰি থাকিলো আৰু সিও এই বিষয়ে সুধিবলৈ সুবিধাই নাপালে। সি আমাৰ অভিনয়ৰ ওৰ বুজিব নোৱাৰি তোমালোকক যি কলেহি তাকেই সঁচা বুলি ভাবি তোমালোক আটায়ে খঙত মোৰ ওপৰত অগ্নিশৰ্মা হৈ আছা।

মৃদুলৰ কথা শুনি নবৌৱেকে তাৰ গালত মৃদুকৈ এটা চৰ মাৰি কলে- '' অ' কথা দেখিছো একেবাৰে বিপৰীত। আমিনো কি জানো তুমি যে এই বয়সতো দৰা-কইনা খেলি আছা। নবৌৱেকে ব্যংগ সুৰত কথা কেইষাৰ ক'লে। মৃদুলৰ কিন্তু এইবাৰ গাল-মুখ ৰঙা পৰি গ'ল।

: পিছে এটা কথা মৃদুল।

: কি কথা নবৌ ?

: মা-দাদায়ে তোমাৰ বিয়াৰ বাবে ছোৱালী বিচাৰি ফুৰিছে। ইফালে নিলাক্ষীয়েটো এদিনৰ বাবে হলেও তোমাৰ পত্নীৰ অভিনয় কৰিলে। গতিকে মা-দেউতাক নিলাক্ষীৰ কথাকেই কওঁ।

: কিন্তু নবৌ নিলাক্ষী ইমান ভাল। খুব ধুনীয়া ছোৱালী। তাতে আকৌ সিহঁতৰ ঘৰৰ অৱস্থাও ভাল।

: তুমি একো চিন্তা নকৰিবা, আমি গৈ নিলাক্ষীৰ মাক-দেউতাকৰ লগত কথা পাতিম।

: কিন্তু নবৌ, নিলাক্ষীৰ মতামত তো ল'ব লাগিব।

: কোনো কিন্তু নাই। তাইযে তোমাক ভাল পায় সেইটো মই অনুমান কৰিব পাৰিছো। নহলেনো কিয় তোমাৰ পত্নীৰ অভিনয় কৰিবলৈ আগবাঢ়িব ? মই যদি কাৰোবাক ভাল নাপাওঁ তেতিয়াহলে মই হলেও কাৰো পত্নীৰ অভিনয় নকৰিলোহেঁতেন গতিকে তোমাক মই কৈ থলো তোমাৰ বিয়া মই নিলাক্ষীৰ লগতেই পাতিম।

কিন্তু নবৌ, তাইক যে মই খুৱাব নোৱাৰিম, তাইযে ইমান খকুৱা- বুলি কৈ মৃদুলে আনন্দতে নবৌৱেকৰ গালত চুমা এটা আঁকি দিলে।

সিহঁত দুয়োৰ কথা-বতৰা মাকে পাকঘৰৰ পৰাই শুনি আছিল। গতিকে মৃদুলৰ মাকে কালিলৈ নিলাক্ষীক চাবলৈ যাম বুলি মৃদুলক খাটনি ধৰিলে। তিনিও তিনিওৰ মুখলৈ চাই গোটেই কোঠাটোত হাঁহিৰে সুৰ সমলয় সৃষ্টি কৰিলে।

উপন্যাসিকা

# তুমি আহিবা বুলি বাৰে বাৰে

অঞ্জনজ্যোতি শইকীয়া
স্নাতক ১ম বৰ্ষ (কলা)



টক্ .... টক্ .... টক্ ....

সচকিত হৈ উঠিল চন্দা । কোনোবাই যেন দুৱাৰখন টুকুৰিয়াইছে । কোন হ'ব পাৰে । অঞ্জন নহয়তো । ভবাৰ লগেলগে ধুকধুকাই উঠিল তাইৰ বুকুখন । তাই আৰু বৈ থাকিব নোৱাৰিলে একেলৰে আহি বন্ধ দুৱাৰখন খুলি দিলেহি । লগেলগে এছাটি হিমশীতল বতাহে তাইক কোবাই গ'ল । কোনো নাই । তাই আচৰিত হৈ ইফালে সিফালে চালে । নাই কোনো নাই । বাহিৰৰ কুহেলিকাময় আন্ধাৰবোৰে যেন তাইক হাতবাউলি মাতিছে এনে লাগিল তাইৰ । আন্ধাৰখিনিলৈ ভয় লাগি লাগি আহিব ধৰিলে তাইৰ । দুৱাৰখন বন্ধ কৰি এখুজি দুখুজিকৈ পিচুৱাই আহি তাই পুনৰ আগৰ ঠাই পালেহি । তাইৰ বুকুখনে হাহাকাৰ কৰি উঠিল । তাই যেন অঞ্জনক চিঞৰি চিঞৰি ক'ব অঞ্জন তুমি মোক ইমান

কষ্ট দিছা কিয় ? কি দোষ কৰিলো মই যাৰ বাবে তুমি মোক ইমান শাস্তি দিছা ?? বাৰিষাৰ বানপানীৰ দৰে চকুপানীবোৰ ধাৰসাৰ ওলাই আহিল তাইৰ । হঠাৎ তাইৰ মানসপটত ভাঁহি আহিল সেই দিনটোৰ কথা তাই, অঞ্জন আৰু কেইজনমান বন্ধু-বান্ধৱী বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ পাছত পিক্‌নিক্ খাবলৈ যোৱাৰ দিনাৰ কথা । .....

.... "চন্দা, ইমান কাষলৈ নাযাবা । পৰি গলে কি হ'ব ? গুছি আঁহা বুলিছো নহয়" - খৰস্ৰোতা নৈ খনৰ ফালে ধীৰে ধীৰে গৈ থকা চন্দাক দেখি কিয় জানো অঞ্জনে এক অজান ভয়ত চিঞৰি উঠিছিল ।

"ৰবানা বেছি কাষলৈ নাযাওঁ নহয় । পৰি গলে তুমি নাই নেকি বচাবলৈ ?" লেনীয়াকৈ মাত দি পিছল শিলবোৰত সাৱধানে ভৰি দি তাই আগুৱাই গৈছিল । "তোমাক .... মই .... ৰবা গৈছো ... এনেকুৱা পিটন দিম গম পাবা তেতিয়া" - ভোৰ ভোৰাই ভোৰ ভোৰাই অঞ্জনে দৌৰি যোৱাদি গৈ চন্দাৰ কাষ পাই তাইক একো কবলৈ সুযোগ নিদি টানি টানি লৈ আনিছিল ।

"এৰি দিয়ানা প্লীজ ! তুমি যে আৰু কি ? মই মৰিম বুলি ইমানেই ভয়নে ? মই মৰিলে আৰু এজনী গোটাই লবা দিয়া ।" এই বুলি কৈয়েই তাই খিলখিলাই হাঁহি দিছিল ।

হঠাতে অঞ্জন থমকি ৰৈছিল আৰু চন্দালৈ এক আকুলতাভৰা চাৱনিৰে চাই লাহে লাহে তাইৰ হাতখন এৰি দি তাইক তাতে এৰি আগলৈ খোজ দিছিল ।

"এই মোক এৰি থৈ কলৈ গৈছা ? পেচ্ টো চোৱা মই ধেমালিহে কৰিছিলো ।"

- এই বুলি কৈ তাই অঞ্জনক হাতত ধৰি ৰখাবলৈ চেষ্টা কৰিছিল ।

"চাওঁ এৰি দিয়া মোক আৰু তোমাৰ য'লৈকে যাবলৈ মন যায় তালৈকে যোৱা, য'তে মৰিবলৈ মন যায় তাতে মৰাগৈ । মোক আমনি কৰি নাথাকিবা" - অঞ্জনে আঁজুৰ মাৰি চন্দাৰ হাতখন আঁতৰাই পুনৰ আগলৈ খোজ লৈছিল । এইবাৰ চন্দাই দৌৰি গৈ অঞ্জনক পিচফালৰ পৰা সাবটি ধৰি কবলৈ ধৰিছিল -

- "প্লীজ, এইবাৰলৈ মোক মাফ্ কৰি দিয়ানা । আগলৈ এনে কাম কেতিয়াও নকৰো, এইয়া চোৱা কাণত ধৰিছো ।"

অঞ্জনে তাইৰ কথালৈ কৰ্ণপাত নকৰি এহাতে তাইক ঠেলামাৰি আঁতৰাই একেদৰে যাবলৈ ধৰিছিল ।

"চোৱা তুমি কিন্তু বেছি বেছি কৰিছা ... মই মৰিলে তুমি সঁচাকৈ ভালপাবা নহয়নে ? ঠিক আছে এইবাৰ সঁচাকৈ মৰিম মই । তোমাক আৰু কেতিয়াও আমনি নকৰো ... কেতিয়াও নকৰো" - কৈ কৈ তাই উচুপিব ধৰিছিল । অঞ্জনে এইবাৰ আৰু ৰৈ থাকিব নোৱাৰি দৌৰি গৈ চন্দাক সাবটি মাৰি ধৰিছিল ।অঞ্জনৰ হৃদয় নামৰ নৈখনৰ পৰা পাৰভাঙি মৰম নামৰ পানী বোৱে যেন তাইৰ চোতাল তিয়াই পেলাইছিল । আৱেগভৰা কণ্ঠৰে কৈ উঠিছিল অঞ্জনে, "সোন, ভগবানে নকৰক তোমাৰ যদি কিবা এটা হয় মই কেনেকৈ জীয়াই থাকিম ? তোমাৰ বাহিৰে মই বেলেগৰ কথা ভাবিব নোৱাৰে .... কেতিয়াও নোৱাৰে । তোমাক মই হেৰুৱাব নোখুজো । তুমি মৰাৰ কথা মুখলৈ নানিবা কেতিয়াও মই খুউব বেয়া পাওঁ ।"

"ধেৎ অকঁৰাটো ইমান সোনকালে নমৰো দিয়া আৰু মৰিলেও কিবা তোমাক এৰি অকলে মৰিম নেকি ? মৰিলে দুইটাই একেলগে মৰিম । মৰাৰ পিচত আমাৰ আত্মাদুটাও একেলগে হব স্বৰ্গত" - কিবা এক অবুজ বেদনাৰে কৈ উঠিছিল তাই ।

তেতিয়া পিক্‌নিক্ খাবলৈ অহা আটাইবোৰ মানুহৰ চকু সিহঁত দুটাৰ ওপৰত । দুটামান চেঙেলীয়াইটো কিৰিলিয়াই দিছিল মুখত সেই চিৰচিনাকী সৰ্বতোপ্ৰিয় অসমীয়া শব্দটোৰে ।

লাজ পাই দুয়ো দুয়োকে বন্ধন মুক্ত কৰিছিল । সেইদিনা যেতিয়া দুয়ো নিজৰ পিক্‌নিক্ স্থলীলৈ ওলটি আহিছিল অৰূপে দূৰৈৰে পৰা সিহঁতক দেখি চিঞৰিছিল - "আৰে লাইলা-মজনু, তহঁত হালৰ অথনিৰে পৰা খবৰেই নাই দেখুন ক'ত গৈছিলি ? ভাত-পানী চব ৰেডী হৈ আছে । আহ ! আহ !"

"মই আকৌ ভাবিছিলো ইহঁত দুটাই চাঞ্চ পাই ফুটিলেই নেকি ? অঞ্জনৰ শশুৰ বুঢ়াক খবৰ দিবলৈ ময়েইতো যাব লাগিব" - সীমান্তই জোকাইছিল ।

"তইতো যাবিয়েই । তোৰ গাত এশ এটা বেমাৰ লাগি থাকিলেও তই কেল্‌ঢোপ কেল্‌ঢোপকৈ হলেও বুঢ়াৰ ঘৰত ওলাবিগৈ । তেহে তই বুঢ়াৰ সৰু জীয়েকৰ লিহিৰি হাতৰ মন উতলোৱা চাহৰ সোৱাদ লবলৈ পাবি ।"

- সুমনে মুখ বিকটাই সীমান্তক তেনেকৈ কোৱা দেখি কৈছিল ।

"নিজৰ হবলা কি হৈ আছে আমি গম নাপাওঁহে । সেই যে কি নাম আছিল সেইজনী কিবা বন্দিতা নে কি ? তাইক পতাবলৈ

যাওঁতে যে তাইৰ ককায়েকৰ হাতৰ ঘোঁচা খাই আগদাঁত এটা যে হেৰুৱাইছিলি মই গম নেপাওঁ বুলি ভাবিছিলি হবলা । চালা ইমানদিনে জেওঁৰাভঙা গৰু খেদাবলৈ কাৰাটে শিকিছিলি নেকি ?" - সীমান্তই সুমনক উপলুঙা কৰি উত্তৰ দিছিল ।

"আৰে শিষ্টাচাৰ ভাই । ডাঙৰক সন্মান জনাবলৈ শিকিব লাগে বুজিলি । তই বান্দৰে নাৰিকলৰ মোল কিতো বুজিবি । বন্দিতাৰ ককায়েক কি মোৰ ককাইদেউ নহব নেকি ? ডাঙৰৰ ওপৰত হাত তুলিব নেপায় । এখন গালত মাৰিলে ইখন গালো পাতি দিব লাগে বুলি মহাত্মা গান্ধীয়ে কোৱা নাছিলনে ?" - সুমনে বিজ্ঞৰ দৰে উত্তৰ দিছিল ।

"হুঁহ, মহাত্মাগান্ধী চেলাবলৈ আহিছ । তেনেহলে তোৰ তলৰ পাৰিৰ দাঁত এটাও কেলেই ভাঙি নানিলি ?" সীমান্তই আৰু কিবা ক'ব বিচাৰিছিল যদিও অঞ্জনৰ ধমকনিত মনেমনে থাকিছিল ।

চন্দা, মিলি, ইৰাণী, বিপ্লৱহঁতে ইমানপৰে সিহঁতৰ কাজিয়াখনৰ ৰঙ চাই আছিল । চন্দাই অৱশ্যে সিহঁত দুটাৰ ধেমালিবোৰ বেয়াপোৱা নাছিল । জানে তাই সিহঁতে এনেকৈ ধেমালিতে কলেও মনত একোকে নাৰাখে ।

"এতিয়া পিচে তোমালোকে কোনে কোনে কি কৰিব বাৰু ? জানি থলে ভাল হ'ব আকৌতো লগ নাপাবও পাৰো কোন বা ক'ত যায় ।" - ঈৰাণীয়ে ভাত এগৰাহ মুখলৈ নি সকলোকে উদ্দেশি প্ৰশ্নটো কৰিছিল ।

কোনোবাই কিবা কবলৈ পোৱাৰ আগতে সীমান্তই মাত দিছিল -

"পাছ কৰিনো কি লাভটো হ'ব । চাকৰি-বাকৰি আমাৰ ভাগ্যতেই নাই কিজানি । একেবাৰে নাঙলৰ মুঠিত ধৰিমগৈ আৰু ।"

"ইহ্ ই খেতি কৰিব ? আজি ক'ত পাৰ্টী আছে, কালিলৈ ক'ত ভোজ আছে সেইবোৰ শুঙি শুঙি উলিয়াবিগৈ । সেইকাৰণে গাহৰিটোৰ দৰে হৈ পৰিছ । আৰু কেইদিনমানৰ পিছত তই গেঞ্জীও চিলাব লগীয়া অৱস্থা হবগৈ । এইটো চেহেৰাই হাল বাবলৈ যায় । হালৰ গৰুৱে তোক চোঁচোৰাই লৈ ফুৰিব অই ।" - সুমনে পুনৰ তাৰ লগত লাগিবলৈ চেলু এটা উলিয়াই লৈছিল ।

"আৰে তোৰ নিচিনা নহয় নহয় । চালা বিয়া পাতিলে ঘৈনীয়েৰে তোৰ হাড়ত ছাল লাগি আছেনে ছালত হাড় লাগি আছে গমেই নাপাব । অই, তোৰ চোলা চিলাবলৈ বেলেগ কৈ দৰকাৰেই নাই মোৰ গেঞ্জীটোৱেই হৈ যাব" - সীমান্তই খিংখিঙাই উঠিছিল লগেলগে ।

"তোমালোকৰ খালি কাজিয়া আৰু কাজিয়া । গোটেই বছৰটোৱেই কাজিয়া কৰিও হেঁপাহ পেলোৱা নাইনে ? আজি শেষৰ দিন বুলিতো অলপমান শান্তিত থাকা ভাই" - মিলিয়ে কৃত্ৰিম খঙেৰে সিহঁত দুটাৰ ফালে চাই কৈছিল ।

তাই তেনেকৈ কোৱা দেখি দুয়োটাই প্ৰায় একেলগে কৈ উঠিছিল -

"ধেৎ, আমি ধেমালিহে কৰিছো । আৰুতো লগ নাপাবও পাৰো সেয়েহে অকনমান ধেমালি কৰিছো আৰু । বেয়া পাইছা নেকি ? বেয়া নাপাবা আক' দেই ।"

"হেই, বেয়ানো কেলেই পাম । তোমালোকৰ লগত আৰু নোৱাৰি পাই ।"

- মিলিয়ে হাঁহি হাঁহি কৈ উঠিছিল ।

"মই কিন্তু তহঁতক এদিন হলেও একেদৰে একেঠাইতে গোট খুৱামেই চাই থাক ।" - ইমানপৰে মনেমনে বহি থকা অঞ্জনে হঠাতে কৈ পেলাইছিল এনেদৰে ।

"কেনেকৈ ? তোৰ বিয়াত ?? আৰে ভাই, তই নেমাতিলেও আমি ছোৱালী ঘৰৰ হৈ যাম নে কি কোৱা চন্দা ?" - অৰূপে চন্দাৰ ফালে চাই সুধিছিল হাঁহি হাঁহি ।

লাজতে তাইৰ গাল দুখন সেন্দুৰীয়া আপেলটোৰ দৰে হৈ পৰিছিল সেইদিনা । মিচিক্কৈ অজানিতে এটা হাঁহি বিৰিঙি উঠিল তাইৰ ওঁঠৰ ফাঁকেৰে । হঠাৎ খোলা খিৰিকিখনেদি সোমাই অহা চেঁচা বতাহজাকে তাইক বাস্তৱলৈ ওভতাই আনিলে । বাস্তৱতাৰ সেই হিম-শীতল পৰশ চন্দাই সহ্য কৰিব নোৱাৰিলে । ফেঁকুৰি উঠিল তাই । কথাবোৰ ভাবি ভাবি তাই ৰৈ ৰৈ উচুপিব ধৰিলে । উন্মুক্ত খিৰিকীখনেদি সোমাই অহা গধূলিৰ সেই বতাহজাকেও যেন তাইৰ উচুপনি শুনি স্তব্ধহৈ ৰৈ গল, সেমেকি উঠিল যেন প্ৰতিটো ক্ষণ, প্ৰতিটো পল । চন্দাই আজিও ভাবি পাৰ নেপায় কিয় অঞ্জনে সেইদিনা হঠাতে তেনেকৈ কৈছিল । আজিৰ এইটো পৰিস্থিতিৰ লগত অঞ্জনে কোৱা কথাটোৰ কিবা যোগসূত্ৰ আছে নেকি ? সিতো এদিন সকলোকে একেঠাইতে গোট খুৱাম বুলি কৈছিল । তাৰমানে কি সি কোৱা কথাটো সঁচা হ'ল নেকি ? নাই .... নাই এইয়া সঁচা হবই নোৱাৰে, সকলো গোট খালেও অঞ্জন দেখোন নিজেই অহাই

নাই । অংকটো বাৰে বাৰে মিলাবলৈ চেষ্টা কৰিও যেন তাই বিফল হল । অঞ্জনে কিয় বাৰু এনেকুৱা কৰিলে ? তাইক দিয়া প্ৰতিশ্ৰুতি সি জানো পাহৰিব ? তাইতো সঁচা অৰ্থতেই অঞ্জনক ভালপাইছিল, একোতো বিচৰা নাছিল তাৰ পৰা, বিচাৰিছিল মাথো তাক আৰু তাৰ মৰমক । সিওঁতো জানিছিল সেইবোৰ তেনেহলে কি যুক্তিত সি আজি তাইৰ পৰা আঁতৰত আছে । কেতিয়াবাই আহিব লগীয়া মানুহটো আজিলৈকে কিয় আহি পোৱা নাই ? তাই নাজানে অঞ্জনৰ এতিয়া মনত আছেনে নে নাই কিন্তু তাইৰ স্পষ্টকৈ মনত আছে তাক প্ৰথম লগ পোৱা মূহুৰ্ত্তটো । ....

.... সেইদিনা চন্দাই ক্লাছ শেষ কৰি আহি ঘৰলৈ যাবলৈ বাচলৈ ৰৈ আছিল । বাচ আহিবলৈ তেতিয়াও পোন্ধৰ মিনিট মান বাকী আছিল । হঠাতে বতৰটো ওন্দোলাই আনি বৰষুণ দিবলৈ আৰম্ভ কৰিছিল । ইপিনে তাই লগত ছাতিও অনা নাছিল সেইদিনা । আশ্ৰয়ৰ আশাত তাই ইফালে সিপালে চাব ধৰিছিল । বাকী মানুহবোৰ ইতিমধ্যে একমাত্ৰ আশ্ৰয়স্থল হিচাপে ওচৰতে থকা পানঘুমটিখনৰ সৰু চালিখনৰ তলত সোমাইছিলগৈ । তাত আনকি ভৰি এখন থবলৈও ঠাই নোহোৱা হৈছিল ।

"আপুনি তাত তিতি থাকিব নালাগে ইয়ালৈকে আহক ।"

কোনে মাতিছে বুলি ঘূৰি চাওঁতেই তাই দেখিছিল এজন দেখনীয়াৰ অথচ সাধাৰণ লৰাই এহাতে এটা ছাতি আৰু আনখন হাতত এখন পকাবন্ধা বহী লৈ তাইলৈকে চাই আছিল ।

"মোক মাতিছে ?" - তাই কি কৰিম কি নকৰিম এনে ভাৱত সুধিছিল ।

"আৰে কিযে ছোৱালী ! ইমানখিনি মানুহৰ মাজত বাৰু আপোনাৰ বাহিৰে আন কোনে এনেদৰে বৰুণ দেৱতাকো পাত্তা নিদি তিতি আছে । আপোনাকে কৈছো । আহক, আহক তিতিবুৰি বেমাৰ কৰি ল'ব নালাগে ।"

- লৰাজনে হাঁহি হাঁহি কৈছিল ।

তাই প্ৰথমতে ইতস্ততঃ বোধ কৰিছিল যদিও সেই নম্ৰ মাতষাৰত না কৰিব পৰা নাছিল । চন্দাই দৌৰি গৈ সেই অচিনাকী লৰাজনৰ ছাতিৰ তলত সোমাইছিলগৈ । লৰাটোৰ পৰা তাই গম পাইছিল তাৰ নাম অঞ্জন বুলি । আৰু সিও তাইৰ সতে একেটা ক্লাছতে পঢ়ে মাত্ৰ সিহঁতৰ বিভাগবোৰহে বেলেগ বুলি । অঞ্জনে কৈছিল সি অৰ্থনীতি বিভাগৰ বুলি আৰু তাই প্ৰত্যুত্তৰ দিছিল উদ্ভিদবিদ্যা বিভাগত স্নাতকোত্তৰ কৰি আছে বুলি । সিহঁতৰ চিনাকীপৰ্ব ছাতিৰ তলতে সমাপ্ত হৈছিল যেতিয়া বাচখন আহি ৰৈছিল সিহঁতৰ কাষত । চন্দাই তাৰ পৰা বিদায় লৈছিল কাৰণ তাৰ গন্তব্যস্থল বিপৰীত দিশত আছিল । বাচখন চলিবলৈ আৰম্ভ কৰিছিল । অঞ্জনে তাইক হাত জোকাৰি বিদায় দিছিল । স্মিত হাঁহিৰে হাতজোকাৰি তাইও তাক বিদায় দিছিল ।

সেইদিনাখনেই হয়তো অঞ্জনে হৃদয়ত সংগোপনে আঁকি লৈছিল তাইৰ ছবি । যিটো ঘটনাক তাই এটা সাধাৰণ ঘটনা বুলি ভাবি লৈছিল সি হয়তো তেনেকৈ ভাবিব পৰা নাছিল । আজি চন্দাই ভাবিছে সঁচাকৈ জানো অঞ্জন নহাটোক বিশ্বাসঘাতকতা বুলি ভাবি লব । নাভাবিলেও ভাববোৰ নিজে নিজে আহিছে মনলৈ । ই জানো সম্ভৱ কাৰণ সিয়েইতো প্ৰথমে ভালপোৱাৰ প্ৰস্তাৱ আগবঢ়াইছিল তাইক । তাই অস্বীকাৰ কৰোতে সি কি কৰিব ওলাইছিল স্পষ্টকৈ মানসপটলৈ আহিছে আজি তাইৰ । ...

.... এক বৰ্ষণমুখৰ পুৱা চন্দা আৰু মিলি দুয়ো বিশ্ববিদ্যালয়ৰ চৌহদত প্ৰবেশ কৰিছিল । পুৱাই ক্লাছ আছিল দুয়োৰে । এনেতে অঞ্জনক বিপৰীত ফালৰ পৰা বৰষুণত তিতিবুৰি আহি থকা দেখিছিল দুয়ো । সিহঁতদুজনীক দেখি সি খুউব নাৰ্ভাছ অনুভৱ কৰিছে বুলি অনুমান কৰিব পৰিছিল চন্দাই । অঞ্জনক মাতিছিল তাই হাতবাউলি ।

"ক্লাছ নকৰা ? বৰষুণত তিতিবুৰি এনেদৰে কলৈ যোৱা ?" - সুধিছিল তাই

"নাই ... নকৰো । ৰুমলৈ যাওঁ, গাটো ভাল লগা নাই ।" - মিছা মাতিছিল সি ।

"ৰুম ক'ত ললা আকৌ ? আমাকো এদিন নিবা দেই তোমাৰ ৰুমলৈ ফুৰিবলৈ ।" মিলিয়ে চন্দাৰ পিচফালৰ পৰা মাত দিছিল ।

"হেইত এইজনী, তাৰ গাটো ভাল নহয় বুলি কৈছে, এইজনীয়ে আকৌ ফুৰিবলৈ যায় ।" - চন্দাই মিলিক মৃদুভাৱে তিৰস্কাৰ কৰি পুণৰ অঞ্জনক সুধিছিল - "তোমাৰ গাটো বেয়া লাগিছে যদি বৰষুণত তিতিছা কিয় ? বেছিকৈ বেয়া লাগিছে নেকি ? এই ছাতিটো লৈ যোৱা । বৰষুণত তিতিলে জ্বৰ বেছিকৈ হব ।"

চন্দা মিলিৰ ছাতিৰ তলত সোমাইছিলগৈ ।

"এইটো লোৱা" -

"কি বস্তু ?" - তাই আগ্ৰহেৰে অঞ্জনে আগবঢ়াই দিয়া সৰু

পেকেটটোলৈ চাইছিল।

"চকলেট, তুমি ছাতিটো দিয়াৰ বাবদ দিছো। লোৱা।" - অঞ্জনে খৰধৰকৈ পেকেটটো তাইৰ হাতত গুজি দি তাইক একো কোৱাৰ সুযোগ নিদি আঁতৰি গৈছিল।

অঞ্জনৰ আচৰণত চন্দা আচৰিত হৈছিল যদিও মুখেৰে একো নকৈ পেকেটটো মিলিলৈ আগবঢ়াই দিছিল।

মিলিয়ে পেকেটটোৰ ভিতৰলৈ হাত ভৰাই চকলেটটো টানি আনোতে লগতে সৰু কাগজ এখনো ওলাই আহিছিল।

"অই চা এইখন কি ? প্ৰেমপত্ৰ যেন লাগিছে" -

চন্দাই থাপমাৰি তাইৰ হাতৰ পৰা কাগজখন আনি চকুৰ আগত মেলি ধৰিছিল। হয় চিঠিয়েই আছিল সেইখন। অঞ্জনেই লিখিছিল। কেইটামান সৰু সৰু বাক্যৰ এখন চুটি চিঠি। সি হেনো তাইক বহুত ভালপাই পেলাইছে। খং উঠি আহিছিল তাইৰ। যত চৰ বদমাছৰ দল। তাক তাই ভাললৰা বুলিয়েই ভাবিছিল আজিহে নিজৰ স্বৰূপ সি উদঙাই দিলে। চন্দাই চিঠিখন লাডু কৰি ৰাস্তাৰ কাষৰ নলাত পেলাই দিছিল।

তাইৰ উত্তৰ নাপায়েই নে অন্যকাৰণত অঞ্জন সেইদিনাৰ ঘটনাটোৰ পিচত কেইবাদিনো ক্লাছলৈ অহা নাছিল। একেলগে ক্লাছ নকৰিলেও চন্দাই গম পায় কোন দিনা অঞ্জন কলেজলৈ আহে বা কোনদিনা নাহে। তাই ভাবিছিল হয়তো সি লাজতে অহা নাই তাইৰ মুখামুখি হ'ব লাগিব বুলি। সেইদিনাও অঞ্জন অহা নাছিল। ক্লাছ কৰিবলৈ বুলি চন্দাই ক্লাছৰুমত সোমাইছিলহে, এনেতে ....

"চন্দা শুনাচোন" -

তাই পিছলৈ ঘূৰি চাই একে ক্লাছৰে অৰূপক থিয় হৈ থকা দেখিছিল।

"এটা বেয়া খবৰ আছে" - সি উৎকণ্ঠাৰে কৈ উঠিছিল।

"কি বেয়া খবৰ সোনকালে কোৱা" - তাইৰ বুকুখনে ভয়ত চিৰিঙকৈ মাৰিছিল।

"অঞ্জনৰ অৱস্থা ভাল নহয়। যোৱাকালি ৰাতি সি আত্মহত্যা কৰিবলৈ ওলাইছিল নিজৰ হাতৰ সিৰ কাটি। ভাগ্যে ভাড়াঘৰৰ মালিকে গম পালে নহলে ৰাতিয়েই মৰিলেহেঁতেন সি।" -

কি ? ... তাই নিজৰ কাণকে বিশ্বাস কৰিবলৈ টান পালে, বুকুৰ ঢপঢপনিটোও যেন স্পষ্টকৈ শুনিবলৈ পাইছিল তাই। কোনোমতে কৈছিল -

"ক'ত আছে সি এতিয়া ? মোকো তালৈ লৈ বলা।"

সিহঁত যেতিয়া মেডিকেলত উপস্থিত হৈছিল গৈ মিলিহঁতো তাতেই আছিল। চন্দাক দেখি মিলি লৰালৰিকৈ তাইৰ কাষ পাইছিলগৈ।

"জান মিলি, অঞ্জনে যে মোৰ কাৰণে এনেকুৱা কৰিব মই ভাবিবই পৰা নাছিলো। সি জানো মোৰ বন্ধুহে থাকিব নোৱাৰিলেহেঁতেন।" - চন্দাই কান্দোন মিহলি কণ্ঠৰে কৈছিল মিলিক।

"সি তোক সঁচাকৈ ভালপায়, সেইকাৰণে এনেকুৱা কাম কৰিবলৈ সাহস কৰিলে। তইনো তাক কিয় ইমান কষ্ট দি আছ অ'। তাকনো কিহত বেয়া দেখিলি তই ? থ তোৰ বন্ধু-চন্ধু। ভালপোৱাৰ পিছতো বন্ধুহে থাকিব পাৰিবি। তেতিয়াই পাওঁ বুলি কৈ দিয়া হলে আজি ইমানখিনি নহলহেঁতেন। আজি আৰু না বুলি নকবি। যা ভিতৰলৈ মই বাহিৰত আছো।" - এইদৰে কৈ মিলিয়ে তাইক ভিতৰলৈ ঠেলি দিছিল।

তাই সোমোৱা দেখি অঞ্জনক এৰি সকলো বাহিৰলৈ ওলাই আহিছিল। তাই চুচুক চামাককৈ তাৰ কাষত গৈ উপস্থিত হৈছিল। অঞ্জনে সতৃষ্ণ নয়নে তাইলৈ চাই আছিল। বহি পৰিছিল তাই তাৰ কাষতে।

"মোক তুমি ক্ষমা কৰি দিয়া চন্দা। মই তোমাৰ মনত বহুত দুখ দিলো। মোৰ অপকৰ্মৰ বাবে মই অনুতপ্ত" - থোকাথুকি মাতেৰে কৈ উঠিছিল সি।

"হ'ব, হ'ব এতিয়া মনেমনে থাকাচোন। ইমান দূৰ্বল হৈ আছা তুমি। কথা পাতিলে মই কিন্তু গুছি যাম।" - চলচলীয়া চকুৰে কোনোমতে কথাকেইটা কৈ শেষ কৰিছিল তাই।

"নহয় চন্দা, মোক আজি কবলৈ দিয়া, মোক বাধা নিদিবা। ইমানদিনে একো কব পৰা নাছিলো তোমাক। কথাবোৰে বুকুত এটুকুৰা ঘাঁৰ সৃষ্টি কৰিছিল। ইমানদিনে তোমাৰ ওচৰত ক্ষমা বিচাৰিম বুলি সাহস গোটাব নোৱাৰিলো। তোমাৰ মুখামুখি হবলৈ সাহস হেৰুৱাই পেলাইছিলো। মোৰ বিবেকে মোক অস্থিৰ কৰি তুলিছিল। মনৰ শান্তি হেৰাই গৈছিল। মৰুৰ মৰীচিকাৰ দৰে শান্তি বিচাৰি শেষত এই পথ বিচাৰি লৈছিলো। নিজকে শেষ কৰি দিয়াৰ পথ।" - একেলেথাৰিয়ে কথাখিনিকৈ অঞ্জনৰ ভাগৰ লাগিছিল বোধকৰো অলপপৰ থমকি ৰৈছিল সি।

"মোক আৰু লাজ নিদিবা। মই তোমাক আৰু তোমাৰ মনটোক বুজিবলৈ চেষ্টা কৰা নাছিলো। তোমাৰ এই অৱস্থাৰ বাবে

ময়েই দায়ী । মোক মাফ কৰি দিয়া ।" এইবুলি তাই সশব্দে উচুপি অঞ্জনৰ বুকুত সোমাই পৰিছিল । সিও তাইক গভীৰ প্ৰত্যাশাৰে সাৱটি ধৰিছিল । তাই তাৰ উমাল বুকুত কুচিমুচি সোমাই কৈ উঠিছিল - "জানা অঞ্জন, এতিয়াযে তোমাক মোৰ আগতকৈ ভাল লাগি আহিব ধৰিছে ।" ....

..... তাইৰ ভাবিবলৈ সত নগ'ল যি অঞ্জনে তাইৰ কাৰণে মৰিবলৈ ওলাইছিল সি জানো বিশ্বাসঘাতক । কিন্তু সেইদিনা চন্দাই অঞ্জনৰ বুকুত যি বিচাৰি পাইছিল আৰু বিচাৰিছিল আজীৱন সেইয়া তাইৰ বাবে আজি দুৰ্লভ হ'ল কিয় তাই বুজিব নোৱাৰিলে । এৰি অহা দিনবোৰ স্মৃতি হৈ খেদি ফুৰিব ধৰিলে তাইক সেই অন্ধকাৰময় কোঠাটোত । সিহঁতৰ সম্বন্ধৰ কথা তাই খোলোচাকৈ ঘৰত জনাইছিল । ঘৰখনে একো আপত্তি কৰাৰ থল বিচাৰি পোৱা নাছিল । তাই যেতিয়া মাক-দেউতাকক জনাইছিল সেইকথা তেতিয়া অঞ্জন ব্যস্ত আছিল চেন্নাইৰ 'অফিচাৰ্ছ ট্ৰেইনিং একাডেমী'ত প্ৰশিক্ষণ লোৱাত । অঞ্জনেও তাইৰ কথা ঘৰত জনাইছিল সেয়েহে এদিন তাইক অঞ্জনৰ ঘৰখনে ভাৰি-বোৱাৰী কৰি লৈছিল আঙুঠি পিন্ধাই । ইতিমধ্যে অঞ্জনৰ পোষ্টিং হৈছিল জন্মু-কাশ্মীৰৰ কাৰ্গিল ছেক্টৰত । সি কেইদিনমানৰ কাৰণে ছুটি লৈ আহিছিল । সেইদিনা কিমান যে ফুৰ্ত্তি কৰিছিল সি । তাইতকৈ সিয়েই আনন্দত অধীৰ হৈছিল সেইদিনা - তাইযে আনন্দ কৰা নাছিল এনে নহয় কিন্তু অঞ্জন যে আকৌ যাবলগীয়া হব সেই ভয়েহে তাইক বিমূঢ় কৰি পেলাইছিল । চন্দাই বিচাৰিছিল সি যেন প্ৰতিমুহূৰ্ত্ততে তাইৰ লগত থাকক । কিন্তু অঞ্জনে কৰ্তব্যক আগস্থান দি গুছি গৈছিল তাৰ কৰ্মস্থলীলৈ, তাইক সোনকালেই আকৌ ঘূৰি অহাৰ প্ৰতিশ্ৰুতি দি ।

... কিন্তু .... কিন্তু আজি তাৰেই প্ৰতীক্ষাত অধীৰ হৈ থাকিব লগীয়া হৈছে তাই । কাশ্মীৰৰ পৰা সিয়েই চিঠিত জনাইছিল ৩১ মাৰ্চত কেইদিনমানৰ ছুটীত ঘৰ পাবহি বুলি অথচ আজি তাৰ চিঠি পোৱা ২১ দিন হ'লহি । অঞ্জন এতিয়াও আহি নাপালেহি । অভিমান হ'ল তাইৰ ইমান কৰ্মব্যস্ততা থাকিলে বুলিয়ে এখনো চিঠি নিদিয়াকৈ থাকিব পাৰেনে অঞ্জনে । জানে তাই এই অন্ধকাৰ কোঠাৰ পৰা তাই ওলালেই তাইৰ বন্ধুবৰ্গই তাইক সান্ত্বনা দিবলৈ চেষ্টা কৰিব । চেষ্টা কৰিব তাইৰ মাক দেউতাকে আৰু অঞ্জনৰ মাক-দেউতাকেও । কিন্তু কিয় তাইক এনে সহানুভূতিৰ প্ৰয়োজন ? অঞ্জনৰ একোতো হোৱা নাই । মাত্ৰ আহোতে কেইদিনমান পলম হৈছে বচ ইমানেইহে । মানুহবোৰে কিবা এটা যেন লুকুৱাইছে । কিবা যেন হৈছে এনে লাগিছে কিয় বাৰে বাৰে তাইৰ । ভিতৰৰ কমৰ গুণগুণনিবোৰ অসহ্য লাগিছিল তাইৰ সেয়েহে এই আন্ধাৰ কোঠাটোৰ নিস্তব্ধতাৰ মাজত অলপমান সকাহ পোৱাৰ আশাৰে বহি আছেহি তাই । চিন্তাবোৰে তাইক খুলি খুলি খাবলৈ ধৰিলে । তাই মনে মনে বিশ্বাস কৰে তাইক কেতিয়াও অঞ্জনে বিশ্বাসঘাতকতা নকৰে । সি আহিবই । এই পগলা মনটোৱেহে তাইক যিটিখন ভবাই তুলিছে । তাই নিজকে প্ৰবোধ দিলে । তাই ভগৱানক মনে মনে চিন্তা কৰিলে যাতে এনেবোৰ অমঙ্গলীয়া চিন্তা মনলৈ নাহে । হঠাতে আকৌ শুনিলে তাই সেই একেদৰে দুৱাৰত টুকুৰিওৱাৰ শব্দ । এইবাৰ যেন শব্দটো আগৰবাৰতকৈ স্পষ্ট । কিন্তু বাহিৰৰ কমত ইমান মানুহ থাকোতেও কিয় দুৱাৰখন খুলি দিয়াগৈ নাই । নে কোনোৱেও শুনাই নাই । এইবাৰ অঞ্জন হবই লাগিব । চন্দাই দৌৰি যোৱাদি গৈ দুৱাৰখন খুলি দিলেগৈ । কোনোবা যেন আহিছিল এনে লাগিল তাইৰ নে এইয়া তাইৰ ভ্ৰম । বাহিৰত তেতিয়া আন্ধাৰ আৰু আন্ধাৰ । বাহিৰলৈ একেথিৰে চাই থাকিল তাই । দুচকুত চকুপানীৰ উপচি পৰা বান । কোনো নাছিল বাহিৰত । কান্ধত কাৰোবাৰ চেনেহসনা পৰশ অনুভৱ কৰি ঘূৰি চাই তাই মাকক দেখিলে । মাকক সাৱটি চন্দাই হুকহুকাই কান্দি দিলে - "তেওঁ আহিছিল মা ! তেওঁ আহিছিল !"

মাতৃৰ চেনেহময়ী বুকুত আশ্ৰয় লোৱা চন্দাৰ কৰ্ণ কুহৰত বাজি ৰৈছিল তেতিয়া দুৱাৰত টুকুৰিওৱা শব্দৰ অনুৰণন, বন্ধ দুৱাৰত টুকুৰিওৱা শব্দৰ অনুৰণন ॥

উপসংহাৰ ঃ অঞ্জনে চন্দাক দিয়া প্ৰতিশ্ৰুতি ভঙ্গ কৰা নাছিল । সি আহিছিল তাৰ পিছদিনা, কফিনত শুই । চন্দাৰ মৰ্মান্তিক বিননিয়েও তাৰ চিৰনিদ্ৰা ভঙ্গ কৰিব পৰা নাছিল । শ্বহীদ হৈছিল সি দেশৰ অখণ্ডতা ৰক্ষাৰ স্বাৰ্থত । সেইদিনা সকলো আহিছিল । সকলো বন্ধু-বান্ধৱীকে একে ঠাইতে গোট খুওৱাৰ স্বপ্ন সেইদিনা অঞ্জনৰ পূৰণ হৈছিল ।

*"এই উপন্যাসিকাখনিত বাস্তৱৰ সামঞ্জস্য বিচৰাটো মৰুৰ মায়া মৰীচিকা মাথোন হ'ব"* - লেখক

হিংসাশ্ৰয়ী বন্ধুসকল -

হিংসা পৰিহাৰ কৰক ।




শান্তি প্ৰতিষ্ঠা কৰক ।

শান্তিয়েহে এখন সুস্থ সমাজ গঢ়ি তোলে ।

# কবি নীলিম কুমাৰৰ সৈতে এখন্তেক



অসমৰ নবীন কবিসকলৰ ভিতৰত নীলিম কুমাৰ অত্যধিক জনপ্ৰিয়। বিষয়-বৈচিত্ৰ্যই তেওঁক আধুনিক অসমীয়া কবিতাত এক অভিনৱ আসনত ৰাখিছে । আনহাতে তেওঁৰ কবিতা কিছু পৰিমাণে বিৰ্তকিত। এতিয়ালৈকে ৯ খন কবিতা পুথিৰে তেওঁ অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। মানৱ সম্পদ উন্নয়ণ মন্ত্ৰালয়ৰ 'ফেল'শ্বিপ' আৰ্জনকাৰী আৰু উদয়ভাৰতী ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে সন্মানিত কবি গৰাকীৰ লগত হোৱা এটি সাক্ষাৎকাৰৰ চমু খতিয়ান পাঠক সকলৰ উদ্দেশ্যে আগবঢ়োৱা হ'ল।

-সম্পাদক

*প্ৰশ্ন :-* *আপোনাৰ কবিতাৰ প্ৰেৰণাৰ উৎস কি ?*

উত্তৰ :- অভিজ্ঞতা। এই অভিজ্ঞতা ব্যক্তি বা নৈৰ্ব্যক্তিক আৰু প্ৰকৃতিৰ বিভিন্ন বস্তুপুঞ্জৰ স'তে সম্পৰ্ক স্থাপনৰ জৰিয়তে সঞ্চিত হয়।

*প্ৰশ্ন :-* *কবিতা ৰচনা কৰোঁতে বিষয়বস্তুৰ ওপৰত আপুনি গুৰুত্ব দিয়ে নেকি, যদি দিয়ে কিয় দিয়ে ?*

উত্তৰ :- স্বাভাৱিকভাবেই। কাৰণ বিষয়বস্তু অবিহনে কেৱল আঙ্গিকেই কবিতা নহয়।

*প্ৰশ্ন :-* *আপোনাৰ কবিতাত বিষয়ৰ বিচিত্ৰতা দেখা যায়, তাৰ কাৰণটো বাৰু কি ?*

উত্তৰ :- তাৰ কাৰণ অভিজ্ঞতাৰ বিচিত্ৰতা হয়তো হ'ব পাৰে।

*প্ৰশ্ন :-* *আপোনাৰ কবিতাত কোনো বিদেশী কবিৰ প্ৰভাৱ আছে নেকি, যদি আছে কাৰ কাৰ আৰু সেই প্ৰভাৱৰ মাজতো আপোনাৰ কবিতাই কেনেধৰণে নিজস্ব সত্তা বজাই ৰাখিব পাৰিছে ?*

উত্তৰ :- প্ৰত্যক্ষভাৱে কোনো বিদেশী কবিৰ কবিতাৰ প্ৰভাৱ মোৰ কবিতাত নাই বুলি ভাবো। অৱশ্যে বহুজন বিদেশী কবিৰ কবিতাৰ ৰস আৰু বিষয়ে মোক মোহাচ্ছন্ন কৰি থৈছে। সেইবোৰ মই জীন নিয়াইছো মোৰ কাব্যচেতনাত।

*প্ৰশ্ন :-* *আধুনিক অসমীয়া কবিতাৰ নীলমণি ফুকন, নৱকান্ত বৰুৱা আৰু হীৰেন ভট্টাচাৰ্য্যই কাটি দিয়া বাটেৰে বৰ্তমান কবি সকলে বাট বুলিছে বুলি ক'ব পাৰি। এই বিষয়ে আপোনাৰ মন্তব্য কি ? আপুনি কাৰ দ্বাৰা আকৰ্ষিত তাৰ কাৰণটো কি ?*

উত্তৰ :- আধুনিক কবিতাৰ ধাৰাত এই কেইজন কবিৰ কবিতাই বিভিন্ন দুৱাৰ মুকলি কৰি দিছে- আঙ্গিক, ভাষা আৰু বিষয়ৰ।

ব্যক্তিগত ভাৱে মোৰ কবিতা ৰচনাৰ ক্ষেত্ৰখনত নীলমণি ফুকনৰ ব্যক্তিগত সান্নিধ্য আৰু কবিতাৰ ভাষা, দৰ্শনে বিশেষ ভূমিকা পালন কৰিছে।

*প্ৰশ্ন:-* *শেহতীয়াভাৱে আপুনি কবিতা লিখা ওপৰিও গদ্য লেখাতো হাত দিছে, কাব্যতকৈ গদ্যত ভাৱ প্ৰকাশ কৰিবলৈ অধিক সুবিধা বুলি আপুনি ভাবে নেকি ?*

উত্তৰ :- কাব্যতকৈ গদ্যত ভাৱ প্ৰকাশ কৰিবলৈ অধিক সুবিধা বুলি নাভাবো। দুয়োটা মাধ্যম বেলেগ। কবিতাতো সকলো ভাৱ প্ৰকাশ কৰিব নোৱাৰি। কবিতাৰো সীমাবদ্ধতা আছে। আনহাতে গদ্যৰ সীমাবদ্ধতা প্ৰচুৰ। আচলতে যিবোৰ কথা কবিতাৰ বাহিৰে আন কোনো মাধ্যমতে প্ৰকাশ কৰিব নোৱাৰি, সেইবোৰ লিখিব লাগে কবিতাত। আনহাতে যিবোৰ কথা গদ্যত ক'ব পাৰি সেইবোৰ গদ্যত লিখাই ভাল।

*প্ৰশ্ন:-* *কবিতা এটা সৃষ্টিৰ ক্ষেত্ৰত আপুনি ৰূপবস্তুৰ ওপৰত অধিক গুৰুত্ব দিয়েনে ভাৱবস্তুৰ ওপৰত দিয়ে ?*

উত্তৰ :- দুয়োটাতে সমানে গুৰুত্ব দিওঁ। কিয়নো ভাৱ অবিহনে ফৰ্ম বা ৰূপৰো কোনো অৰ্থ নাই।

*প্ৰশ্ন:-* *বহুতে আপোনাৰ কবিতা অশ্লীলতাৰ নামান্তৰ বুলি ক'ব বিচাৰে। এই বিষয়ে মন্তব্য দিয়া সকলৰ জ্ঞানৰ শূন্যতা বা জীৱনবোধৰ অভাৱ বুলি আপুনি ভাবে নেকি ?*

উত্তৰ :- অধ্যয়নৰ অভাৱেই ইয়াৰ মূল কাৰণ। মনৰ কু-সংস্কাৰ আতঁৰাবৰ বাবে অধ্যয়নৰ প্ৰয়োজন। এই কথাৰ ওপৰত গুৰুত্ব দিহে মন্তব্য কৰিব লাগে।

*প্ৰশ্ন:-* *সাম্প্ৰতিক অসমীয়া কবিতাৰ গতি-প্ৰকৃতি সম্পৰ্কে আপোনাৰ মতামত কেনেধৰণৰ ? এই সম্পৰ্কত আপুনি আশাবাদীনে ?*

উত্তৰ :- অৱশ্যে যদিও সম্ভাৱনা আছে কবিতাৰ ধাৰা শক্তিশালী কৰিবলৈ নতুন নতুন পৰীক্ষা-নিৰীক্ষা কৰিব লাগিব।

*প্ৰশ্ন:-* *আপোনাৰ পিছৰ অসমৰ কোন কেইজন তৰুণ কবিৰ কবিতাই আপোনাক আকৃষ্ট কৰিছে ?*

উত্তৰ :- জীৱন নৰহ, সৌৰভ শইকীয়া, মৃণাল কুমাৰ গগৈ আৰু জ্যোৎস্না কলিতা। অৱশ্যে কাব্য জীৱনৰ অগ্ৰগতিৰ বাবে তেওঁলোকে আৰু বেছি সাধনা আৰু ন-ন পৰীক্ষা নিৰীক্ষা কৰিব লাগিব ।

**(সাক্ষাৎ গ্ৰহণত বিশেষভাৱে সহায় কৰা অধ্যাপক শ্ৰীযুত অচ্যুত শইকীয়া, অগ্ৰজ ভাস্কৰজ্যোতি গগৈ আৰু বন্ধু লাচিতলৈ মোৰ অশেষ ধন্যবাদ থাকিল ।** **-সম্পাদক)**

---

**মোৰ কিতাপবোৰেই মোক জুৰাৰিব আড্ডা, মদপীৰ সঙ্গ আৰু ধোদৰ পচলা নিস্কৰ্মাবোৰৰ মেলৰ পৰা আঁতৰাই ৰাখে । যি মানুহে পোপ আৰু এডিছনৰ সন্নিধ্য পাইছে, যি মানুহে মিল্টন আৰু স্পেকছ্পীয়েৰৰ নীৰৱ কিন্তু মহৎ চিন্তাধাৰাৰ অংশ লোৱাৰ সুযোগ পাইছে, তেওঁ নিশ্চয় অসৎ আৰু হীন সংসৰ্গ কেতিয়াও সহ্য কৰিব নোৱাৰে -**

**-টমাছ হুদ**

ভ্ৰমণ বিত্তান্ত

# 'প্ৰথম কেম্প'

বিমল দাস
উ.মা. প্ৰথম বৰ্ষ (কলা)

মনোৰম প্ৰাকৃতিক পৰিবেশেৰে আৱেষ্টিত ডিগবৈ কলেজ ডিগবৈ চহৰখনৰ উপকণ্ঠত অৱস্থিত। ওখ ওখ টিলাবোৰত অৱস্থিত কলেজখন চহৰখনৰ এক উল্লেখযোগ্য শিক্ষানুষ্ঠান। এনে এক তুলনাবিহীন মনোৰম তথা শৈক্ষিক পৰিবেশেৰে বিৰাজমান শিক্ষানুষ্ঠানত পঢ়িবলৈ পোৱাটো সৌভাগ্যৰ কথা।

১৯৯৯ চন। উচ্চতৰ মাধ্যমিক কলা শাখাৰ প্ৰথম বৰ্ষত নাম ভৰ্ত্তি কৰি মইও উক্ত কলেজৰে এজন ছাত্ৰ হিচাপে পৰিগণিত হলো। নতুন কলেজীয়া জীৱনত নিজকে খাপ খোৱাবলৈ গৈ প্ৰথমতে বিপাঙত পৰিছিলো যদিও নতুন নতুন বন্ধু-বান্ধৱী পাই ভাল লাগিছিল অৱশেষত অৱশ্যে সময়ে সকলোকে পুৰণি কৰাৰ দৰে মইয়ো লাহে লাহে পুৰণি হৈছিলো কলেজখনত। NCC ৰ প্ৰতি থকা দুৰ্বাৰ আকৰ্ষণে মোক এই বিভাগতো নাম ভৰ্ত্তি কৰিবলৈ প্ৰেৰণা যোগাইছিল । কিতাপত মন বহা নবহাকৈ অলপদিন ক্লাচ কৰিছিলোহে অৰ্থাৎ প্ৰায় দুই তিনিমাহ মানৰ মূৰত NCC ক্লাচটোও আৰম্ভ হল । তিনিদিন মান ক্লাচ কৰি সাৱধান, বিশ্ৰাম, কদমতাল এই কেইটামান শব্দৰ লগত পৰিচয় হৈছিলোহে, হঠাৎ খবৰ আহিল যে কেম্পিং কৰিবলৈ যাব লাগে, শ্বিলংলৈ। মাত্ৰ দুদিন সময় আছে। কি কৰো কি নকৰো লাগিল। প্ৰথম দিনটো নিজৰ কাগজ-পত্ৰ জমা দিয়া, ফ্ৰম ফিলাপ কৰা এইবিলাক কামতেই দিনটো লাগি গ'ল। পিছদিনা ৰাতিপুৱাই নিজৰ লাগতিয়াল বয়-বস্তু গোটোৱা, নিজৰ বেডিং বন্ধা, কাপোৰ-কানি ভৰোৱা আদি কামত লাগি গলো, কাৰণ সন্ধিয়া পাঁচ বজাৰ পৰা যাত্ৰা আৰম্ভ হ'বই। যিমানেই বেলি পশ্চিমত ডুব যাব ধৰিছিল সিমানেই মোৰ মনত কিছু ভয় আৰু চিন্তাই ঠাই লৈছিল । এই প্ৰথম কেম্পিং কৰিবলৈ যাম, কেনেকুৱা বা কি ? শ্বিলং ঠাইখনেই বা কেনেকুৱা ? মনত আনন্দও লাগিছিল নতুন ঠাই চাবলৈ পাম বুলি। সেয়ে কিছু আনন্দ, কিছু ভয় মিশ্ৰিত মন এটা লৈ মা-দেউতা, ভাই-ভনীহঁতৰ পৰা বিদায়লৈ বাচষ্টেণ্ডলৈ ৰাওনা হলো।

বাচষ্টেণ্ডত সকলো মোৰ কাৰণেই ৰৈ আছিল । আমি সকলোৱেই ডিগবৈৰ পৰা গুৱাহাটীলৈ যোৱা এখন নৈশ বাছত উঠি প্ৰায় ৫-১৫ মান বজাত যাত্ৰা আৰম্ভ কৰিলো । বাচত উঠা আমি সকলো প্ৰায়ভাগেই নতুন, যদিও দুই এজন পুৰণা ছাত্ৰও আছিল। তেওঁলোকৰ এজন আমাৰ গুৰি ধৰোঁতা আছিল। তেওঁৰ দিহা পৰামৰ্শ মতে আমি সকলো কাম কৰিছিলো। প্ৰায়ভাগ যাত্ৰী আমাৰ লগৰে হোৱা বাবে বাচত যাওঁতে কোনোধৰণৰ সংকোচ, অসুবিধা অথবা ভয় অনুভৱ কৰিবলগীয়া হোৱা নাছিল। হাঁহি ধেমালিৰ মাজেৰে আমি আমাৰ গন্তব্য স্থানলৈ আগবাঢ়ি গৈ আছিলো। বাচখন তীব্ৰবেগেৰে গৈ আছিল। এনেদৰে প্ৰায় ১০-৩০ মান বজাত শিৱসাগৰ পালোগৈ । তাতে সকলোৱে বাচৰপৰা নামি একেখন হোটেলতে খোৱা-বোৱা কৰিলো। অলপ পৰৰ পিছতে বাচখনে পুনৰ গুৱাহাটীলৈ বুলি গতি ললে। লক্ষ্য কৰিলো সকলোৱে যেন ইতিমধ্যে শুই পৰিছে। মইয়ো নিজৰ ছিটতে শুবলৈ যত্ন কৰিলো, তেতিয়া হয়তু বাৰ বাজিছিল। মাত্ৰ বাচখন আগুৱাই যোৱা শব্দৰ বাহিৰে যাত্ৰী বিলাকৰ কোনো সাৰি-শব্দ নোহোৱা হল। ঘণ্টাৰ পিছত ঘণ্টা বাগৰিল। এখন ঠাইৰ পিছত আনখন ঠাই পাৰ হৈ গ'ল। কেতিয়ানো টোপনিৰ কোলাত ধলি পৰিলো গমকে নাপালো। এটা সময়ত বাচখন ৰৈ গ'ল। সকলোৰে লগতে মইয়ো সাৰ পাই গলো। তেতিয়া ঘড়ীত প্ৰায় চাৰি বাজিছিল। বাচখন ৰখোৱা ঠাইডোখৰত বেছি দোকান-পোহাৰ নাছিল। মাত্ৰ কেইজনমান দুখীয়া দোকানীয়ে চাহ-বিস্কুট আৰু তামোল-পানৰ বাহিৰে আন একো নোলোৱাকৈ

ৰাস্তাৰ কাষত বহি আছিল । সকলোবোৰ ল'ৰাই বাচৰ পৰা নামি একো কাপকৈ চাহ খাই ললো । এজন দোকানীক ঠাইখনৰ নাম সোধাত কলে কিবা 'ক্ষেত্ৰী' নে কি বুলি। মোৰ শুনাত অৱশ্যে ভুল ও হ'ব পাৰে কাৰণ টোপনিৰ জাল তেতিয়াও আতঁৰা নাছিল । দোকানীজনে আৰু কলে যে ইয়াৰপৰা প্ৰায় ৪০ কি. মি. মান গলে বুঢ়াপাহাৰ পাব । বুঢ়াপাহাৰ চাবলৈ মোৰ এটা বহুদিনিয়া হেঁপাহ আছিল গতিকে মোৰ আৰু টোপনি নাহিল। বাচখন আগবাঢ়িল। মই পাহাৰটো চাবৰ মনেৰে খিৰিকিৰ কাষৰ চিত এটাত বহি ললো । সকলোৱে বাচৰ খিৰিকিৰে বাহিৰলৈ চাবলৈ ধৰিলে। বাহিৰলৈ চাই দেখিলো কেইবাখনো বাচ আমাৰ লগে লগে আহি আছে। এখনৰ পিচত এখনকৈ গোটেই কেইখন বাচে একাঁ বেকাঁ ৰাস্তাইদি ওখ-চাপৰ পাহাৰটো অতিক্ৰম কৰিলে। অৱশেষত পুৱা প্ৰায় ৫-১৫ মান বজাত গুৱাহাটী পালোগৈ। আমি সকলোৱে বাচৰপৰা নমাৰ লগতে নিজৰ বয় বস্তবোৰ নিজৰ তত্বাৱধানত নমালো। শ্বিলংলৈ যোৱা বাচখনো সেই ঠাইতে পালো। পলম নকৰি সকলো একগোট হৈ টিকট কৰিলো। বাচখন প্ৰায় ৬-৩০ বজাত শ্বিলংলৈ ৰাওনা হব। বহুত সময় বাকী আছে। বাচষ্টেশুৰ কাষতে থকা লেট্ৰিন বাথৰুমত প্ৰাতঃকৃত্য সমাপন কৰি মুখ-হাত ধুই আমি সকলোৱে সতেজ হৈ ললো। ওচৰত থকা হোটেলত পুৱাৰ আহাৰো গ্ৰহণ কৰিলো। যথাসময়ত আমি নিজৰ নিজৰ চিটত বহিলোগৈ। ৬-৩০ হবলৈ ২-১ মিনিট বাকী আছিল তেতিয়াই বাচখনৰ কণ্ডাক্টৰে শ্বিলং শ্বিলং বুলি চিঞৰাৰ লগে লগে কেইজনমান খাচীয়া লোক আহি বহিলহি। সিহঁতৰ লগত দুই এজনী খাচীয়া ছোৱালীও আছিল। সিহঁতৰ কথা পতাৰ ধৰণ শুনি মোৰ হাঁহি উঠিছিল যদিও কোনোমতে দাঁত-ওঠ কামুৰি হাঁহিটো বন্ধ কৰিলো । যাত্ৰা আৰম্ভ হল শ্বিলং অভিমুখে । আঘোণ মাহৰ ৰাতিপুৱাৰ বেলিটোৱে কুঁৱলীয়ে ঢাক খাই থকা পাহাৰ বোৰৰ ওপৰত ঢালি দিয়া বক্তিম আভাবোৰৰ সতে লুকা-ভাকু খেলি একাঁ বেকাঁ ওখ-চাপৰ ৰাস্তাটোৰেদি আমি আগবাঢ়িলো। গৈ গৈ এসময়ত মেঘালয় ৰাজ্যত সোমালোগৈ। শ্বিলংৰ প্ৰথম কেম্প 'ওমৰয়' পালোগৈ। নিজৰ নিজৰ বস্ত সহ নিজৰ ৰুম,থকা ঠাই বাচি ললো। সকলোৱে ভাগৰ অনুভৱ কৰিছিলো। গতিকে কেম্পপোৱাৰ লগে লগে কাপোৰ কানি সোলোকাই ভৰি হাত ধুই নিজৰ বিচনাত শুই পৰিছিলো। চাৰি বজাত হুইচেল বজাত সকলোৱে ইউনিফ্ৰম পৰিধান কৰি ফলিং হলো। সকলো আছোনে নাই চিনিয়ৰ জনে পৰীক্ষা কৰিলে। চাহ খাবলৈ সকলোৱে শাৰী পাতিলো । চাহ খাই উঠি প্ৰায় ৬-০০ বজাত হুইছেলৰ শব্দত আকৌ একেই পদ্ধতিৰে ভাত খাবলৈ শাৰী পাতিব লগীয়া হল। খোৱা বোৱাৰ পিছত ৭-৪০ মান বজাত ভাগৰত সকলোৱে শুবলৈ গলো। ময়ো আধা শোৱা আধাবহা অৱস্থাতে ঘৰৰ পৰা লৈ যোৱা কিতাপ এখন পঢ়িম বুলি মেলি ললো কিন্তু পঢ়িব নোৱাৰিলো। হঠাৎ মা-দেউতালৈ মনত পৰিল। মনটো কিবা লাগি গ'ল। ৮-৩০ মান বজাত মই শুই পৰিলো।

পিছদিনা পুৱা ৫-০০বজাত উঠি মুখ-হাত ধুই ললো। ঠাণ্ডাৰ প্ৰকোপ দেখি গা ধুবলৈ সাহস নহ'ল। আকৌ সেই একেই নিয়মমতে পুৱাৰ আহাৰ গ্ৰহণ কৰিলো। ইয়াৰ লগতে দুপৰীয়ালৈ বুলি পলিথিন পেকেটত বান্ধি দিয়া ভাত,ৰুটি আৰু পানী কান্ধত লৈ খোজকঢ়া আৰম্ভ কৰিলো 'ওমৰয়'কেম্পৰ পৰা শ্বিলং ৰ গোৰ্খা হাইস্কুললৈ। ২০ কি. মি. পথ খোজ কাঢ়ি সন্ধিয়া প্ৰায় ৪-৪৫ -- ৫-০০ মান বজাত গন্তব্য স্থানত গৈ উপস্থিত হলোগৈ। ৬-০০ বজাত ফলিং হৈ ভাত খালো। খাই বৈ প্ৰায় ৮-৩০ বজাত শুৱলৈ গলো। ভাগৰে জুমুৰি দি ধৰাত কেতিয়া টোপনি গলো গমকে নাপালো।

পিছদিনা সোনকালে উঠি পুৱাৰ আহাৰ গ্ৰহণ কৰি দুপৰীয়াৰ আহাৰো বান্ধি Local Tracking আৰম্ভ কৰিলো। Shilong Peak দেখুৱাবলৈ লৈ গ'ল। ভয়ংকৰ ঠাইডোখৰৰ উচ্চতা। তললৈ চালে গোটেই শ্বিলংখন দেখা যেন লাগে। ওখ অট্টালিকা, ঘৰবোৰ বহুৰঙৰ কাগজৰ টুকুৰা পৰি থকা এটা জাবৰৰ দ'ম যেন দেখি। কেমেৰা নিয়া সকলে ফটো টুলিলে। পুনৰ সকলো ঘুৰি আহি কেম্প পালোহি। নিশা ৮-০০ বজাত ভাত খাই আজৰি হলো। দিনটো ওখ পাহাৰ বোৰ বগাব লগীয়া হোৱাত ভাগৰত সোণকালে টোপনি আহিল।

তৃতীয় দিনৰ কেম্প হ'ল 'মাফলং উচ্চতৰ মাধ্যমিক স্কুল।' প্ৰায় ২৮ কি. মি. পথ খোজেৰে অতিক্ৰম কৰাৰ পাছত আবেলি ৩-৪৫ -- ৪-০০ মান বজাত মাফলং পালোগৈ। সেই কেম্পটো কৰি বৰ কষ্ট পালো। তাৰ শাসন পদ্ধতিও বৰ কাঢ়া। খোজকঢ়াৰ শব্দও হব নালাগিব। কাহঁ মৰা বা কথা পতাতো দূৰৰে কথা। মাফলঙত Local Tracking নকৰালে।

চতুৰ্থ কেম্প হ'ল 'চেৰাপুঞ্জি'। মনোৰম ঠাই । পৃথিৱীৰ ভিতৰত বেছি বৰষুণ দিয়া ঠাই চেৰাপুঞ্জিৰ মৌছিনৰাম। স্বামী বিবেকানন্দই প্ৰতিষ্ঠা কৰা ৰামকৃষ্ণ মিছনত আমি কেম্প কৰিলো।

প্ৰায় ৩০ কি. মি. পথ খোজ কঢ়াৰ বাবে ভাগৰত সকলোৱে খাই বৈ গধূলি মিচনৰ এটা ৰূমত শুই লালকাল দিলো। পিছদিনা আমাক Local Tracking কৰাবলৈ লৈ গ'ল। আমাক বাংলাদেশৰ বৰ্ডাৰ দেখুৱাবলৈও লৈ গ'ল। যি ডোখৰ ঠাইৰ পৰা আমি বাংলাদেশখন চাইছিলো সেই ঠাইখন বাংলাদেশতকৈ ৪৯০০ মিটাৰ ওপৰত আছে। গতিকে তাৰ পৰা বাংলাদেশখন ৰিনিকি ৰিণিকিহে দেখা যায়। সকলোৱে বৰ্ডাৰৰ আশে পাশে থকা পাহাৰবোৰৰ ফটো তুলিলে। ঠাইডোখৰত আমাক বেচি সময় ৰব দিয়া নাছিল গতিকে সোনকালে তাৰ পৰা ওলালো। সেই ঠাইতেই থকা আৰু এটা চাবলগীয়া বস্তু পৰিদৰ্শন কৰাবলৈ আমাক লৈ গ'ল। সেইটো হ'ল 'Shilong Cave' এটা প্ৰকান্দ গুহা। অলপ ধতুৱা মানুহ তাত সোমাব নোৱাৰে। আমাৰ লগত কেইজনমান আৰ্মি বিভাগৰ লোকো গৈছিল। বিনা অনুমতিত তাত প্ৰৱেশ নিষেধ। আমি সকলোৱে হাতত তৰ্চ লৈ এজনৰ ককালত আনজনে ধৰি এশাৰী হৈ গুহাত প্ৰবেশ কৰিলো। কেইজনমানে ভয়তে চিঞৰ বাখৰ কৰি বাহিৰলৈ ওলাই আহিল। যাবলৈ সাহস নহয়, আন্ধাৰে যেন গিলিহে পেলাব। ওখোৰা-মোখোৰা, ওখ-চাপৰ। থিয় হৈয়ো যাব নোৱাৰি। ওপৰৰ চাদত লাগি মূৰত দুখ পাওঁ। চাপৰি গলেও ককালত বিষ হয়। সেইদৰে উজুটি-মুজুতি খাই বহু কষ্টেৰে প্ৰায় ২০ মিনিট সময়ৰ পাচত গুহাৰ পৰা বাহিৰ হলো। গুহাৰ ভিতৰত থাকোতে ভয়ত মুখৰ মাত নোহোৱা হৈছিল। মনে মনে ভগৱানকহে চিন্তিছিলো। কিছুমানে গুহাৰ ভিতৰত ফটো তুলিলে।

পঞ্চম কেম্প হল চেৰাপুঞ্জিৰ পৰা প্ৰায় ২৫ কি. মি. দূৰৈত অৱস্থিত 'লাইকৰ্ট'। আগতে উল্লেখ কৰাৰ দৰে পুৱা চাহ খাই দুপৰীয়াৰ আহাৰ পিঠিত বান্ধি ওখ চাপৰ পাহাৰৰ মাজে মাজে যাত্ৰা আৰম্ভ কৰিলো। আৰু গধূলি ৪-০০ মান বজাত কেম্প পালোগৈ। পিছদিনা Local Tracking কৰালে। তাত চাবলগীয়া বিশেষ নাছিল যদিও চাৰি কি. মি. দূৰৰ ৰজাই বাস কৰা এটা পুৰণি অট্টালিকা আমাক দেখুৱাবলৈ লৈ গ'ল। প্ৰকাণ্ড প্ৰকাণ্ড খুটাৰ কাঠ বাহেঁৰে সজোৱা ঘৰটোতপুৰণি ৰজাদিনীয়া সংস্কৃতি এতিয়াও আটোম টোকাৰিকৈ আছে। ১২ মান বজাত ঘূৰি আহি কেম্প পালোহি। সেইটোৱেই আছিল আমাৰ শেষ কেম্প।

পিছদিনা ৰাতিপুৱা সোনকালে সাৰ পালো। সকলোৰে মনত হাঁহি বিৰিঙি উঠিছে ঘূৰি যোৱাৰ আনন্দত। সেইদিনাই আমি লাইকৰ্টৰ পৰা প্ৰথম কেম্প 'ওমৰয়'লৈ যাব লাগে। প্ৰায় ৫০ কি. মি. দূৰ। সোনকালে যাত্ৰা আৰম্ভ কৰিলো। কাৰণ আগৰ কেইবাৰতকৈ আজি অলপ বেছিদূৰ যাব লাগিব। গধূলি ৪-০০ মান বজাত কেম্প পালোহি। পিছদিনা সকলোকে ৰেষ্ট দিয়া হ'ল। সেই ছেগতে কিছুমানে বজাৰ কৰিলে। কিছুমানে আৰ্মি চিনেমা হ'লত চিনেমা চালে। এনেদৰে এক আনন্দ ময় পৰিবেশত শেষৰ দিনটো কটালো। পিছদিনা চিলংঙৰ 'ওমৰয়' কেম্পৰ পৰা ডিগবৈলৈ এখন বাচ ৰিজাৰ্ভ কৰি সকলোৱে খাই বৈ ১০-০০বজাত সকলোৰে পৰা বিদায় ললো। দিনৰ দিনটো, ৰাতিৰ ৰাতিটো একেখন বাচতে যাত্ৰা আৰম্ভ কৰি একেবাৰে পিছদিনা পুৱা ঘৰ পালোহি।

## -: Great Saying :-

*"He who knows others is learned ;*
*He who knows himself is wise."*

*- Leo Tsfe.*

*"It is a woman's business to get married as soon as possible, and a man's to keep unmarried as long as he can."*

*- George Bernard Shaw ; Man and Superman.*

*"Beauty is power ; a smile is its sword."*

*- Charles Reade.*


CARTOON CORNER
ITS EXAM TIME...
ROOM NO. XXII
ABSENT... ABSENT...
DONE! YOU HELP ME WITH THEORY I'LL DO YOUR NOMERICAL
ROLL 1, 2 3, 4, 5... ... 110
HURRY UP STUDENTS!
TIME TO START WRITING...
SHHH... NO TALKING SILENCE... PLEASE...
O GOD SAVE ME! DO SAVE ME!
MAY I COME IN... SIR!
RASHMI'S

# আলোচনী সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীৰ অভিমত :-

[ "মহাবিদ্যালয় আলোচনী" ৰ সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীৰ মতামত কেনে সেই সম্পৰ্কে জানিবলৈ কেইটিমান প্ৰশ্নসহ জনচেৰেক ছাত্ৰ-ছাত্ৰীৰ কাষ চপা হৈছিল। তেওঁলোকৰ মতামত সমূহ পাঠক বৃন্দৰ আগত দাঙি ধৰা হ'ল - সম্পাদক]

প্ৰশ্ন সমূহ :-

(১) মহাবিদ্যালয়ৰ 'দাপোন স্বৰূপ' আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনত আপুনি কেনেধৰণৰ বিষয়বস্তু অন্তৰ্ভুক্ত হোৱাটো বিচাৰে?

(What kind of subject-matters, do you think, should be included in the annual Collage Students' Journal esteemed 'The Mirror of the Collage'?)

(২) আপোনাৰ দৃষ্টিত মহাবিদ্যালয়ৰ 'মুখপাত্ৰ' বাৰ্ষিক আলোচনীখনে ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধনত কেনে ধৰণৰ ভুমিকা গ্ৰহণ কৰে?

( What role, in your view, does the annual College Students Journal Play in the development of mind and intellect of the student?)

(৩) মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য চৰ্চাৰ প্ৰতি থকা প্ৰবল অনীহাই উচ্চমান বিশিষ্ট আলোচনী এখনৰ প্ৰকাশত বাধাৰ সৃষ্টি কৰে। আপোনাৰ মতে ইয়াৰ প্ৰতিকাৰৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা উচিত?

( The indifference of the students for literary activities is the prime obstacle in bringing out a good magazine. What measures, accorading to you, should be taken for its remedy? )

**উত্তৰ সমূহ :-**

**ৰুণা ভাগৱতী**
**স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)**

(১) মহাবিদ্যালয়ৰ 'দাপোন স্বৰূপ' আলোচনী খন সম্পূৰ্ণ অৰ্থত ছাত্ৰ-ছাত্ৰী সকলৰ মানসিকতাৰ প্ৰতিফলন হোৱা উচিত । গতিকে ইয়াত সাহিত্য (গদ্য-পদ্য), বিজ্ঞান, দৰ্শন, ৰাজনীতি, সমাজ নীতি, যুক্তি তৰ্ক, সকলো বিষয়ৰে নতুন চিন্তাধাৰাৰে সমৃদ্ধ লেখা প্ৰকাশ পোৱা উচিত। লগতে 'ছাত্ৰ-ছাত্ৰীৰ অভিমত', 'পৃথিৱীৰ শেহতীয়া প্ৰযুক্তি বিদ্যা তথা সাধাৰণ জ্ঞান জ্ঞানৰ শিতান' আৰু এটা 'নৱ সৃষ্টি' নামৰ শিতান খোলা উচিত, য'ত ছাত্ৰ-ছাত্ৰীৰ নিজস্ব নতুন সৃষ্টিক অগ্ৰাধিকাৰ দিয়া হয়।

(২) মহাবিদ্যালয়ৰ 'মুখপত্ৰ' হিচাপে বাৰ্ষিক আলোচনীখনে প্ৰকৃতাৰ্থত তাত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলৰ মানসিকতা আৰু প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে। ইয়াৰ জৰিয়তে তেওঁলোকে নিজৰ সুপ্ত প্ৰতিভা, মননশীলতাৰ বিকাশ ঘটাব পাৰে আৰু চিন্তাশীল মনোভাবৰ জৰিয়তে মানসিক আৰু বৌদ্ধিক দিশত নিজকে আগুৱাই নিব পাৰে। লিখাৰ প্ৰৱনতাই অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে নিজৰ চিন্তা-ধাৰাক সু-সংগঠিত ৰূপত প্ৰকাশ কৰিবৰ বাবে সুবিধা দিয়ে। ফলত আত্মবিশ্বাস দৃঢ় হয় আৰু এক উন্নত ব্যক্তিত্ব সাধনত সহায় হয়।

(৩) ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ প্ৰতি থকা প্ৰবল অনীহাৰ বিষয়টো স্বাভাবিকতে অতি সত্য আৰু চিন্তনীয়ও। বৰ্তমান সময়ছোৱাই ছাত্ৰ-ছাত্ৰীসকলৰ নিজস্ব মতামত ডাঙি ধৰাৰ সময়। মাথো বৃত্তিমুখী শিক্ষাৰ মাজত নিজকে সীমাবদ্ধ ৰাখি,বাকী সমাজৰ আন সকলো দিশৰ প্ৰতি উদাসীন মনোভাৱ গ্ৰহণ কৰিলে এজন ছাত্ৰ বা এজনী ছাত্ৰী উন্নত বৃত্তিধাৰী হ'ব পাৰে কিন্তু প্ৰকৃতাৰ্থত উন্নত ব্যক্তিশীলমানুহ ৰূপে পৰিগণিত হব নোৱাৰে, যিটো সুস্থ সমাজৰ পক্ষে ক্ষতিকাৰক। বৰ্তমান চিন্তাশক্তিক প্ৰণালীবদ্ধ ৰূপত সংগঠিত কৰিব নোৱাৰাৰ বাবেই

সমাজত সকলো ক্ষেত্ৰতে অস্থিৰতাই দেখা দিছে। ইয়াৰ প্ৰতিকাৰ স্বৰূপে নিজৰ আবেগ আৰু চিন্তা শক্তিৰ সফল বিকাশ সাধন কৰা আৱশ্যক যাৰ বাবে বিস্তৃত অধ্যয়নৰ আৱশ্যক, চিন্তা-চৰ্চাৰ আৱশ্যক আৰু লিখা মেলাৰ আৱশ্যক । গতিকে নিজৰ সুপ্ত, সৎ, মানসিকতাক সঠিক ৰূপত প্ৰকাশ কৰিবলৈ প্ৰথম পদক্ষেপ হিচাপে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ সমালোচনা, মতামত আদি আলোচনীখনৰ জৰিয়তে আগবঢ়াব লাগে। ই আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে যুৱমানসিকতাৰ সম্পূৰ্ণ বিকাশত অৰিহণা যোগাব।

**ভূপেন গগৈ**

**স্নাতক ৩য় বৰ্ষ (কলা)**

১ ম কথা -

স্পষ্ট কথা, মহাবিদ্যালয়ৰ আলোচনী এখন মহাবিদ্যালয় খনৰ বাবে 'দাপোন স্বৰূপ'। মহাবিদ্যালয় খনৰ গভীৰতা স্বচ্ছতা নিৰূপন কৰি সামাজিকভাৱে নিকা স্থান দখলত সহায়ক স্বৰূপ।

সাহিত্য জগতত অতীতৰ পৰাই আলোচনীয়ে অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সম্প্ৰতি ইয়াৰ মৰ্য্যদা অত্যাধিক বৃদ্ধি পাইছে। মৰ্য্যদা, গুৰুত্ব লক্ষ্য কৰি সকলো ধৰণৰ বিষয় প্ৰকাশ পাব লাগে।

কিন্তু, মহাবিদ্যালয় এখনৰ আলোচনীৰ পৰিধি সীমিত। গতিকে সীমিত সম্বলেৰেই সকলো ধৰণৰ কলাৰ প্ৰভাৱ পৰিব লাগে। আকাৰ অনুসৰি সকলো ভাষা-সংস্কৃতি, ৰাজনৈতিক, দৰ্শন, অৰ্থনীতি, শিক্ষাতত্ব, বুৰঞ্জী, বিজ্ঞান বিষয়ক সাহিত্যৰ বৈশিষ্ট্য প্ৰকাশিত হৈ উঠিব লাগে।

আমাৰ মহাবিদ্যালয়ৰ আলোচনী সমূহেও শিক্ষামূলক সমস্যা সমূহ সমাধানৰ লগতে বৌদ্ধিক বিকাশত অৰিহণা যোগাই ছাত্ৰ সমাজক অনুপ্ৰেৰণা যোগোৱাত সহায় কৰে।

২ য় কথা -

মহাবিদ্যালয়ৰ আলোচনী এখনে ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক বিকাশত মহত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ লগতে মানসিক উৎকৰ্ষ সাধনত সহায় কৰে।

আলোচনী এখনত সাহিত্যৰ সকলোবোৰ দিশ নিহিত হৈ থাকে। ইয়াৰ পৰিসৰ বহল। সকলো দিশৰ সমাহাৰ ঘটে বাবে ছাত্ৰ-ছাত্ৰী সকলে স্ব-ইচ্ছাই সাহিত্যৰ যি কোনো দিশৰ বিষয় জ্ঞান অৰ্জন কৰাৰ সুবিধা পায়। সৰ্ব দিশত ভাৱ বিনিময় কৰি বৌদ্ধিক বিকাশৰ উপৰিও সামাজিক মৰ্য্যদা লাভ কৰাৰ সুযোগ পায়। ই সাহিত্য চৰ্চাত অনুপ্ৰেৰণা যোগায়। জীৱনৰ সবত্ৰে কাপ নিগৰাই স্ব-প্ৰতিভা উৎকৰ্ষ সাধনৰ লগতে ভাৱ প্ৰকাশৰ প্ৰেৰণা ও সুযোগ পায় একমাত্ৰ আলোচনীত।

৩ য় কথা -

আলোচনী এখনৰ মানদণ্ড নিৰূপণ কৰিব পাৰি একমাত্ৰ প্ৰকাশিত লক্ষ্য-উদেশ্যৰ ভিত্তিত। ই সাহিত্য বিকাশত কিমান দূৰ সাধিত হয় সেয়া লিখকৰ সমলৰ ওপৰত নিৰ্ভৰশীল। কম সাম গ্ৰীয়ে উচ্চ মানৰ বস্তু তৈয়াৰ কৰিব পৰাৰ দৰে কম সাহিত্য সমলেৰে ক্ষুদ্ৰ হলেও উচ্চমানৰ আলোচনী প্ৰকাশ কৰিব পাৰি।

সাহিত্য চৰ্চাৰ প্ৰতি থকা অনীহাই সাহিত্যৰ উৎকৰ্ষ সাধনত প্ৰতিবন্ধক স্বৰূপ নোহোৱা নহয়। বৰ্তমান সমাজৰ সুকুমাৰ কলাৰ প্ৰতি সৃষ্টি হোৱা হীন ভাবেই ইয়াৰ ঘাই কাৰণ। সাংস্কৃতিক সংগ্ৰামৰ জৰিয়তেহে পৰিবৰ্তনশীল সমাজক পুণৰ সজাব পৰা যাব।

ইয়াক প্ৰতিকাৰৰ বাবে নিম্ন উল্লেখিত ব্যৱস্থা কেইটি গ্ৰহণ কৰিব লাগিব -

(ক) সঘনাই সাহিত্য- সংস্কৃতি সম্বন্ধীয় আলোচনা চক্ৰ পাতি সাহিত্যৰ লক্ষ্য উদেশ্যৰ লগতে আদৰ্শৰ লগত বিশুদ্ধ আৰু জ্ঞানবাদী সাহিত্যৰ পৰিচয় ঘটাব লাগিব।

(খ) কবিতা-কুইজ-সংগীত চিত্ৰনাট্য আদিৰ প্ৰতিযোগিতা আয়োজন কৰিবলাগিব।

(গ) সাহিত্য, যিহেতু স্থান-কাল-ভাষা সাপেক্ষ, সেয়ে সকলো সময়ত সমূহ স্থানত একোটা ভাষাত সাহিত্য সৃষ্টি নহব পাৰে। তাৰ কাৰক উদ্‌ঘাটন কৰি এক সুন্দৰ পৰিবেশ গঢ়ি তুলিব লাগিব।

---o---

**Mousumi Kalita**
B.A. 1st Year

**Answers are :-**

(1) There are many important subject matters that can be included in the annual college students' Journal to make it a fine 'mirror of the college'. In my opinion, a college magazine should include some current topics or affairs which will be very fruitful for the students. A little space should also be given to sport news and comical event or topics which will make the magazine interesting. One can also include in it pictures of old historical monuments and give a brief description of their significance. Our college magazine can also include a few quizical and aptitude testing questions which will make the students energetic enough to discover their potentials. Moreover, a good art of the college can be published in the last page of the magazine which will make the magazine attractive. Other articles and poems are to be published as usual.

(2) The annual college students' journal really plays a vital role in developing the mind and intellect of the students. Firstly, it inspires and encourages the students to develop their initiatives and skills to write more and contribute - something positive. It developes the literary skill of a student. Secondly, the students as well as others can really have a knowledge of various subjects or topics provided. The articles or the subject matters published are meaningful and helpful. A student can also get the knowledge about a few very small things of which he/she in ignorant. Moreover, going through the college magazine will help the students more and more to know about the world and there abilities compared to it.

(3) Yes, it is true that the indifference of the students for literary activities is the prime obstacle in bringing out a good magazine. It is because the students' unwillingness to write or contribute something for the college magazine keeps the magazine incomplete and too small to be attractive or interesting. The main cause for this is that the students are unaware of the profit which they would get by their literary activities.

What strong measures can be taken for its remedy ? Everyone should remember that -

☆ Each one of us has been equipped with unique abilities and sensibilities. The need is to realise them and use our potentiality to the full.

☆ Teachers in their respective classes may give hints to the students to write and encourage them to develop their literary skill by helping them to write and by checking the articles they provide.

☆ Reading a variety of books can also help the students to create their literary activities.

☆ Conferences and meetings should be held where experts and prefessors can aid and advice the students and discuss the importance of literature.

These and many such remedial measures can be taken to develop the abilities of the students and thereby bring out a good and perfect college magazine.

000

# - শিল্পতৰঙ্গ -



উন্নতিৰ শিখৰত মানুহৰ ন-ন সৃষ্টি হ'বই ধৰিছে সৃষ্টিৰ নহয়, ধ্বংসৰ, মাথো ধ্বংসৰ !



দুচকুত অযুত স্বপ্ন, হৃদয়ত এবুকু স্নেহ



শিল্পীৰ দৃষ্টি ভিন্নমুখী ; পাঠকৰ বা কি ?

# শেষ বসন্তৰ হাঁহি

*শ্ৰীমতী ৰেখামণি দিয়াং*
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

মোৰ হৃদয় বিৰহ শোকেৰে ভৰা
তথাপিতো মই নোৱাৰো কান্দিবলৈ
আহত আশাৰে আছোঁ মই ৰৈ
সুখৰ দিনবোৰলৈ

কাৰ চকুৰ ইচাৰাত লুণ্ঠিত হয়
প্ৰভাতৰ তগ্‌বগ্ বেলি
চালো এবাৰ চকু মেলি
কিহৰ আকালত মই
হেৰুৱালো বাট

মোৰ হৃদয় অলঙে দলঙে
পিয়াপি দি ফুৰিছে নদীময় ৰোগ
স্পৰ্শৰো অতীত স্পৰ্শই
তমোময় কৰে মোৰ তৰঙ্গী দুখ

বগা তগৰৰ দৰে
বসন্তৰ গুঞ্জনেৰে
ভৰি পৰে মোৰ অভ্যন্তৰ !

এতিয়া বসন্তৰ শেষ উৎসৱ
কোনেও নাজানে
চকুলোবোৰ লুকুৱাই
লৈছোঁ মই বুকুত আকোঁৱালি
সমুদ্ৰ গৰ্ভৰ উত্তাপ হাঁহি।

০০০





# অনুভৱ

*শ্ৰীমতী মধুমিতা বুঢ়াগোহাঁই*
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

তোমাৰ কথা ভাবিলেই
গধুৰ হৈ পৰে মোৰ আকাশ !
জোনাকৰ বৰষুণে ধুৱাই পেলোৱা ৰাতিবোৰে
বুকুখন কুটি-কুটি খায়।
গুৰেটো ৰাতি মই তোমাৰ বাবেই চকুলো টোকো
তুমি অনাহাৰে, অনিদ্ৰাৰে একেটি পেৰাতে ভৰাই থৈছা
ধৈৰ্য্য আৰু ক্ষোভৰ সকলো সঁজুলী।
এই সুদীৰ্ঘ দিনৰ যুঁজখনত
ময়ে মোৰ প্ৰতিপক্ষ
একো নোকোৱাকৈ থাকিলেও
বহু কথা কোৱা হয়।
কেতিয়াবা শব্দহীনতাতো শব্দ শুনা যায়
আৰু তোমাৰ এই যে তন্ময়তা,
মই তাতো বিচাৰি পাওঁ তোমাৰ অকথিত ইতিহাস।
তোমাৰ কথা ভাবিলেই
সৰি পৰে মোৰ চকুৰ মুকুতা
শোকৰ শেতেলি তিয়াই।
জোনাকক বুকুত লৈ মই প্ৰতিটো
দিনেই বাট চাওঁ তোমালৈ
এদিন তুমি আগুৱাই আহিবা
অন্ধকাৰাচ্ছন্ন পৃথিৱী ভেদ কৰি
পুৱাৰ নতুন সুৰুযটো বুকুত লৈ ।

০০০

# কেৱল প্ৰেমেৰে তোমাক

অনীমা
স্নাতক ৩য় বৰ্ষ (কলা)

বাঃ সিদিনা
কুঁৱলী ফুলাৰ কথা নাছিল বাবেই বৰষুণ হৈ
বৰষি বৰষি তিয়ালা মোৰ বেৰ,মোৰ চাল
বৰষুণ আৰু বৰষুণ

সিদিনা, জানা প্ৰিয়ম্বদা-
দুহাত মেলি লেৰেলি পৰিছিল আন্ধাৰত
সাৰে থকা জিলিবোৰৰ বিকট্ চিঞৰ বোৰ
হাউলি পৰিছিল মাটিত, হালধীয়া আকাশ
সমুদ্ৰত, নদীৰ সৰ্ব্বস্ব বিষাদ

কলিজা ভঙা শব্দৰ চট্ফট্নিত
বাউল হৈ পৰিছিল লঠঙা পাহাৰ খন
বাটৰ দুৱৰি গছকি নিয়ৰ সনা সৰাপাতবোৰ
থৰফৰাই উঠিছিল আবেগত

উৰুষা চালেৰে অহা বৰষুণত
সেমেকি উঠিছিল, উৰুষা বুকুৰ গীত
বেহেলাৰ প্ৰতিটো বিলাপ
(অথচ সকলোতে নিৰ্জনতাৰ 'বা' বলিছিল)

সিদিনা ;
পাচঁকুৰি এখন
শলিতা লগোৱা মৃত মাটি চাকি
কুৰিটা কলৰ ডোঙত উটি গৈছিল

পুঁৱতি নিশা বহু পলমকৈ
কান্ধাৰ পৰা নমাই থৈছিলো
শোকাচ্ছন্ন খেৰৰ জুমুঠিটো।
সিদিনা জনাটো নাছিলো
আন্ধাৰৰ কঠিন ৰেলিঙত
নগ্ন আশাজনী
আত্মঘাতী হৈ ওলমি থাকিব......।

০০০

# মাজনিশা নিবনুৱা ভেকুলীৰ চিঞৰ

শ্ৰী মিতুল গগৈ

মাজনিশা শুনিলো
এজাক ভেকুলীৰ
মাতৃভূমি ৰক্ষাৰ হেতু
প্ৰতিবাদী কণ্ঠস্বৰ,
কেচঁা টোপনি
ভঙাৰ পাছতো
তিনিজন নিবনুৱা বিচনাৰ পৰা
অলপো হোৱা নাই লৰচৰ।
কৰ্মসংস্থাপনৰ চিন্তাত
সিহঁতৰ অহা নাই টোপনি
এইবাৰ কিন্তু তিনিও জনেই হ'ব নাপিত
আৰু হেনো আনি ল'ব এজনী এজনী।
টপা মূৰৰ চুলি কাটি ল'ব
কুৰি টকাকৈ দাম
সহধৰ্মিনীক পিন্ধাবলৈ
তাৰেই আহিব কাম
তিনিও অৰ্ধাংগিনী হঁতক
বিউটি পাৰ্লাৰ খুলি দিব
সংসাৰখন চলিবলৈ সিহঁতে
পাৰেমানে যাকে তাকে ঠগিব।

০০০



# আজি নিশাটোৰ বাবে

*জিতু কটকী*, স্নাতক ৩য় বৰ্ষ (কলা)

আজি নিশাটোৰ বাবে
বুকুৰ আঁচলৰ বিষ
হে, আকাশ
সামৰি-সুতৰি থোৱা তোমাৰ পথাৰত

তোমাৰ কাষলৈ উভতি আহিব নোৱাৰিলো, নিস্তেজ পোহৰত
দগ্ধ হৈ গলি ফাঁট মেলাৰ আগত
নোৱাৰিলো উভতিব, উঁইচিৰিঙাৰ মাতত সৰৱ হৈ উঠা
গধূলিৰ স্তিমিত পোহৰত

তোমাৰ কোনো কথাই মই নুশুনিলো
তাৰবাবে তুমি মোক দূৰৰ পৰাই ক্ষমা কৰা,
তোমাৰ আঁচলৰ নীলা কাপোৰত সামৰি লোৱা মোৰ চকুলো
আৰু, ভৰাই লোৱা দুমুঠিত নদীখনৰ মাজাৰ ডিঙিটো

হে আকাশ
এতিয়া তুমিয়েই স্পৰ্শ কৰি চোৱা
ভেঁটফুলৰ এমখা বিবৰ্ণ ক্ৰন্দন

অন্তত : আজি নিশাটোৰ বাবে
তোমাৰ ভঁৰাল দুহাতত, সানি লোৱা
সৰা ফুলৰ নিমাতী ৰং
আৰু তুলি লোৱা মোৰ তিতা কলিজা

হে আকাশ
মোক তুমি আঁতৰৰ পৰাই অলপ ছাঁ দিয়া
মোৰ আকুল অনুৰোধ
এতিয়া তুমিয়েই স্পৰ্শ কৰি ছোৱা
মোৰ চকুলোৰ নিৰৱ গোন্ধ

চকুলোৰ নিৰৱতাত দেওদি আহিলো ক'ৰবাৰ্ত
নীলা বতাহত হেৰুৱা মোৰ ঠিকনা
আৰু সৰা পাতত লিখা মোৰ হালধীয়া পৰিচয়

হে আকাশ
মোক তুমি আঁতৰৰ পৰাই অন্ততঃ এবাৰ স্পৰ্শ কৰা
আজি নিশাটোৰ বাবে ।

০০০



# কেৱল মোৰ জীৱন

*শ্ৰী অঞ্জন জ্যোতি দাস*
স্নাতক ২য় বৰ্ষ (বাণিজ্য)



চৰ দখলৰ দৰেই দখল কৰিছা তুমি
তুলি দিছো তোমাৰ হাতত মোৰ কলিজা
ইচ্ছা কৰিলেই তুমি চকুৰ টোপনি
মুখৰ হাঁহি
ওঁঠৰ নিৰৱতা কাঢ়ি নিব পাৰা ॥
ইচ্ছা কৰিলে কাঢ়ি নিব পাৰা মোৰ সৰ্ব্বস্ব
ইচ্ছা কৰিলে উভালি পেলাব পাৰা মোৰ দুখ
ইচ্ছা কৰিলে শিকলি পিন্ধাব পাৰা মোৰ ভৰিত
ইচ্ছা কৰিলে চিঙি নিব পাৰা হাত
হাতৰ আঙুলি ॥
চকুত দিব পাৰা চকুলো
ইচ্ছা কৰিলে ফাঁচীত আৰিব পাৰা মোৰ দেহ
মোৰ হৃদয়ে বিচাৰে তোমাৰ পৰাধীনতা-
কাৰণ ভাল পাওঁ যে তোমাক ॥
ৰাতিৰ নিজান পৰত
তোমাক বিচাৰি
খোলা খিৰিকিৰ ৰড্ড ধৰি কান্দো ॥
গলি যাওঁ সোণালী মমৰ দৰে
আজীৱন তোমাক যেন ভাল পায়েই থাকিম।
তুমি জানো জানা তোমাৰ মৰমে
মোক কান্দুৱাই মাৰে ।
তথাপি মই সুখী
কাৰণ মইযে বুৰ গৈ আছো
কেৱল প্ৰেমেৰে তোমাৰ ॥

০০০

# হে পুৰুষ, তোমাক নমস্কাৰ

ৰীমা গগৈ
স্নাতক ১ম বৰ্ষ (কলা)

হে পুৰুষ, তুমি নমস্য
পিতৃ, ভাতৃ, পতিৰূপে
তুমি চিৰ আৰাধ্য।
কাৰণ ধৈৰ্য্য আৰু একাগ্ৰতাই তোমাৰ ধৰ্ম
তুমি যুগে যুগে মহিমামন্দিত
সুনিল আকাশৰ দৰে
সুউচ্চ তোমাৰ হৃদয়
তোমাৰ বিনে প্ৰকৃতি অলংকাৰহীনা
দেৱৰূপে তুমি শিৰৰ ভূষণ।
হে পিতৃ, তমি সৰ্বশক্তিমান
ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰৰূপে
তুমি ধৰাক কৰা ৰক্ষা
ভিন্নৰূপে তুমি যুগে যুগে অৱতাৰ
কেতিয়াবা তুমি হোৱা
দানবীৰ কৰ্ণ অথবা ধৰ্মৰাজ যুধিষ্ঠিৰ
আকৌ কেতিয়াবা হোৱা
স্বাৰ্থপৰ দুৰ্য্যোধন
তথাপি তোমাৰ বিধ্বংসী ৰূপত
পৃথিৱীৰ বায়ুমণ্ডল হয় ত্ৰস্তমান
সেয়ে তুমি চিৰপূজ্য
ঐশ্বৰ্য্যত তুমি লক্ষ্মীপতি
বিদ্যাৰ তুমি সহচৰ
সৃষ্টি আৰু ধ্বংসৰ মূলতেও তুমি
পৃথিৱীৰ মায়া-মমতাৰ বান্ধোনত
তুমি কাম্য, চিৰস্মৰণীয়
গম্ভীৰ সৰলতা আৰু কঠিনতাও
তুমি নীলকণ্ঠ
যদিও কাৰোবাৰ বাবে তুমি আজি
অত্যাচাৰী, দাম্ভিক, মুখাধাৰী, প্ৰবঞ্চক
তথাপি সৃষ্টিৰ প্ৰেৰণাৰ উৎস
তোমাৰ কৰ্ম, ধৰ্ম ও স্থিতি স্বীকাৰ্য্য
হে পুৰুষ, তুমি নমস্য
তোমাক নমস্কাৰ।

০০০






শ্ৰী ৰাজু হাজৰিকা
মা: ২য় বৰ্ষ (কলা)

মই কবি
নাভাবিবা মোৰ কবিতাৰ ছন্দ নাই বুলি
মই কবিতাৰে আকোঁ ছবি
সুখ, দুখৰ সামৰি।

মই মোৰ কবিতাৰে
সাৰে থাকি নিজম ৰাতি
পৃথিৱীৰ সেউজৰ সতে গুপ্ত অভিসাৰ ॥

কেতিয়াবা
যাওঁ মই পাতাললৈ
নিজকে পখালিবলৈ।

সৰগৰ পাৰিজাতৰ
পাহে পাহে বগাওঁ মই
নিজকে সুগন্ধিৰে সজাবলৈ,
আৰু যাওঁ
মাতাল ৰাতি
মোৰ প্ৰিয়াৰ কাষলৈ
মৰমবিচাৰি একাঁজলি
মৰমৰ ফুলেৰে সজাওঁ মই
মোৰ কবিতাৰ পাহি ॥

যাওঁ মই কৰোবাৰ সপোনলৈ
সন্তৰ্পণে বিচাৰি
ৰহস্য গোপন
মই কবি মই কবি
কল্পনাই মোৰ লগৰী
মোৰ সপোনৰ পাৰত
শব্দই নাচে ঢেঁও ধৰি ধৰি ॥

০০০

# স্পৰ্শ

মৃত্যুঞ্জয়
স্নাতক তৃতীয় বৰ্ষ (কলা)



কেতিয়াবা
টোপনিতে বুকুত খাঁজ কাটি
আকাশলৈ

তোমাক লগ পাবৰ বাবে
হাতৰ, ভৰিৰ তলুৱাৰে
চুমিছো ভৰিৰ তলুৱাৰ মাটি

আৰু কেতিয়াবা
উজাগৰি বন্দৰৰ ভগ্নস্তুপৰ পৰা
বৰফত খাঁজ কাটি বোৱা নদীৰ কাষলৈ

এনেদৰে হাজাৰ বছৰ যেন
হাতত সাৰে, ভৰিত সাৰে
বিচাৰি ফুৰিছো তোমাৰ
চিণ্ডা মাটিৰ মাত

আৰু কিমান দিন যেন
আকাশৰ পৰা মাটিলৈ
মাটিৰ পৰা আকাশলৈ
শব্দহীনতাৰ উচুপনিত ডেউকা মেলি

তোমাক বিচৰাৰ পথত এনেদৰে
নদীয়ে স্পৰ্শ কৰে মোৰ বুকু
আৰু তেনেদৰেই
নদীৰ হাতৰ নখত লাগি
কতা ঘাঁৰ দৰে, বুকুত থাকি যায়
তাৰ কেচাঁ দাগ।

০০০

# হৃদয়ৰ অনুভূতি

নৱনীতা কোঁৱৰ
স্নাতক ১ম বৰ্ষ (কলা)

তুমি দূৰণিত আছা
সেয়াই মোৰ দুখ
দুচকুত ভাঁহি থাকে
তোমাৰ লাৱনি মুখ
বুকুত বেদনা মোৰ
পাই হেৰুৱাৰ
নিশাৰ আন্ধাৰতেই হৃদয়ৰ বেদনা
গভীৰ হয়
ক'ত যে হেৰাল মোৰ প্ৰেম ..... মোৰ শব্দ
মোৰ কল্পনা ..... মোৰ অনুভৱ
হৃদয়ৰ কথা ক'বলৈ
এতিয়া মই অসমৰ্থ
মোৰ শিৰাই শিৰাই মাখো বিয়পিছে
এৰি অহা দিনৰ বিধ্বস্ত স্বপ্ন ....
তথাপি আলফুলে ৰাখিছো ঢাকি
হাঁহি হাঁহি নিজকে দিছো ফাঁকি
তুমি কৈছিলা .........
কিন্তু মোৰ আছিল সাহসৰ অভাৱ
আচলতে কি জানা
মুখ খুলি কথা নোকোৱা
এয়াই মোৰ স্বভাৱ।

০০০



# এই চহৰৰ প্ৰাচীন প্ৰেমিক

*দীপেন কুমাৰ বড়া, প্ৰাক্তন ছাত্ৰ*



মই এই চহৰৰ প্ৰাচীন প্ৰেমিক
মোৰ শৈশৱ
মোৰ কৈশোৰ
আৰু যৌৱনৰ প্ৰতিটো স্মৃতিৰ আঁৰত জড়িত
এই চহৰৰ বায়ু, পানী, আকাশ ।

জন্মসূত্ৰে এই চহৰৰ প্ৰতিটো পুৰাৰ সতে
মোৰ প্ৰাচীন সম্পৰ্ক আছে
ইয়াতেই গঢ়িছো, ভাঙিছো
8. **Nepalis** :- The Nepalis came to Assam during the reign of the British rulers in search of various services. As the govt. alloted the land of 9 (nine) miles from Margherita to Jagun to all those who retired from Assam Riffles, they started to live here permanently. Later, the relatives of these people came from Nepal and settled here. The Napalis are very progressive and advanced in literature and other cultural activities. They belong to Hindu religion and their main festivals are Durga Puja and Bhaiphota. In the village areas, the Nepali people earn their living by agriculture, farming, and taming cows and buffaloes. In the Margherita sub-division, majority of them are milk suppliers.

9. **Bengalis** :- Before the Independence of India, the head quarters of North Eastern Frontier railway was situated in Pahar Talle in the district of Chatragram. So, the majority of the Bengalis were working in the Railways. Later, after the partition, the head quarter was shifted to Maligaon. And, during this period, the Govt. offered an option to the Bengalis to transfer to Maligaon if they desired to do so. For this reason, many of them were transfered to Maligaon and gradually reached Margherita

LIBRARY COPY



sub-division through Lamding and Tinsukia. Thus, after their retirement, they parmanently settled here. Moreover, the Bengalis spread in this sub-division mainly for two reasons :-

(i) firstly, due to the communal riot in erstwhile Pakistan in 1964 between Hindus and Muslims ; and

(ii) Secondly, in 1971, during the struggle of Independence in Bangladesh the boarder was open for some days and within this period many of the Bengalis entered Assam.

Besides that, after the Independence of India when the Silate, Naukhali, and Chatragram district became the neighbouring countries of Assam, many of these people migrated to Assam at the time of partition and thus some of them reached this sub-division. But before Independence the Silate district was a part of Assam and so in search of services many of these people reached here. The people of Silate district were very much advanced in Education, so they didn't find much difficulty in case of services.

The main festival of the Bengalis is Durga Puja. In the Margherita sub-division the Bengali people are of three religions. Majority are Hindu and Muslims and the least are Buddhist.

10. **Hill Tribes**

(i) **Deuries** :- The Deuries are the local people of the Margherita sub-division. They seem to be staying here in different small villages. They belong to Hindu religion and speak Assamese.

(ii) **Singphos** :- The Singphos are the aborginal people of this sub-division. They inhabit in the Tirap region and in some of its surrounding areas. They earn their living by agriculture, farming etc. Though their language in Assamese, they have their own 'Duan' (Dialect). They belong to Budhism. Their main festivals are Nawapoi and Pharpoi.

(iii) **Duranias** :- They are one of the classes of the Bodo races. The Duranias are the offsprings of the emancipated slave from the custody of the Singphos. Their religion is Budhism. Though they speak Assamese, they too have their own 'Duan'.

(iv) **Tangsa Naga and Sema Nagas** :- The Britishers had brought some of these Nagas as porters to Tirap and had allowed them to settle in the 'Lal pahar'. At times, these Sema Nagas married the Tangsa girls and settled here permanently. The Sema Nagas follow Christianity ; while the Tangsa Nagas belong to Budhism.

11. **Others (Hindi speaking people)** :- Besides, the above mentioned races, there are also a group of Hindi speaking races who had come to Assam in search of service, business and other professions. They gradually reached the Margherita sub-division. Among them Marwaris (Rajasthanis) are the oldest. Their religion is Jain. Besides, there are also a group of Panjabies who follow Sikh religion. They built their Gurudwaras at Margherita and Digboi etc. While the Muslims of this society go to the Mosque.

12. **South Indians** :- There are many South Indians in this sub-division belonging to service holders. They are mainly from Andhra Pradesh, Karnataka, Kerala etc. But they are not the permanent races of this sub-division.

**Conclusion** :- Margherita sub-division has a beautiful surrounding with the Burhi Dehing and the National Highway 38 passing through it. If we notice the above human races and societies, we come to know that Margherita sub-division has not been built with a particular race or society but with the unity of diverse societies, races, religions and cultures.

# Indian Culture

## Rabindranath Tagore : As a Thinker

*Lachit Bora*
B.A. Final Year

Rabindranath Tagore (1861-1941) always claimed that he was essentially a poet. He had started lisping numbers from childhood and continued writing various types of poetry to the very end of his life. He was also a dramatist, short story writer, novelist and essayist. Besides, he has contributed interesting travelogues, reminisences, books for children and volumes of letters written to friends in India and all over the globe. He was also not averse to joining issues with any protagonist on any question of public interest and became polemical at times for he had very definite and passionately held views in the areas.



Tagore had two great advantages at birth. He was born with the proverbial silver spoon in his mouth. His was a landed family with vast "Zamindari" in various parts of Bengal. More than that he was a genius born in the family of geniusmen of great standing in religion, arts and public life - men who were in the fore front of the social, cultural and religious movements in Bengal, which were started in the wake of Indian renaissance under the impact of western ideas, brought to us by the British. These new ideas and challenges had stirred the souls of all thinking people in India in the 19th century and forced them to realise that they must transform themselves, their institutions and society if they wanted to preserve their ancient culture and way of life. They must critically examine their own ideas, customs, traditions and devolop on modern scientific lines in order to be self - possessed and self - reliant.

People like Raja Rammohan Roy and Swami Dayanand had started movements like the Brahmo Samaj and Arya Samaj in different parts of the country. By the time Tagore was born in 1861, Brahmo Samaj was well established and quite advanced in Bengal. Members of his family were the leaders of this move-

ment.

Brahmo Samaj aimed at reforming the Hindu religion and restoring its Pristine glory by divesting it of all ugly incrustations like idolatry and evil social customs such as sati, child marriage, treatment of women in general and widows in particular, tyranny of the priests in enforcing certain rites of passage on important occasions in man's life such as birth, marriage and death, resulting in great exploitation of poor, ignorant and superstitious village folk. And last but not the least, to spread education among the masses to enlighten their minds with the new scientific ideas of the western world.

Rabindranath Tagore's forebears like Dwarkanath Tagore and Prasanna Kumar Tagore were contemporaries of Raja Rammohan Roy. They were his colleagues and leaders of the Brahmo Samaj. In 1843 the leadership of the movement was formally handed oner to Maharshi Davendranath Tagore, the grand father of Rabindranath, who brought new inspiration and strength to it. The poet's father, Debendranath also entered the Brahmo fold in the same year and never wavered after that. Tagore was, therefore, exposed to the liberal ideas from his early childhood. Besides, the Tagore family lived in an exciting ambience of music, drama and such other cultural pursuits. It is in this liberal and cultural atmosphere that Tagore, the artist and thinker matured.

One important fact must be kept in mind when we consider Tagore as a thinker. Tagore was a voracious reader throughtout his life. His mind was encyclopaedic and his interest and concerns embraced art, literature, history, culture, religion, sociology, philosophy politicis and what not. His aim in his scholarly pursuits, according to Niharranjan Roy, was unceasing and life - long attempt to weave into the pattern of his being whatever was creative in thought, imagination and visions of India's past, from the days of the Vedas and Upanishads right upto his own. Formally and spiritually he aimed at an interpretation and complete identification of his individual personality with the personality of India as he saw and understood it.

**On Tradition, History and Culture :**

After a deep study in these areas and after considerable thought, Tagore came to his own interpretations of different movements of history and culture. About Indian history and culture he wrote widely but his main contentions were :

(a) That the essence of Indian cultures is that inspite of conflicts, contradictions and occasional ups and downs of victories and defeats, the thrust of Indian culture was to achieve unity in diversity, i.e., the historical force was integrative and synthetic. The attempt was always without annihilating them.

(b) That the nature and character of Indian history is not political but social and cultural. The Indian social set - up was so organised that village communities of varying sizes were self - reliant for their material and spiritual needs and their inner cohesion was achieved through cultural development over a long period with the result that centralised state power was not so important in India, and changes at the top neither changed our destiny nor affected the continuity of our culture. We always had 'Swadeshi Samaj', if not 'Swadeshi Rashtra'.

(c) Political domination of India by a for-

eign power was due to social evils such as rigid casteism, sectarianism, bigotry, narrowness, parochialism, greed and misuse of power. These evils led to the disintegration of the ancient social fabric of our society. It was not only through militarism and aggression from outside that we lost our freedom. The triumph of India in the past was achieved through peace, unity and harmony among its people, regions and classes and not through aggressive reassertion of our nationality. This harmony, according to Tagore is the inner law of nature and all nations should move towards it.

The true Indian tradition, according to Tagore, is constituted by our heritage of Advaitism, Upanishadic wisdom, Buddhism, by classical Sanskritic literature and tradition, by the medieval mystic tradition developed by saint - poets like Kabir, Nanak, Chaitanya, Dadu and the Vaishnava poets of Bengali. Tagore also valued the culture of the aboriginal and the primitive.

Tagore imbibed the Upanishadic wisdom and used it as a dominant element in his poetry and in evolving a humanistic, national ideology. He obtained from Indian history and tradition elements like the equality of man, universal love and brotherhood and freedom from rigidity and bigotry. Medieval surfism, Vaishnavism, Auls and Bauls, all contributed to this tradition. This is the consistant tradition of rural and agricultural India. This tradition was rooted among the common toiling masses whose life depended on constant mutual interdependence.

He sifted his own tradition and culture, studied the history of his own century and of mankind, and selected those elements from diverse sources - past and present, Indian and non - Indian, without self-consciousness or prejudice to form his own philosophy of love, co-operation, co-existence, material and spiritual development of India and all mankind.

---

**থোৰতে**

ভাৰতৰ গ্ৰন্থাগাৰৰ আন্দোলনৰ পিতৃ ডঃ এছ. আৰ. ৰংগনাথন

১) জন্ম ঃ- ১৮৯২ চনৰ ১২ আগষ্ট, তামিলনাডুৰ টানজুৰ জিলাৰ শিৱালীত ।

২) সম্পূর্ণ নাম ঃ- শিৱালী ৰামামৃত্ত ৰংগনাথন ।

৩) শিক্ষা ঃ- অংক শাস্ত্ৰত এম এ, প্ৰথম শ্ৰেণী, ১৯১৬ চনত ।

৪) কর্মজীৱন আৰম্ভ ঃ- মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ গ্ৰন্থগাৰিক হিচাপে ।

৫) গুৰুত্বপূৰ্ণ কৰ্মসমূহ ঃ-
- (ক) 'Five Laws of Liberary Science' নামৰ গ্ৰন্থ প্ৰকাশ (১৯৩১)
- (খ) 'Colon Classification' উদ্ভাৱন (১৯৩৩)
- (গ) লাইব্ৰেৰী এচ'চিয়েচন প্ৰতিষ্ঠা (১৯২৮)
- (ঘ) 'Indian National Scientific Documentation Centre' প্ৰতিষ্ঠা (১৯৫২ চনত UNESCO ৰ সহযোগিতাত)

৬) উপাধি লাভ ঃ-
- (ক) ৰাওচাহিব (১৯৬৫ চন)
- (খ) ডি লিট (দিল্লী বিশ্ববিদ্যালয়ৰ দ্বাৰা ১৯৪৮ চনত আৰু পেনচিলভেনিয়াৰ পিট্‌চপাৰ্গ বিশ্ববিদ্যালয়ৰ দ্বাৰা ১৯৬৪ চনত)
- (গ) পদ্মশ্ৰী (১৯৫৭)
- (ঘ) Margaret Mann Citation (আমেৰিকান লাইব্ৰেৰী এচ'চিয়েচনৰ দ্বাৰা ১৯৭০ চনত)

৭) মৃত্যু ঃ- ১৯৭২ চনৰ ২৮ ছেপ্তেম্বৰ ।

## Pinnacle of Lunacy

*Rashmi Datta*
B. A. Final Year

Sudden, unruly attack -
On an innocent, lively teen,
Engrossed in her efforts to establish her career,
Unaware of this inexorable world
Is drenched in a perilous attack of steaming acid.

Shouts ! screams ! howls ! struggles and strives,
To forbear her gruesome burns
Rushed for medication
Alas ! she survives no more -
A formidable experience full of heart - rending pathos.

A wrenching emotion strikes all
All the witnesses to this lurid nefarious act
But, can the law vindicate ?
Can the law repress ?
This utter moral degradation,
The increasing crime rate of this nether world
The ever growing power of the unmitigated villains
Who has led to the utter extirpation
of this Paradise into a Hell.

Is a question unanswerable,
The culmination of a lunatic, world
A world mad in the race,
the race for passion and wealth !
000



## Tear

*Ashwini Saikia*

You don't utter any word
And, I know you won't !
But, you always approach that way ;
When the evening sprinkles damp touch.
You write the language of silence ;
Which I am unable to read.
I feel your approach ;
When my palms are wet.
I want to conceal you ;
From the eyes of others.
But, the memories which you had left
Ah ! me ! how can I conceal ??
I know ! you will reiterate ;
Which too is my need.
But, when you ever come to me ;
Be aneverlasting flower ??
000

# Rarity

*Arun Ghimira*
B. A. Final Year



(1)

Bring me a bunch of lovely flowers,
Which may tell your love for me ;
Wherein I might find hour by hour,
Thy lovelier face in days lonely.

(2)

Yet flowers are but flowers - that wither away,
But thy beauty, which is a rarity
In this world of death and decay,
Victoriously shalt outlive Time's cruelty.

(3)

And though Beauties too have their destiny,
Forever thou shalt be an inspiration to me ;
Living, thou shalt earn infinite fame
And dying, immortalize thy glorious name.

000

# This is life

*Sanjay Das*
B. A. 2nd Year

Life is Play to a Boy
Life is Love to a Youngster
Life is Sorrow to an Old man
Life is Curse to a Poor man
Life is Enjoyment to a Rich man
Life is Lottery to a Gambler
Life is Money to a Miser
Life is Discovery to a Scientist
Life is Power to a Politician
Life is Responsibility to the Head of the Family
Life is Mystery to a Philosopher
Life is Bliss to a Saint
Life is Sweet and Sour
But Life is short, Decay, Death is Common to all
To a Saint or a Sinner.

000

# Secret Dream

*Anamika Raj*
*B. Sc. Students*
*(From Wall Magazine)*

Somthing had to turn newly
it's so Good !
I awake up with the greet
while come to under the special treat
Nobody knows it causes how !
Only the person who is thou
Oh ! Dear ....... make me no tear
Happens always turn to cheer......
As I go on soundless sleep
Everything in my heart just for keep.





# প্ৰতিবেদন
## সাধাৰণ সম্পাদক

"জননী জন্মভূমি স্বৰ্গাদপি গৰীয়সী" মাতৃভূমিতকৈ চেনেহৰ ঠাই এই ধৰাত পাবলৈ নাই। সেইবাবে প্ৰতিজন লোকে নিজৰ মাতৃভূমিক নিজৰ প্ৰাণতকৈও ভাল পায়। এই মাতৃভূমিৰ স্বাৰ্থ আৰু সন্মানৰ হকে যি সকল স্বহীদে অকালতে নিজৰ জীৱন আহুতি দিলে সেইসকল শান্তিপ্ৰিয় বীৰ শ্বহীদৰ পবিত্ৰ স্মৃতিত মোৰ শোকভৰা অশ্ৰু অঞ্জলি যাচিছোঁ।

হিয়াভৰা শুভেচ্ছা যচাৰ লগতে অশেষ ধন্যবাদ জ্ঞাপন কৰিছো সেই সকল ছাত্ৰ-ছাত্ৰীলৈ যিয়ে মোক সাধাৰণ সম্পাদকৰ দৰে গুৰুদায়িত্ব অৰ্পণ কৰি মহাবিদ্যালয়খনৰহকে সেৱা কৰাৰ সুবিধা প্ৰদান কৰিলে। ডিগবৈ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ সহযোগত সাধাৰণ সম্পাদকৰ বাবে নিৰ্বাচিত হলো যদিও নাজানো ছাত্ৰ একতা সভাৰ অতি আদৰৰ আৰু চেনেহৰ এই আসন খনৰ সদ ব্যৱহাৰ কৰিব পাৰিলোনে নাই। যদি নোৱাৰিলো অথবা মোৰ অনিচ্ছাকৃত ভূল যদি বৈ গল তেন্তে সকলোৰে ওচৰত কৰযোৰে ক্ষমা ভিক্ষা মাগিছো।

এই কথাষাৰি ধ্ৰুৱ সত্য যে "মানুহ মাত্ৰেই ভুল হয়।" অপৈনত অভিজ্ঞতাৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ পদবী গ্ৰহণ কৰি একতা সভাখন পৰিচালনা কৰোতে মোৰ অজ্ঞাতে তথা একান্ত অনিচ্ছা সত্বেও অনেক ভূল ভ্ৰান্তি বৈ যোৱাটো তেনেই স্বাভাৱিক। তদুপৰি কৰ্তব্য সম্পাদনৰ পথত বহু সময়ত বহুজনক হয়তু কথোৰ মাত তথা অবাঞ্চিত ব্যৱহাৰো কৰিব লগা হৈছিল, সেয়েহে এই চেগতে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

মহাবিদ্যালয়ৰ পৰম্পৰাগত নিয়মানুসৰি আলোচনী সম্পাদক তথা বন্ধুবৰ নীলোৎপল শইকীয়াৰ অনুৰোধ সুচক তাগিদাৰ পৰিপেক্ষিতত মোৰ কাৰ্য্যক্ৰমণিকাৰ চমু খতিয়ানৰ লগতে মোৰ কাৰ্য্যকালত পোৱা দুটিমান অভিজ্ঞতাৰ আলোকপাতহে কৰিব বিচাৰিছো।

শান্তি, ঐক্য, সম্প্ৰীতি, প্ৰেম, পাৰস্পৰিক বুজা-বুজি আদি উপাদানে ভৰপুৰ সুজলা- সুফলা শস্য-শ্যামলা এখন মনোমোহা দেশ আমাৰ সকলোৰে কাম্য। সুস্থ চিন্তাধাৰাৰ বিজ ৰোপন কৰিবলৈ হলে আমাৰ সমাজখন নিকা হোৱাৰ লগতে সমাজৰ প্ৰতিজন ব্যক্তিয়েই নিকা হোৱাটো বাঞ্চনীয়। সু-সংগঠিত জীৱনৰ মৌলিক উপাদান হৈছে শিক্ষা। শিক্ষাই হৈছে ব্যক্তিৰ নৈতিক চৰিত্ৰ গঠনৰ মাপকাঠি। আস্থাহীনতাৰেই আমি ভাবিবলৈ বাধ্য হৈছো যে, আজিৰ শিক্ষা ব্যৱস্থাই মানসিক সংঘাটৰহে সৃষ্টি কৰিছে। ইয়াৰ মূলতে হ'ল নতুন পাঠ্যক্ৰমৰ আসোৱাহ সমূহ। আৰু ইয়েই আজি ছাত্ৰ-ছাত্ৰীৰ মাজত সন্দেহৰ বীজহে ৰোপন কৰিছে। ইয়াৰ মূলতে আমাৰ সমাজ ব্যৱস্থা। আজিৰ সমাজখন ইমানেই স্বাৰ্থপৰ হৈ পৰিছে যে, প্ৰত্যেকেই কেৱল নিজক লৈয়েই ব্যস্ত। উচ্চ-নীচ, ধনী-দুখীয়া, জাতি-ধৰ্ম আদিৰ বিচাৰ সততে সমাজত প্ৰচলিত হৈ আহিছে। ভাষা, ধৰ্ম, উচ্চ-নীচৰ ভেদাভেদ, অৰ্থনৈতিক সামাজিক অনিশ্চয়তা আদিৰ বিশৃঙ্খলতাই যুৱ সমাজক এক তিক্ত অভিজ্ঞতাৰ মুখা-মুখী কৰিছে। সেই অভিজ্ঞতাই তেওঁলোকক জীৱনৰ কোনটো দিশলৈ টানি নিছে সেইয়া সকলোৱে দেখিছে। চৌদিশে যুৱ সমাজ আজি উদণ্ড আৰু অনুশাসনহীন হৈ পৰিছে। গতিকে যুৱ সমাজক সুন্দৰ সবল ৰূপত গঢ়ি তুলিবলৈ অভিভাৱক, সমাজ, শিক্ষানুস্থান, চৰকাৰ সকলোৱে চেষ্টা কৰিব লাগিব। আমাৰ সমাজত গা কৰি উঠা বিভিন্ন সমস্যাৱলীৰ ভিতৰত অন্যতম প্ৰধান সমস্যা হল সাম্প্ৰদায়িক সংৰ্ঘষ। বিশ্বজনীনতা, মানৱীয়তা, আদিক উপেক্ষা কৰি ক্ষুদ্ৰ আৰু ন্যস্থস্বাৰ্থৰ বাবে বিভিন্ন দল-উপসল সমূহে সমাজত অনৰ্থক অশান্তিৰ সৃষ্টি কৰাত আগভাগ লৈছে। সেয়েহে সংকা আৰু অনিশ্বয়তাৰ মচত ডুবযোৱা যুবক সকলৰ ভৱিষ্যত সম্পৰ্কে চিন্তা কৰাটো যি কোনো চিন্তাবিদৰ বাবে অতি প্ৰয়োজন। যুৱ সমাজত সুস্থচিন্তা আৰু যুক্তিৰ অৱক্ষয় যাতে হবলৈ নাপায় তাৰ প্ৰতি সচেষ্ট হোৱাৰ সময় সমাগত। সুস্থ সবল মনৰ অধিকাৰী হবলৈ হলে আমি অশেষ কষ্ট স্বীকাৰ কৰিব লাগিব। সমাজখনৰ বাতাৱৰণক সংশোধন কৰিব লাগিব। আমি নিজকে সংশোধন কৰিব লাগিব। এই ক্ষেত্ৰত বন্ধু-বান্ধৱী অভিভাৱক তথাকথিত ব্যক্তি সকলৰ দৃষ্টিভঙ্গী উদাৰ আৰু গঠনমূলক হোৱাটো একান্তই বাঞ্চনীয়।

আমাৰ কাৰ্য্যকালৰ সাফল্য-

(১) মহাবিদ্যালয় খনৰ মূল তোৰণখন নতুনকৈ ৰং দিয়াব ব্যৱস্থা কৰা হয়।

(২) পুথিভৰাঁললৈ যোৱা পথটোৰ লগতে ছাত্ৰী আবাসলৈ যোৱা পথটো পকীকৰণ কৰা হয়।

(৩) ABITA ই দিয়া বিজ্ঞান শাখাৰ ল্যাবৰেটৰিৰ বাবে এটা ভবন নিমাৰ্ণ কৰি উলিওৱা হয়।

(৪) মহাবিদ্যালয়ৰ Notice Bord খন নতুনকৈ নিমাৰ্ণ কৰা হয়।

আমাৰ দাবী সমূহ-

(১) মহাবিদ্যালয়ত অতি শ্ৰীঘে এটা ছাত্ৰ আবাস নিমাৰ্ণ কৰক।

(২) পো ফাণ্ডৰ পুঁজিৰে দুখীয়া ছাত্ৰ-ছাত্ৰীক কিতাপ দিয়াৰ ব্যৱস্থা কৰক।

১৯৯৯-২০০০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হৈ কি কৰিব পাৰিলো সেইয়া বিচাৰৰ ভাৰ আপোনালোকৰ হাতত। কাৰ্য্যভাৰ হাতত লোৱাৰ লগে লগে বহুতো সমস্যাৰ সন্মুখীন হৈছিলো যদিও একান্ত ধৰ্য্য, সাহস, একাগ্ৰতাৰ হেতু পৰিস্থিতি শান্ত কৰিব পাৰিছিলো। এনে এটা গুৰুত্ব পূৰ্ণ পদত অধিস্থিত হৈ ভাবিছিলো আপোনালোকৰ সহায়- সহযোগ বহুমূলীয়া আৰ্শীবাদ সহ দিহা-পৰামৰ্শ শিৰত লৈ লগতে একতা সভাৰ বিষয়-ববীয়াৰ সতে আলোচনাৰ মৰ্মে মহাবিদ্যালয়ৰ হকে কিবা এটা কৰিম। এষাৰ প্ৰৱচন আছে যে "আলচা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি।" ভবা কথা মনতে থাকিল ঐক্য ভাবৰ অভাবৰ বাবে সেয়া আশানুৰূপ ভাবে বাস্তৱত হৈ নুঠিল। প্ৰতিজন বিষয় ববীয়াই পদবীত অধিষ্ঠিত হোৱাৰ লগে লগে নিজকে বৰ লোক বুলি ভবাটোৱেই ইয়াৰ মূল কাৰণ। সেয়েহে মই পৰৱৰ্তী ছাত্ৰ একতা সভাখনৰ প্ৰতিজন বিষয় ববীয়াকে বিনম্ৰভাবে অনুৰোধ জনাইছো যাতে তেওঁলোকৰ নিজৰ দায়িত্ব আৰু কৰ্ত্তব্য সুচাৰুৰূপে সম্পাদন কৰি মহাবিদ্যালয়ৰ স্মৃতিৰ পাতত তেওঁলোকৰ নাম জিলিকাই ৰাখে।

সদৌ শেষত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় শিক্ষাগুৰু, কৰ্মচাৰী আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকললৈ মোৰ হিয়া ভৰা মৰম আৰু আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰি মহাবিদ্যালয় খনে দোপতদোপে উন্নতিৰ পথত অগ্ৰসৰ হওক

তাকেই কামনা কৰি প্ৰতিবেদন সামৰিছো।

ধন্যবাদ সহকাৰে -

জয় আই অসম

ছাত্ৰ ঐক্য জিন্দাবাদ

বন্তু সোনোৱাল

সাধাৰন সম্পাদক

ডিগবৈ মহাবিদ্যালয়

১৯৯৯-২০০০



# প্ৰতিবেদন

## সহঃ সাধাৰণ সম্পাদক

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, পূজনীয় শিক্ষা গুৰু সকল আৰু ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক অভিনন্দন আৰু ধন্যবাদ যাচিছো। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু সহপাঠি বন্ধু-বান্ধৱীৰ অনুপ্ৰেৰণাত ১৯৯৯-২০০০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ পদত মই বিনা প্ৰতিদন্দিতাৰে নিৰ্বাচিত হওঁ। এই গুৰু দীয়িত্ব বহু আস্থা আৰু আত্মবিশ্বাসেৰে মোৰ ওপৰত অৰ্পণ কৰাৰ বাবে সহৃদয় সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। এবছৰীয়া কাৰ্য্যকালত মোৰ সীমিত জ্ঞান আৰু সামৰ্থৰে আপোনালোকক কেনেদৰে নেতৃত্ব দিলো আৰু মহাবিদ্যালয়ৰ উন্নতিৰ বাবে কি কৰিব পাৰিলো-নোৱাৰিলো তাৰ চমু খতিয়ান এই প্ৰতিবেদনৰ যোগে দাঙি ধৰিব খুজিছো। কিবা ভুলভ্ৰান্তি হলে ক্ষমা প্ৰাৰ্থনা মাগিছো।

কাৰ্য্যকালৰ বিৱৰণী :- কাৰ্য্যভাৰ গ্ৰহণকৰিয়েই আমি পোন প্ৰথমে মহাবিদ্যালয়ৰ ক্ৰীড়া আৰু সাংস্কৃতিক সমাৰোহৰ ৩৫ তম মহাবিদ্যালয় সপ্তাহ খনি ২৪-১২-৯৯ তাৰিখৰ পৰা ৩০-১২-৯৯ তাৰিখৰ ভিতৰত উদযাপন কৰো। মহাবিদ্যালয় সপ্তাহ নিয়াৰিকৈ অনুষ্ঠিত কৰাত সাধাৰণ সম্পাদকক মই সম্পূৰ্ণ সহায় সহযোগ আগবঢ়াইছিলো। তদুপৰি ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগীয় সম্পাদক সকলক প্ৰতিযোগিতা সমূহ পৰিচালনা কৰাত সহায় কৰি দিছিলো আৰু নিজেও প্ৰতিযোগিতা সমূহত যোগদান কৰিছিলো। সাংস্কৃতিক সন্ধিয়াখনো সুচাৰুৰূপে পৰিচালনা কৰাত ছাত্ৰ একতা সভাক সহায় কৰি দিয়া অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক ধন্যবাদ যাছিছো।

ছাত্ৰ একতা সভাৰ দ্বাৰা অনুষ্ঠিত হোৱা প্ৰায়ভাগ সভাতেই মই সক্ৰিয় ভাবে অংশগ্ৰহণ কৰিছিলো। প্ৰতিবছৰে অনুষ্ঠিত কৰাৰ দৰে আমাৰ কাৰ্য্যকালতো সৰস্বতী পূজা উৎসৱ ছাত্ৰ-ছাত্ৰীৰ সহযোগিতাত যথা ৰীতি অনুসৰি উদ্যাপন কৰা হৈছিল। ইয়াৰ লগতে মই মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ ওপৰতো কিছু গুৰুত্ব দিছিলো। কিন্তু সম্পূৰ্ণ লাভৱান হব নোৱাৰিলো।

মহাবিদ্যালয়ৰ অভাৱ-অভিযোগ :- আমাৰ মহাবিদ্যালয় খনৰ বহুতো অভাৱ-অভিযোগ থকা দেখা গৈছে। বিশেষকৈ আমাৰ মহাবিদ্যালয়ৰ প্ৰধান শৈক্ষিক পৰিৱেশটো সম্পূণভাবে উন্নত নহয়। ইয়াৰোপৰি মহাবিদ্যালয়ত এটা ছাত্ৰ নিবাস আৰু মহাবিদ্যালয়ৰ চাৰিও বেৰৰ ৰং কৰা আদিৰ ব্যৱস্থা কৰিব লাগে। লগতে মহাবিদ্যালয়ৰ অফিচ-কাৰ্য্যালয় খোলাৰ সময় এঘাৰটাৰ সলনি দহ বজাত হ'ব লাগে। এই বিভিন্ন ক্ষেত্ৰত পৰৱৰ্তী ছাত্ৰ একতা সভা আৰু কলেজ কৃৰ্ত্তপক্ষই গুৰুত্বপূৰ্ণ পদক্ষেপ হাতত লব বুলি আশা ৰাখিলো।

কৃতজ্ঞতা জ্ঞাপন :- মোৰ কাৰ্য্যকালৰ সকলো সময়তে দিহা-পৰামৰ্শ দি সহায় আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা শিক্ষা গুৰু আৰু কৰ্মচাৰীবৃন্দৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰলো। তদুপৰি ছাত্ৰ একতা সভাৰ সমূহ বিভাগীয় সম্পাদকৰ ওচৰত তেওঁলোকৰ দিহা-পৰামৰ্শৰ বাবে মই কৃতজ্ঞ হৈ ৰলো। পম, অজয়, দেৱজিৎ, সীমা, কৃষ্ণা, আতিকুৰ আৰু লগতে মোৰ সকলো বন্ধু-বান্ধৱীয়ে আগবঢ়োৱা সহায়-সহযোগৰ বাবে তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

শেষত মোৰ এই চমু কাৰ্য্যকালত মোৰ জ্ঞাতে-অজ্ঞাতে হোৱা অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ এই বছৰেকীয়া প্ৰতিবেদনৰ সামৰণি মাৰিলো। ডিগবৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যত কামনাৰে-

"জয়তু ডিগবৈ মহাবিদ্যালয়।"

"জয়তু ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।"

"জয় আই অসম।"

শ্ৰী ৰাজীৱ ভট্টাচাৰ্য্য
সহকাৰী সাধাৰণ সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, ১৯৯৯-২০০০ বৰ্ষ



# প্ৰতিবেদন
# গুৰু খেল বিভাগ

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে সমূহ সন্মানীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱ তথা ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো । গুৰু খেল বিভাগৰ সম্পাদক হিচাপে মই কিমানদূৰ কৃতকাৰ্য্যতা লাভ কৰিলো তাৰ বিচাৰ আপোনালোকৰ। ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীলৈ তথা মোৰ বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো।

দায়িত্বভাৰ হাতত লৈয়ে এই বিভাগৰ বিভিন্ন কাম-কাজ সমূহ সুচাৰুৰূপে চলাই নিবলৈ যথাসাধ্য চেষ্টা কৰিছিলোঁ। কাৰ্য্যভাৰ গ্ৰহণৰ কিছুদিনৰ পাছতেই আৰম্ভ হৈছিল ডিগবৈ মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ। এই সমাৰোহত মোৰ শিতানত পাতিব লগা ফুটবল আৰু ক্ৰিকেট খেল পূৰ্বৰ দৰেই লীগ ভিত্তিত খেলাইছিলো। ফুটবল খেলত পূৰ্বৰ বিজয়ীদল কলা শাখাক পোনে পোনে ফাইনেলত প্ৰবেশ কৰোৱাই প্ৰথম খেল বাণিজ্য আৰু বিজ্ঞান শাখাৰ মাজত খেলোৱা হৈছিল। উক্ত খেলত বিজ্ঞান শাখাই বাণিজ্য শাখাক পৰাজিত কৰি ফাইনেলত প্ৰবেশ কৰে। ফাইনেল খেলখন কলা আৰু বিজ্ঞান শাখাৰ মাজত অনুষ্ঠিত হয় আৰু এই খেলত কলা শাখাই বিজ্ঞান শাখাক পৰাজিত কৰি বিজয়ী সন্মান লাভ কৰে। ফাইনেল খেলত 'মেন অৱ দা মেচ' ৰ সন্মান অৰ্জন কৰে পদ্মবিকাশ কোঁচে। এই দুখন খেল সুন্দৰ ভাবে পৰিচালনা কৰি দিয়াৰ বাবে নীলোৎপল শইকীয়া আৰু আইদু গাম চিংফ'লৈ মোৰ অশেষ ধন্যবাদ থাকিল । ক্ৰিকেট খেলতো পূৰ্বৰ বিজয়ীদল কলা শাখাক পোনে পোনে ফাইনেলত প্ৰৱেশ কৰোৱাই প্ৰথম খেলখন বিজ্ঞান আৰু বাণিজ্য শাখাৰ মাজত খেলোৱা হৈছিল আৰু উক্ত খেলত জয়ী হৈ বাণিজ্য শাখাই ফাইনেলত প্ৰৱেশ কৰে। ফাইনেল খেলখন কলা আৰু বাণিজ্য শাখাৰ মাজত অনুষ্ঠিত হয় আৰু এই খেলত বাণিজ্য শাখাই কলা শাখাক পৰাজিত কৰি বিজয়ী সন্মান লাভ কৰে। ফাইনেলত 'মেন অৱ দা মেচ'ৰ সন্মান অৰ্জন কৰে শ্ৰী বিষ্ণুমণি চেতিয়াই। এই দুখন খেল সুন্দৰভাৱে পৰিচালনা কৰাৰ বাবে পৰাগ দাস আৰু মুকুল গগৈ লৈ মোৰ অশেষ ধন্যবাদ থাকিল।

পূৰ্বৰ ৰীতি অনুসৰি সভাপতি একাদশ বনাম সম্পাদক একাদশৰ খেলখন মহাবিদ্যালয়ৰ ছাত্ৰ আৰু শিক্ষকৰ মাজত একতা বজাই ৰখাত সম্বল যোগাইছে। এইবাৰ অনুষ্ঠিত এই খেলখনত সম্পাদক একাদশে সভাপতি একাদশক পৰাজিত কৰে।

মই মোৰ প্ৰতিবেদনৰ দ্বাৰাই সমূহ ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক বিনম্ৰ অনুৰোধ জনাওঁ যে তেওঁলোকে কেৱল শিক্ষা আহৰণত আবদ্ধ নাথাকি এক প্ৰগতিশীল মনোভাৱ লৈ খেলা-ধূলাৰ জৰিয়তে নিজৰ নিজৰ মানসিক প্ৰতিভা বিকাশ কৰাৰ প্ৰচেষ্টা কৰে যেন।

মোৰ কাৰ্য্যকালত সকলো সময়তে দিহা-পৰামৰ্শ দিয়াৰ বাবে অধ্যক্ষ মনেশ্বৰ বৰ্মণদেৱ আৰু অধ্যাপক গৌৰীশংকৰ বুঢ়াগোহাঁই দেৱ আৰু অৰুণ দত্তদেৱ আৰু মোৰ বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক অশোকানন্দ চক্ৰৱৰ্ত্তী দেৱক মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত ডিগবৈ মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জনাই মোৰ কাৰ্য্যকালৰ সময়ছোৱাত হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি মহাবিদ্যালয়ৰ এক সুন্দৰ আৰু মধুৰ ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ ।

জয়তু ডিগবৈ মহাবিদ্যালয়

জয়তু ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

ধন্যবাদেৰে-

শ্ৰীউৎপল গগৈ
গুৰু খেল বিভাগ
ডিগবৈ মহাবিদ্যালয়



# প্ৰতিবেদন
## লঘু ক্ৰিড়া বিভাগ

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, পূজনীয় শিক্ষাগুৰু সকল আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ আন্তৰিক অভিনন্দনৰ লগতে ধন্যবাদ জনাইছোঁ। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু সহপাঠী বন্ধু-বান্ধৱীৰ অনুপ্ৰেৰণাত ১৯৯৯/২০০০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ লঘু ক্ৰিড়া সম্পাদকৰ পদত বিনা প্ৰতিদন্দিতাৰে নিৰ্বাচিত হওঁ।

ছাত্ৰ একতা সভাৰ পৰম্পৰা অনুসৰি কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ৩৫ তম মহাবিদ্যালয় সপ্তাহৰ কাৰ্য্যসূচী হাতত লব লগা হয়। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি চাৰিদিনীয়া কাৰ্য্যসূচীৰে লঘূ ক্ৰিয়া বিভাগৰ প্ৰতিযোগীতা সমূহ অনুস্থিত কৰা হয়। মোৰ বিভাগত থকা বেডমিণ্টন আৰু ভলী খেল সমূহ ভালদৰেই পৰিসমাপ্তি ঘটাইছিলো। খেল সমূহত বহু সংখ্যক প্ৰতিদন্দিয়ে যোগদান কৰাৰ বাবে খেল সমূহ যথেষ্ট আকৰ্ষণীয় হৈ উঠিছিল। প্ৰতিযোগীতা সমূহ নিয়াৰিকৈ পৰিচালনা কৰাত পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা তত্ত্বাবধায়ক শ্ৰীযুতডি. চেদাই চৰে আৰু বৰ্ত্তমানৰ অধ্যক্ষ মহোদয় শ্ৰীযুত মনেশ্বৰ বৰ্মণ চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এইখিনিতে ডিগবৈ মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষক কেইটিমান অভাৱ-অভিযোগৰ বিষয়ে দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মহাবিদ্যালয়খনে অতীজৰে পৰা বিভিন্ন সমস্যাৰ মাজেৰে আগুৱাই গৈ আছে। বহু বছৰে পৰা অভাৱ-অভিযোগ সমূহৰ বিষয়ে আবেদন-নিবেদন কৰি অহা সত্বেও কিছুমান সমস্যা আজিকোপতি সমাধান নহ'ল। এই অভাৱ-অভিযোগ সমূহৰ কেইটামান হল -

(১) মহাবিদ্যালয়ত বেডমিণ্টন আৰু ভলীৰ বাবে দুখন সুকীয়া কৰ্টৰ প্ৰয়োজন।

(২) মহাবিদ্যালয়ৰ খেল পথাৰখনৰ উন্নতি সাধন কৰিব লাগে।

(৩) মহাবিদ্যালয়ত এটা ছাত্ৰ-নিবাস নিমাৰ্ন কৰক ।

(৪) মহাবিদ্যালয়ৰ চৌহদ সুৰক্ষিত কৰা।

(৫) মহাবিদ্যালয়ৰ গোটেই ভৱনটোত চূণ তেলদিয়াৰ ব্যৱস্থা কৰিব লাগে। ইত্যাদি।

কৃতজ্ঞতা :- মোৰ এই কাৰ্য্যালয়ত সু-পৰামৰ্শ দি পৰিচালনাত সহায়ৰ হাত আগবঢ়োৱা তত্ত্বাবধায়ক মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰযুত ডি. চেদাইচাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ ওপৰিও মোৰ কাৰ্য্যলয়ত সকলো সময়তে সহায়-সহযোগ কৰা বন্ধুবৰ্গ ৰাজীৱ, অজয়, সত্যজিৎ, নিতুল, প্ৰাঞ্জল, নীলোৎপল, মিলন, পল্লৱ, ভবেন, দীপক, দেৱজিত, মনোজ, বান্ধৱী চুচীলা, নীৰা, চীমা, মধুমিতা, পল্লৱী, মনদীতা, অৰুনিমা, আৰু বহুতো বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সৰ্বশেষত মোৰ এবছৰীয়া কাৰ্য্যকালত জ্ঞাতে-অজ্ঞাতে হোৱা অনিচ্ছাকৃত ভুলক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ এঔ প্ৰতিবেদনৰ সামৰণি মাৰিলো। ডিগবৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যত কামনাৰে--

"জয়তু ডিগবৈ মহাবিদ্যালয়।"

"জয়তু ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।"

শ্ৰীপদ্মবিকাশ কোচঁ
লঘূক্ৰীড়া বিভাগৰ সম্পাদক



# প্ৰতিবেদন
# সাংস্কৃতিক বিভাগ

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু মৰমৰ বন্ধু-বান্ধৱীলৈকে আন্তৰিক নমস্কাৰ আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। সাংস্কৃতিক বিভাগৰ সম্পাদকৰ গুৰু দায়িত্ব পালনৰ সুবিধা দিয়াৰ বাবে প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছো।

বিগত এটা বছৰৰ কাৰ্য্যকালত মই বিভিন্ন কাৰ্য্যসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত কিমান দূৰ সফল হলো তাৰ বিচাৰ আপোনালোকৰ। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই আমাৰ মহাবিদ্যালয়ৰ "৩৫ তম মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। উক্ত সপ্তাহত মোৰ এই বিভাগত এলানি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। এই প্ৰতিযোগিতা সমূহত অভিলেখ সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল । এই প্ৰতিযোগী সকলৰ ভিতৰত কেইজনমান প্ৰতিযোগীয়ে নিজৰ শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰি পুৰস্কাৰ লবলৈ সক্ষম হয়।

কৃতজ্ঞতা - মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় কৰা আৰু পৰামৰ্শ দিয়া ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰী যুত জি.পি. ভট্টাচাৰ্য্যদেৱ, অধ্যক্ষ মহোদয় শী যুত মনেশ্বৰ বৰ্মনদেৱ, অধ্যাপক শ্ৰীযুত দেৱীচৰণ চেডাই, শ্ৰীযুত মৃণাল গগৈ, শ্ৰীমতী দীপা শৰ্মা বাইদেউ আৰু শ্ৰীমতী আকেলা খানম বাইদেউৰ ওচৰত চিৰদিন কৃতজ্ঞ হৈ ৰ'ম।সেইদৰে সকলোফালৰপৰা সহায় আগবঢ়াই অহা ছাত্ৰ একতা সভাৰ সতীৰ্থ সকল আৰু বন্ধু-বান্ধৱী- অনিল, প্ৰাঞ্জল, প্ৰণৱ, কিশোৰ, অশোক, মাধৱ, ৰবীন, বাপী, দিপক, অজয়, প্ৰভাত,প্ৰকাশ, শ্যাম, পাপু আদি বহুতো লোকলৈ মোৰ অন্তৰভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো। সাংস্কৃতিক সম্পাদকৰ দৰে গুৰু দায়িত্ব পালন কৰোতে যদি কোনো দোষ-ত্ৰুটি ভুল-ভ্ৰান্তি কৰিছিলোঁ তাৰবাবে সকলোৰে ওচৰত ক্ষমা বিছাৰিছোঁ।

জয়তু ডিগবৈ মহাবিদ্যালয়

জয়তু ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

শ্ৰীবিনোদ ছেত্ৰী

সাংস্কৃতিক সম্পাদক



# প্ৰতিবেদন
# সংগীত বিভাগ

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, সন্মানীয় শিক্ষাগুৰু আৰু কৰ্মচাৰী বৰ্গলৈ আন্তৰিক শুভেচ্ছা ও শ্ৰদ্ধা জনাইছো। ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সংগীত বিভাগৰ সম্পাদিকা হিচাপে সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো।

দায়িত্বভাৰ হাতত লৈয়ে এই বিভাগত থকা কাম-কাজ সমূহ অতি কম সময়ৰ ভিতৰতে সুচাৰুৰূপে চলাই যাবলৈ যথাসাধ্য চেষ্টা কৰিছিলো। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই আৰম্ভ হৈছিল ডিগবৈ "মহাবিদ্যালয় সপ্তাহ"। এই সপ্তাহত মোৰ শিতানত পাতিব লগীয়া সকলো সংগীতেই পাতিবলৈ স্থিৰ কৰা হৈছিল। এই সংগীত প্ৰতিযোগিতাত শ্ৰেষ্ঠগায়ক হিচাপে নিৰ্বাচিত হৈছিল শ্ৰী সুভজিৎ দেৱনাথ।

মোৰ কাৰ্য্যকালত কি কৰিছিলো বা নাইকৰা সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। মোৰ কাৰ্য্যকালত সকলো সময়তো দিহা পৰামৰ্শ ও সহায় সহযোগ আগবঢ়োৱাৰ বাবে মোৰ বিভাগীয় ভাৰপ্ৰাপ্ত শ্ৰী যুত বৰুণ দেৱ চাৰৰ লগতে মোক সহায় সহযোগ দিয়া বন্ধুসকলক, যেনে - নীলোৎপল শইকীয়া, পাপৰি শইকীয়া, কৰিণা আৰেং, বিনিতা উপাধ্যায়, পদ্মজা, ৰূপালিম, চিন্তু আৰু বহুতৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সদৌ শেষত মোৰ কাৰ্য্যকালত হৈ যোৱা দোষ-ত্ৰুটিৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা জনাইছো । লগতে ডিগবৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে-

ৰীমি শইকীয়া
সম্পাদিকা
সংগীত বিভাগ



# প্ৰতিবেদন
# সাধাৰণ খেল-ধেমালি

ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ খেল-ধেমালিৰ সম্পাদক হিচাপে অপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাত যি সকল প্ৰিয় সতীৰ্থ,বন্ধু-বান্ধৱীয়ে সহায়-সহযোগিতা আগবঢ়ালে, সেই সকললৈমোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো । প্ৰতিবেদনৰ আৰম্ভণিতে সাধাৰণ খেল-ধেমালিৰ সম্পাদক হিচাপে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ পূজনীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক অভিনন্দন গ্ৰহণ কৰিছো।

ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ (১৯৯৯-২০০০) সাধাৰণ খেল ধেমালিৰ সম্পাদক ৰূপে মোৰ কৰ্মব্যজিত মই কিমানখিনি সফলতা পালো তাৰ বিচাৰৰ দায়িত্ব আপোনালোকৰ। কিন্তু, দায়িত্বভাৰ হাতত লৈয়ে নিজ বিভাগৰ বিভিন্ন কাম-কাজসমূহ সূচাৰুৰূপে চলায় যাবলৈ যথাসাধ্য চেষ্টা কৰিছিলো। কাৰ্য্যভাৰ হাতত লোৱাৰ কিছুদিন পাছতেই আৰম্ভ হৈছিল ডিগবৈ মহাবিদ্যালয়ৰ ৩৫ তম মহাবিদ্যালয় সপ্তাহ সমাৰোহ । মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰিব লগীয়া প্ৰতিযোগিতাসমূহৰ ভিতৰত মোৰ বিভাগতেই সকলোতকৈ বেচি প্ৰতিযোগিতা আছিল । প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ খেলুৱৈ সকলে যাতে কোনোধৰণৰ কষ্ট অনুভৱ নকৰে তাৰ বাবে মই খেলপথাৰ ভালদৰে পৰিচালনা কৰিছিলো । বহুতো ভাল খেলুৱৈয়ে উন্নত মানৰ খেল প্ৰদৰ্শন কৰি আৰু নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি পুৰস্কাৰ আৰ্জিবলৈ সক্ষম হৈছিল । ৩৫ তম মহাবিদ্যালয় সপ্তাহত মহিলাৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ কৃতিত্ব অৰ্জন কৰে শ্ৰী মতী মিতালী লিগিৰা। পুৰুষৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত নহ'ল ।

প্ৰতিযোগিতাত ভাল খেল প্ৰদৰ্শন কৰাটো নিৰ্ভৰ কৰে নিজৰ মনোবল আৰু অবিৰত অনুশীলনৰ ওপৰত। বৰ্তমান আমাৰ সমাজত খেল সম্পৰ্কে এক বিপক্ষ মত পোষন কৰাহে দেখা যায়। কিন্তু মই ভাবো খেল হ'ল এনে এক মাধ্যম যাৰ যোগেদি ব্যক্তিৰ শাৰীৰিক, মানসিক, আবেগিক, নৈতিক, সামৰিক সকলো দিশৰ বিকাশ সাধন হয়। অথাৎ খেলৰ যোগেদিয়ে এক সুস্থ জীৱন গঢ়ি তুলিব পাৰি। যি কি নহওঁক, আমাৰ উঠি অহা প্ৰজন্ময় যাতে খেলক নিজ জীৱনৰ অবিচ্ছেদ্য বিষয় হিচাপে লব পাৰে তাৰ বাবে আমি সকলো সচেতন হব লাগে।

কৃতজ্ঞতা :- মহাবিদ্যালয় সপ্তাহত মোক সকলো ফালৰ পৰা সহায় সহযোগ আগবঢ়োৱা এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰী যুত ৰতন প্ৰধান, মোৰ বন্ধু নীলোৎপল, বিপিন,দীপক সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। মোৰ কাৰ্য্যকালত সকলো সময়তে দিহা-পৰামৰ্শ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত মনেশ্বৰ বৰ্মন, মোৰ বিভাগৰ ভাৰপাপ্ত অধ্যাপক শ্ৰীযুত জয়ন্ত সন্দিকৈ, মহাবিদ্যালয়ৰ শিক্ষাগুৰু শ্ৰীযুত গৌৰী শংকৰ বুঢ়াগোহাঁই আৰু শ্ৰীযুত দেবীচৰণ চেৰাই দেৱলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। মহাবিদ্যালয় সপ্তাহৰ অলিম্পিক শিখা প্ৰজ্বলন কৰি প্ৰতিযোগিতাক শুভাৰম্ভ কৰাৰ বাবে ৩৩ আৰু ৩৪ তম মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ খেলুৱৈ শ্ৰীনীলোৎপল শইকীয়ালৈ ধন্যবাদ জ্ঞাপন কৰিলো। মহাবিদ্যালয় সপ্তাহৰ খেল সমূহত শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰা অথবা খেলত অংশগ্ৰহণ কৰা সকলো খেলুৱৈৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিব বুলি আশা ৰাখিলো।

শেষত ডিগবৈ মহাবিদ্যালয়ৰ সবাংগীন উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰিলো।

জয়তু ডিগবৈ মহাবিদ্যালয়

জয়তু ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

শ্ৰীঅমৰ উপাধ্যায়
সাধাৰণ খেল ধেমালিৰ সম্পাদক
ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা



## SECRETARIAL REPORT
# Social Service

At the very onset of this letter, I would like to thank all the students of Digboi college, respective secretaries, all the teachers specially prof. T.C. Dutta and my room-mates for their kind co-operation all through the year. Without whom, no work had been possible.

It was really a nice experience for me to spend my few moments with Digboi College Students' Union. Frankly speaking, I have got lot and lots of help from each and every students, teachers and President (D.C.S.U.) Sri M. Barman (Principal), which let me feel proud of my Digboi college.

Heartiest thanks to Ishwar, Sanjit, Deepak, Madan, Raju, Ajoy, Sachin, Ramesh, Anirodh for being there, where I needed them. I owe thanks to Miss Dola Roy, Miss Padmini, Dimpi, Archana, Uma, Anju for their extravagant job in making a beautiful 'ALPANA' for Saraswati Puja during my working tenure.

I express my high sense of gratitude to Sri Bipul Upadhyay, Sri Basudev Chetry, Sri Devendra Choudhury, Sri Pradeep Sharma, of course unforgettable Sri Rajib Bhattacharjee (A.G.S.-Arts) Sri Utpal Gogoi (Major Games Sect.) for their unstinted co-operation extended during the Saraswati Puja and in every step that I make.

Lastly, once again my special thanks to those who have helped me directly or indirectly for making my job complete and to Sri Neelutpal Saikia (Magazine Secretary) for including my letter in this college magazine.

Long Live Digboi College.

Gobind Sharma
Social Service Secretary
D.C.S.U. - 1999-2000



## SECRETARIAL REPORT
## Girls' Common Room

At the very begining I pay my respect to our Principal and Professor and love to our younger brothers and sisters and I would like to thank all my dearest friends for giving me an opportunity to serve in favour of Digboi College as a Girls Common Room Secretary for the session 1999-2000.

I shall remain ever greatful to my prof-in-charge Mrs. Aparajita Gogoi for advising and helping me to carry on my works successfully. And thanks to my dearest friends of 'Digboi College' who has sacrificed their valuable time with me in my needed hour.

That I congratulate to all the Champions, Runners and Winners, who has participated in different section like, sports, music etc.

I Commemorate the happiest occasion of the dutiful moments during my short tenure of secretary post. When I have got the hearty Co-operation respect, and regards, kindness, love from all of you. (Teaching Staff/Student)

I will carry this sweet memory for all the days in rest of my life time and convey to my generation too.

With regards and best wishes from
Korina Areng



# প্ৰতিবেদন
# ছাত্ৰ জিৰণি কোঠা

প্ৰতিবেদনৰ প্ৰাক মুহূৰ্ত্তত ডিগবৈ মহাবিদ্যালয়ৰ সমূহ সন্মানীয় শিক্ষা গুৰু, কৰ্মচাৰী বৃন্দ, বন্ধু-বান্ধৱী আৰু ছাত্ৰ-ছাত্ৰী সকললৈ আন্তৰিক হিয়াভৰা শ্ৰদ্ধা নিবেদিছো। ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ "ছাত্ৰ জিৰণি কোঠাৰ" সম্পাদক হিচাপে মোক আপোনালোকৰ বহুমূলীয়া ভোট দি নিৰ্বাচন কৰাৰ বাবে মই সমূহ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰী সকললৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো। সম্পাদক হিচাপে মই নিজৰ দায়িত্ব পালন কৰিবলৈ সক্ষম হৈছো নে নাই হোৱা সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়।

দায়িত্বভাৰ হাতত লৈয়েই বিভাগৰ বিভিন্ন কামসমূহ সূচাৰুৰূপে চলাই যাবলৈ যথাসাধ্য চেষ্টা কৰিছিলো। কাৰ্য্যভাৰ গ্ৰহণৰ কিছুদিন পিছতেই আৰম্ভ হয় "মহাবিদ্যালয় সপ্তাহ" সমাৰোহ। উক্ত মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত মাত্ৰ তিনিটা খেলৰ আয়োজন হয়। তিনিওটা প্ৰতিযোগিতাত অসংখ্য প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। বিশেষকৈ টেবুল টেনিচ প্ৰতিযোগিতাৰ ছিংগলচ্ আৰু ডাবোলচ্‌ৰ ফাইনেল খেলখন চাই দৰ্শকে আনন্দ লাভ কৰিছিল।

কৃতজ্ঞতা স্বীকাৰ :- সম্পাদকৰ কামসমূহ সূচাৰুৰূপে আগবঢ়াই নিয়াত মোক বিভিন্ন দিশত সহায়-সহযোগ আৰু দিহা-পৰামৰ্শৰে অনুপ্ৰেৰণা যোগোৱা ছাত্ৰ জিৰণি কোঠাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত এইচ. পি. শৰ্মাচাৰলৈ,ছাত্ৰ একতা সভাৰ সভাপতি তথা অধ্যক্ষ শ্ৰীযুত মনেশ্বৰ বৰ্মণ চাৰলৈ, মোক বিভিন্ন দিশত সকলো সময়তে সহায়-সহযোগ আগবঢ়োৱা ছাত্ৰ বন্ধু সকল জয়ন্ত কুমাৰ বড়া, যুগল সেনাপতি, পংকজ বৰা, অলকো প্ৰতিম বৰা, ৰাজীৱ ভট্টাচাৰ্য্য, কিশোৰ শৰ্মা, ৰূপম কাকতি, সোণমণি শইকীয়া, ৰিদিপ শৰ্মা আদিলৈ মোৰ কৃতজ্ঞতা ও ধন্যবাদ জনালো।

শেষত মোৰ এই প্ৰতিবেদনৰ যোগেদি সমূহ ছাত্ৰ-ছাত্ৰীলৈ অনুৰোধ যেন তেওঁলোকে কেৱল শিক্ষা আহৰণতে আৱদ্ধ নাথাকি সামাজিক দিশটো লিপ্ত থাকি সহায়- সহযোগ আগবঢ়াব পাৰে আৰু লগতে ক্ৰীড়া ফাললৈও আগ্ৰহ দিয়ে যাতে আন্তঃমহাবিদ্যালয়ৰ প্ৰতিযোগিতাত আমাৰ ডিগবৈ মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনিবলৈ চেষ্টা কৰে যেন।

সদৌ শেষত যদি মোৰ কাৰ্য্যকালত কিবা ভূল-ক্ৰুটি হৈ গৈছে তাৰবাবে সকলোৰে ওচৰত ক্ষমা মাগিছো। পুণৰবাৰ ডিগবৈ মহাবিদ্যালৰ সদৌটিলৈকে হিয়াভৰা মৰম যচাঁৰ লগতে ডিগবৈ মহাবিদ্যালয়ৰ উজ্জল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিছো।

জয়তু ডিগবৈ মহাবিদ্যালয়।
জয়তু ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-সন্থা।

ধন্যবাদেৰে
পাপু সোনোৱাল।
ছাত্ৰ জিৰণি কোঠা বিভাগ
ডি: ম: ছা: এ: স:
১৯৯৯-২০০০

# RESULT OF THE 35 TH ANNUAL COLLEGE WEEK 1999-2000

## General Sports



**Boy's:-**

100 mt. Race :-
- 1st - **Neelutpal Saikia.**
- 2nd - **Sanjib Chetri.**
- 3rd - **Diganta Sonowal.**

200 mt. Race :-
- 1st - **Sanjib Chetri.**
- 2nd - **Diganta Sonowal.**
- 3rd - **Nitumoni Gogoi.**

400 mt. Race :-
- 1st - **Chanjib Chetri.**
- 2nd - **Diganta Snowal.**
- 3rd - **Amuldhan Chakma.**

800 mt. Race :-
- **Amuldhan Chakma.**
- **Tilak Karki.**
- **Diganta Sonowal.**

150 mt. Race :-
- **Prahlad Boruah.**
- **Sarat Talukdar.**
- **Dambar Br.Chetty**
- **Sanjoy Gogoi.**

Long jump :-
- **Nitumoni Gogoi.**
- **Sanjib Chetri.**
- **Partha pratim Baruah.**

High Jump :-
- **Partha Pratim Baruah.**
- **Netumoni Gogoi.}**
- **Prahlad Baruah.**
- **Suddep Dutta.**

Triple Jump :-
- **Netumoni Gogoi.**
- **Chandra Chetia.**
- **Prahlad Baruah.**

Shot Put :-
- **Prasanta Buragohain.**
- **Prabin Chetia.**
- **Arbind Misra.**

Jeveline :-
- **Prasanta Buragohain.**
- **Sanjoy Kr. Das.**
- **Abhijit Gogoi.**

Relay 100 X 4mt.

1st :-
- **Neelutpal Saikia.**
- **Nitumoni Gogoi.**
- **Sanjib Chetri.**
- **Diganta Sonowal.**

2nd :-
- **Hira Phukan.**
- **Chintu Sonowal.**
- **Sanju Kr. Soner.**
- **Bitu Bakalial.**

3rd :-
- **Prahlad Baruah.**
- **Krishna Sonowal.**
- **Utpal Gogoi.**
- **Palab Baruah.**

**Girl's:-**



100 mt. Race :-
- **Mital Ligira**
- **Pratibha Sonowal.**
- **Banti Gogoi.**

200 mt.Race :-
- **Mitali Ligira.**
- **Pratibha Sonowal.**
- **Krishna Chowla.**

400 mt. Race :-
- **Mitali Ligira.**
- **Krishna Chowla.**
- **Lipika Buragohain.**

Long Jump :-
- **Pratibha Sonowal.**
- **Krishna Chowla.**
- **Mitali Ligira.**

Shat Put -
- **mitali Ligira.**
- **Madhumita Buragohain.**

Discuss -
- **Mitali Ligira.**
- **Madhumita Buragohain.**
- **Pratibha Sonowal.**

Jevline -
- **Madhumita Buragohain.**
- **Mitali Ligira.**
- **Nitu Thapa.**

Best Athlete (Girl's) -
- **Mitali Ligira.**



## MAJOR GAMES

FOOTBAL
- **Winner (Arts Stream)**
- **Runners up (Science Stream)**

CRICKET
- **Winner (Commerce Stream)**
- **Runners up (Arts Stream)**

# MINOR GAMES

**Badminton Boy's (Single)**

Champon- Shri Milon Gogoi.
Runners Up- Shri Nitul Nath.

**Badminton Boy's (Doubles)**

Champion- Shri Palku Bora.
Shri Ajit Biswakarma.
Runners Up- Shri Nitul Nath.
Shri Pankaj Gogoi.

**Badminaton Girl's (Single)**

Champion- Miss Meenakshi Saikia.
Runners Up- Miss Dimpee Buragohain.

**Badminton Girl's (Doubles)**

Champion- Miss Meenakshi Saikia
Miss Runa Devi.
Runners Up- Miss Rupali Deka.
Miss Apsara Dulal.

**Volley Ball**

Winer :- (Arts Stream)
Shri Jugal Senapati.
Neelutpal Saikia.
Robi Sonowal.
Sachindra Gogoi
Hira Phukan.
Chintu Sonowal.
Sonjoy.
Jitendra Singh.
Siba Kr. Pradhan.

# MUSIC SECTION :-

**Borgeet**

2nd Prize- Madan Sonowal.
3rd Prize- Bnita Upadhya.

**Lorgeet**

1st Prize- Subhajit Debnath.
Consolation-Bhupen Gogoi.

**Jyoti Sangeet**

1st Prize- Subhajit Debnath.
Consolation-Jatin Das.

**Rabha Sangeet**

Consolation-Subhajit Debnath.

**Gazel**

1st Prize- Subhajit Debnath.
2nd Prize- Binita Upadhyaya.
3rd rize- Korina Areng.

**Bhajan**

1st Prize- Binita Upadhyaya.
2nd Prize- Subhajit Debnath.

**Rabindra Sangeet**

1st Prize- Subhajit Debnath.
Consolation-Binita Upadhyaya.



**Guiter**

1st Prize- Ishwar Rai.
2nd prize- Om Kumar Thapa.
3rd Prize- Sanjit Sutradhar.

**Modern Song**

1st Prize- Subhajit Debnath.
2nd Prize- Freedi Rehman.
3rd Prize- Binita Upadhaya.

**Bihu Geet**

1st Prize- Bidyut Gogoi.
2nd Prize- Utpal Gogoi.
3rd Prize- Bhupen Gogoi.

## Best Singer- Subhajit Debnath.

**Cultural Section-**

Poem Recitation (English)
1st - Rashmi Dutta.
2nd - Joydeepa Bhattacharjee.
3rd - Dipayan Bhattacharjee.

Poem Recitation (Assamese)
1st - Dharani Lahan.
2nd - Prakash Thapa.
3rd - Binita Upadhaya.

Mono Acting Competition
1st - Rupjyoti Sharma.
2nd - Dharni Lahan.
3rd - Tinku Choudary.

Self Composed Competition (Poem)
1st - Rashmi Dutta.
2nd - Parbhat Ch. Upadhaya.
3rd - Dipayan Bhattcharjee.

Self Composed Competition (Story)
1st - Dharni Lahan.
2nd - Dipan Bhattcharjee
3rd - Pranab Saikia.

Spot Essay Competition
1st - Dipanwita Chakrabati.
2nd - Dharani Lahan.
3rd - Indranil Chakrabaty.

Drawing and Painting Competition
1st - Sreema Borah.
2nd -Dibanshu Rakhit.
3rd - Abul X-aman.

Drama Competition
Best Drama - Hun moinar biya (সোণ মইনাৰ বিয়া)
Best Actor - Raju Hazarika.
2nd Best Actor - Simanta Gogoi.
Special fimal role - Padmaja Khound.

( বি: দ্র: অন্যান্য বিভাগীয় সম্পাদক সকলৰ পৰা কলেজ সপ্তাহৰ ফলাফল সমূহ নোপোৱাৰ বাবে সেই বিভাগসমূহৰ ফলাফল প্ৰকাশ কৰিব পৰা নগ'ল। )

# OUR EX-EDITORS

| | | | |
|---|---|---|---|
| 01. | Damboru Saikia | - | 1972-73 |
| 02. | Siva Prasad Talukdar | - | 1975-76 |
| 03. | Pradip Phukan | - | 1976-77 |
| 04. | Ajit Kr.Borah | - | 1978-79 |
| 05. | Ramesh Gogoi | - | 1980-81 |
| 06. | Robin Roy | - | 1981-82 |
| 07. | Narendra Hazarika | - | 1982-83 |
| 08. | Prabin Momin Rajkhowa | - | 1983-84 |
| 09. | Arun Paul | - | 1984-85 |
| 10. | Ranjit Phukan | - | 1986-87 |
| 11. | Pabitra Kr. Gogoi | - | 1987-88 |
| 12. | Dipan Kr. Borah | - | 1988-89 |
| 13. | Noyan Moni Borah | - | 1989-90 |
| 14. | Kamala Kanta Buragohain | - | 1990-91 |
| 15. | Rudra Bahadur Chetry | - | 1991-92 |
| 16. | Gonesh Bahadur Chetry | - | 1992-93 |
| 17. | Dipak Kr. Chetry | - | 1993-94 |
| 18. | Ramoni Buragohain | - | 1994-95 |
| 19. | Ralib Saikia | - | 1995-96 |
| 20. | Pritom Kumar Khaund | - | 1996-97 |
| 21. | Bhuvendra Sharma | - | 1997-98 |
| 22. | Prafulla Sonowal | - | 1998-99 |

**And this issue is edited by - Neelutpal Saikia**


ডিগবৈ মহাবিদ্যালয়









